মঙ্গলদৈ মহাবিদ্যালয়

# আলোচনী

মঙ্গলদৈ মহাবিদ্যালয়



সম্পাদক • শ্ৰীমিনাৰাম হাজৰিকা

## ॥ মঙ্গলদৈ মহাবিদ্যালয় সংগীত ॥

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পুণ্যভূমি ॥ ১ ॥
অজ্ঞানতাৰ অমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী ।
বিকশিত আজি শত শত দল
তোমাৰ চৰণ চুমি ॥ ২ ॥
বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বাণ
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান ॥
তোমাৰ আভাত হওঁক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি ॥ ৩ ॥

— প্ৰভাত চৌধুৰী

---

সম্পাদনা সমিতি

□ সভাপতি
অধ্যক্ষ ড° পূৰ্ণ চন্দ্ৰ বৰা
□ উপ-সভাপতি
অধ্যাপক শ্ৰীজামালুদ্দিন আহমেদ
□ তত্ত্বাৱধায়ক
অধ্যাপক শ্ৰীযুত মতিৰাম মেধি
□ সদস্যবৃন্দ
প্ৰণৱ বৰদলৈ (প্ৰতাপ)—সাধাৰণ সম্পাদক। শান্ত নাথ—সাহিত্য সম্পাদক, এম. চালেউদ্দিন আহমেদ, গিৰীশ ভূঞা, উৎপল হাজৰিকা, মিছ নিশা ফাটোৱালী, মিছ কৰবী শইকীয়া
□ সম্পাদক
মিনাৰাম হাজৰিকা

---

শ্ৰীমতিৰাম মেধি এম. এ. এম. ফিল.
ভাৰপ্ৰাপ্ত অধ্যাপক

শ্ৰীমিনাৰাম হাজৰিকা
সম্পাদক

## ✽ ✽ সম্পাদকীয় ✽ ✽



'সাহিত্য' জাতিৰ মেৰুদণ্ড স্বৰূপ। এই মেৰুদণ্ডক কেন্দ্ৰ কৰিয়েই কোনো এটা জাতিৰ ভৱিষ্যত নিৰূপণ কৰিব পাৰি। আনহাতে সাহিত্য জাতিৰ দাপোণ। এই দাপোণতেই জাতিটোৰ সকলোটি দিশ দেখা পোৱা যায়। এটা জাতিৰ আনৰ সৈতে ভাবৰ আদান-প্ৰদান কৰাত সহায় কৰে ভাষাই। সেয়ে ভাষাও আমাৰ জাতিৰ বিকাশৰ মুখ্য সাৰথি। ভাষাহীন সাহিত্য কল্পনাতীত। ভাষাহীন সাহিত্যৰ উদাহৰণ পৃথিৱীত নাই। ভাষা সাহিত্যৰ প্ৰাণ। ভাষাৰ গঠনৰ সৈতে সাহিত্যৰ গভীৰতাৰ সম্পৰ্ক অতি ওচৰ। অৱশ্যে পৰিবেশে যে ইয়াৰ ওপৰত প্ৰভাৱ পেলায় তাক অস্বীকাৰ কৰিব নোৱাৰি।

সাহিত্য এটা জাতিৰ ভাষাৰ মূৰ্ত প্ৰকাশ। প্ৰকৃততে সাহিত্য কেনেকুৱা হোৱা উচিত (?) ইয়াৰ উত্তৰ হয়তো এনে ধৰণেই দিব লাগিব—সাহিত্য হৈছে মনপ্ৰাণ জুৰ পেলাব পৰা, উতলা কৰিব পৰা, যুৱক-যুৱতীৰ প্ৰাণত বসন্তৰ বা' লগাব, পৰা বৃদ্ধকালত ঈশ্বৰপ্ৰাপ্তিৰ চেতনা জগাই তুলিব পৰা, দেশৰ দুৰৱস্থাৰ সময়ত, বিদ্ৰোহৰ সময়ত অত্যাচাৰী শাসকৰ শোষকৰ বিৰুদ্ধে একগোট হ'বলৈ বিদ্ৰোহৰ অগনি জ্বলাই দিব পৰা, বিপথগামী সমাজক গঠনমূলক নীতিৰে এক গোট কৰিব পৰা, অন্ধক পোহৰ দিব পৰা, স্থিতিশীলতাক প্ৰগতি মুখী কৰিব পৰা এক অনাবিল অফুৰন্ত শক্তি নিহিত থকা ভাষাৰ মূৰ্ত প্ৰকাশ। সাহিত্যই সমাজৰ প্ৰকৃত সত্বাটো দেখুৱাব পাৰিব তেতিয়াহে, যেতিয়াই সাহিত্য ৰাজনীতিৰ মেৰপাকৰপৰা আঁতৰত থাকিব আৰু এদল প্ৰকৃত সাহিত্যকৰ (সেৱকৰ) সেৱা লাভ কৰিব। ৰাজনীতিৰসৈতে জড়িত থকা সাহিত্যই প্ৰকৃততে সমাজৰ এটা ফালৰ কথাহে অংকন কৰে, ইয়াৰ মূলতে হ'ল তাৰ ওপৰত থকা ৰাজনীতিৰনিয়ন্ত্ৰণ। ...... সেয়ে সাহিত্য সদায় স্বাধীন হৈ থাকিব লাগে; অৰ্থাৎ আনৰ প্ৰভাৱৰপৰা মুক্ত হ'ব লাগে।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰৰ ভাৱ প্ৰকাশৰ মুখপাত্ৰ হ'ল আলোচনীখন। এই আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ কলমৰ মাজেৰে সমাজৰ, মহাবিদ্যালয়ৰ সমস্যা, জটিলতা আঁতৰাই সুন্দৰতা, সৰলতা অনাৰ এক বাহক স্বৰূপ। এনেধৰণৰ আলোচনী-বাতৰি আদিয়ে বহুসময়ত, বহু পৰিবেশত, জনসাধাৰণক নতুনত্ব পোৱাৰ নতুন পথ দেখুৱাই দিছে। বিশৃংখলতাক শৃংখলাবদ্ধ কৰিবলৈ বৰ্ত্তমান অৱস্থাত আমাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মহাবিদ্যালয়ৰ আলোচনীখনেই হ'ল মাধ্যম স্বৰূপ। এইবাৰৰ আলোচনী খনে ইয়াৰে এটি প্ৰচেষ্টা।

**ব্যক্তিগত :**—এখন সুন্দৰ আলোচনীৰ এজন ভাল সম্পাদক হোৱাৰ ইচ্ছা মোৰ অতি সৰুকালৰ! এইবেলি এই ইচ্ছা সফল হোৱাত আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ গুৰুভাৰ বহন কৰিছোঁ। অজানিতে কৰা ভুলদোষৰ বাবে মই মহাবিদ্যালয়ৰ অধ্যাপকমণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিছাৰিছোঁ। অতি কম সময়ৰ ভিতৰতে আলোচনীখন ছপাব লগা হোৱাত ইয়াৰ দোষ-ক্ৰুটি সহৃদয় পাঠক আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ বিচাৰ্য্য।

**কৃতজ্ঞতা :**- মঙ্গলদৈ মহাবিদ্যালয় আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত আমাৰ অধ্যক্ষ মহোদয়, ভাৰপ্ৰাপ্ত অধ্যাপক, সাহিত্য বিভাগৰ সম্পাদকসমূহ, অধ্যাপকমণ্ডলী, সমূহ কৰ্ম্মচাৰীবৃন্দ, মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সদস্যবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীক বিভিন্ন দিশত সহায় কৰা বাবে মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জনালোঁ। শেষত আলোচনী খনৰ উত্তৰোত্তৰউন্নতি কামনা কৰিলোঁ।

শ্ৰীমিনাৰাম হাজৰিকা (সম্পাদক)
আলোচনী বিভাগ

## ॥ বিষয় ক্রম ॥

### প্ৰবন্ধৰ শৰাই


| | | |
|---|---|---|
| ঈশ্বৰৰ উপকাৰিতা | ॥ ১ ॥ | শ্ৰীদেবী দাস নেওঁগ |
| অসমীয়া সংস্কৃতিৰ জনক | ॥ ৫ ॥ | শ্ৰীলক্ষণ ডেকা |
| মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ক্ত ষষ্ঠ ইন্দ্ৰিয়ৰ বাতৰি | ॥ ১০ ॥ | ড° পূৰ্ণ চন্দ্ৰ বৰা |
| অসম কেশৰী জীৱন্ত আগ্নেয়গিৰি | ॥ ১৩ ॥ | শ্ৰীকলেন্দ্ৰ দেৱ শৰ্ম্মা |
| দৰঙীয়া কৃষ্টিত এভুমুকি | ॥ ২০ ॥ | শ্ৰীবিজয় কুমাৰ শৰ্মা |
| নগ্নতাবাদ | ॥ ৩২ ॥ | মঃ আফতাবুদ্দিন আহমেদ |
| বিহু সংস্কৃতিত জনজাতীয় উৎস | ॥ ৩৮ ॥ | শ্ৰীৰজিতা কলিতা |
| জ্যোতি প্ৰসাদৰ 'লভিতা' নাটত এটি বাস্তৱবাদী নাৰী চৰিত্ৰ লভিতা | ॥ ৪০ ॥ | কুমাৰী ননীমণি মজুমদাৰ |
| হুৰবাৰ "শূন্য পৰিচয়" এটি চমু আলোচনা | ॥ ৪৫ ॥ | ডিম্বেশ্বৰ বৰুৱা |
| অণাবিক বোমা | ॥ ৪৯ ॥ | এম, চালেহউদ্দিন আহমেদ |
| অসমীয়া সাহিত্যত ৰমন্যাসবাদ | ॥ ৫৪ ॥ | শ্ৰীকনক চহৰীয়া |
| ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান | ॥ ৫০ ॥ | মিচ্ দীপাঞ্জলি বৰুৱা |
| দৰঙ্গত মাঘৰ দোমাহী | ॥ ৬১ ॥ | ড° নবীনচন্দ্ৰ শৰ্মা |
| অসম কেশৰী অম্বিকাগিৰি ৰায় চৌধুৰী (বাণী বিন্যাত) | ॥ ৬৮ ॥ | শ্ৰীকুলেন্দ্ৰ দেৱ শৰ্মা |


### কবিতাৰ শৰাই


| | | |
|---|---|---|
| অমৃতৰ সন্ধানত | ॥ ১ ॥ | ডিম্বেশ্বৰ বৰুৱা |
| অন্ধ | ॥ ২ ॥ | মঃ আয়েজুৰ ৰহমান |
| সীমাহীন প্ৰশ্ন | ॥ ৩ ॥ | শ্ৰীতৃষ্ণা বৰুৱা |
| সংকল্প | ॥ ৪ ॥ | মঃ জালাল উদ্দিন আহমেদ |
| প্ৰতিশ্ৰুতি :— মৃত্যুঞ্জয়ৰ | ॥ ৫ ॥ | শ্ৰীবলো মণি ৰাজবংশী |
| মোৰ দেশ আৰু মানুহৰ | ॥ ৬ ॥ | কুমাৰী ননীমণি মজুমদাৰ |
| অপৰূপা | ॥ ৭ ॥ | শ্ৰীকনকলতা দেবী |
| ওৱেচিচ | ॥ ৮ ॥ | ইনামোৰ হুছেইন |
| দুপৰ ৰাতিও উজাগৰে থাকোঁ | ॥ ৯ ॥ | শ্ৰীভানু হাজৰিকা |

| | | |
|---|---|---|
| কাল ওৰফে সৃষ্টি | ॥ ১১ ॥ | মুছাদ্দিক হুছেইন |
| তোমালে মনত পৰে | ॥ ১২ ॥ | শ্ৰীজিতেন হাজৰিকা |
| সঁচা মৰম নাথাকিলে | ॥ ১৩ ॥ | শ্ৰীধনেশ্বৰ বৰুৱা |
| শব্দৰ নতুন খেতিয়ক | ॥ ১৪ ॥ | শ্ৰীচিত্ৰজ্যোতি নাথ |
| এমুঠি কবিতা | ॥ ১৫ ॥ | শ্ৰীচন্দ্ৰ কান্ত হাজৰিকা |
| স্বাগত হে মাতৃৰ পূজাৰী | ॥ ১৬ ॥ | মিচ ডিম্ব হাজৰিকা |
| চাৰ্কাচৰ বাঘ | ॥ ১৬ ॥ | শ্ৰীসাধিৰাম বৰা |
| মোৰ দেশ | ॥ ১৭ ॥ | শ্ৰীপবিত্ৰ কুমাৰ শৰ্ম্মা |
| কবিতা ৰচা নহ'ল | ॥ ১৮ ॥ | শ্ৰীকণপ্ৰভা চহৰীয়া |
| আক্ষেপ | ॥ ১৮ ॥ | শ্ৰীঅতুল কুমাৰ মেধি |
| বিষ্ণু ৰাভালৈ এটি প্ৰশ্ন | ॥ ১৯ ॥ | শ্ৰীকৃষ্ণ কান্ত বৰা |
| দুটি গীত | ॥ ২০ ॥ | শ্ৰীদিগন্ত কুমাৰ বৰুৱা |
| মাদাৰ টেৰেছা | ॥ ২১ ॥ | মিছ চফিকা চুলতানা বেগম |
| এটি তেজৰঙা গোলাপৰ কলি | ॥ ২২ ॥ | শ্ৰীধৰ্ম্মকান্ত বৰুৱা |
| গীত | ॥ ২৩ ॥ | ইদ্ৰিছ আলী |
| অসহায় যীশু | ॥ ২৩ ॥ | মিচ ফুলপ্ৰিয়া ডেকা |
| দুটি কবিতা | ॥ ২৪ ॥ | অধ্যাপক ৰমেন ৰায় |


গল্পৰ শৰাই


| | | |
|---|---|---|
| মৰীচিকা | ॥ ১ ॥ | সাগৰিকা চহৰীয়া |
| জোৱাৰ ভাটা | ॥ ৫ ॥ | শ্ৰীভবেন্দ্ৰ বড়ো |
| এটি গল্প, নাম প্ৰকল্প | ॥ ৮ ॥ | শ্ৰীপ্ৰভাত চন্দ্ৰ ডেকা |
| যন্ত্ৰ-মানব-কাৰখানা | ॥ ১১ ॥ | শ্ৰীশিশিৰ (শশীম) বৰদলৈ |
| দুখন ছবি | ॥ ১৮ ॥ | মিচ্ বিভা বৰদলৈ |


নাটৰ শৰাই


| | | |
|---|---|---|
| অসমীয়া কথাছবিৰ নামেৰে লিখা এখন চিঠি | ॥ ১ ॥ | নৱজ্যোতি শৰ্ম্মা |
| একাংকিকা - আইডেনটিটি কাৰ্ড | ॥ ২ ॥ | মিছ জামিউন নেচা ( বুলিন ) |


**English Section**


| | | |
|---|---|---|
| A Decade of Assam | ॥ 2 ॥ | Sadhi Ram Borah |
| O' Little Stars | ॥ 2 ॥ | Siba Prasad Baruah |
| Powerful God | ॥ 3 ॥ | Md. Asadullah Ahmed |
| A Road Victim | ॥ 3 ॥ | Nihar Ranjan Mishra |
| Literacy Among the Tribals of Darrang District | ॥ 4 ॥ | G. C. Goswami |
| Geographical Setting of the Mangaldai Town Area | ॥ 10 ॥ | Mati Ram Medhi |

## মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্য্যালয়



কৰ্মৰত অৱস্থাত অধ্যক্ষ ড° পূৰ্ণচন্দ্ৰ বৰা

# মহাবিদ্যালয়ৰ বিভিন্ন অভাব-অভিযোগ



অসমৰ শিক্ষামন্ত্ৰী মাননীয় শ্ৰীযুত বৃন্দাবন গোস্বামীক মঙ্গলদৈ মহাবিদ্যালয়ৰ বিভিন্ন অভাব অভিযোগ সম্পৰ্কে সাধাৰণ সম্পাদক শ্ৰীপ্ৰণৱ বৰদলৈ ( প্ৰতাপ ) য়ে স্মাৰক পত্ৰ দিয়া দেখা গৈছে ।

# ঈশ্বৰৰ উপকাৰিতা

● দেবী দাস নেওগ, এম. এ. এল. এল. বি.
অধ্যাপক, দৰ্শন বিভাগ

{ ইতিহাসে চুকি পোৱা দিনৰে পৰা মানুহৰ ধ্যান-ধাৰণা, মূল্যবোধ সলনি হৈ আহিছে। কিন্তু ঈশ্বৰ-বিশ্বাস হলে আজিও অটুট হৈ আছে। মূৰ্ত্ত বস্তুৱেই হওক বা অমূৰ্ত্ত ধাৰণাই হওক বিশেষ কিবা উপকাৰ নাপালে মানুহে ডাষ্টবিনত দলিয়াই পেলায়। কি বা কেনেকুৱা উপকাৰ পোৱা বাবে মানুহে আজিও ঈশ্বৰ-বিশ্বাসক ডাষ্টবিনত ঠাই দিয়া নাই তাৰেই এটি চমু আলোচনা কৰিবলৈ প্ৰবন্ধটোত চেষ্টা কৰা হৈছে। }

—অস্তিত্ব থাকক বা নাথাকক ঈশ্বৰৰ উপকাৰ হ'লে আছে।

আজি কালি বিবেকক বৰকৈ আসৈ দিলে নচলে। কেনেবাকৈ চলিলেও পৰিবাৰৰ মুখখনো বৰকৈ চলে। '...... লগৰ মানুহে ক'ত কি কৰিলে। আমাৰ এইজনাৰহে ভদ্ৰলোক হবলৈ যাওঁতে টিকা ওলাল। সঁথন নোহোৱা মানুহ ক'ৰবাৰ ......'। কিমান—শুনিব? ধৰ্য্যৰো এটা সীমা আছে। কথাষাৰো জানো মিছা? জধলা কাপোৰ পিন্ধি পদব্ৰজে বা ভগা চাইকেলখনত উঠি কোনোবা 'বৰ মানুহ'ৰ ঘৰলৈ যাওক। বৰ মানুহজন কোনোবা মায়াবাদী ( ব্ৰহ্ম সত্য জগত মিথ্যা বুলি কোৱা ) বাবাৰ শিষ্য হলেও দাৰোৱান, চাপ্ৰাচী বা বাহাদুৰ নামধাৰী লগুৱাই গেটৰ মুখতে দাৰোগাই গৰুচোৰক জেৰা কৰাৰ দৰে চকু বখলিয়াই আপোনাক জেৰা কৰিবহি—'কৰ মানুহ, কি লাগে, কি নাম, পিতাৰ নাম, ঠিকনা, গাওঁ, মৌজা, থানা ......'? কপাল ভাল হ'লে চিৰিৰ ওচৰত ঠিয় হৈ বা ইতৰজনৰ বাবে বাৰান্দাত পাৰি থোৱা বেঞ্চখনত বহি বৰমানুহৰ আগমনলৈ অপেক্ষা কৰিবলৈ অনুমতি পাব। ফিট্‌ফাট্‌ সাজপাৰ কৰি চিক্‌মিকিয়া গাড়ীত উঠি যাওক। "বৰমানুহ" ঘৰত নাথাকিলে মেমচাহাবেই ( বগাচাহাব যোৱাৰ পিছত বৰমানুহৰ ঘৰৰ ধুমকলী কেইজনীয়েই মেমচাহাব হ'ল ) ওলাই আহি কাৰ্পেট পৰা ড্ৰইংৰুমৰ সুকোমল চোফাত বহুৱাই

আমাৰ গণতন্ত্ৰ মানে হ'ল ভোট গোটোৱাৰ তন্ত্ৰ মন্ত্ৰ। আমি ভোগ কৰা গণতন্ত্ৰ হ'ল খালি বটল, ফটা জোতাৰ দৰে ইংৰাজসকলে এৰি থৈ যোৱা পেলনিয়া বস্তু। বাক-স্বাধীনতা, ব্যক্তি স্বাধীনতাৰ দৰে গণতন্ত্ৰৰ হৃৎপিণ্ডক তেওঁলোকে ইংলণ্ডৰ হাইড-পাৰ্কলৈ বুলি লৈ গ'ল।—এৰি থৈ গ'ল মাথোন ভোট দিয়াৰ স্বাধীনতা। জাত-কুল, বৰ্ণ-গোত্ৰ আদি ধৰ্মবেই অঙহী বঙহী। এইবোৰে ভোট গোটোৱাত কিমান সহায় কৰে নকলেও হ'ব। ধৰ্ম-নিৰপেক্ষতাৰ ববকথা কোৱা দলবোৰেও ধৰ্ম, জাত, কুল আদিৰ কথা বিবেচনা কৰিহে সমষ্টিবোৰৰ কাৰণে প্ৰাৰ্থীক মনোনয়ন দিয়ে। শ্ৰেণী সংগ্ৰামৰ বাহিৰে আন একোকে বিশ্বাস নকৰাসকলেও নিৰ্বাচনৰ আগে আগে 'ইজিম-টিজিম' সিকিয়াত তুলি থৈ কোন সমষ্টিত কোন ধৰ্মৰ কোন জাতৰ কিমান ভোটদাতা আছে হিচাপ কৰাত লাগি যায়।

ঈশ্বৰৰ সন্তান-সন্ততি আৰু অঙহী-বঙহী-সকলে ব্যক্তিগত বিপদৰ সময়তো বহু সময়ত সহায় কৰে। ধৰি লওক কাৰোবাৰ বাৰীত তামোল চুৰ কৰিবলৈ যাওঁতে আপুনি হাতে-লোতেৰে ধৰা পৰিল! আপোনাক গৰুবন্ধা পঘাৰে তামোলগছত বান্ধি গৃহস্থ-গৃহস্থজনীয়ে ঢেকীথোৱা আৰু বাঢ়নি বিচাৰিব ধৰিছে। অলপ গমিপিতি চাই লওক ধৰ্ম, জাত-কুল-কোনটোত আপোনাৰ আৰু গৃহস্থৰ অমিল আছে। যি-টোতেই অমিল দেখা পায় সেইটোৱেই দোহাই দি চিঞৰক—অমুক ধৰ্মৰ, অমুক জাতৰ মানুহে তমুক ধৰ্মৰ, তমুক জাতৰ মানুহক নিৰ্য্যাতন কৰিব খুজিছে। আপোনাৰ নিজ ধৰ্ম জাত কুলৰ মানুহ জাকে জাকে ওলাই আহিব আপোনাক নিৰাপত্তা প্ৰদান কৰিবলৈ।

আজিকালি ধৰ্ম-নিৰপেক্ষতা নামৰ পদ (Term) এটা ওলাইছে। পদটো দুটা অৰ্থত লব পাৰি। এটা অৰ্থত ধৰ্ম-নিৰপেক্ষতা মানে হ'ল সকলো ধৰ্মীয় সন্থা-অনুষ্ঠান, উৎসব-পৰ্ব আদিৰ প্ৰতি নিৰ্বিকাৰ মনোভাব লোৱা। আনটো অৰ্থত সকলো ধৰ্মকে সমানে বাহ্-বা দিয়া। কোনোবা নামঘৰত যদি টিনপাত দুবাগোল দিলে কাষতে থকা মন্দিৰ বা মচ্‌জিদ-টোক বিলাতী মাটি ( চিমেণ্ট ) কেইবেগমান দিয়ক। বুদ্ধ পূৰ্ণিমাৰ দিনা হয়তো বুদ্ধই ছাগলী পোৱালিৰ প্ৰতি দেখুৱা মৰমৰ কথা উল্লখ কৰি অহিংসাৰ জয়গান গাই অনাতাঁৰ ভাষণ এটি দিলে। কালীপূজাৰ দিনা ছাগলী পোৱালিক মৰম কৰা আৰু ছাগলী পোৱালিৰ মঙহ খোৱা মূলতঃ একে কথা বুলি কাকতত পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ এটি লিখিলে। প্ৰথমটো অৰ্থত ললে নিৰ্বাচনৰ সময়ত একো ফয়দা নহয় বাবে ধৰ্ম-নিৰপেক্ষতা শব্দটো দ্বিতীয় অৰ্থতেই বুদ্ধিমান লোকসকলে গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

প্ৰয়োগবাদী (Pragmatist) দাৰ্শনিক সকলৰ মতে যিটোৱেই উপযোগী সেইটোৱেই সত্য ( Whatever is useful is true )। ঈশ্বৰৰ অস্তিত্ব থাকক বা নাথাকক ঈশ্বৰ-বিশ্বাসে মানুহৰ জীৱন সুষম কৰি তোলে বাবেই কোনো কোনো প্ৰয়োগবাদীয়ে ঈশ্বৰৰ অস্তিত্ব মানি লয়। যীশুখ্ৰীষ্ট, হজৰত মহম্মদ, গান্ধী, বিবেকানন্দ আদিৰ দৰে ক্ষণজন্মা পুৰুষে যে ঈশ্বৰ-বিশ্বাসৰ সহায়েৰে জনহিতকৰ কাম নকৰা নহয় কিন্তু আমাৰ দৰে ঘটিৰাম-বাতিৰামবোৰৰ জীৱন, ঈশ্বৰ-বিশ্বাসে সুষম কৰি তুলিছেনে বিষম কৰি তুলিছে ভাবিবলগীয়া কথা। ●



## ॥ অসমীয়া সংস্কৃতিৰ জনক

● ॥ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ॥

শ্ৰীলক্ষ্ণ ডেকা
স্নাতক মহলা ( কলা ) ১ম বাৰ্ষিক।

অসমীয়া জাতিৰ শত শত বছৰৰ তপস্যাৰ ফল স্বৰূপেই এজন "সৰ্বগুনাকৰ" ব্যক্তি অসমত জন্ম গ্ৰহণ কৰি অসমীয়া জাতিক ধন্য কৰি গৈছে। স্বৰূপাৰ্থত শঙ্কৰদেৱেই হ'ল অসমীয়া জাতিৰ জনক। এইজনা মহাপুৰুষৰ জন্ম হৈছিল আজিৰ পৰা প্ৰায় পাঁচশ বছৰৰ আগতেই ; খ্ৰীঃ ১৪৪৯ চনত নগাওঁ জিলাৰ বৰদোৱাৰ আলি পুখুৰী নামে ঠাইত।

মহাপুৰুষ শঙ্কৰদেৱ আছিল পূৰ্ণ প্ৰতিভাৰ স্বৰূপ অভিব্যক্তি। তেখেতক অসমীয়া সমাজত ঘাইকৈ আমি ধৰ্মগুৰু, সাহিত্যগুৰু, সমাজ সংগঠক তথা সংস্কৃতিৰ জনক হিচাবে পাওঁ। মহাপুৰুষ শঙ্কৰদেৱ আছিল মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মৰ প্ৰবৰ্ত্তক। তেখেতে একশৰণ নাম ধৰ্ম্ম প্ৰচাৰ কৰিছিল। নাম ধৰ্মৰ শ্ৰেষ্ঠতা এইখিনিতে যে এই ধৰ্ম্ম, উপসনাত কোনো প্ৰকাৰৰ জাতি বৰ্ণ বিচাৰৰ প্ৰয়োজন নহয় ; ব্ৰাহ্মণৰ পৰা চণ্ডাললৈকে সকলো এই ধৰ্ম্মৰ অধিকাৰী হব পাৰে। এক পৰম-ব্ৰহ্মত বাহিৰে আন সত্তা এই ধৰ্ম্মত স্বীকাৰ কৰা নহয়। গীতাৰ পৰা শ্ৰেষ্ঠ ভক্তিযোগ নিৰ্গুণ ঈশ্বৰত একশৰণ আনি শঙ্কৰদেৱে তেখেতৰ প্ৰচাৰিত ধৰ্ম্মত প্ৰাণ সঞ্চাৰণ কৰিছে।

মহাপুৰুষ শঙ্কৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্ম্ম আছিল ভাৰতৰ সামন্তযুগৰ ভাৱাদৰ্শ। এটা ভাৱাদৰ্শী শক্তি হিচাবে ভাৰতত সামন্ততন্ত্ৰ দৃঢ় কৰাত এই ধৰ্ম্মৰ যথেষ্ট অবিহণা আছিল। ভক্তি ধৰ্ম্মত থকা গুৰু আৰু ভগবানৰ প্ৰতি ঐকান্তিক "মুক্তিত নিস্পৃহ" ভক্তিৰ ধাৰণাই এই আনুগত্যৰ যোগান ধৰিছিল। পুৰণি জনজাতীয় সমাজ ক্ৰমে ভাঙি গৈ নতুন সামন্ত সমাজ গঢ় লৈ উঠাৰ ফলত যি গোষ্ঠী চেতনাৰ অৱলুপ্তি ঘটি-ছিল তাৰ ঠাই পুৰাইছিল আৰু নতুন অনুগত চেতনাৰ বুনিয়াদ দৃঢ় কৰিছিল বৈষ্ণৱ ভক্তি ধাৰণাই। ভক্তিবাদ হ'ল ঈশ্বৰৰ প্ৰতি অচলা

আনুগত্য ; সামন্ত ভাবাদর্শৰ লগত ই নিখুত ভাবে খাপ খোৱা অসমতো ভক্তিবাদৰ তাৎপৰ্য্য এয়ে।

বেজবৰুৱাদেৱে মহাপুৰুষ শঙ্কৰদেৱৰ এই মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰচাৰৰ ক্ষেত্ৰত ধৰ্ম্মৰ বিশেষত্ব, সাম্প্ৰদায়িকতা, বিশ্বজনীনতা আদিৰ ওপৰত বিশ্লেষণ দাঙি ধৰি কয় যে, মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্ম্ম বিশ্বজনীন, উদাৰ আৰু মহান ধৰ্ম্ম। তেখেতৰ ধৰ্ম্ম প্ৰচাৰৰ বাহন হিচাবে কাব্য-নাট আৰু সত্ৰৰ ওপৰত বেছি গুৰুত্ব দিছিল, আৰু সৰ্ব্বভাৰতীয় বৈষ্ণৱ ধৰ্ম্মৰ নৱজাগৰণত অৰিহণা যোগাইছিল। বেজবৰুৱাৰ মতে ধৰ্ম্ম প্ৰচাৰৰ প্ৰণালী সমূহৰ বিশেষত্ব এই "গীত, পদ, ভটিমা চপয় আদি গাই, খোল তাল লৈ হৰি নাম কীৰ্ত্তন কৰি ধৰ্ম্ম প্ৰচাৰৰ প্ৰণালী সমূহ নিশ্চয় তেখেতে বৃন্দাবন, মথুৰা, উৰিষ্যা, বাৰানসীৰ পৰা শিকি আহি অসমত চলাইছিল।

মহাপুৰুষ শঙ্কৰদেৱে প্ৰচাৰ কৰা ধৰ্ম্মৰ মূল কথা এয়ে যে এক ইশ্বৰত একনিষ্ঠ আৰু সুদৃঢ় ভাৱে শৰণ লোৱা। তেখেতে নিৰাকাৰ ব্ৰহ্মক স্বীকাৰ কৰিছিল ; আনহাতে তেখেতে অদ্বৈত-বাদ সম্পূৰ্ণ মানি লৈছিল। যিহেতু কৰুণাময় ঈশ্বৰক উপলব্ধি কৰিবলৈ তেওঁক পাবলৈ ক্ৰিয়া বহুল যাগ-যজ্ঞৰ প্ৰয়োজন নাই। জ্ঞানৰো আৱশ্যক নাই। একমাত্ৰ অন্তৰৰ নিৰ্ম্মল ভক্তিৰেহে জীৱই ঈশ্বৰক জানিব পাৰে।

জাতিৰ ঐক্য স্থাপনৰ ক্ষেত্ৰত ধৰ্ম্মৰ প্ৰভাৱ কিমান তাক নক'লেও হব। অসমীয়া জাতি জীয়াই ৰাখিবলৈ হ'লে জাতিৰ জনক শ্ৰীমন্ত শঙ্কৰ দেৱে দেখুৱাই যোৱা আদৰ্শ আৰু ধৰ্ম্মৰ সোণোৱালী বহল বাটেৰে আমি দৃঢ়তাৰে আগবাঢ়ি যাব লাগিব। বৃহৎ অসমীয়া জাতি গঠনত অৰিহণা যোগোৱা প্ৰধান উপাদান সমূহ হৈছে—মঙ্গোলীয়, অষ্ট্ৰিক আদি, আৰ্য্য, অনাৰ্য্য সকল, সুদূৰ কান্যকুব্জৰ পৰা অহা কায়স্থ, ব্ৰাহ্মণ, গোসাঁই মহন্ত সকল, প্ৰাচ্যৰ আহোম সকল আৰু ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা প্ৰব্ৰজিত হোৱা লোক সকল। এই বিভিন্ন জাতি উপজাতিৰে ভৰি থকা দেশখনত এক বৃহৎ অসমীয়া জাতি আৰু সমাজ গঠনত প্ৰধান ভূমিকা ললে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে— যাক নৱবৈষ্ণৱ যুগৰ স্বৰ্ণসৌধ নিৰ্মাতা বুলি অভিহিত কৰিব পাৰি। সৃষ্টি হ'ল এক নতুন অসমৰ এইজনা পুৰুষৰ মহান জীৱনৰ আদৰ্শই সুদীৰ্ঘ ৪০০-৫০০ বছৰীয়া সংস্কৃতি আৰু সমাজৰ এটি ধাৰা বোৱাই ৰখাত আশাতীত ৰূপে সমল যোগাইছে।

আজি অনেকজন ধৰ্ম্ম প্ৰবৰ্তকৰ প্ৰভাৱ অসমৰ জনসাধাৰণৰ মনৰ পৰা মচ খালেও শঙ্কৰদেৱৰ ধৰ্ম্মৰ মহান আদৰ্শ মানুহৰ মাজত দিনে দিনে তেজাল আৰু জীৱন্ত হৈ উঠিছে। তাৰ কাৰণ এয়েই যে শঙ্কৰদেৱে অসমক যি ধৰ্ম্ম দি গ'ল সি এক যুগপোযোগী ধৰ্ম্ম। প্ৰজ্ঞাজ্যোতিৰ উৱাদিহ হেৰুৱাই তান্ত্ৰিকতাৰ অন্ধকাৰত বাট খেপিয়াই ফুৰা অসমৰ জন-সাধাৰণক শঙ্কৰদেৱে বাট দেখুৱাই আধ্যাত্মিক-তাৰ পোহৰলৈ লৈ আহিছিল—আজিৰ পৰা প্ৰায় পাঁচশ বছৰ আগতে। তেওঁ বুজিছিল যে নিৰক্ষৰ জনসাধাৰণক ধৰ্ম্মৰ মূলতত্ব বুজাই দিবৰ কাৰণে মাতৃভাষাই আটাইতকৈ উপযোগী সেইবাবে তেওঁ গোটেই জীৱন জুৰি দেৱভাষা

সংস্কৃতৰ পৰা অনুবাদ কৰি বাচক বনিয়া সাহিত্য ৰচনা কৰিলে। কীৰ্ত্তন, দশম, বৰগীত, নামঘোষা, ভাওনা নাটৰ জৰিয়তে উপাস্যদেৱ, কৃষ্ণক জনসমাজত চিনাকি কৰি দিলে।

এটা কথা সত্য যে শঙ্কৰদেৱে ভাৰতীয় শাস্ত্ৰীয় সংগীতক তেওঁৰ স্বপ্ৰাণোদিত বৰগীত টোটয়, ভটিমা আদিত প্ৰত্যক্ষভাৱে ব্যৱহাৰ কৰা নাই। কাৰণ বিভিন্ন লোক সংগীতেৰে ভৰি থকা দেশ অসমত যদি ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ ধাৰাবোৰ প্ৰত্যক্ষভাৱে সমন্বয় সাধন নকৰাকৈ জাপি দিয়া হয় তেতিয়া সেই ঠাম মানুহৰ বাবে সিমান প্ৰাণস্পৰ্শী নহব। ই অতি সাধাৰণ মনোবৈজ্ঞানিক দৃষ্টিভংগী—যিটো শঙ্কৰদেৱৰ বাবে আছিল সহজেই অনুমেয়। সেয়ে তেখেতে প্ৰাক্‌শঙ্কৰী যুগত প্ৰচলিত ওজা-পালি দেওধনী নাচ আদিৰ পৰা সমল গোটাই এক মাৰ্গীয় সংগীতৰ ধাৰা সৃষ্টি কৰি যাগযজ্ঞ, বলিবিধান, দেৱদেৱীৰ পূজা উচ্ছেদ কৰি বৈষ্ণৱ ধৰ্ম্মৰ মাজেৰে অসমৰ সামাজিক আৰু আধ্যাত্মিক বিবৰ্তন আনিছিল সমন্বয়ৰ যোগেদি। ডঃ সুনীতি চট্টোপাধ্যায়ে শঙ্কৰদেৱ সমন্বয়ৰ প্ৰতীক হিচাবে এনেদৰে মন্তব্য দিছে; "Sankardev was the greatest builder of Assam by bringing in a purer spiritual life – As a religious leader he was unquestionably one of the greatest, India has ever produced."

বাস্তৱিকতে মহাপুৰুষ জনাই যিখিনি দান দি থৈ গ'ল সেয়ে আজিও অসমীয়া ভাষাক জীয়াই ৰাখিছে। মহাপুৰুষ শংকৰদেৱে তেখেতৰ ছকুৰি বছৰীয়া জীৱন কালত অজস্ৰ গ্ৰন্থ প্ৰণয়ন কৰি থৈ গৈছে। বিষয়বস্তু অনুসৰি সেই গ্ৰন্থ-ৰাজিক বিভিন্ন ভাগত ভাগ কৰা হৈছে। যেনে—কাব্যহিচাবে হৰিচন্দ্ৰ উপাখ্যান, ৰুক্মিনী-হৰণ, বলিচলন, অমৃতমন্থন, গজেন্দ্ৰোপাখ্যান, অজামিল উপাখ্যান, কুৰুক্ষেত্ৰ, ভক্তিতত্ব প্ৰকাশক আদি গ্ৰন্থ হিচাবে—ভক্তি প্ৰদীপ, ভক্তি ৰত্নাৱলী, নিমি নৱ সিদ্ধ সংবাদ ভাঙনি-মূলক হিচাবে—ভাগৱতৰ প্ৰথম, ২য়, ১০ম, ১১শ ১২শ স্কন্ধ উত্তৰাকাণ্ড ৰামায়ণ, কীৰ্ত্তন, গুণমালা। গীত হিচাবে—বৰগীত, ভটিমা। নাট হিচাবে পত্নীপ্ৰসাদ কালিয়দমন, কেলি-গোপাল, ৰুক্মিনী হৰণ, পাৰিজাত হৰণ, ৰামবিজয়, আদি। ধৰ্ম্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰিলেও শংকৰদেৱৰ সাহিত্য এহাতে যেনেকৈ বিশ্বজনীন আনহাতে তেনেকৈ উৎকৃষ্ট সাহিত্যৰ সকলো গুণেৰে সমৃদ্ধ।

মহাপুৰুষ শংকৰদেৱৰ মহান আদৰ্শ সমগ্ৰ অসম ভূমিত বিস্তৃত কাৰ্য্যসূচীৰে আজিও বিদ্যমান। এই আদৰ্শ তথা অৱদান সমূহ মহাপুৰুষ জনাৰ বাল্যকালৰে পৰা প্ৰতিভাত হৈছিল। তেখেতে কীৰ্তন ঘোষা পুথিত ব্যক্ত কৰা আমি পাওঁ;

"সৰ্বতত্ব ভকতক মই গুৰু মানো।
ভকত গুৰুত পৰে আনক নাজানো॥

এই অপাৰ শাস্ত্ৰজ্ঞান সিদ্ধ শ্ৰীমন্ত শংকৰদেৱ দৈৱিক গুণৰ আধাৰ আছিল। মহামানৱৰ এই অপাৰ গুণসমূহ দেখিছিল বাল্যকালৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিয়ে, কুলগুৰু ৰাম ৰামে ভগবান

প্ৰেৰিত হৃত বুলি জ্ঞান কৰিছিল আনকি জন্মদাতৃ মাতৃয়েও।

মহাপুৰুষ জনাৰ মহান আদৰ্শ তথা সাহিত্য সংস্কৃতিৰ অৱদান সকলো ভাষা, সাহিত্যৰ বুৰঞ্জীতে জ্যোতিস্মান। কুৰি শতিকাৰ সপ্ত-দশকৰ বুৰঞ্জীত আমি পাওঁ যে থলুৱা ভূঞা ৰাজশাসনৰ বিনিময়ত, আহোম চুতীয়া, কোচ-কছাৰীৰ ৰাজনৈতিক অৱিয়া অৱিত নিবৃতি-প্ৰবৃতি মাৰ্গত লিপ্ত সাংস্কৃতিক খৰিয়াল সেই সময়ত দুৰ্ভগীয়া অসমীয়া সমাজত দেখা দিয়া পৰিবৰ্তনৰ চাকনৈয়াৰ তুল্য যিয়ে অখণ্ড সংস্কৃতিৰ প্ৰতীক পুৰণিকলীয়া গোটটি আজি খণ্ড-বিখণ্ড কৰি ইতিহাসৰ অভূতপূৰ্ব ঘটনা ৰচনা কৰিলে। এইটোও মন কৰিবলগীয়া বৈষ্ণৱৰ তিনি ৰাজ্য বৰদোৱা, বেলগুৰি কমলা-বাৰী, বৰপেটা বাউসী সুন্দৰী ; বেহাৰ কাকত কুটা-ভেলা দুৱাৰ ; ঐতিহ্য আছিল আৰু ইয়াৰ আলমতহে তেওঁৰ তিনিৰাজ্য সাক্ষাৎ গোকুল, মথুৰা, বৃন্দাবনত অসমীয়া কলা কৃষ্টিৰ প্ৰাণকেন্দ্ৰ হৈ উঠিছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জীত এইটো জাজ্বল্যমান ; ভাৰতীয় বৈষ্ণৱ সাহিত্যত আজিও নিকল্লেখিত, যিটো হ'য় অসমীয়া বিদ্বেষ ; নহয় অজ্ঞতাৰ পৰিচায়ক ॥ আজিও ভাৰতত এনেকুৱা মহামানৱ জন্মা নাই, যিজনা একেধাৰে সনাতন ধৰ্ম্মৰ প্ৰচাৰক, নিৰ্ম্মল সমাজ সংস্কাৰক, আৰু বিনিষ্ঠ কলা কৃষ্টিকাৰ আৰু যি জনাৰ জীৱন চৰ্চাত কায়মনা বাক্যৰ লেখমানো অসামঞ্জ্যতা পোৱা নাযায়। আজি যেনেকৈ মহাপুৰুষ জনাৰ জীৱনৰ মূল উদ্দেশ্য-খিনি কীৰ্ত্তন দশমত অন্তৰ্নিহিত, ঠিক তেনেকৈ তেখেতৰ নাট ভাওনা নাম ঘোষা পদ আদিৰে অসমৰ কলা সংস্কৃতি পৰিপূৰ্ণ হৈ আছে। আধ্যাত্মিক জীৱন যাপনৰ উপায়ৰ লগত তেওঁ সন্ধান দি গ'ল পাৰ্থিৱ সুখৰ সহ-চৰী সুন্দৰৰ আৰাধনা নতুন ভাষা-সাহিত্য আৰু উত্তৰ ভাৰতীয় মাত কথাৰ লগত সামঞ্জস্য ৰাখি কামৰূপী ভাষাত সুৰ তাল মান ছন্দ অলংকাৰ সম্বলিত কীৰ্ত্তন দশম, বৰগীত, ভাগ-ৱতৰ পদনাট ভক্তি প্ৰদীপ গুণমালা টোটয় ভটিনাসমূহৰ। ঈশ্বৰ তত্ব বিখ্যাত যুগাৱতাৰ ; সাহিত্যত ওজা, কাব্যত কবিৰাজ, নাট্যত অভিনেতা, গীত মাত গদ্যত আধুনিক মঞ্চৰ অগ্ৰগণী শ্ৰীমন্ত শংকৰদেৱ আছিল অপ্ৰতিদ্বন্দ্বী নৱ অসম স্ৰষ্টা। এই ধৰ্ম্ম প্ৰচাৰৰ বাহক ৰূপে অপূৰ্ব্ব শাস্ত্ৰ লিখি অসমীয়া ভাষা সাহিত্য, কলা সংস্কৃতি ভড়াল চহকী কৰিছিল আৰু ইবোৰৰ নতুন ৰূপ দিছিল। আজিও মহাপুৰুষ শংকৰদেৱে জাতি ধৰ্ম্ম নিৰ্বিশেষে কলা সংস্কৃতি তথা ভাষা কৃষ্টিত নৈতিকতাৰ, সমাজ সংস্কাৰৰ, জাতীয় দুৰ্যোগৰ, অভাৱ অনাটনৰ আৰু সত্যৰ ছবি প্ৰতিফলিত কৰি অসম তথা অসমীয়াৰ সোণালী যুগৰ স্মৃতি বহন কৰি ৰাখিছে।

আগতে কৈ অহা হৈছে অসমে চিৰকাল নানা বাধা বিঘিনি অতিক্ৰম কৰি আগবাঢ়ি আহিছে। ইয়াৰ গতিময় সদায় অসমীয়াৰ ব্যক্তিত্ব আৰু সামাজিকতাই অপ্ৰতিহত কৰি ৰাখিছে। ইয়াৰ পৰা বিচলিত হ'লেই অসমীয়াৰ মৰণ। অসমত বাহিৰৰ পৰা বিচিত্ৰ মানুহৰ অহা যোৱা মিলামিচা আৰু বিলিন হৈ যোৱাৰ অভি-লাষ অকল আজিৰে নহয় যুগ-যুগান্তৰৰ।

তথাপি এই বাজ্যব স্বকীয়া মর্য্যদা, স্বকীয়া সংস্কৃতি, ভাষা ধৰ্ম্ম কেতিয়াও বাহিবা আমাতত থানবান হবলৈ এবি দিয়া নাই। অসমব বুবঞ্জীয়ে সদায় বিভিয়াই বিভিয়াই কৈ আহিছে যে এই বাজ্যলৈ বুকু ফিণ্ডাই কোনো জাতি, গোষ্ঠীয়ে কেতিয়াও dominating motive লৈ অহা নাই। তেওঁলোকে অসমব "সুনীয়া-সফুঁৰা" মাটিত জাহ যাবলৈ আহিছে। অসমীয়াই এই কথা সদায় মনত বাখিব লাগিব যে অসমে সংঘাতব সন্মুখীন হব জানে, কিন্তু সংঘাতত উটি ভাহি যাব নাজানে। অসমীয়া জাতিয়ে স্মবণাতীত কালবে পবা এক মহান আধ্যাত্মিক সত্বা লৈ আহিছে, বহু সংঘাতব সন্মুখীন হৈয়ো এই সত্বা জীয়াই বাখি আহিছে। অসমীয়া জাতি ভাষা-সংস্কৃতিব দুখীয়া নহয়, অংশ্যে অসমীয়া ভাষা-সংস্কৃতি প্রসাবিত হৈ আছে কিন্তু ই কাকো গ্রাস কবি অহা নাই। অথচ এই ভাষা-সংস্কৃতিব প্রাচীনত্ব ব্রহ্মপুত্রব প্রবল সোঁতব দবেই প্রবাহমান আৰু ইয়াত সক-সুবা বহু ভাষা-সংস্কৃতি আহি জাহ গৈছেহি।

এইটো সকলোৱে স্বীকাব কবিব লাগিব যে এই খিলঞ্জীয়া লোক সকলব বুদ্ধি-বৃত্তি জ্ঞান-বিজ্ঞান বেছি হ'লেও এওঁলোকে কেতিয়াও কোনো কালে কাকো পদদলিত কবি অহা নাই ববঞ্চ এওঁলোকব মাজত এটা সাম্প্রীতি স্থাপনব সূত্রত অকল বাজনীতিব ক্ষেত্রতেই নহয়, ভাষা-সংস্কৃতি, জাতীয়তাবোধ বক্ষাব ক্ষেত্রতো ডাঙব ঐক্য গঢ়ি তোলাব কথা বুবঞ্জীয়ে আজিও প্রমাণ কবে। গতিকে দেখা যায় দেশব বৃহত্তব স্বার্থত আঘাত পবিব লগা হ'লেও শঙ্কবদেব মাধব-দেবব নিচিনা মহাপুৰুষে বান্ধি যোৱা ধৰ্ম-সংস্কৃতিব ভেটিত কেতিয়াও বিবোধব সংঘাত নাছিল আৰু নহব। তেওঁলোকব মহান আদর্শ-বাজিবে অসমীয়া জাতিব ঐক্য সংস্কৃতিব বান্ধোন যুগমীয়া হৈ বব।

সাহিত্য কি? নানাবিধ ঠাল-ঠেঙুলি আৰু পাত-ফুলেবে ধুনীয়াকৈ সজাই, শুৱলা কবা ভাষাকে সাহিত্য বুলিব লাগে। ভাষা মানুহব ভিতবত যেনেকৈ আছে, জন্তুব ভিতবতো আছে। গৰুজনীয়ে হেম্বেলিয়ালে তাব কি উদ্দেশ্য পোৱালিটোৱে বুজে। গছব ভিতবতো ভাষা আছে। মানুহবে, গছবে, জন্তুবে সকলোবে মিলি এটা ভাষা আছে, সেই ভাষা হৈছে বিশ্বভাষা। সেই বিশ্বভাষাব উপাদান বিশ্বজ্ঞান।

—কমলাকান্ত ভট্টাচার্য্য
১৯২৯, যোবহাট

ওঁ

# !! ষষ্ঠ ইন্দ্ৰিয়ৰ বাতৰি !!

ড° পূৰ্ণ চন্দ্ৰ বৰা
অধ্যক্ষ, মঙ্গলদৈ কলেজ

আমাৰ মানুহৰ পাঁচটি ইন্দ্ৰিয়। এই ইন্দ্ৰিয়ৰ সহায়ত আমি ইহঁজগতৰ জ্ঞানবোৰ আহৰণ কৰো। দৰ্শনৰ গূঢ় তত্বৰ পৰা আৰম্ভ কৰি, বিজ্ঞানৰ বিচিত্ৰ আশ্চৰ্য্যজনক জ্ঞান পৰ্য্যন্ত আৰু নানান দিশৰ নানান জ্ঞান আহৰণ কৰা হয় এই আমাৰ পঞ্চেন্দ্ৰিয়ৰ জৰিয়তে।

কিন্তু, এনে কিছুমান জ্ঞান আছে, যিবোৰ আমি এই পঞ্চেন্দ্ৰিয়ৰ দ্বাৰা আহৰণ কৰিব নোৱাৰি। অথচ, সেইবোৰ জ্ঞান আহৰণ কৰা লোক পৃথিৱীত নোহোৱা নহয়। এইবোৰ জ্ঞান কেনেকৈ আহৰণ কৰা হয় তাৰ ব্যাখ্যা দিবলৈ আজিও দাৰ্শনিক বৈজ্ঞানিক বা জ্ঞানী লোকসকল অপৰাগ। কিন্তু, এই ধৰণৰ জ্ঞানবোৰ যে লাভ কৰা লোক আছে, সেই কথা বিজ্ঞানী সকলেও মানি লৈছে। কিন্তু তাৰ কাৰণহে জ্ঞাত হোৱা নাই।

এনে ধৰণৰ জ্ঞানবোৰক বিজ্ঞানী সকলে আৰু দাৰ্শনিক সকলে 'এক্সট্ৰা চেন্‌চাৰি পাৰচেপ্‌চন' ( Extra sensory perception ), চমুকৈ ই, এচ, পি, ( ESP ) নামেৰে অভিহিত কৰিছে । টেলিপাঁথি ( Telepathy ) আৰু ক্লেয়াৰ্‌ভয়েন্স্‌ ( Clairvoyance ) এনে ধৰণৰ জ্ঞান। এইবোৰক কিছুমানে ষষ্ঠেন্দ্ৰিয় জনিত প্ৰাপ্ত জ্ঞান বুলিও কয়। যদিও ষষ্ঠ ইন্দ্ৰিয় বুলি ইন্দ্ৰিয় এটা দেখাত মানুহৰ নাই যিটোৰ দ্বাৰা এইবোৰ জ্ঞান লব্ধ কৰা হয়।

"এক্সট্ৰা চেন্‌চাৰি পাৰচেপ্‌চন্‌" মানে চমুকৈ আমাৰ পঞ্চেন্দ্ৰিয় জনিত জ্ঞান নহয়। এইবোৰ জ্ঞানবো কাৰ্য্য-কাৰণ সম্বন্ধ ( Causal connection ) আছে। যদিও বৰ্ত্তমানলৈ, সেই কাৰ্য্য-কাৰণ সম্বন্ধ মানুহৰ বা বিজ্ঞানীৰ জ্ঞাত হোৱা নাই। কিয়নো কাৰ্য্য-কাৰণ সম্বন্ধ নথকা কোনো ঘটনায়েই ঘটিব নোৱাৰে। এইয়া দৰ্শন-বিজ্ঞানৰ মত।

টেলিপাঁথি আৰু ক্লেয়াৰ্‌ভয়েন্স্‌ একোটা অতি বিস্ময়কৰ ঘটনা। যিজন লোকৰ টেলিপাঁথি শক্তি থাকে টেলিপাঁথি আৰু ক্লেয়াৰ্‌ভয়েন্স্‌ উভয়ে ওতঃপ্ৰোতঃ ভাৱে জড়িত। যেনেকৈ এটা টকাৰ ছয়োপিঠি ওতঃপ্ৰোতঃ ভাৱে সম্বন্ধযুক্ত, তেনেকৈ টেলিপাঁথি আৰু ক্লেয়াৰ্‌ভয়েন্স্‌ ওতঃপ্ৰোতঃ ভাৱে সম্বন্ধযুক্ত।

টেলিপাঁথি জনা জনে যেই কোনো মানুহৰ লগতেই দেশ, কাল, পাত্ৰ ভেদ কৰি কথা-বতৰা পাতিব পাৰে। তেওঁ যেনেকৈয়ে ইচ্ছা কৰে, তেনেকৈয়ে যেই কোনো দূৰত থকা লোকৰ লগতেই যোগাযোগ ৰাখিব পাৰে। টেলিপাঁথি জনাজনে যেহেতুকে ক্লেয়াৰ্‌ভয়েন্স্‌ জানে, সেই হেতুকেই যাৰ লগতেই কথা বতৰা পাতে, যোগাযোগ ৰাখে, তেওঁ যিমান দূৰতেই নেথাকক লাগে, তেওঁক দেখা পাই থাকে। সিমানেই নহয়, তেওঁ কেনেকুৱা ধৰণেৰে আছে, তেওঁৰ লগত কোন কোন আছে, তেওঁৰ ঘৰবাৰী আদি সকলোবোৰ দেখা পাই থাকে। আৰু আশ্চৰ্য্যজনক যে তেওঁ কাৰ লগত কি কথা-বতৰা কৈ আছে, এই সমস্তবোৰ জানি থাকে। এইবোৰৰ ওপৰিও টেলিপাঁথি আৰু ক্লেয়াৰ্‌ভয়েন্স্‌ শক্তি বা জ্ঞান থকাজনৰ আন এটা ভয় লগা শক্তি থাকে যে তেওঁ যদি ইচ্ছা কৰে, থাকে তাকেই দেশ, কাল, পাত্ৰ ভেদ কৰি তেওঁৰ ইচ্ছামতে কাম কৰাই লৈ ফুৰাব পাৰে। তেওঁৰ গতি, মতি বদলাই দিব পাৰে। অসৎ লোকৰ মনৰ গতি সলনি কৰাই দি সৎ কৰাইয়ো দিব পাৰে। এই শক্তি ইমান শক্তিশালী যে এই শক্তিৰ দ্বাৰা কৰিব নোৱাৰা কাম নাই। সেই কাৰণে এই শক্তিক ঐশ্বৰীক শক্তি বা আধ্যাত্মিক শক্তি ( Divine power ) বুলিও কব পাৰি।

মানসিক শক্তিৰ দ্বাৰাও ( will power ) বা হিপ্‌নোঁতিক শক্তিৰ দ্বাৰাও ( Hypnotic power or will power ) মানুহৰ মনৰ ওপৰত বা জীৱ-জন্তুৰ মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি নানান কাম কৰিব পাৰি যিবোৰ প্ৰায় ষষ্ঠেন্দ্ৰিয়ৰ দ্বাৰা কৰা যেন লাগে। কিন্তু, এনেবোৰ কাম ষষ্ঠেন্দ্ৰিয়ৰ দ্বাৰা কৰা নহয়। এইবোৰ কাম মানসিক শক্তিৰ দ্বাৰাহে কৰা ( will power or Hypnotic power ) হয়। এই মানসিক শক্তিৰে ( Hypnotic power or will power ) কৰা আচৰিত ধৰণৰ কামবোৰ "ইলেকট্ৰো মেগ্‌নেটিভ্‌ ওৱেভ্‌" (Electro-Magnativ wave) থকা দেশতহে ( space ) কৰিব পাৰি। কিন্তু টেলিপাঁথিক আৰু ক্লেয়াৰ্‌ভয়েন্স্‌ যোগে কৰা আশ্চৰ্য্যজনক কামবোৰ "ইলেকট্ৰো মেগ্‌নেটিভ্‌ ওৱেভ" ( Electro Magnativ wave ) নথকা ঠাইতো কৰিব পাৰি। এই কথা প্ৰতিপন্ন কৰিছে "ৰাচিয়ান্‌ একাডেমিক অৱ চাইন্স চোচাইটিয়ে" ( Russian Academic of Science Society ) নানান বৈজ্ঞানীক পৰীক্ষা নিৰীক্ষা (Experiment and observation ) কৰি।

বিশ্বৰ বৰ্ত্তমানৰ প্ৰধান টেলিপাঁথিক আৰু ক্লেয়াৰ্‌ভয়েন্স্‌ জ্ঞান বা শক্তি থকা লোকজন মিষ্টাৰ "ৰোনাল্ড উল্‌ফ্‌" আদিতে এখেত ৰাছিয়াৰ। কিন্তু, বৰ্ত্তমান জাৰ্মেনীত

থাকে। দেশ ( space ), কাল ( time ) পাত্র ( per ) ভেদ কৰি এখেতে এই টেলিপ'াথিক আৰু ক্লেয়াৰ্ভয়েন্স্ শক্তিৰে থাকে যেনেকৈয়ে নির্দে'শ দিয়ে, ঠিক তেনেকৈয়ে নির্দেশ কাৰীয়ে কাম কৰি যায় যন্ত্ৰৰ দৰে।

এই টেলিপা'থি আৰু ক্লেয়াৰ্ভয়েন্স্ৰ বাহিৰেও ই, এচ, পি ( ESP ) আৰু কেইবা বিধো আছে। সেইয়া হ'ল (১) চাইকো-কাইনেচিচ ( Psycho-Kinesis ), (২) প্রি-কগ্নিচন্ ( Pre-Cognition ) আৰু পল্টাৰ গেইষ্ট্ ( Polter-Geist )। চাইকো-কাইনেচিচ্ক চমুকৈ পি, কে (P K) বোলা হয়।

চমুকৈ কৈছো চাইকো-কাইনেচিচ্ শক্তি বা জ্ঞান থকা জনে ইচ্ছা শক্তিৰ জোৰত বা চকুৰে দৃষ্টি কৰিয়েই ইচ্ছা কৰিলে প্রকাণ্ড দাল'ান পর্য্যন্ত চূৰমাৰ কৰি দিব পাৰে। নাইবা সেইকো কঠিন পদার্থক চকুৰে দৃষ্টি কৰিয়েই ইচ্ছা শক্তিৰ দ্বাৰা চূৰমাৰ কৰি দিব পাৰে। প্রি-কগ্নিচন্ জনা জনে যি কোনো ঘটনা ঘটাৰ আগতেই সেইবোৰ জ্ঞাত হয়।

কাৰোবাৰ ঘৰত কথা নাই বতৰা নাই দিন দুপৰতে দলিবোৰ পৰিছে বা মিঠাই বা নানান বস্তুৰ সৃষ্টি হৈছে। নাইবা ঘৰৰ বস্তুবোৰ এবাৰ ওপৰলৈ গৈছে, আৰু এবাৰ তললৈ নামিছে। কিন্তু কিয় এইবোৰ ঘটিছে কোনেও নাজানে গতিকে কিবা অশৰীৰী বা ভূতপ্ৰেতৰ দ্বাৰা বা কিবা দেৱ-দেৱীৰ অসন্তুষ্টীতাৰ দ্বাৰা এইবোৰ ঘটিছে বুলি আমাৰ বিশ্বাস বা ধাৰণা। কিন্তু মনোবিজ্ঞানী সকলে কৈছে এইবোৰ কোনো অশৰীৰী বা ভূতপ্ৰেত বা দেৱ-দেৱীৰ দ্বাৰা নঘটে। নানান কাৰণত এইবোৰ ঘটে। যি যি কাৰণত এইবোৰ ঘটে বিজ্ঞানী সকলে তাৰ উচিত ব্যাখ্যা দিছে এনে ধৰণেৰে ঘটা ঘটনাবোৰক পল্টাৰ্ গেইষ্ট্ (Polter Geist) বোলা হয়।

ডাক্তৰ আই, বি ৰা'ইনৰ মতে এই-বোৰৰ কাৰ্য্য-কাৰণ সম্বন্ধ আছে। ডক্তৰ হেন্সবেণ্ডাৰ্, কোলিন উইলচন্, বেইনাৰ চি জন্চন্, প্ৰাইচ্, ডক্তৰ চি, এ, মেইয়াৰ আদি বিশিষ্ট চিন্তাবিক সকলেও এইবোৰ মানি লৈছে এই একে সুৰতে।

চেকিভেৰেল চিটোল নামৰ এজন আধুনীক গৱেষকে ই, এচ, পি, ক্ষমতা লব্ধ লোক ইউৰোপ, আমেৰিকা, আফ্ৰিকা, চীন, ভাৰতবৰ্ষ আদি পৃথিৱীৰ বিভিন্ন দেশত দুই এজন পাই এইবোৰ মানি লৈছে। আৰু এইবোৰৰ কার্য্য কাৰণ সম্বন্ধ আছে বুলি কৈছে।

প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষণ মুক্তি ( freedom )। যি সাহিত্যৰ ভিতৰত স্বাধীনতাৰ প্ৰেৰণা মুক্তিৰ বন্ধনবিহীনতা, স্বচ্ছন্দে লিখিবৰ শক্তি নাই, সেই সাহিত্য মৃতৱৎ। তাৰ আত্ম-প্ৰতিভা অবিকশিত, অস্থষ্ট, অপুষ্ট, অমহান। মানুহৰ জীৱন বৈচিত্ৰ্যময়। জীৱন্ত সাহিত্যও সেই লক্ষণাক্ৰান্ত, কিন্তু যেতিয়াই আমি সাহিত্যক কঠোৰ নিয়মৰ নিগড় দি বান্ধোঁ-চ'াটো, তেতিয়াই সাহিত্যই পংগু আৰু নিৰ্জীৱ অৱস্থাৰ ফালে ঢাল লয়।

—লক্ষ্মীনাথ বেজবৰুৱা,
১৯২৪, গুৱাহাটী

# অসম কেশৰী জীৱন্ত আগ্নেয়গিৰি

শ্ৰীকুলেন্দ্ৰ দেৱ শৰ্ম্মা
স্নাতক শ্ৰেণী ( কলা ) ২ বাৰ্ষিক

একাগ্ৰ নিষ্কাম ভক্তি যি জনাৰ তপস্যাত
মৰণো পৰাস্ত হ'ল যিজনাৰ যশস্যাত,
সেই ঋষি অন্তৰ্দ্ধান মাৰ গ'ল সূৰ্য্য এটি
অসমীৰ ভাগ্য ভাল থাকিল অখণ্ড জ্যোতি।
সুন্দৰৰ আৰাধনা

'উল্কাৰ খোজেৰে পাৰ হোৱা অসমৰ হিটলাৰ' খোজৰ ভৰত জুই ফিৰিঙতি' ছিটিকি পৰা, কটা আঙুলিৰ তেজৰ কবিতা দ'ল' বন্ধা, বন্দীশালৰ ( কাৰাগাৰৰ ) পকী মজিয়াত বহি শিল' ভঙা, হাতুৰীৰ ব্ৰহ্ম-কোবত স্বদেশ প্ৰেমৰ তেজাল ছন্দ' নমাই অনা, শিষ্যবিহীন প্ৰফেট স্বনামধন্য অম্বিকাগিৰী ৰায়চৌধুৰী এপিনে কবি, সঙ্গীতজ্ঞ, সুৰ-শিল্পী আৰু আনপিনে সাংবাদিক, ৰাজনীতিবিদ চিন্তাবিদ, স্বাধীনতা সংগ্ৰামৰ আন্দোলনকাৰী, গভীৰ চিন্তা উদ্ৰেককাৰী প্ৰবন্ধ লেখক আৰু প্ৰকৃত স্বদেশ প্ৰেমিক। অসমৰ জাতীয় গুৰু দুজনাৰ চৰণ ৰেণুৰে বঞ্চিত পবিত্ৰ ধাম বৰপেটা সত্ৰত ভূমিষ্ঠ হোৱা ( ১৮৮৫ খৃঃৰ ১০ ডিচেম্বৰত ), 'অসম কেশৰী' বিভূষাৰে সন্মানিত হোৱা এই গৰাকী মহান ব্যক্তিৰ জীৱন স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ হকে উৎসৰ্গিত হৈছিল, তেওঁ জাতীয়তাৰ মহামন্ত্ৰত দেশবাসীক উদ্বুদ্ধ কৰিবৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছিল। ৰায়চৌধুৰীদেৱ নিচেই ল'ৰালি কালতে অগ্নি-কবি কমলা কান্ত ভট্টাচাৰ্য্য আৰু হৰিবিলাস আগৰৱালাৰ সাক্ষাৎ লাভ কৰি জাতীয় চেতনাৰ দ্বাৰা অনুপ্ৰাণিত হয়। গুৱাহাটীত বিদ্যাৰ্জন কৰি থকা সময়ত তেওঁ সাময়িক ভাৱে বৃটিছ বিৰোধী সন্ত্ৰাসবাদী কাৰ্য্যত লিপ্ত হৈ পৰে যদিও পিছলৈ মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰতব্যাপী চলা অহিংস অসহযোগ আন্দোলনতো কায়মনোবাক্যে নিমগ্ন হয়। আশৈশৱ বিপ্লৱী অম্বিকাগিৰীৰ বিপ্লৱী চেতনা ক্ৰমাৎ প্ৰকাশ পাবলৈ ধৰে তেওঁৰ কবিতা-নাটক, বাৰ্তালোচনী, গীত, প্ৰবন্ধ আৰু বিভিন্ন স্বাধীন-চিতীয়া কৰ্ম-প্ৰচেষ্টাৰ মাজেৰে। অসমীয়া জাতিক আত্মপ্ৰতিষ্ঠা আৰু অস্তিত্ব ৰক্ষাৰ হকে কঠোৰ নিৰ্দেশ শুনাই তেওঁ

নিজেও এক স্বাবলম্বী আৰু কৰ্মমুখৰ জীৱন-যাপনৰ আৰ্হি জন-মানসত দাঙি ধৰে।

অম্বিকাগিৰীৰ জীৱনটো যেন তেওঁৰ ৰচনাতে সন্নিবিষ্ট হৈ আছে। তেওঁৰ মূল বিগ্ৰহ হ'ল অসমখন আৰু সেৱাৰ মূলদেৱতা হ'ল মানুহ। ব্যক্তিগত জীৱনত তেওঁ যি বিশ্বাস কৰিছিল, যেনেকৈ কাম-কাজ কৰিছিল, তাক অকনো লুক-ঢাক নকৰাকৈ কোমল-মধুৰ কাব্যত, কেতিয়াবা ৰুক্ষ কঠোৰ গদ্য বা গদ্যময় কবিতাৰ ৰূপত লিপিবদ্ধ কৰি থৈ গৈছে।

যৌৱনকালত দুৰন্ত প্ৰেমৰ ধুমুহাত উটি ফুৰা অম্বিকাগিৰীৰ ১৯১৬ খৃঃত প্ৰকাশিত 'তুমি' কাব্য প্ৰথম দৃষ্টিত ইন্দ্ৰিয় গ্ৰাহ্য প্ৰেমৰ কবিতা যেন লাগিলেও কবিয়ে অসাধাৰণ প্ৰতিভাৰ বলত তাক অতীন্দ্ৰিয় ভাবনাৰ স্তৰলৈকে সাৰ্থক ভাবে উন্নীত কৰিছে। ভাৰতীয় ৰহস্যবাদী বা অতীন্দ্ৰিয়বাদী কাব্য পৰম্পৰাত 'তুমি' কাব্য এক উল্লেখযোগ্য সংযোজন। এই কাব্য বিশ্ব-জনীন ভাবানুভূতিৰে সৃষ্ট এক অবিস্মৰনীয় অমৰ কাব্যসুধা। কবিগৰাকীৰ কবি পৰিচিত ঘটিছিল ডেকা বয়সৰ সংকট মুহূৰ্তত। সেই সময়ত তেওঁৰ ধমনীত আছিল দেশৰ আহ্বান, অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ আহ্বান, মনত উদ্দীপ্ত হৈ উঠিছিল দেশপ্ৰেমৰ অগ্নিশিখা। ইংৰাজ কবি শ্যেলীৰ জগৎ বিখ্যাত কবিতা স্কাইলাৰ্কৰ দৰেই বায়চৌধুৰীৰ 'তুমি' কাব্যত এটা অনিৰ্বাচনীয় সৌন্দৰ্য্য সাতোটা তৰঙ্গত, ক্ৰমে প্ৰথমটিত তেওঁৰ বিশৃংখল গতিত গৈ থকা জীৱনৰ প্ৰথম ভাগৰ উদ্‌ভ্ৰান্ত প্ৰেমটো, দ্বিতীয়টিত সমজাতীয় সহানুভূতি, আৰু অনুভূতি তৃতীয়টিত প্ৰকৃতিৰ বিশ্বভৰা উদাৰ সৌন্দৰ্য্য চতুৰ্থ, পঞ্চম আৰু ষষ্ঠটিত বিৰহ অভিমান আদি নানা অৱস্থাৰ মাজেদি সকলোবিলাক আসক্তিৰ হাত এৰাই', শেষ বা সপ্তমটি তৰংগত অনন্তৰ (বিশ্বনাথৰ) লগত সানমিহলি হৈ পৱিৰৰ প্ৰয়াস কৰিছে। ড° বাণীকান্ত কাকতিদেৱৰ মতে তুমি' কাব্য ৰায়চৌধুৰীৰ কোনোবা বিশিষ্ট নাৰী মূৰ্তিৰ প্ৰতি প্ৰেমৰ সম্মোহন অনুভূতিৰ স্বৰূপ প্ৰকাশ। ইটালীৰ মহাকবি ডান্টে বিয়েট্ৰিছ নামৰ ৰূপহী ছোৱালী এজনীৰ প্ৰতি প্ৰেমৰ ভিতৰেদি ঈশ্বৰৰ সাক্ষাৎ পাইছিল বুলি তেওঁৰ মহাকাব্য ডিভাইন কমেডিত (Divine comedy) যেনেকৈ বৰ্ণনা কৰিছে তেনেকৈ ৰায়চৌধুৰীৰ তুমি কাব্য নাৰী প্ৰেমৰ ভিতৰেদি চিৰন্তন ৰূপত সৌন্দৰ্য্যৰ বিকশিত হৈছে।

ৰায়চৌধুৰীৰ 'তুমি' আদিৰ পৰাই বিশ্বনাথৰ স্বৰূপ, 'সকলো তুমিয়ে নাথ, জগতত দেখিছো যিমান'। সাতোটা ৰশ্মিৰ সমষ্টিত সূৰ্য্যৰ সকলো পোহৰ প্ৰকাশ হোৱাৰ দৰে 'তুমি' কাব্যৰ সাতোটা তৰংগত কবিৰ কল্পিত বিশ্বনাথৰ বিশ্বসৌন্দৰ্য্যৰ সাতোটা কলা প্ৰকাশ হৈছে।

'তুমি কাব্যৰ ষষ্ঠ তৰঙ্গত কবিৰ ছন্দত যেন উচ্চাৰিত হৈছে

'তুমি ভগবানৰ' মিলনৰ উপায়।
'নিজক বিলাই দিব
তাতেহে নিজক পাব
প্ৰাণৰ মাজত:
নিজক দিলেহে এবি
প্ৰাণৰ আপোন হব
সকলো বিশ্বত।"

কল্পনা, ধ্যান, বুদ্ধি, বিশ্লেষণ আৰু প্ৰজ্ঞাৰ মাজেদি 'তুমি' কাব্যই বিচিত্ৰ সৌন্দৰ্য্যক মানুহৰ মহত্তম সঙ্গীৰূপে আলোকিত কৰিছে।

'তুমিৰ বাহিৰেও ৰায় চৌধুৰীৰ কবিতাৰ পুথি যেনে বীণা, অনুভূতি, স্থাপন কৰ স্থাপন কৰ, বেদনাৰ উল্কা, দেশেই ভগৱান আদি অসমীয়া সাহিত্য ভঁৰাললৈ তেওঁৰ উল্লেখযোগ্য অৱিহনা।

এইখিনিতে এটি কথা স্বীকাৰ কৰি থোৱা উচিত হব যে ইয়াত ৰায়চৌধুৰীদেৱৰ জীৱন-পঞ্জীৰ সমগ্ৰ ঘটনা এই প্ৰবন্ধত বৰ্ণনা কৰা সম্ভৱ নহয় আৰু আমাৰ উদ্দেশ্যও নহয়। ইয়াত মাথোন সংক্ষেপে হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে কেইটামান উল্লেখযোগ্য ঘটনাৰ-হে বিৱৰণ দিয়া হৈছে।

শ্ৰেষ্ঠ কবিসকলে নিজ নিজ জীৱনৰ চিত্তব্যথা, অতীতৰ ঘটনা, প্ৰেয়সীৰ প্ৰত্যাখ্যান হৃদয়হীন ৰমণীৰ ছলনা প্ৰভৃতিক উপাদান হিচাবে লৈ শ্ৰেষ্ঠ কবিতা প্ৰণয়ন কৰিছে। অম্বিকাগিৰীৰ 'বীণা'তো আমি এগৰাকী অভিমানী নাৰীৰ সন্ধেদ পাওঁ। ড° কাকতিৰ ধাৰণা যে এই বিশিষ্ট নাৰী মূৰ্তিয়ে 'তুমি' কাব্যতে কবিৰ জীৱনত বিচিত্ৰৰূপে আৱিৰ্ভাব হৈছে আৰু মৃদু হাঁহি মাৰি কবিৰ সবুজ, অবুজ যৌৱনৰ দুৱাৰ দলিত ভুমুকি মাৰিছে। 'বীণা'ৰ প্ৰতিটো কবিতাত কবিৰ প্ৰেমৰ যৌৱনোচ্ছল আমি দেখিবলৈ পাওঁ। 'বীণা'ৰ কবিয়ে তেওঁ ভালপোৱা ৰমণীগৰাকীক বোলে তেওঁৰ বাওঁহাতৰ কেঞা আঙুলিটো কাটি ভালপোৱাৰ নিদৰ্শন দাভি ধৰিছিল। 'বীণা'ৰ এটা কবিতাত কবিয়ে কৈছে—

"চেনেহী ৰাক্ষসী
মোৰ ফুল-নিকা কলিজাৰ জুই-ৰঙা তেজ
খাই যদি খুজিছ হাঁহিব,
তোক উপহাৰ দিবলৈ'কে কাটিছো কেনেকে'
চাচোঁ আহি নালাগে মাতিব।"

দুখৰ লগতে কবিয়ে সংযোগ কৰে সান্তনা আৰু আশ্বাস। যি বেদনাক আশ্ৰয় কৰি মহাকবি কালিদাসৰ অমৰ কাব্য 'মেঘদূত' ৰচিত হৈছিল সেই বেদনাই অৱশেষত প্ৰত্যা-বৰ্তন কৰিছিল মোহ ভঙ্গৰ মাজেদি আধ্যাত্মিক জীৱনৰ অপৰূপ উপলব্ধিলৈ। অম্বিকাগিৰীয়েও এই জীৱন-জিজ্ঞাসাৰ গভীৰতাত প্ৰত্যাবৰ্তনৰ আনন্দ বিচাৰি পাইছিল। এই ধৰণৰ কাব্য ৰসগ্ৰাহী পাঠকৰ বাবে পৰম উপভোগৰ কাব্যসুধা।

'বেদনাৰ উল্কা'ই সাহিত্য একাডেমীৰ পৰা মৰণোত্তৰ পুৰস্কাৰ লাভ কৰিছিল। সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকাদেৱে, মহৰ্ষি কমলাকান্ত ভট্টাচাৰ্য্যৰ 'চিন্তানল'ত প্ৰকাশ হোৱাৰ দৰে ৰায়চৌধুৰীৰ 'বেদনাৰ উল্কা'ত দেশপ্ৰেমৰ মৰ্মকথা ব্যক্ত হোৱা বুলি এটি তুলনামূলক আলোচনাত প্ৰকাশ কৰিছে। সংকলন খনত থকা কবিতাবোৰৰ মাজেদি জাতীয়জীৱনৰ যথাযথ মূল্যবোধ সংগ্ৰামী ভাৱধাৰাৰে প্ৰকাশ পাইছে। অম্বিকাগিৰীৰ পৰৱৰ্তী কালৰ কবিতাত ৰাজনীতিৰ গভীৰ আৰু ব্যাপক প্ৰভাৱ আমি লক্ষ্য কৰোঁ। ৰাজনৈতিক চেতনা আৰু সাংস্কৃতিক সংহতিয়ে তেওঁৰ দেশপ্ৰেমকে সৰ্বত্ৰ বিদ্যমান কৰি তুলিছিল। দুৰ্দিনত অসমীয়া

জাতিক তেওঁ অগ্নিমন্ত্রেৰে প্লাবিত কৰিছিল। 'বেদনাৰ উল্কাত কৰিয়ে কৈছে,"............

"মাটিয়েই দেশ দেশেই আত্মা
মাটি দেশ গলে আত্মা নাই,
সেই আত্মা লটি-ঘটি হলে
এৰি গুচি যায় মানৱতাই।"

অক্লান্তভাৱে জীৱন ব্যাপি সংগ্ৰাম কৰা জীৱন্ত আগ্নেয়গিৰিৰ দৰে অম্বিকাগিৰীৰ ওজস্বী ভাষাৰ এইয়া দেশপ্ৰেমৰ এক জ্বলন্ত নিদৰ্শন।

অসমৰ ভয়াবহ ছবিখন দাঙি ধৰি ৰায়-চৌধুৰীয়ে ডেকা শক্তিক সচেতন কৰিছিল অসমৰ ভাষিক, সাংস্কৃতিক, ৰাজনৈতিক অস্তিত্ব সুদৃঢ় কৰিবলৈ। এলেহুৱা বৈশিষ্ট্যহীন, সংকীৰ্ণ আৰু পৰমুখাপেক্ষী জীৱন পৰিহাৰ কৰি আত্ম-বিকাশৰ আৰু আত্মনিৰ্ভৰশীলতাৰ পৰম হাবি-য়াস বুকুত বান্ধি মানুহ নামৰ সাৰ্থকতা প্ৰতি-পন্ন কৰিবলৈ তেওঁ ডেকা অসমক আহ্বান জনাইছিল।

"কৰ্মবিমুখ এলেহুৱাৰ ওফোন্দনিত ভৰি থকা
ভেষ ভাণ্ডাৰ আবৰ্জনাত
কৰ্মধাৰাৰ দীপ্তশিখা জ্বলাই দে
জ্বলাই দে।"

তেওঁৰ জীৱিত কালছোৱাত দেশৰ পৰা-ধীনতাৰ অন্ধকাৰত তেওঁৰ দেশপ্ৰেমমূলক কবিতা আৰু গীতবোৰে প্ৰজ্বলিত অগ্নিশিখাৰে বাৰে বাৰে শিহৰিত হৈ অসমৰ ডেকা শক্তিক অনুপ্ৰেৰণা যোগাইছিল। যিবোৰ বৰ্তমান কালতো ডেকাশক্তিক অনুপ্ৰেৰণা যোগাইছে আৰু ভৱিষ্যতেও অনুপ্ৰেৰণাৰ স্থল হৈ থাকিব। আহুতি, শতধাৰ, ডেকা-ডেকেৰীৰ বেদ, ভাৰতীয় স্বৰাজ, আৰু অসমীয়া স্বৰাজ, সাহিত্য মঞ্জৰী, মোৰ জীৱনৰ ধুমুহা এছাটি, আদি অজস্ৰ গদ্য ৰচনাৰ নাম দিব পাৰি যিবোৰৰ মাজেদি ৰায়-চৌধুৰীৰ সাহিত্যিক ৰূপটো পৰিস্ফুটিত হৈছে। 'চেতনা' নামৰ আলোচনীখনকে মুখপত্ৰ হিচাপে লৈ উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধতা মূলমন্ত্ৰ বুলি ধৰি তেওঁ সমকালীন অসমীয়া জীৱন আৰু সমাজৰ যথাযথ বিশ্লেষণ কৰিছিল। এই কাৰ্য্য তেওঁ অসীম ধৈৰ্য্য আৰু কষ্টেৰে সম্পাদন কৰিছিল। অসমীয়াৰ আত্মকথা, অসমীয়া হিন্দু-মুচলমান, অসমীয়া সংৰক্ষিণী সভা, স্বৰাজ, বৃটিছ পণ্য বৰ্জন, অসমীয়া লোকৰ সংখ্যা জাতীয় ভাষা, অসমীয়া বেকাৰ সমস্যা, নিবনুৱা সমস্যা, মহাত্মাৰ কথা আদি অনেক প্ৰবন্ধৰ দৃষ্টান্ত দিব পাৰি যিবোৰ অসমীয়া মানুহৰ জাতীয় চেতনাক জোকাৰ মাৰি গৈছিল। নাটকৰ ভিতৰত 'বন্দিনী ভাৰত, কল্যাণময়ী, জয়দ্ৰথ বধ, ভক্তগৌৰৱ বা শিখিধ্বজ, আদি তেওঁৰ আবেগময়ী আৰু সংলাপগধুৰ ৰচনা যিবোৰ এসময়ত প্ৰচলিত বঙলা নাটকৰ স্থান ওফৰাই অসমীয়া নাটকৰ প্ৰাপ্যস্থান পূৰণ কৰিবলৈ সমৰ্থ হৈছিল।

ৰায়চৌধুৰীদেৱৰ মহান ব্যক্তিত্বৰ বিষয়ে ইয়াত দুআষাৰ আলচ কৰিছোঁ। এই ব্যক্তিত্ব ৰায়চৌধুৰীৰ নিজৰ ভাষাত—

"একেলগে তুমি শান্ত ৰুদ্ৰ
সুপ্ত জাগ্ৰত, বিৰাট ক্ষুদ্ৰ
কঠিন কোমল
মলিন বিমল
অধঃ উৰ্দ্ধ" (বাণী বিদ্যুৎ ৫৪ পৃষ্ঠা)

ৰায়চৌধুৰীদেৱৰ ব্যক্তিত্বই মানবীয়তা ৷

“সকলোতকৈ জীৱন শ্ৰেষ্ঠ
তাত বাদে সত্য একো নাই,
সেই জীৱনৰ জেউতি চৰায়
বিৰাট বিশাল মানৱতাই।
মানবীয়তাত জীৱন জাগে,
অমানবীয়তাত জীৱন ক্ষয় হয়।”

( বাণী বিদ্যুৎ, ৫৫ পৃষ্ঠা )

১৯৫০ খৃঃত মাৰ্ঘেৰিটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ ২১ তম অধিবেশনৰ সভাপতি-ৰূপে তেওঁ অসমীয়া ভাষা-সাহিত্যৰ তদানীন্তন অৱস্থা আৰু ভৱিষ্যতৰ প্ৰতি সকলোকে উদ্দী-পনাময়ী অগ্নিবৰ্ষী ভাষাৰে সজাগ কৰি দিয়ে। দেশ প্ৰেমৰ অনিৰ্বাণ জ্যোতিৰে আলোকিত তেওঁৰ ভাষণে অসমীয়া জাতিৰ অস্থি-মজ্জাত তুলি যোৱা জোঁকাৰণি আজিও নাৰ যোৱা নাই বৰং সেইবোৰ জীৱন্ত হৈ আছে। ৰায়-চৌধুৰীদেৱে সেই ভাষণত অসমৰ বিভিন্ন সমস্যাৰ বিষয়ে কয়—“মোৰ অস্তিত্বৰ ওপৰত চাৰিওফালৰ পৰা প্ৰচণ্ড আক্ৰমণ চলিছে-মোৰ পৈতৃক ঘৰৰ ভেটিৰ ওপৰত, পিতৃ-পিতামহৰ পুণ্য-স্মৃতিবাজিৰ ওপৰত, ভাষা-সংস্কৃতিৰ ওপৰত, সমাজ, অৰ্থনীতিৰ ওপৰত। যদি মই আত্ম-জ্ঞান আৰু আত্ম-মৰ্য্যাদাশীল জীৱ হওঁ, তেন্তে জীৱ-ধৰ্ম অনুপ্ৰেৰণাত উদ্দীপিত মোৰ ওচৰত, সেই আক্ৰমণ চূৰ্ণ কৰি মোৰ আত্মৰক্ষা কৰি-বলৈকে কি ৰাজনৈতিক আৰু সাম্প্ৰদায়িক বাধা নিষেধৰ মূল্য থাকিব পাৰে?” তেওঁৰ মতে, “আত্মৰক্ষাৰ জ্ঞান নাথাকিলে আত্ম-নিঃসৃত সাহিত্যও ওলাব নোৱাৰে।” তেওঁ সমগ্ৰ অসমীয়া জাতিক সাৱধান বাণী শুনায়, “অসমীয়া ৰাইজ, পৰ্বত-ভৈয়ামৰ অসমীয়া ভাই-ভনী! আজি আপোনাৰ পৈতৃক ঘৰৰ ভেটি, ভাষা-সংস্কৃতি, সমাজ, অৰ্থনীতি, অস্তিত্ব সকলো বলিশালত। সকলো কথা জলজল্ পট্‌পটকৈ আপোনাৰ চকুৰ আগত পৰি আছে। নিঃসঙ্কোচে নিৰ্ভয়েৰে আপুনি আত্মস্থ হৈ উপ-লব্ধি কৰক, চিন্তা কৰক। বাহিৰত আস্ফা-লন তোলা আপোনাক ধ্বংসকাৰী ক্ৰিয়াবোৰৰ প্ৰচণ্ড প্ৰতিক্ৰিয়া চলাব উপযুক্ত কৰি অন্ত-ৰ্জগত ফৰকাল কৰি তোলক।··· ···সমগ্ৰ অসমৰ পৰ্বত-ভৈয়াম জুৰি কট্‌কটীয়া সংঘবদ্ধ-তাৰে আত্মৰক্ষাৰ বাবে উঠি পৰি লাগক। নিজে নিজক ৰক্ষা নকৰিলে আনে কাকো ৰক্ষা নকৰে।” উদ্দীপ্ত অগ্নিবৰ্ষী ভাষাৰে তেওঁ আৰু কয়, “আত্মৰক্ষা কৰিবলৈকে অদম্য উৎসাহেৰে সাজু হৈ উঠক, নিৰ্ভীক বীৰ-দৰ্পেৰে আগবাঢ়ক, শই শই, হাজাৰ হাজাৰ অসমীয়া ডেকা-গাভৰু কঠোৰ নিয়মানুৱৰ্তিতাৰে, সুশৃঙ্খলিত দৃঢ়তাৰে। আজি আমাৰ মাতৃভূমিৰ, ভাষা-সংস্কৃতিৰ, সমাজ-অৰ্থনীতিৰ ঘোৰ দুৰ্দিনত কঠোৰ সেৱা ব্ৰতেৰে কৰ্মক্ষেত্ৰত জপিয়াই পৰক।”

অসম সাহিত্য সভাৰ উনবিংশ সন্মিলনলৈ ( গোৱালপাৰা, ১৯৬১ ) পঠোৱা বাণীত ৰায় চৌধুৰীদেৱে এটা বাক্য লিখি সভাক সচেতন কৰি দিয়ে এইদৰে।

“প্ৰচণ্ড দেশাত্মবোধৰ অনিবাৰিত ধনেৰে জীৱনৰ কৰ্মপ্ৰবাহ অচল আৰু পঙ্গু কৰি ৰখা দুৰ্বলতা-সম্ভূত পুঞ্জীভূত অলসতা, কৰ্ম-

বিমুখতা, কলুষ-ক্লেশ, দুর্নীতিব আবৰ্জনা উটাই দি জঠবতা ভাঙি অসমীয়াব সামূহিক জীৱন-ফুল নিকা কবি সফল একাত্মবোধ সাবি-বিপুল-জীৱন্ত কৰ্মোল্লাসেবে তাক বিশ্বমানবীয়তা বোধলৈ আগুৱাই নিয়া সক্রিয় যোগ্যতা অৰ্জাৰ পথত লেখনি ধৰিবলৈকে অসমীয়া কবি, সাহিত্যিক, গাল্পিক, ঔপন্যাসিক, প্রাবন্ধিক, সাংবাদিক সকলক অসম সাহিত্য সভাই কঠোব আহ্বান দিয়ক।"

অম্বিকাগিবীব সমস্ত জীৱন পৰিচালিত হৈছিল প্রেমব দ্বাবা, কেতিয়াবা ব্যক্তিগত দেহজ ৰূপত, কেতিয়াবা দেশ-জাতি ভাষাব প্রেমব ৰূপত আৰু কেতিয়াবা ভগবৎ প্রেমব ৰূপত তাব ত্রিধাবা প্রকাশ ঘটিছে। সমান আসক্তিবে তেওঁ এই ত্রিবেণী সংগমত অবগাহন কৰিছে; প্রয়োজন সাপেক্ষে চৰম ত্যাগ তথা কষ্ট শিব পাতি গ্রহণ কৰিছে। এই দৃষ্টিবে বিচাৰি চালে তেওঁৰ সমকক্ষ দ্বিতীয় এগৰাকী অসমীয়া সন্তব আৰু পোৱা নাযাব। সেইবাবে ক'ব পাবি 'অনেন সদৃশঃ লোকো নভূতো ন ভবিষ্যতি'।

দেশপ্রেমব অনুভূতিক তীব্রতাব ক্ষেত্রত অম্বিকাগিবীব নাম বেজবৰুৱা আৰু অগ্নিকবিৰ সৈতে একেলগে স্মৰণ কৰা হয় যদিও তেওঁৰ এই অনুভূতি নিবলস কৰ্ম সূচী আৰু দীপ্ত আশাবাদৰ সঁফুৰা স্বৰূপ! বেজবৰুৱাই অসমীয়া জাতিক এক আত্মবিশ্বাস আৰু আত্মতুষ্টিব ভাবত উদ্বুদ্ধ কৰিবলৈ প্রয়াস কৰিছিল; আনহাতে, অগ্নিকবিয়ে অসমব হৃত-গৌৰবব জয়গান গাই জাতিটোক গভীব সু-সুপ্তিব পৰা জাগ্রত কৰিবলৈ আকাংক্ষা কৰি-ছিল। কিন্তু অম্বিকাগিবীব ভাবনা সাম্প্রতিক অৱস্থা আৰু ভৱিষ্যত স্থিতিব সৈতে তীব্র-ভাৱে সংশ্লিষ্ট। দেশ গ'ল গ'ল বুলি দিনে-নিশাই চিঞৰি তেওঁ যেন গাঁৱে-গাঁৱে, নামঘৰে নামঘৰে ধাইজক বিপদব জাননী দি ফুৰিছিল। ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক ব্যাধি চক্রান্তব পৰা অসম আৰু অসমীয়াক ৰক্ষা কৰিবলৈ হ'লে অতীতব শিঙবি ঘৰলৈ চাই থাকিলে নহ'ব। কোনোবা দেৱদূতলৈ বিয়াই থাকিলে নহ'ব; অসমীয়াই নিজে ওচৰতে ঢুকি পোৱা সমল লৈ আত্মত্যাগ আৰু কৰ্ম-উদ্যমেবে নিজব বৰ্তমান আৰু ভৱিষ্যতব সোপান নিৰ্মাণ কৰিব লাগিব। —এয়ে আছিল অম্বিকাগিবীব দেশপ্রেমব সবল দৰ্শন।

অসম আকাশব উজ্জ্বল জ্যোতিষ্ক অম্বিকাগিবীব চিন্তাধাবা আৰু কাৰ্য্যসূচী কেৱল অসম তথা ভাবতত পৰিসীমাতে আবদ্ধ হৈ থকা নাছিল। আহুতি, প্রস্তুত সন্নিবিষ্ট 'জগতব শেষ আদৰ্শ আৰু বিশ্বশান্তি স্থাপনব পথ' শীৰ্ষক প্রবন্ধটিয়ে তেওঁ গভীব মানৱতা বোধ আৰু বিশ্বজনীন ভাবনাব চানেকি দাঙি ধৰে। এই প্রবন্ধটিব ইংবাজী অনুবাদ প্রকাশ হোৱাত অম্বিকাগিবীব চিন্তাই আন্তৰ্জাতিক পণ্ডিতব সমাদব লাভ কৰিবলৈ সক্ষম হয়।

এতিয়া বায়চৌধুৰী মানুহজনব সম্পর্কে দুআষাব লিখিছোঁ। সত্য, প্রেম আৰু অহিংসাব জয়গানেবে বিশ্ব-জগতব আকাশ পাতাল নিনাদিত কবি সাম্য, মৈত্রী আৰু স্বাধীনতাব ভেটিত মানৱ সমাজক থিয় কৰাই, সেৱাব গৌৰৱ পতাকা প্রতিষ্ঠিত কৰিবলৈ তেওঁ

বিচাৰে। "মই বিদ্ৰোহী, বিপ্লবী,—পৃথিবীৰ মাটিত, পানীত, আকাশত, মই বিদ্ৰোহী বিপ্লবী বিশ্বৰ মনোজগতত ; মই বিদ্ৰোহী, বিপ্লবী সৃষ্টি ধাৰাৰ গতিৰ মুখত ; মই বিদ্ৰোহী বিপ্লবী ব্ৰহ্মাণ্ডৰ মেৰুদণ্ডৰ সাফৰিলাকত, মোৰ বিদ্ৰোহ বিপ্লৱ মাটিৰ মানুহৰ শূণ্যগৰ্ভ গলিত, গৰ্বৰ অতলস্পৰ্শ নাৰকীয় খালবিলাকত। অপাৰ অসীম অনন্ত উৎসাহেৰে সকলোকে আচ্ছন্ন কৰি চলিছে আজি মোৰ বিদ্ৰোহ বিপ্লৱ। মই আজি ব্ৰহ্মাণ্ডত বিদ্ৰোহ বিপ্লৱৰ ধূমকেতু।" বুলি সমগ্ৰ মানৱ জাতিৰ কল্যাণ, সাম্য তথা শান্তিৰ বাবে সিংহৰ দৰে গৰ্জন কৰি, আৰ্তনাদ তুলি ভৱিষ্যৎ স্বৰাজ্য বা মানৱ-তন্ত্ৰৰ সপোন বাস্তৱত ৰূপায়িত হোৱাত আকাংক্ষা কৰিছে। বিশ্বৰ কল্যাণ সাধন কৰাৰ নিমিত্তে ৰায় চৌধুৰীদেৱে বিশ্বনাথক কাতৰ প্ৰাৰ্থনা জনায়। মৈত্ৰীৰ দোলেৰে জাতি ধৰ্ম সম্প্ৰদায়ৰ ভেদাভেদ পৰিহাৰ কৰি বিশ্বমানৱ একগোট হৈ বান্ধ খাই পৰক, এয়ে তেওঁৰ হৃদয়ৰ কামনা ঃ

অচ্ছেদ্যবান্ধোন, মৈত্ৰীৰ সন্ধান বিশ্বহিত ধ্যান ভৈৰবী,
হেৰা নিখুঁত সুন্দৰ, বিশ্ব পুৰন্দৰ, মঙ্গল অমৃত পুৰবী
তোমাৰ যিখিনি গভীৰ গুপ্ত, মোৰে কৰো আজি সকলো লুপ্ত।
আপোন পাহৰা হৈ আপোনাকে থাকো লৈ;
নোখোজো তোমাক নালাগে তত্ত্ব, নালাগে নহওঁ মিলন মত্ত, দিয়া ভক্তি।"

বিশৃঙ্খল জগতক শৃঙ্খলা লগাই মানৱ-সমাজক সমস্বত্বৰ, সাম্যৰ শান্তিৰ আশীৰ্বাদৰ জয়মুকুট পিন্ধাই দি স্বাধীন বাধাহীন মুক্তগতিৰে নিজৰ বিবাতত্ব সম্পূৰ্ণকৈ উপলব্ধি কৰি নিজৰ ভিতৰত জগত-শক্তিৰ পৰিপূৰ্ণ ৰূপ ফুটাই তুলি বিপুল শক্তিৰ উৎস সৃজিবলৈকেই তেওঁ চলায় তেওঁৰ আদৰ্শৰ অভিযান।

এইদৰে শয়নে-সপোনে দেশৰ, জাতিৰ, ভাষা-সংস্কৃতিৰ, ৰাজনীতিৰ (ক্ষমতা নিবিচৰা বিধৰ), সমাজৰ, অৰ্থনীতিৰ আদি সকলো চিন্তাই আছিল তেওঁৰ একমাত্ৰ আৰাধনা আৰু দেশ প্ৰেম আছিল প্ৰশান্ত মহাসাগৰৰ দৰে গভীৰ।

এই মহান পূৰ্বসূৰীগৰাকীৰ আদৰ্শ আৰু কৰ্ম প্ৰেৰণাই যেন আমাক জীৱন-যাত্ৰাৰ প্ৰকৃত পথত ৰত ৰাখে। মহাকালৰ ওখ প্ৰাচীৰৰ ওপৰে তেওঁলৈ আমাৰ বিনীত প্ৰণতি।

গ্ৰন্থপঞ্জী


(১) অসম কেশৰীৰ উপাখ্যান — সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা।
(২) অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'তুমি' ড° বাণীকান্ত কাকতি
(৩) অম্বিকাগিৰী ৰায়চৌধুৰী দেৱৰ ব্যক্তিত্ব —যুগল দাস
(৪) অম্বিকাগিৰী ৰায়চৌধুৰী আৰু অসম সাহিত্য সভা — যতীন্দ্ৰ নাথ গোস্বামী।
(৫) ৰায়চৌধুৰীৰ সাহিত্য প্ৰতিভা — ৰাম গোস্বামী।
(৬) অম্বিকাগিৰীৰ জীৱন আৰু চিন্তা — ড° প্ৰফুল্ল দত্ত গোস্বামী
(৭) অম্বিকাগিৰী ৰায়চৌধুৰী, পাতনি — চন্দ্ৰ প্ৰসাদ শইকীয়া



# দৰঙীয়া কৃষ্টিত এভুমুকি

শ্ৰীবিজয় কুমাৰ শৰ্মা ।
এম, এ, বি, টি

আৰ্য্যসকল ভাবতবৰ্ষত প্ৰৱেশ কবাব আগেয়ে যিসকল লোকে ইয়াত বসবাস কবিছিল সেই সকলে উন্নত সাংস্কৃতিক জীৱন[১] যাপন কবিছিল । আৰ্য্য আৰু প্ৰাক্‌ আৰ্য্যসকলব সংহতি আৰু সংমিশ্ৰণত ভাবতীয় সভ্যতা সংস্কৃতি গঢ় লৈ উঠিছে । কালব সোঁতত কৃষ্টি সংস্কৃতিব কোনোটো দিশ লুপ্ত হৈছে আৰু কোনোটো নতুন ৰূপত গঢ় লৈ উঠিছে । লোপ পোৱা বুলি ধাবণা হোৱা কোনো বিষয় কোনো এখন দেশব এটা চুকত বৈ থকাও দেখা যায় । আদিম সমাজ যাযাববী অৱস্থাত থকাৰ পবাই সমাজ আৰু সংস্কৃতিয়ে গঢ় লৈ উঠিছে । সংস্কৃতি বোৱঁতী নৈব নিচিনা । প্ৰবজনব ফলত কোনো ঠাইত একে সমাজব লোকে যিটো পাহবিলে আন ঠাইত সেইটো দেখা যায় ।

প্ৰবাহমান কালব সোঁতত ভাঁহি যোৱা কৃষ্টি সভ্যতাব টুকুবা কিছুমান দেশ আৰু সমাজব চুকে কোণে সংবক্ষিত হৈ বৈ যায় ; য'তে প্ৰবাহব গতি মন্থব তাতেই ই থিতি লয় । নদীব কাষব ঘূলি-বোবত বৌ-ববালি আদি ডাঙৰ ডাঙৰ মাছ থকাব দবে চিবপ্ৰবাহমান কালব সোঁতিতো সোঁতে কোবাই নি নিঃচিহ্ন কবিব নোৱাবাকৈ কিছুমান ঠাইত সময়ব ইতিহাস কৃষ্টি সভ্যতাবে স্মৃতি চিহ্ন আদি মচ নোখোৱাকৈ বৈ থাকে[২] । দবং তেনে এখন ঠাই । মুছলমান, আহোম, কোঁচ, কছাবী আদিব মাজত এবাধবাকৈ থৈয়া নথৈয়া বণ চলি থকা কালতো মঙ্গলদৈ নিৰ্বাক নিস্কন্দ বস্তি সদৃশ স্থিবে থাকি অনেক মৃত্যুমুখী কৃষ্টি কলাক নানা অনুষ্ঠানত আশ্ৰয় দি বাখিছিল[৩] । সেয়ে ইয়াত বিভিন্ন সময়ব বিভিন্ন জাতি-উপজাতিব বিভিন্ন কলাকৃষ্টি সংবক্ষিত হৈ আছে । দবং জিলাত অধুনা প্ৰচলিত তেনে কেইটিমান

১। A study of Indian History, Dr Panikar.
২। প্ৰাগুক্ত গ্ৰন্থ ।
৩। দবংস্মৃতি ঃ প্ৰবন্ধ লেখক—শ্ৰীঅতুল চন্দ্ৰ বৰুৱা ।

সাংস্কৃতিক অনুষ্ঠান আৰু সাংস্কৃতিক অনুষ্ঠান সমূহে গঢ় লৈ উঠা কেন্দ্ৰ দুই এটিৰ লগত থকা জন গণৰ বিশ্বাস উল্লেখ কৰাৰ যত্ন কৰা হ'ল।

**নাঙেলী:** নাঙেলী একুৰি নাঙেলী দুকুৰি
নাঙেলী ওঠৰ কুৰি
অমুকাৰ ঝিয়াকে হাত যোৰ কৰিছে
নাঙেলী নামে'ৰৰি বুলি।[৪]

নাঙেলী নামে'ৰ্‌ৰি বুলি হাত যোৰ কৰিব লগা হৈছিল বোধ হয় নাঙেলী গীতৰ শব্দ শক্তিয়ে শুনোতা সকলক উদ্বাউল কৰি তুলিছিল। আধুনিক সমাজে এই গীতবোৰৰ ওপৰত মন্তব্য দি এইবোৰ অশ্লীল আখ্যা দিব পাৰে। আধুনিক সভ্য সমাজত ৰুচি বিহৰ্গিত শব্দ সংযোজনৰ বাবে এইবোৰ অশ্লীল হ'ব পাৰে, কিন্তু ইয়াৰ সাংস্কৃতিক মূল্য অপৰিসীম। বহুতে নাঙেলী গীতবোৰ ম'হ আৰু গৰু গোৱালৰ গীত বুলি ধাৰণা কৰে। প্ৰকৃত পক্ষে এইবোৰ কৃষকৰ গীত আছিল বুলিহে ধাৰণা হয়। ম'হ আৰু গৰু চৰোৱাৰ সময়ত কৃষকে এইবোৰ আওৰাই লয় আৰু ভেলাঘৰৰ ভোজ খাই উঠি নাঙলী গীত বছৰটোলৈ শেহৰ বাবে গাই সামৰণি পেলায়।

আদিম সমাজৰ মেজিকৰ[৫] ওপৰত বিশ্বাস আছিল গভীৰ। কৃষিজীবি মানুহে শস্য উৎপাদনৰ বাবে পৃথিবীক মাতৃৰূপত[৬] জ্ঞান কৰিছিল। মানুহৰ বিভিন্ন জনেন্দ্ৰিয়ৰ উল্লেখেৰে গোৱা গীতবোৰৰ প্ৰভাৱত পৃথিৱী শস্য সম্ভাৱা হয় বুলি ধাৰণা আছিল। আহাৰ মাহত পৃথিবীৰ ৰজস্বলা হয়। এই সময়ছোৱাক আমতী বোলে। ৰজস্বলা নাৰী স্পৰ্শ নিষেধৰ দৰে আমতীৰ কেইদিন হাল-কোৰৰ কামত নিষেধ। অশ্লীল যেন বোধহোৱা কৃষি ব্যৱস্থাৰ লগত জড়িত কেইটিমান মেজিকৰ উল্লেখ কৰা হওক:

(ক) এগ্ৰইনা নামৰ এটা অঞ্চলৰ কৃষকে লং-খেতি ভালনোহোৱা যেন দেখিলে ৰাতি পথাৰলৈ গৈ যৌনাঙ্গ প্ৰদৰ্শন কৰি বহুতো লং লাগক বুলি চিঞৰে।[৮]

(খ) গোলাঘাটৰ কোনো কোনো সম্প্ৰদায়ে খেতিৰ বাবে পথাৰ জিলিকাই তোলা বৰষুণ কামনা কৰি জেঠমাহত তিনিদিন ধৰি পানী তোলা সবাহ পাতে; সবাহত অঙ্গ খুত নথকা অপুষ্পিতা আৰু মাক বাপক থকা তিনিজনী ছোৱালীয়ে তিনিটা এঁৱা ঘটত বেলেগ বেলেগ ঘাটৰ পৰা বাইজ আৰু বায়নৰ লগত গৈ পানী তোলে।[৯]

(গ) জাৰ্মান আদি দেশত বৰষুণ নহলে এজনী গাভৰুক নাঙঠ কৰি আলি দোমোজা বিলাকত গাধুৱাই দিয়াৰ নিয়ম আছিল[১০]

(ঘ) বৰষুণৰ প্ৰয়োজন হলে গাভৰু ছোৱালী

৪। শ্ৰীপীতৰাম ডেকাৰ সৌজন্যত (গধিয়াপাৰা), ৫। Frazer, The Golden Bough (ab, ৬। Indian mother Goddess—N. N. Bhattacharyya, ৭। Indian puberty rites—N. N Bhattacharyya, ৮। লোক কৃষ্টিৰে উৎস-শ্ৰীশিৱ নাথ বৰ্মণ, ৯। অসমৰ লোক সংস্কৃতি—ড° নিৰ্মল প্ৰভা বৰদলৈ, ১০। লোক কৃষ্টিৰ উৎস।

নগ্ন হৈ হুতুম দেৱতাৰ সন্মুখত নৃত্য কৰা প্ৰথা গোৱালপাৰাকে মুখ্য কৰি পূৰ্বভাৰতৰ বহুতো অঞ্চলত এতিয়াও আছে।[১১]

(ঙ) বিহুগীত, নৃত্যত শস্য উৎপাদনৰ ইঙ্গিত লুকাই আছে। এসময়ত বিহুগীত আৰু নৃত্যক অশ্লীল জ্ঞান কৰা হৈছিল।

এইবোৰৰ পৰা সহজে অনুমান কৰিব পাৰি যে অশ্লীল যেন ধাৰণা হোৱা বিষয়-বোৰৰ লগত কৃষি উৎপাদন বৃদ্ধিৰ সম্ভাৱনা লুকাই আছিল। নাঙেলী গীতবোৰ কৃষি উৎপাদন বৃদ্ধি কামনা কৰি গোৱা হৈছিল। "নাঙেলী" শব্দটো কৃষিৰ লগত জড়িত "নাঙল"ৰ লগত ইকা প্ৰত্যয়[১২] যোগ হৈ সাধিত হৈছে।

ওজাপালি : পণ্ডিত সকলৰ মতে ভৰত মুনিৰ নাট্যশাস্ত্ৰ খৃঃ ১ম শতিকাৰ পূৰ্বেই ৰচিত হৈছিল। নাট্যশাস্ত্ৰত উল্লেখ আছে ওড্ৰ মাগধী প্ৰবৃত্তিয়ে অংগ, বংগ, কলিংগ, বৎস, ওড্ৰ, মগধ, পুণ্ড্ৰ, নেপাল, প্ৰাগজ্যোতিষ আদি অঞ্চল সামৰে। এই প্ৰাগ্‌জ্যোতিষ কামৰূপত স্বকীয় প্ৰবৃত্তি সংযুক্ত নাট্যৰীতি প্ৰচলিত আছিল। নাট্য ৰীতিয়ে গীত নৃত্য বাদ্যকো সামৰি লয়।[১৩]। এনে গীত নৃত্য বাদ্যক সামৰি লোৱা অনুষ্ঠান হ'ল ওজাপালি। দৰঙৰ ওজাপালিক দুই শ্ৰেণীত ভগোৱা হয় : (১) বিয়াহগোৱা বা সভাগোৱা ওজপালি (২) সুকনান্নী বা বংগোৱা ওজাপালি। বিয়াহৰ ওজাপালিয়ে ৰামায়ণ, মহাভাৰত বা পুৰাণ আদিৰ পদ গায়। সুক-নান্নী ওজাপালিয়ে সুকবি নাৰায়ণ দেৱৰ মনসা কাব্যৰ পদ গায়। এই দুই শ্ৰেণীৰ ওজাৰ বিয়াহগোৱা শ্ৰেণীয়ে এটি প্ৰাচীন ঐতিহ্য বহন কৰি আহিছে।

বিয়াহগোৱা ওজাৰ সাজপাৰ আৰু শিৰ-জাগৰত ব্যৱহাৰ কৰা মুদ্ৰাত (মুতুৰা) বৌদ্ধ সংস্কৃতিৰ অৱদান আছে।[১৪] বিয়াহৰ ওজাক বজাই প্ৰদান কৰা মুদ্ৰা নামক দেৱীৰ প্ৰতীক আৰু ভূটীয়া সকলৰ বৌদ্ধ মন্দিৰ বোৰৰ উপৰিও বিশিষ্ট লোকৰ ঘৰত প্ৰতিস্থিত মহা-মুনি বা ভগৱানৰ প্ৰতীক এই দুয়োৰে সাদৃশ্য আছে। বিয়াহৰ ওজাই মুদ্ৰাক যেনেদৰে শক্তিৰ প্ৰতীক ভাবি সেৱা ভক্তি কৰে তেনেকৈ ভূটীয়া সকলেও "মানিপেমা" নাম দি মহামুনি বা ভগৱানৰ প্ৰতীকৰূপে সেৱা ভক্তি কৰে। ওজাইগোৱা পাটিশ্যাগীতত যোগলী প্ৰভাৱ আছে।[১৫] বিয়াহৰ ওজাপালি বাসুদেৱ পূজা বা গোন্ধ চোপৰী সভাৰ অপৰিহাৰ্য্য অঙ্গ।

বিয়াহৰ ওজাপালিৰ ওপৰত বিভিন্ন জনে আগবঢ়োৱা মন্তব্যৰ পৰাই এই অনুষ্ঠানটিৰ

---

১১। প্ৰাগ্‌উক্ত গ্ৰন্থ ১২। ড° নবীন চন্দ্ৰ শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়।

*। বৰ্তমানে প্ৰবন্ধলেখকৰ হাতত তিনিকুৰিমান নাঙেলীগীত সংগ্ৰহ কৰি ৰখা হৈছে।

১৩। দৰঙী কলা কৃষ্টিৰ বিকাশ সংঘ, তেজপুৰ স্মৃতিগ্ৰন্থ প্ৰঃ লেঃ ডা°নবীন চন্দ্ৰ শৰ্মা।

১৪। দৰংস্মৃতি : প্ৰঃ লেঃ শ্ৰীদুৰ্গেশ্বৰ নাথ ওজা। ১৫। দৰঙী কলা কৃষ্টি প্ৰ : লেঃ শ্ৰীপ্ৰদীপ চলিহা।

গুৰুত্ব উপলব্ধি কৰিব পৰা যায়। মন্তব্য সমূহৰ ভিতৰত কেইটিমান উল্লেখনীয় মন্তব্য হল ঃ (ক) ব্যাসৰ ওজা সকলে গোৱা ৰাগৰ মালিতা আছে। ই অসমীয়া সঙ্গীতৰ আপুৰুগীয়া সম্পদ।[১৬]

(খ) ইং ১৯৫৬ চনত গুৱাহাটীৰ এখন সাংস্কৃতিক সম্মিলনত মঙ্গলদৈৰ ব্যাসগোৱা ওজা ৺ধাতুৰাম শৰ্মাৰ কণ্ঠত সাৰঙ্গ ৰাগ শুনি ভাৰতৰ খ্যাত-নামা সঙ্গীত বিশেষজ্ঞ বিনায়ক পট্টবৰ্দ্ধনে কৈছিল ঃ অসমৰ বহুতো পুৰণি ৰাগ এতিয়াও শুদ্ধ ধৰণে আছে তাৰ সাৰঙ্গ আদি কিছুমান ৰাগ অতি ওখ খাপৰ।

(গ) সামবেদ যি সুৰত গোৱা গৈছিল সেই সুৰ বিয়াহৰ ওজাপালিৰ মুখত এতিয়াও আছে।

(ঘ) সঙ্গীত নৃত্যৰ পৃষ্ঠ পোষকতা কৰি স্বৰ্গদেউ লক্ষীসিংহই বিয়াহৰ ওজাক দিয়া তাম্ৰফলি খনৰ পৰা ওজাৰ গুৰুত্ব নিৰ্ণয় কৰিব পাৰি। তাম্ৰ-ফলি খনিৰ পাঠটি তলত হুবহু তুলি দিয়া হ'ল ঃ

৺ স্বস্তি শ্ৰীযুত কামাখ্যা পদ পদ্ম মধুব্ৰত ঃ। শ্ৰীলক্ষ্মীসিংহ ভূপাল ঃ পুৰন্দৰ কুলোদ্ভৱ ঃ। বিপুনৃপকুলমস্ত শ্ৰেণি বিন্যস্ত দ্যুমণি সমমণি শ্ৰীস্মেৰপদাৰবিন্দ। হিমকৰ কৰ কীৰ্তি ঃ কাম সঙ্কাশ মূতিঃ সুনয় নিয়ে তল্লোদত্তি কল্পদ্ৰু কামঃ। অয়ং প্ৰাদাৎ ক্ষিতি সিমাং কামৰূপ নিসিনে। শ্ৰীকৃতী শ্ৰীসাগৰস্যায় দৈৱজ্ঞ কুল জন্মনে। তস্মৈ গাথক বৰ্য্যায় তাম্ৰপত্ৰমিদৰুসঃ। তৰ্কাঙ্ক-সডিবধে শাকে প্ৰদাদ্বৃত্তি বক্ষকং। তদ্বিবৰণং কামৰূপ দেশৰ বড়ুৱাও বৰকায়স্থ ও চৌধাৰি ও পাটোৱাৰি ও তালুকদাৰ ও ঠাকুৰিয়া ও গইৰহ সকলোৱে সাৱধানে জানিব খেত্ৰি পৰাগণাৰ সালমাৰা গ্ৰামৰ বিয়াহৰ ওঝা সাগৰক ৺ৰে এই মাটি দিলে আৰু তাম্ৰপত্ৰো কৰি দিলে খেত্ৰি পৰাগণাৰ সালমাৰা গ্ৰামত ৰোপিত মাটি ৮ পুৰা আৱেহদ পূৰে সালমাৰা নদি পশ্চিমে গৰুবাট উত্তৰে ৰাজআলি দক্ষিণে সন্তৰ-ৰাৰি গইপানিৰ ঘৰৰ আগত ৪ পুৰা ৰামুন্দিয়া মেৰিৰ ৰাৰিৰ পাচত টোকৰৰ ঢাপত পূৰে ৪ পুঃ পাতিদৰং পৰাগণাত ৰণৰা গ্ৰামত ৮ পুৰা/ ২৪ আৰু দৰং দেশৰ ধুমুহা গ্ৰামত ঘৰবাৰি ৭ বো বাড়ি ২৪ বেতনা গ্ৰামত ঘৰবাড়ি ৮ বো ৰাড়ি ২২ মুঠত ৬১ পুৰা আকে বিয়াহৰ ওঝাএ পুত্ৰপুত্ৰাদিক্ৰমে ভোগ কৰি ৺ক আশীৰ্বাদ কৰি থাকিব ইহাৰ কৰ-কাটল পদপঙ্কক বেঠ বেগাৰ জলকৰ জৰক্ষাৰ চোৰ চিলানা ধুমুসি মাড়েসা চকি হাট ঘাট সৰ্ববাৰ পৰিত্যাগ হৈল ইহাত কোনোজন অন্যথা নকৰিব ইতি শক ১৬৯৬ মাস অগ্ৰহায়ণ।[১৮]

দেউল ঃ গোটেই বহাগ মাহ জুৰি দৰঙীয়া ৰাইজে দেউল উৎসৱ পালন কৰে। বহাগৰ যিকোনো এটি দিনত কোনো এখন ঠাইত দেউল হয়। দেউলত বিষ্ণুপূজা আৰু অধিবাসৰ দিনা হোৱা মেষদাহ কাৰ্য্যই প্ৰাক্‌আৰ্য্য সংস্কৃতিৰ লগত আৰ্য্য সংস্কৃতিৰ সমন্বয়ৰ ইঙ্গিত বহন কৰিছে। বিষ্ণুপূজা ভাৰতবৰ্ষৰ প্ৰায়বোৰ ঠাইতেই কৰে। ফলোৎসৱ উপলক্ষে মেষদাহ

১৬। প্ৰাগ্‌উক্ত গ্ৰন্থ। ১৭। শ্ৰীজিতেন্দ্ৰ নাৰায়ণ চৌধুৰী ; চপাই ঃ ১৮। তাম্ৰপত্ৰখনি সালমাৰাৰ গুৰুচৰণ মিশ্ৰৰ ঘৰত সংৰক্ষিত।

কৰে। মেষদাহ হিৰণ্যাক্ষ-শিপুৰ ভনীয়েক হলিকাৰ প্ৰতীক [১৯] বুলি ভাবে। কোনোৱে আকৌ মেষ নামক দৈত্যৰ নিধন [২০] বুলিও কয়। দেউলৰ বিষ্ণুপূজাৰ বাবে দৰঙী ৰাজ্যৰ পণ্ডিত বেদাচাৰ্য্যই[২১] বিধি প্ৰণয়ন কৰিছিল। দেউল উপলক্ষে ওখকৈ সাতখলপীয়া ভেটি, মগৰৰ ব্যৱহাৰ আৰু ওখ বাঁহত তৰি দিয়া জালপাশ বা নাগপাশ বিশেষ অৰ্থযুক্ত। পৃথিৱীৰ বিভিন্ন ঠাইৰ বাঁহৰ ব্যৱহাৰ মন কৰিবলগীয়া। এসময়ত বাঁহক কেন্দ্ৰ কৰিয়েই এটি সংস্কৃতিৰ জন্ম হৈছিল। বাঁহ সৃষ্টিৰ (লিঙ্গ) প্ৰতীক। বাঁহত ঘহি জুই উলিওৱা, বাঁহৰ পৰা নিত্যপ্ৰয়োজনীয় বস্তু সাজি লোৱা, গজালিৰ পৰা ক্ৰমান্বয়ে ডাঙৰ হৈ বাঁহজোপাই ৰূপ সলোৱা আদিম মানৱৰ চকুত আশ্চৰ্য্যৰ বিষয় আছিল। ইয়াৰপৰা ভয় ওপজিছিল। ভয়ৰ পৰা ভক্তি ওপজাৰ ফলত আদিম মানৱে বাঁহ পূজা কৰিছিল। বাঁহ পূজাৰ নিদৰ্শন দেউলত আছে।

দেউলৰ বিষয়ে ৰাইজৰ বিশ্বাস অপৰিসীম। সেই বিশ্বাসবোৰ এনেধৰণৰ।

(১) দেউলৰ ভেটিৰ চাৰিওফালে ঘূৰিলে পূৰ্ব-জন্মকৃত পাপ মোচন হয়। [২২]

(২ দেউলত সেৱা কৰিলে বসন্ত কলেৰা আদি মাৰি মৰক, অপায় অমঙ্গলবোৰ দূৰ হয়।

(৩) দেউলৰ ভেটিৰ মাটি হাঁহ উমনিৰ তলত থলে আটাইবোৰ কণীৰ পোৱালি হয় আৰু আৰু পিলুৰ দেউল ঘূৰণি নহয়।

(৪) বিবাহ যোগ্য ছোৱালীৰ সোনকালে বিয়া হয়।

(৫) আলহী অতিথি ঘৰলৈ আহে; গৃহলক্ষ্মী সুপ্ৰসন্ন হয় এইবোৰৰ উপৰিও আন এটি বৈশিষ্ট হল—

(৬) দৰঙী ৰাইজক ধনী দুখীয়া, জাতি উপ-জাতিৰ ভেদা-ভেদ পাহৰাই একতাৰ সূত্ৰেৰে গাঁঠিব পাৰে।

**গাছবিয়া:** ইতিমধ্যে উল্লেখ কৰা হৈছে যে এসময়ত পৃথিৱীৰ বিভিন্ন ঠাইৰ লগতে ভাৰত-বৰ্ষৰ বিশেষকৈ উত্তৰ পূৰ্বাঞ্চলত বাঁহক কেন্দ্ৰ কৰি এটি সংস্কৃতিৰ জন্ম হৈছিল। অসমৰ আদিম বাসিন্দাসকল এই সংস্কৃতিৰ বাহক ৰূপে এতিয়াও আছে। টংলাৰ ওচৰৰ পলাহগড় গাঁৱৰ ওচৰচুবুৰীয়া ৰাইজে মিলি বৰ্তমানে গাছবিয়া [২৩] উৎসৱ বহাগৰ আঠ তাৰিখে পালন কৰে।

গাছবিয়া উপলক্ষে মাজগাওঁ, পলাহগড়, চাতি-য়াপাৰা আদি গাৱঁৰ ৰাইজে মিলি বহাগমাহৰ গৰু-দোমাহীৰ দিনা দুডাল বাঁহ কাটি আনে। এডাল বাঁহ ওখ আনডাল চুটি। ওখ বাঁহ ডাল পাৰ্বতীৰ প্ৰতীক। এই বাঁহডাল বগা কাপোৰ মেৰিয়াই ২০/২৫ টা মান চোঁৱৰেৰে সজ্জিত কৰে। চুটি বাঁহডাল শিৱৰ প্ৰতীক এই বাঁহডাল ফুলৰ মালা আদি মেৰিয়াই লৈ সজাই পৰাই লৈ আটাই কেইখন গাঁৱৰ

১৯। শ্ৰীবিদ্যাশৰ্ম্মা শাস্ত্ৰী—ছিপাঝাৰ ২০। অসমীয়া লোক সংস্কৃতিৰ আভাষ—ড° নবীন চন্দ্ৰ শৰ্ম্মা
২১। শ্ৰীমনোৰঞ্জন শাস্ত্ৰী। ২২। অঃ লো. স. আ ২৩। শ্ৰীবোহেশ্বৰী মেধি—সুৰাদেওৰ

বাইজে বাঁহ ডুডাল গাঁও ফুৰায়। গাঁৱত বাঁহ লৈ প্ৰৱেশ কৰাৰ লগে লগে সেই গাঁৱৰ বাইজে সেৱা শুশ্ৰূষাৰে বাঁহ কেইডাল কিছু সময় ৰাখি মান সংকাৰ কৰি বিদায় দিয়ে। বহাগ মাহত দৰঙত দেউলৰ পয়োভৰ। সেয়ে প্ৰায়বোৰ দেউল খলালৈ[২৪] এই বাঁহ কেইডাল লৈ যোৱা হয় আৰু তাত নিৰ্দ্দিষ্টকৈ ৰখা ঠাইত কিছু সময়ৰ কাৰণে বাঁহ কেইডাল ৰখা হয়। তাত দেউলৰ যাত্ৰী, বাইজ আদিয়ে টকা-পইচা, কাপোৰ-কানি আদিৰে বাঁহ ডুডালক মান ধৰে। তাৰপৰা বাইজে বিদায় দিলে বাঁহ ডুডাল লৈ অহা হয়। এনেদৰে বহাগ মাহৰ সাত তাৰিখলৈ বাঁহ কেইডাল ফুৰাই আনি পাৰ্বতীক পিন্ধোৱা কাপোৰ-কানি, আ-অলংকাৰবোৰ খুলি থৈ বাঁহ ডুডাল পদো পুখুৰীত বিসৰ্জন দিয়ে *। গায়ন বায়ন আৰু বাইজৰ সমাগমেৰে এই পৰিবেশটো মুখৰিত হৈ পৰে। বাঁহ ডুডাল বিসৰ্জন দি বাইজ মাজগাৱৰ গোঁসাই ঘৰলৈ আহে। দুজনলোকে গোঁসাই ঘৰৰ চালৰ পৰা দুমুঠা খেৰ উলিয়াই বাৰ ৰঙৰ সুতা মেৰিয়াই দুটি পুতলা সাজে। ইয়াৰে এটি দৰা আনটি কইনা। পুতলা দুটা বাঁহ ডুডাল লোৱা ব্যক্তি দুজনাই সচৰাচৰ সাজে। বাঁহ লোৱা অনুসৰি তেওঁলোক দৰা আৰু কইনাৰ মাক-বাপেক হয়। পুতলা দুটা সাজি ৰাতি বিয়াখলাৰ গছ ডুজোপাত তুলি থৈ দিয়া হয়। পিছদিনা গায়ন বায়নেৰে লগ লাগি পুতলা দুটা নমাই আনি হোম যজ্ঞৰে বিয়া পতা হয়। বিয়াত দৰা-কইনা বহা আসন কলপটুৱা। দৰা-কইনালৈ প্ৰীতি উপহাৰ স্বৰূপে কমাল টকা-পইচা আদি দিয়ে। বিয়াৰ সামৰণি পৰিলে গায়ন-বায়নেৰে গৈ বাইজে দৰা কইনাক নদীত উটুৱাই দিয়ে। তাৰ পৰা আহি চাহ জলপান খায়। বিয়া হৈ যোৱাৰ দুই তিনিদিন পিছত আঠমঙলা। আঠমঙলাত এখন গাঁৱৰ বাইজে আন এখন গাঁৱৰ বাইজ মাতি ভোজ-ভাত খুৱায়।

বাঁহ বিয়া বা গাছবিয়া উৎসৱটোক কামৰূপৰ ভঠেলি পাউৰাতোলা বা সৰি বা সুঁৱেৰি আদিৰ লগত বিজাৰ পাৰি। এই অনুষ্ঠানটোৰ মূল উদ্দেশ্য বিবাহৰ যোগেদি সন্তান উৎপাদন কামনা কৰা প্ৰতীকেৰে পৃথিবীক শস্যশালীনি কৰাৰ ধাৰণা।

## পাচেতি

খটৰা গোঁসাই ঘৰ দেখাতে ভয়ঙ্কৰ
ছকুৰি নাহৰৰ খুটা জয় হৰি এ[২৫]

আয়তী সকলৰ মুখৰ পৰা অজানিতে ওলাই অহা পদফাঁকিৰ ভয়ঙ্কৰ খটৰা গোঁসাই ঘৰ আৰু উতলা সত্ৰত যথাক্ৰমে ভাদ আৰু

২৪। পুঠিমাৰীৰ গুৰখীয়া দেউলত এই ব্যৱস্থা আছে।

* ড° বীৰেন্দ্ৰ নাথ দত্ত, গোৱালপৰীয়া লোকগীত সংগ্ৰহ—এই অনুষ্ঠানৰ লগত প্ৰজনন ভাৱনাৰ সম্পৰ্ক অতি সুস্পষ্ট আৰু যৌনাঙ্গ আৰু যৌনক্ৰিয়াৰ প্ৰতীক বিভিন্ন ধৰণে ইয়াৰ লগত জড়িত।

২৫। শ্ৰীপূজেলী ডেকা, নেহুৰীয়া পাৰা (চপাই)।

আহিনৰ সংক্ৰান্তি আৰু কাতি আৰু আঘোণৰ সংক্ৰান্তিৰ দিনা পাচেতি উৎসৱ[২৬] পালন কৰা হয়। কৃষ্ণ জন্মৰ পাঁচ দিনৰ দিনা পাচেতি (পচতি) অনুষ্ঠান হয় যদিও দৰঙীলোকৰ সুবিধাৰ বাবে একো একোটা নিৰ্দ্দিষ্ট দিনত এই অনুষ্ঠান পালন কৰা হয়। পাচেতি অনুষ্ঠান-টোতকৈও খটবাত খটবা গোঁসাই ঘৰৰ ওপৰত থকা জনসাধাৰণৰ বিশ্বাসৰ বাবেহে জনসমাগমৰ আধিক্য। খটবাৰ পাচেতিত সংক্ৰান্তিৰ আগদিনা দধিমন্থন, পিছদিনা দধিমন্থনত, কুশৰ মূৰ্তি খলাত স্থাপন আৰু তাৰ পাছদিনা বোকা-ভাওনা (* বোকা ভাওনা ১৯৭৮ চন মানৰ পৰাহে সংযোজন কৰা হৈছে) এইয়ে পাচেতি অনুষ্ঠানৰ মূল কাৰ্য। দৰঙীয়া লোকৰ উপৰিও কামৰূপ, বৰপেটা, নলবাৰী, লক্ষীমপুৰ, নগাঁও, শোণিতপুৰ আদি জিলাৰ লোক সমাগম ঘটে। এই সকল লোকৰ মনতো তলত দিয়া ধৰণৰ বিশ্বাস সমূহ জড়িত।

১) কাপোৰ ব'ব নজনা মহিলাই গাখীৰ, চুৰা, ঘিউ, মৌ আৰু চেনি গোঁসাই ঘৰলৈ মানস কৰাৰ লগতে কাপোৰ ব'ব জানিলে প্ৰথম কাপোৰখন গোঁসাই ঘৰত দিম বুলি শঠা তুলিলে কাপোৰ ব'ব জনা হয়।

২) সন্তানহীন লোকে সন্তান কামনা কৰি নৱিধ উপকৰণেৰে গোঁসাই ঘৰত শৰাই আগ-বঢ়ালে সেৱকৰ মনোকামনা পূৰ্ণ হয়।

৩) গোঁসাই ঘৰলৈ নৈবদ্য আগবঢ়ালে দীৰ্ঘদীন ধৰি গৃহস্থীত চলি থকা ৰোগ ব্যাধিৰ উপশম ঘটে।

৪) চাকৰিৰ পৰা পদচ্যুতি ঘটা লোকৰ পুনৰ চাকৰিত মকৰল।

৫) গোঁসাই ঘৰত থকা মূৰ্তি দৰ্শন কৰি পাপ মোচন কৰা।

৬) বিবাহযোগ্যা কন্যাৰ বিবাহত পলম হলে গোঁসাই ঘৰলৈ শঠা তুলিলে সোনকালে দৰা পায়।

৭) বিদ্যাৰ্থীয়ে সুফল পায়।

৮) গোসাই ঘৰৰ কৃপাত হালত নোযোৱা গৰু হালত যোৱা হয়।

৯) অনাবৃষ্টিৰ সময়ত হনুমানৰ মূৰ্তি গোঁসাই ঘৰৰ পৰা বাহিৰলৈ উলিয়ালে বৰষুণ হয়।

১০) পাচেতিৰ মেলা চাই মনত আনন্দৰ ভাৱ জগাই তোলা।

উতলা সত্ৰৰ পাচেতিৰ বৈশিষ্ট্য হ'ল সংক্ৰান্তিৰ আগদিনা গোদ্ধচৌপৰী সভা পিছদিনা বিষ্ণুপূজা। বিষ্ণুপূজাৰ দিনা দশম গ্ৰন্থখনি যশোদাৰূপী আবিয়ৈ ছোৱালী এজনীয়ে গামোচাৰে মেৰিয়াই কৃষ্ণ জ্ঞান কৰি লগৰীয়াৰে সৈতে গোঁসাই ঘৰ প্ৰদক্ষিণ কৰি যমুনা পাৰ হোৱা ভাও দিয়ে। ছয়জনী আবিয়ৈ ছোৱালীয়ে ছয়খন কাঁহীত পিঠাগুৰিৰ লাৰু, চাউল, কমলা, কল, তামোল পান আদি ভৰাই ওপৰত গামোছা ঢাকনি দি আনি বিষ্ণুপূজা হোৱা বেদীৰ ওপৰত থয়। বাহঁৰ টোপা বা মাটিৰ ভেটুৱাত চাউল, দাইল আদি "সিধা"ৰ যোগাৰেৰে ভাৰ এখন, কাঁহী এখনত জীয়া মাগুৰমাছ বা শ'ল মাছ আৰু দৈৰ ভেটুৱা থয়। ওচৰতে পাঁচখন বাঁহৰ ধনু

২৬। অসমৰ লোক উৎসৱ, ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য।

আৰু বাঁহৰ সৰু লাঠি পাঁচডালৰ মূৰত নাহৰৰ পাত বান্ধি পাঁচপাট শৰ থয় । কৃষ্ণ জ্ঞান কৰা দশমখন বেদীৰ ওচৰত থৈ যশোদাৰূপী ছোৱালী জনীয়ে বেদীলৈ কাড় কেইপাত মাৰে । তাৰ-পাছত নামকীৰ্তনেৰে অনুষ্ঠানটোৰ মূলকাৰ্য্যৰ সামৰণি মৰা হয় । • ১

খটৰা আৰু উতলাৰ পাচেতিৰ অন্তৰ্নিহিত অৰ্থ বিশ্লেষণ কৰিলে সৃষ্টি কামনা বা উৰ্বৰতা কল্প বিশ্বাস লুক ই থকা দেখা যায় ।

## মথেনী

আহিন আৰু কাতিমাহৰ সংক্ৰান্তিৰ দিনা দেৱানন্দ সত্ৰত হোৱা অনুষ্ঠান মথেনী । মথেনী অনুষ্ঠানৰ মূল কাৰ্য হ'ল বাইজে পূৰ্বতে সাজি ৰখা নিৰ্দিষ্ট স্থানত দেৱতা আৰু অসুৰৰ প্ৰতীকেৰে সাগৰ মন্থন । দেৱতা অসুৰৰ কাজিয়া । * ২

এই অনুষ্ঠানৰ তাৎপৰ্য্য বিশ্লেষণ কৰিলে ঠাৱৰাব পৰা যায় যে আহিন কাতি মাহৰ পৰা পথাৰত ধানৰ থোক হিচাপে লখিমীয়ে দেখা দিয়ে । সাগৰ মন্থনত লখিমী উদ্ভৱ হৈ জীৱনী শক্তি প্ৰদান কৰাৰ দৰে শস্য পথাৰৰ অপায় অমঙ্গলবোৰ দূৰ কৰি লখিমীয়ে বাইজৰ জীৱনী শক্তি বঢ়াবৰ বাবে ভঁৰাল ভৰি থাকক ।

## মহহো

আঘোণ মাহৰ পূৰ্ণিমা তিথিত গৰখীয়া, আৰু গাঁৱৰ ডেকা ল'ৰাবোৰে শুকান কল-পাত, চিৰা কাপোৰ আদি মেৰিয়াই এজনক ভালুক সাজি ল'ব আৰু বাকীবোৰে হাতত টাঙোন লৈ চোতালে চোতালে মহৌখুন্দা গীত গায় । ভালুকটোৱে বিভিন্ন অঙ্গী ভঙ্গীৰ নাচোন দিয়ে । গৃহস্থই দুই চাৰি পইচাৰে দলটোক মান ধৰে । এয়ে মহহো । কামৰূপ গোৱালপাৰা আদি জিলাতো এই অনুষ্ঠান আছে । উত্তৰ বঙ্গ [২৭] আদি ঠাইত বাঘ দেৱতাৰ পূজা আছে । দৰং জিলাৰ সৰাবাৰীৰ ভট্টাচাৰ্য্য পৰিয়ালত [২৮] বাঘ দেৱতাৰ উদ্দেশ্য এভাগ নৈবদ্য আগ-বঢ়োৱাৰ ব্যৱস্থা আছে । মেঘালয়তো বাঘ খেদা বিশেষ পৰ্ব এটি আছে । গোৱালপাৰা জিলাৰ সোনাবায় উৎসৱৰ সোনাবায় বাঘ দেৱতা ।[২৯]

বড়োভাষাত বাঘক মচা বোলে অসমীয়া ভাষাত খেদাপদৰ সমাৰ্থক বড়োৰহো । মচা হোৰ অৰ্থ বাঘখেদা । এই মচা হোৰ পৰা মহহো বা মহহো ।[৩০] আঘোণৰ পৰা খেতিয়কে ধান চপোৱা আৰম্ভ কৰে আৰু গৰু ম'হো চৰিবৰ বাবে এৰি দিয়া সময় আহি পৰে । সেয়ে বনৰীয়া জীৱ-জন্তুৰ ভিতৰত ভয়ানক বাঘ খেদি কৃষকে নিৰাপদে শস্য চপাওক আৰু

---

• শ্ৰীস্ফটিক চন্দ্ৰ বৈশ্য, খটৰা * ১। ক্ষেত্ৰ নিৰীক্ষণ * ২। ঐ
২৭। বাঘ ও সংস্কৃতি : শ্ৰীসমৎ কুমাৰ মিত্ৰ ২৮। শ্ৰীপাৰ্বতী চৰণ ভট্টাচাৰ্য্য, গুৱাহাটী : লঙ্কেশ্বৰ
২৯। গোৱালপৰীয়া লোকগীত সংগ্ৰহ, ড° বীৰেন্দ্ৰ নাথ দত্ত ৩০। পয়োভৰা ১৯৮৬ ৰূপালী জয়ন্তী বৰ্ষ ; প্ৰঃ লে ড° নবীন চন্দ্ৰ শৰ্মা ।

গৰু মহে নিৰ্ভয়ে বিচৰণ কৰক এনে অৰ্থ মহহৌ অনুষ্ঠানৰ আঁৰত লুকাই আছে।

## মজুন্ধিয়া

মাৰি মৰক অপায় অমঙ্গল দুৰীকৰণৰ বাবে দৰঙী ৰাইজে জেঠ মাহত কলৰ ভেলৰ ওপৰত অথবা কলৰ দোনাৰে সজা না এখনত মাহ প্ৰসাদ, পঠা, পাৰ, কণী, ফুলৰ মালা আদি সভক্তিৰে ভৰাই ঢুলীয়া, কালীয়া সঙ্গিতেৰে হৰিধ্বনি আৰু গীত পদেৰে মুখৰিত পৰিবেশ গঢ়ি লৈ ৰাইজে নৈত উটুৱাই দিয়ে। জেঠুৱা গোঁসাই বা বছেৰেকীয়া গোঁসাই বুলি ৰাইজে পালন কৰা পৰ্বৰ দিনাই সচৰাচৰ মজু উটুৱাই দিয়া হয়।

## ছিয়া

মহাপুৰুষ শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ যাওঁতে তান্ত্ৰিক আচাৰ বিচাৰত বিশ্বাসী জনজাতীয় লোকসকলৰ সন্মুখীন হব-লগীয়া হোৱাত তেওঁৰ কোনো এজন শিষ্যই "মুঠা"[৩১] শাস্ত্ৰখনৰ মাধ্যমেৰে তান্ত্ৰিক আচাৰৰ মাজেদি বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ব্যৱস্থা কৰা বুলি জনা যায়। দৰঙৰ আদিমবাসী বড়ো, কোঁচ আদি তিৰ্বতবৰ্মীয় গোষ্ঠীৰ লোকৰ কৃষ্টিৰ স্বকীয়া ভেটিত এক স্বকীয়া সংস্কৃতি তথা সঙ্গীত ৰীতি ইয়াৰ মাধ্যমত গঢ় লৈ উঠিছিল। এই সঙ্গীত ৰীতিৰ ভিতৰত ছিয়াগীত[৩২] অন্যতম।

## খুলীয়া ভাউৰীয়া

মহাপুৰুষ শংকৰদেৱ অসমীয়া নাটৰ জন্ম-দাতা। তেখেতে নিজে অভিনয় কৰিছিল আৰু মঞ্চস্থ কৰাইছিল। মহাপুৰুষ জনাৰ ৰচনাৰ আহিত গঢ় লৈ উঠা খুলীয়া-ভাওনাৰ অঙ্কীয়া ভাওনাৰ লগত কিছু সাদৃশ্য আছে যদিও স্বকীয়া বৈশিষ্ট্যও যথেষ্ট। বিষ্ণু পূজাৰ অধিবাস অৰ্থাৎ গোন্ধ আৰু অন্যান্য উৎসৱ-পাৰ্বনাদিৰ সময়ত খুলীয়া ভাওনা উপভোগ কৰিবৰ বাবে গধূলিৰে পৰা পিছদিনা সূৰ্য্য উদয়লৈকে [৩৩] ৰাইজ ধৈৰ্য্য সহকাৰে বৈ থকাটো মন কৰিবলগীয়া।

খুলীয়া ভাওঁনা (দৰঙী লোকৰ উচ্চাৰণ ভাওৰীয়া) ৰ আৰম্ভণীতে খুলীয়া আৰু তালুৱৈয়ে ৰভাচালি দিয়াৰ পাছত খোলঘাটে। তাৰ পাছত অঙ্কীয়া নাটৰ সূত্ৰধাৰীৰ নিচিনাকৈ খুলীয়া ভাওৰীয়াৰ ওজা ৰভা খলাত প্ৰৱেশ কৰি গুৰুসেৱা কৰি প্ৰথমে গায়ঃ

অ' সৰ্বশাস্ত্ৰ বীজ হৰি (হয় হয়)
নাম দুই অক্ষৰ এ
অ' আদি অন্ত নাহি যাৰ বেদৰ
অগোচৰ এ ॥
অ' আদ্য গুৰুক শিক্ষা গুৰুক (হয় হয়)
কৰোঁহে বন্দন এ
অ' দীক্ষা গুৰুক নামি কৰোঁ সাৰ্থক
জনম এ।[৩৪]

তাৰ পাছত দশৰতাৰ বৰ্ণাৰ পদেৰে দিহা

৩১। শ্ৰীশশী ৰাম কলিতা—সুন্দৰবড়ী, গুৱাহাটী ৩২। ছিয়াগীত ১ম খণ্ড, শ্ৰীদুৰ্গেশ্বৰ নাথ ওজা
৩৩। দৰং স্মৃতি, প্ৰঃ লে শ্ৰীগজেন্দ্ৰ নাথ চহৰীয়া ৩৪। প্ৰাগ উক্ত গ্ৰন্থ।

আৰম্ভ কৰে। অঙ্কীয়া ভাওনাৰ সূত্ৰধাৰীৰ দৰে ওজাই পদৰ মাজেৰে নাটকীয় কাহিনী বৰ্ণাই যায়। নাট সমূহ বিশেষকৈ ৰামায়ণ আৰু মহাভাৰতৰ কাহিনীৰ আধাৰত স্থানীয় শিল্পীৰ দ্বাৰা ৰচিত।

## দেওধ্বনি

মাৰৈ পূজা বা গোঁসানী সেৱাৰ অপৰিহাৰ্য্য অঙ্গ দেউধনি দৰঙৰ এটি ঐতিহ্যপূৰ্ণ কৃষ্টি। মনসাপূজাত অসমৰ আন ঠাইত দেওধনি উঠা নিয়ম আছে যদিও তাৰ প্ৰায়বোৰ দেউধা ( মতামানুহ )। মঙ্গলদৈৰ দেওধনি অবিবাহিত মহিলা। গুৰু গম্ভীৰ পৰিবেশত আৰম্ভ হোৱা দেওধনি নৃত্য দহটামান ভাগত ভগাব পাৰি। নৃত্যৰ ভঙ্গীলৈ লক্ষ্য কৰি কোনোৱে ইয়াক দ্ৰাবিড় সকলৰ পৰা অহা বুলি মন্তব্য কৰে। সি যি কি নহওঁক ভাৰত বৰ্ষৰ বাহিৰেও ইজিপ্ত, তাইৰিছ, আইছিছ, গ্ৰীচ আৰু বেবিলন[৩৫]আদিত থকা নৃত্যপটিয়সী গাভৰুৱে নৃত্যৰে দেৱতাক সন্তুষ্ট কৰাৰ দৰে দেওধনি নৃত্যৰে দেৱতাক সন্তুষ্ট কৰা হয়।

ওপৰোক্ত অনুষ্ঠান সমূহৰ লগতে দৰঙীয়া বাইজৰ জীৱনৰ ওপৰত প্ৰভাৱ পেলোৱা মঠ, মন্দিৰ আৰু সত্ৰ কেইখনমানৰ বিষয়ে উল্লেখ কৰা হ'ল।

ইতিমধ্যে খটৰা গোঁসাইঘৰ ( যদিও খটৰা এখন বৈষ্ণৱ সত্ৰ তাত ৰাম, সীতা, লৱ, কুশ আৰু হনুমান আদিৰ মূৰ্তি থকা বাবে জনসাধাৰণে গোঁসাইঘৰ বুলি কয়, উতলাসত্ৰ আৰু দেৱানন্দ সত্ৰৰ কথা উল্লেখ কৰা হৈছে। এই সত্ৰ সমূহক কেন্দ্ৰ কৰি শিল্প সংস্কৃতিয়ে গঢ় লৈছে। আন আন সত্ৰ দেৱালয়ৰ ভিতৰত তলত কেইখনমান উল্লেখ কৰা হ'ল ঃ

## মহামুনি

ওৰাঙৰ পৰা উত্তৰ দিশে মাজবাটলৈ যোৱা পথৰ ওপৰত মাজবাটৰ পৰা প্ৰায় ২ কিঃ মিঃ উত্তৰে মহামুনি দেৱালয় অৱস্থিত। বৈষ্ণৱ, শৈৱ, শাক্ত সকলো ধৰ্মাৱলম্বী লোকৰ সমাবেশ ইয়াৰ মন কৰিব লগীয়া বৈশিষ্ট। কিছুবছৰ আগেয়ে এই অঞ্চল ভূটীয়া ৰজাৰ দখলত থকাৰ জনপ্ৰবাদ এটি আছে। ভূটীয়ালোকৰ উপাস্য দেৱতা মহামুনিৰ উপাসনা কেন্দ্ৰ আছিল বাবে আজিৰ জনগণৰ মনত ইয়াৰ নাম মহামুনি হৈয়েই আছে। মূল মন্দিৰৰ ভিতৰত মাটিৰ এটি মঠ আছে। ইয়াত বৈদিক প্ৰথামতে পূজা পাতল নহয়। জনজাতীয় লোকৰ দেউৰী এজনে বৰ্তমানে সেৱা অৰ্চনাৰ কামবোৰ চলায়। মন্দিৰলৈ অহা যাত্ৰীৰ মনস্কামনা পূৰ্ণ হয় বাবে মহামুনিৰ দৰ্শনাৰ্থে নিতৌ যাত্ৰী সমাগম আছে। বৌদ্ধ আৰু হিন্দুধৰ্মৰ সমন্বয়ৰ সাক্ষ্য এটি মহামুনিয়ে বহন কৰি আহিছে।

## মুৰাদেওৰ

কলাইগাঁৱৰ পৰা প্ৰায় ৮ কিঃ মিঃ উত্তৰে মুৰাদেওৰ দেবালয় অৱস্থিত। জনপ্ৰবাদ মতে কামাখ্যাৰ পূজাৰী কেন্দুকলাইৰ মুৰটো গোঁসানীৰ অভিশাপত চিঙি ইয়াত পৰিছিল। মুৰ বা

৩৫। ডুবি পৰি হৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত।

মুৰাটো পৰা কাৰণে তেতিয়াৰে পৰা এই ঠাইৰ নাম মুৰাদেওৰ হয়। আন এটি প্ৰবাদ মতে মহাদেৱে মৃত সতীক কান্ধতলৈ ঘূৰি ফুৰোতে সতীৰ মুৰটো ইয়াতে পৰিছিল। তেতিয়াৰ পৰা ইয়াৰ নাম মুৰাদেওৰ হৈ মন্দিৰ এটি গঢ় লৈ উঠিছে। বৰ্তমান মন্দিৰৰ ভিতৰত সোমাই প্ৰথমে শিলৰ নৰসিংহ মূৰ্তি পোৱা যায়। তাৰ পৰা পূবলৈ যোনীপীঠত তিনিটা শিৱলিঙ্গ তাৰ আগত লক্ষ্মী, সৰস্বতী (বৰ্তমান মাটিৰ ভেটি দুটা আছে। বনপোৰা জুইয়ে মূল ঘৰটো পোৰাত শিলামূৰ্তি দুটা নষ্ট হৈ যায় বুলি দেউৰীয়ে জনাইছে), তাৰ পৰা দুৰ্গাপীঠ, কামাখ্যাপীঠ আৰু বিষ্ণুপীঠ। মূল মন্দিৰটোৰ দুৱাৰ মুখত ওপৰৰ ফালে গনেশ, তলত পাৰ্বতী, ভিতৰত মহাদেৱ, শ্ৰীবুঢ়া শ্ৰীবুঢ়ী আৰু সতীৰ মুৰটো আছে। মূল মন্দিৰৰ ভিতৰ ভাগ কুণ্ডৰ দৰে। (প্ৰায় আঠ-দহ ফুট মান পানীৰ তলত এই শিলামূৰ্তিবোৰ আছে) মন্দিৰৰ ভিতৰৰ পানীৰে পূজা সেৱাৰ কামবোৰ চলোৱা হয়। খৰালি মাহতো ইয়াৰ ভিতৰত প্ৰায় দুই তিনিফুট পানী থাকে (দেউৰীৰ সাক্ষ্য মতে)। মন্দিৰৰ সমুখতে থকা পুখুৰীৰ লগত মন্দিৰৰ ভিতৰ ভাগৰ যোগাযোগ আছে। পুখুৰীটোৰ পানী প্ৰায় ২/৩ ফুট ওপৰত থাকে। মন্দিৰত এখন বলি কটা দা, এখন খড়্গ (নৰবলিদিয়া) এখন শিলৰ শাল আজিও দৃশ্যমান। মন্দিৰৰ গঢ় আহোম গঢ়ী। বৰ্তমানে মূল মন্দিৰৰ ওপৰৰ মঠ চোৱা ধ্বংস হৈছে। মন্দিৰৰ বাহিৰত কালী আৰু পদ্মাৰ পীঠ আছে।

দৰঙী বাইজে পালন কৰা আটাইবোৰ পূজা উৎসৱ এই মন্দিৰত অনুষ্ঠিত হয়। বৈদিক প্ৰথাৰে ইয়াত পূজাদি নহৈছিল যদিও বৰ্ত্তমান গোন্ধচৌপৰী সভা আৰু মনসা পূজা বৈদিক নিয়মেৰে কৰা হয়। দেউল, দুৰ্গাপূজা, লক্ষ্মীপূজা, কালীপূজা, কাৰ্তিকপূজা, বিশ্বকৰ্মা পূজা, গণেশ পূজা, সৰস্বতী পূজা, শিৱ পূজা, শীতলা পূজা আদি পিতৃ-পিতামহৰ দিনৰ পৰা প্ৰচলন হৈ আহিছে। ৰজাঘৰীয়া অনুদান হিচাপে মন্দিৰৰ নামত প্ৰায় আঢ়ৈ শ বিঘা মাটি আছিল যদিও চিলিং আইন যোগে উক্ত মাটি অধিগ্ৰহণ কৰি ৰায়তক দিয়া হৈছে। বৰ্ত্তমান মন্দিৰৰ ৩৪ বিঘা ভূমি সম্পত্তি আছে[৩৬]।

মন্দিৰৰ কাম কাজ পৰিচালনাৰ বাবে সমিতি এখন আছে। গাঁৱৰ বাইজে পাল পাতি স্থায়ী দেউৰীৰ পালতী ৰূপে এদিনকৈ সহায় কৰে। অসমৰ ধৰ্মীয় তথা সামাজিক বুৰঞ্জী অধ্যয়ণ কৰোতে এই মন্দিৰে যথেষ্ট অৰিহণা যোগাব পাৰে। আনহাতে আৰ্য্য-অনাআৰ্য্যৰ সাংস্কৃতিক সমন্বয়ৰ ক্ষেত্ৰতো ইয়াৰ গুৰুত্ব অপৰিসীম।

## ৰুদ্ৰেশ্বৰ আৰু তাম্ৰেশ্বৰ দেৱালয়

দৰঙী ৰাইজৰ ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনত অৰিহণা যোগোৱা আহোম স্বৰ্গদেউৱে তাম্ৰপত্ৰ যোগে দেৱালয় প্ৰতিষ্ঠাৰ বাবে ভূমিদান কৰাটো উল্লেখযোগ্য বিষয়। মাহৰিপাৰাত ৰুদ্ৰেশ্বৰ দেৱালয় আৰু খৈৰাবাৰীত তাম্ৰেশ্বৰ দেৱালয় অৱস্থিত। দুয়োখন দেৱালয়েই অঞ্চলটোৰ সাংস্কৃতিক জীৱনত বিশেষ ভূমিকা গ্ৰহণ কৰি

৩৬। শ্ৰীবাহৰাম কোঁচ ; দেউৰী, মুৰাদেওৰ

আহিছে। দেৱালয় প্ৰতিষ্ঠাৰ বাবে আহোম ৺দেৱে আগবঢ়োৱা তাম্ৰপত্ৰ খনত আছে:
৺স্বস্তি শ্ৰীকমলাকান্ত পদ্মমধুব্ৰতঃ। শ্ৰীশ্ৰীগৌৰী নাথ সিংহাস্যঃ স্বৰ্গনাৰায়ণো নৃপঃ
ৰুদ্ৰেশ্বৰায় দেবায় তথা তাম্ৰেশ্বৰায়চ। তাম্ৰপত্ৰমিদং প্ৰাদাং পুণ্যাৰ্থং কৃতিনাং বৰঃ॥ এতদ্বিবৰণং দৰঙ্গ দেশৰ ও ৰাজা ও হাজৰিকিয়া ও শইকীয়া বৰা পাইকপৰ্য্যন্তে সকলোৱে সাৱধানে জানিব ৰুদ্ৰেশ্বৰ তাম্ৰেশ্বৰ এই দুই দেৱতাৰ প্ৰতি ৺ৰ পুণ্যাৰ্থে দৰঙ্গি চন্দ্ৰনাৰায়ণ ৰাজায়ে উৎসৰ্গা কৰি দিয়া মাটি মানুহৰ শ্ৰীশ্ৰী৺ দেৱে এই তাম্ৰপত্ৰ কৰি দিলে। ৰুদ্ৰেশ্বৰ মাটিৰ হদ পূৱে খোৰা আহত পশ্চিমে ডিমলালৈ উত্তৰে সেকৰ পুখুৰী দক্ষিণে সিমলু গোবৰ পুখুৰী তাৰে মাজত মাটি ১৬০ পুৰা তাম্ৰেশ্বৰ মাটিৰ হদ পূৱে কালপানী নৈ পশ্চিমে মৰানৈ উত্তৰে বৰ আলি দক্ষিণে বৰপুখুৰী আৰু মধ্যে মাটি ২৪১ পুৰা মানুহ বৰদেউৰি মধুৰাম ১ ৰত্নাকৰ ১ ৰবি ১ লখন ১ পুৰুষোত্তম ১ জয়দেৱ ১ দেৱ যদু পাঠক ১ গঙ্গাধৰ ১ ভোলা ১ গণকভূমি ১ তুহানকটা পাইক কলিতা ভৰথ ১ ফটিকৰ॥ চিৰিজিউৰ ১ ভোকেলিৰ জগোৰ॥ সতমূল॥ কানাইৰ॥ ফুলচিঙ্গৰ॥ বেলাইৰ ১ বেঙ্গাৰ॥ কন্দপৰ॥ চেঙ্গৰ॥ কেউটমুলুকৰ॥ কোচ চামৰাইৰ ১ জিউধনৰ॥ বাঘৰাইৰ কুমাচ ভোকেলি ১ কলা। কোচ নৰহৰিৰ টোপেলিৰ বগাৰ॥ কৰতিৰ। কোং গেককা॥ মাৰিয়া ১ স্বৰি দামোদৰ। মুঠত পাইক ১৫॥ এই মনুষ্য সকাল দুইজনা শ্ৰী৺ৰ সেৱা পূজা প্ৰৱৰ্তাই পুত্ৰ পৌত্ৰাদিক্ৰমে থাকিব আত কোনো জনা অন্যথা নকৰিব। ইহাৰ কৰ কাটল পদ পঞ্চক বেঠ বেগাৰ খাৰ বাখৰ ধুমুসি মাৰেসা চকি হাট ঘাট ফাট দণ্ড বন্ধ দামখুত ৰাজদণ্ড ব্যতিৰেক সৰ্ববাৰ পৰিত্যাগ হৈল ইতি সক ১৭০৮ মাস ভাদ্ৰ[৩৭]।

ওপৰত আলোচনা কৰা অনুষ্ঠান আৰু মঠ, মন্দিৰ, সত্ৰ দেৱালয় আদিৰ লগত জড়িত বাইজৰ উদ্দেশ্য অনুধাবন কৰি ক'ব পৰা যায় যে শান্তি-সম্প্ৰীতিৰ পৰিবেশ স্থাপন কৰি কৃষি ক্ষেত্ৰক উৰ্বৰ কৰি সুখে-সন্তোষে জীৱন নিৰ্বাহ কৰিবৰ বাবে এই অনুষ্ঠানবোৰৰ লগত জনগণৰ ওতঃপ্ৰোতঃ সম্পৰ্ক।

> দকৈ নাদ খান্দি ল'লে পানীৰ অভাৱ নহয়, সেইদৰে দকৈ মন এবাৰ চহাই ল'লে ভাব আৰু ভাষা আপোনা-আপুনি আহি থাকে। প্ৰত্যেক উন্নত জাতিৰ সাহিত্যতেই ভাব আৰু ভাষাৰ এটি ক্ৰমবিকাশ পোৱা যায়। ইয়াৰ কাৰণ এক যুগৰ লেখকসকলে, আগৰ যুগৰ লেখকসকলে য'ত শেষ কৰে তাৰ পৰা আৰম্ভ কৰে।
> —তৰুণ ৰাম ফুকন,
> ১৯২৭, গোৱালপাৰা

৩৭। শ্ৰীতাৰিণী শৰ্মা, মাহৰিপাৰা,ৰ ঘৰত প্ৰাপ্ত। * শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱ শ্ৰীগৌৰীনাথ সিংহ নৰেশ্বৰানাং



# নগ্নতাবাদ

মঃ আফতাবুদ্দিন আহমেদ
স্নাতক ১ম বাৰ্ষিক ( কলা )

"মানুহে জন্ম গ্ৰহণ কৰিছে নগ্ন হৈয়েই। চিৰ জীৱন মানুহক নগ্ন হৈয়েই থাকিবলৈ দিয়া হওক। সাজ-পোছাকৰ দাসত্বৰ পৰা মুক্ত হৈ ওলাই আহক সি উন্মুক্ত প্ৰকৃতিৰ বুকুলৈ। এই প্ৰকৃতিৰ শীত, তাপ, পোহৰ, অন্ধকাৰে তাক সৰ্বক্ষণ স্পৰ্শ কৰক। এই উন্মুক্ত বিচৰণত তাৰ যে কেৱল দৈহিক উৎকৰ্ষই হব এনে নহয়, সেই পৰিমাণে মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষও সাধন হব ; আৰু তাৰ ফলস্বৰূপে সম্ভৱ হব এক সুস্থ শ্ৰেণী সমাজ ব্যৱস্থা।" এয়েই হ'ল নগ্নতাবাদী সকলৰ মূল কথা।

এই মতবাদৰ জন্মভূমি হ'ল পাশ্চাত্য, প্ৰাচ্য নহয়। প্ৰথম মহাযুদ্ধৰ প্ৰাক্কালত, অৰ্থাৎ বিংশ শতাব্দীৰ প্ৰায় প্ৰাৰম্ভতেই নগ্নতাবাদৰ জন্ম হয়। জাৰ্মানিৰ এদল লোকে সৰ্ব প্ৰথম **Nackt-kultur** বা নগ্নতা চৰ্চা আৰম্ভ কৰে। সাধাৰণতে তেওঁলোক আছিল মধ্যবিত্ত শ্ৰেণীৰ লোক, তেওঁলোক আছিল ঘোৰ জাতীয়তাবাদী মনোভাবাপন্ন। ঠায়ে ঠায়ে তেওঁলোকৰ ক্লাব বা সংঘ স্থাপিত হৈছিল। নগ্নতা চৰ্চাত ইচ্ছুক লোক সকল সেই সংঘৰ সভ্য হৈছিল। সম্পূৰ্ণ উলঙ্গ অৱস্থাতেই তেওঁলোকে তাত যোগদান কৰিছিল। শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন খেলা-ধূলাবে তেওঁলোকে অবসৰৰ সময় কটাইছিল।

প্ৰথম আৰু দ্বিতীয় মহাযুদ্ধৰ মধ্যৱৰ্তী কালছোৱাতে ই নগ্নতাবাদী আন্দোলনে বেছ প্ৰসৰতা লাভ কৰে। প্ৰধানতঃ জাৰ্মানিৰ আদৰ্শতেই ইংলেণ্ড, ফ্ৰান্স আদি ইউৰোপৰ বিভিন্ন অঞ্চলত নগ্নতা চৰ্চাৰ সংঘ সমিতি আদি স্থাপিত হয়। বৰ্তমান শতাব্দীৰ তৃতীয় দশকত আমেৰিকা আৰু কানাডাতো অনুৰূপ প্ৰতিষ্ঠানে গা কৰি উঠে। কিন্তু ৰোমান কেথলিক আৰু লেটিন দেশ সমূহত এই

আন্দোলনে তেনেকৈ প্রসাবতা লাভ কবিব নোৱাৰিলে। খৃষ্ট ধৰ্মব প্ৰচলিত বিধান মতে যি দেহ অপবিত্ৰ সেই দেহব নগ্নৰূপ দৰ্শন বা প্ৰদৰ্শন দুয়োটা কৰ্মই পাপ। সেই বাবেই খৃষ্টান সকলব পক্ষে নগ্নতা চৰ্চা অনুমোদন যোগ্য নহয়। কেৱল ধৰ্মীয় বাধাই নহয়, আইনগত বাধাবো সন্মুখীন হব লগা হৈছিল নগ্নতাবাদীসকল। নগ্নতাবাদী সকলব আন্দোলনব পথ বাধাগ্ৰস্ত আৰু বিপদসঙ্কুল হলেও তেওঁলোক নিৰুৎসাহ নহ'ল। তেওঁলোকব প্ৰচাবব মাধ্যম স্বৰূপে কিতাপ পত্ৰকে আদি কবি অসংখ্য প্ৰচাব পত্ৰিকা প্ৰকাশ হবলৈ ধৰিলে। তেওঁলোকব এই আন্দোলনক সমৰ্থন কবি পাণ্ডিত্যপূৰ্ণ আলোচনা কবিলে মউবিচ পাবচিলীয়ে Nudism in Modern life আৰু The New Gymnosophy', জে চি ফ্লুগেলে (The Psychology of Nudism) এইচ. চি ওৱাবেনে (Psychological Review, March 1933 ত প্ৰকাশিত প্ৰবন্ধ Social Nudism and The Body Taboo ), পাশ্চাত্যব খ্যাতি সম্পন্ন যৌন বিজ্ঞানী হেভলক এলিটেও (Studies in the Psychology of sex আৰু Psychology of sex) নগ্নতাবাদ সম্পৰ্কে তথ্যপূৰ্ণ আৰু চিন্তাশীল আলোচনা কবিছে।

নগ্নতাবাদী সকলে কয় —মানুহ পোছাকব দাস হৈ পবিছে। সভ্যতাই মানুহক এই দাসত্বব বান্ধোনেৰে প্ৰকৃতিব উন্মুক্ত কোলাব-পৰা বিচ্ছিন্ন কবি পেলাইছে। প্ৰকৃতিব স্পৰ্শ সুখব পৰা প্ৰকৃতিব সন্তান আজি বঞ্চিত। এই সমাজ ব্যৱস্থাত তেওঁব ক্ষতি হৈছে প্ৰচুৰ ক্ষুণ্ণ হৈছে তেওঁব শাৰীৰিক আৰু মানসিক স্বাস্থ্য। আদিম মানুহ প্ৰকৃতিব কোলাত লালিত-পালিত হৈছিল ; প্ৰকৃতিব পৰা সি নিজকে বিচ্ছিন্ন কবি বখা নাছিল। সেয়েহে স্বাস্থ্য সম্বন্ধে তাব বিশেষ চিন্তা নাছিল ; অফুৰন্ত স্বাস্থ্য আৰু সৌন্দৰ্য্যব অধিকাৰী আছিল সি। কোনো আভৰণ বা আবৰণ নাছিল তাব দেহত। কিন্তু সভ্যতাব চক্ৰান্তত পৰি মানুহ প্ৰকৃতিব সৈতে সংঘৰ্ষত লিপ্ত হব লগা হ'ল। ফলত মানুহব জীৱন হ'ল ক্ষত-বিক্ষত, অসুস্থ। সভ্যতাব সৃষ্টি এই প্ৰকৃতিব আশীৰ্বাদত যদি প্ৰতিটো অঙ্গই লাভ কবিব পাবে সুস্থ সৱল যৌৱনশ্ৰী, নগ্নতাই যদি সাধন কবিব পাবে দেহ আৰু মনব উৎকৰ্ষ, কৃত্ৰিমতাব জালব পৰা মানুহ মুক্ত হব লাগিব, তাব দেহত থাকিব নালাগিব কোনো বসন-ভূষণ। তেতিয়াহে সি মুকলি আকাশব তলত বিচৰণ কবি প্ৰকৃতিব আশীৰ্বাদ অবাধে গ্ৰহণ কবিব পাৰিব। তাব প্ৰতিটো অঙ্গই সেই আশীৰ্বাদত লাভ কবিব সুস্থ সবল যৌৱনশ্ৰী। নিবপেক্ষ দৃষ্টিভঙ্গীৰে বিচাব কবিবলৈ গলে নগ্নতাবাদীসকলব এই বক্তব্যত সত্য-অসত্য দুয়োটাই পবিলক্ষিত হব।

প্ৰয়োজনাতিবিক্ত বেশভূষা শৰীৰব পক্ষে যে ক্ষতিকৰ তাক চিকিৎসাশাস্ত্ৰতো স্বীকাৰ কৰা হৈছে। কেৱল মল-মূত্ৰই নহয় শৰীৰ নিৰ্গত অপ্ৰয়োজনীয় আৰু অপকাৰী পদাৰ্থ ঘাম হৈ বাহিৰলৈ ওলায়। সি চৰ্মবন্ধ্ৰইদি ঘাম নিৰ্গত হয়, সি বেছি পৰিমাণে আবৃত হৈ থাকিলে নিৰ্গমণ বাধাপ্ৰাপ্ত হয় ; ফলত শৰীৰত শোধন

কাৰ্য্য সম্পূৰ্ণৰূপে হ'ব নোৱাৰে।

কিন্তু সেইবুলি জানো পোছাকৰ প্ৰয়োজনীয়তা একেবাৰেই নাই? প্ৰয়োজন নথকা-হেঁতেনটো মানুহে ইয়াৰ আশ্ৰয়েই নললে-হেঁতেন। শৰীৰৰ প্ৰয়োজনৰ অতিৰিক্ত শীত-তাপ, ৰতাহ-বৰষুণ ইত্যাদিৰ সন্মুখীন হব লগা হৈছিল আদিম মানুহ। ইয়াৰ উপৰিও বিষাক্ত-কীট-পতঙ্গ, গছ-গছনি আৰু অন্যান্য জীৱ-জন্তুৰ আক্ৰমণো প্ৰতিহত কৰিব লগা হৈছিল। এই বিলাকৰ পৰা আত্মৰক্ষাৰ বাবেই আদিম মানুহে সম্ভৱ পোছাকৰ আশ্ৰয় লৈছিল। কেৱল বৈচিত্ৰ্য বা শোভাবৰ্দ্ধনৰ বাবেই বেশ-ভূষাৰ প্ৰচলন হোৱা নাছিল। সেই বুলিয়েই যে মানুহ প্ৰতি মুহূৰ্ত্তেই পোছাকৰ দাস হৈ থাকিব ইও বাঞ্ছনীয় নহয়। দৈনন্দিন জীৱনত এনে কিছুমান মুহূৰ্ত্ত উপস্থিত হয়, যেতিয়া আভৰণ সিমান অপৰিহাৰ্য্য নহয়। আৱৰণমুক্ত হৈ থকাটো যে কেৱল আৰামদায়ক বা ৰোমাঞ্চকৰ এনেও নহয়, অনুকুল প্ৰাকৃতিক পৰিবেশত কিছু সময় উলঙ্গ দেহেৰে থকাটো চিকিৎসাশাস্ত্ৰমতে স্বাস্থ্য-কৰো। মুকলি ঠাইত বায়ু সেৱন কৰা বা ৰ'দ লোৱাৰ বাবে পাশ্চাত্য দেশ সমূহত বিশেষ ব্যৱস্থা আছে। শীত প্ৰধান দেশ সমূহত ৰৌদ্ৰ-স্নান আৰামদায়ক আৰু স্বাস্থ্য অনুকুল, ই স্নায়ুৰ পক্ষে উত্তেজক আৰু শক্তিবৰ্দ্ধক।

নগ্নতাবাদীসকলে কয়—নগ্নতা চৰ্চাই কেৱল দৈহিক স্বাস্থ্যৰ নহয় মানসিক স্বাস্থ্যৰো উন্নতি সাধন কৰে। নগ্নতা চৰ্চাই অধিকতৰ সুস্থ আৰু উন্নত এক সমাজ-ব্যৱস্থাৰ সৃষ্টিত অৰিহণা যোগায়। বসন-ভূষণ বৰ্জিত সেই সমাজত সকলো সমান। আনহাতে, বেশভূষাই মানুহক ধনী-দুখীয়া, ইতৰ-ভদ্ৰ, বা ডাঙৰ-সৰুৰ প্ৰভেদ সৃষ্টি কৰে। ফলত মানুহৰ দুশ্চিন্তা বৃদ্ধি হয়, অৰ্থৰ অপব্যৱহাৰ হয়। সাজ পোছাকৰ সমস্যা বৰ্জন কৰিব পৰা হ'লেহে সমাজত বৈষম্য দূৰীভূত হ'ব, অৰ্থৰ অপচয় কমিব, মানুহে এক নিৰন্তৰ দুশ্চিন্তাৰ পৰা পৰিত্ৰান পাব। সাজ-পোছাকৰ বাবে যি লোভ, ঈৰ্ষা আৰু তাকে কেন্দ্ৰ কৰি যি প্ৰতিযোগিতাই মানুহক অশান্তিত পেলায়, সি অন্তৰ্হিত হ'ব। মানুহৰ জীৱন-যাত্ৰা হব প্ৰচলিত অৱস্থাতকৈ বেছি সহজ, সৰল আৰু কালিমামুক্ত।

নগ্নতাবাদীসকলে কয়—আচ্ছাদিত অঙ্গ-প্ৰত্যঙ্গই মানুহৰ মনত যি অস্বাস্থ্যকৰ কৌতুহল সৃষ্টি কৰে, যি অজ্ঞতা পুঞ্জীভূত কৰে, তাৰ পৰা মানুহৰ মনত নানা অস্বাভাৱিকতা বা মনোৰোগৰ উৎপত্তি হ'ব পাৰে। নগ্নতাবাদী সমাজ এনে ধৰণৰ মানসিক বিকৃতি বা মনোৰোগৰ পৰা মুক্ত। হেভলক এলিচে কয়—যি সকল প্ৰদৰ্শন বাতিকগ্ৰস্ত, নগ্নতা চৰ্চাকাৰী সকলৰ সংসৰ্গত থাকিলে তেওঁলোক সেই ৰোগৰ পৰা মুক্ত হব পাৰিব।

নগ্নতাবাদীসকলে আৰু কয়—নগ্নতা চৰ্চাই সুস্থ, সবল আৰু সুদৰ্শন নৰ-নাৰীক একত্ৰিত হোৱাৰ সুযোগ দিয়ে। পৰস্পৰে পৰস্পৰৰ যৌনাঙ্গৰ প্ৰত্যক্ষ পৰিচয় লাভ কৰে বাবেই তেওঁলোকৰ যৌন শিক্ষা সহজ হয়। নগ্নতা চৰ্চাই তেওঁলোকক মিলন আৰু বিবাদৰ বাবে উপযুক্ত ভাৱে প্ৰস্তুত হবলৈ সুযোগ দিয়ে। নৰ-নাৰীৰ সম্বন্ধক সহজ, সৰল আৰু স্বাভাৱিক কৰি তোলে।

নগ্নতাবাদৰ প্ৰতি বিৰোধ মনোভাবাপন্ন সমালোচক সকলে কয় --নগ্নতা চৰ্চাই সভ্য সমাজত বিপৰ্যয়ৰ সৃষ্টি কৰিব। নৰ-নাৰীৰ যৌনাঙ্গ সমূহ পৰম্পৰৰ বাবে অনাবৃত হৈ থাকিলে উভয়েই যি কোনো মুহূৰ্ত্তেই মাত্ৰাতিৰিক্ত যৌন-উত্তেজনাত আক্ৰান্ত হৈ পৰিব, মানুহ পশুৰ স্তৰলৈ নামি যাব। নাৰীৰ উন্নত স্তনযুগল, নিতম্ব আৰু যোনিদেশ দৰ্শনত প্ৰকাশ্যই যদি পুৰুষৰ কামোত্তেজনা হয় পুৰুষৰ বাদেই, নাৰীও অপ্ৰস্তুত হোৱাৰ সম্ভাৱনা বেচি। আৰু তেনে উলঙ্গ দৃশ্যই, বিশেষকৈ পুৰুষৰ, নাৰীৰ মনত ঘৃণা বা ভয়ৰ সঞ্চাৰ কৰিব পাৰে। গতিকে নৰ-নাৰীৰ যৌনাঙ্গ প্ৰকাশ্যে অনাবৃত কৰি ৰখাটো অবাঞ্চনীয়। তাৰ বাবে আবৰণ লাগে, আভৰণ লাগে। কিন্তু নগ্নতাচৰ্চাকাৰী সকলে নগ্নতা বিৰোধীসকলৰ এই যুক্তিও খণ্ডন কৰিছে। তেওঁলোকে কয়—সম্পূৰ্ণ অনাচ্ছাদিত দেহৰ কাষত উপস্থিত হোৱাৰ লগে লগেই দৰ্শকৰ মনৰ পৰা লজ্জা বিদূৰ হয়। মনত অস্বস্তিকৰ অপৰাধ ভিত্তিও নাথাকে। নগ্নতাবাদী সকলে কয়—তেওঁলোকৰ সংঘত যিসকলে যোগ দিয়ে, তেওঁলোকৰ লজ্জা সঙ্কোচ বা ভয়ৰ ভাবটো দুই এদিনৰ পাচতেই নাইকিয়া হৈ যায়। আনৰ অঙ্গ বিশেষৰ প্ৰতি তেওঁলোকৰ কৌতুহল বা ঘৃণা ভাবো নাথাকে। ইয়াৰ পৰা এইটোৱেই প্ৰমাণিত হয় যে লজ্জা বস্তুটো কৃত্ৰিম—ই মানুহৰেই সৃষ্টি। কিন্তু মনোবিজ্ঞানী ওৱানডে কয়—জন্ম মুহূৰ্ত্তেই মানুহৰ যৌন-লজ্জা সৃষ্টি হয়। অৱশ্যে এই মত সিমান গ্ৰহণযোগ্য নহয়। কাৰণ, যৌন-লজ্জা মানুহৰ স্বভাৱগত হলে সি কেতিয়াও মানুহৰ মনৰ পৰা আঁতৰি যাব নোৱাৰিলেহেঁতেন। কিন্তু স্বভাৱগত নহয় বাবেই সভ্য-অসভ্য উভয় সমাজতেই ই দৃষ্টিগোচৰ হয়। পৃথিৱীত আজিও বহুতো অসভ্য জাতিৰ লোক সম্পূৰ্ণ উলঙ্গ হৈ থকাৰ কথা পোৱা যায়। তেওঁলোকৰ লজ্জা তেন্তে ক'ত ? টাহিটি দ্বীপত নৰ-নাৰীৰ স্বাভাৱিক প্ৰবৃত্তি প্ৰকাশ্যেই চৰিত্ৰাৰ্থ কৰা হয় বুলি শুনা যায়; তাত মুকলি ভাৱেই যৌন বিষয়ে আলোচনা কৰে। নিগ্ৰো জাতিৰ মাজত 'খাচা' নামে এটা গোষ্ঠীৰ লোকে জনেন্দ্ৰিয়ক সম্পূৰ্ণ অনাবৃত কৰি ৰাখে, আবৃত কৰি ৰখাটো অসভ্যতাৰ পৰিচয় মাথোন। আন্দামান দ্বীপপুঞ্জৰ কোনো কোনো গোষ্ঠীৰ নাৰীয়ে নিম্নাঙ্গৰ ওপৰত গছৰ পাত আঁৰি ললেও উৰ্দ্ধাঙ্গ আবৃত নকৰে। বৰ্ত্তমান কালতো পৃথিৱীৰ সভ্য জাতিসমূহৰ মাজত স্থান-কাল-পাত্ৰ ভেদে লজ্জাবোধৰ তাৰতম্য দেখা যায়। কিছু বছৰৰ আগতে জাপানত সাধাৰণ স্নানাগাৰ সমূহত নৰ-নৰীয়ে একেলগে উলঙ্গ হৈ স্নান কৰিছিল। পঞ্জাৱৰ গ্ৰামাঞ্চলত অনেক তিৰোতাক উলঙ্গ হৈ গা-ধোৱা দেখা যায়। আনকি পুৰুষৰ উপস্থিতিতো তেওঁলোকে লজ্জা বোধ নকৰে। চীন, জাপান, আমেৰিকা প্ৰভৃতি দেশত আৰু ইউৰোপৰ বিভিন্ন দেশত বহুতো পুৰুষে সদলবলে বিবস্ত্ৰ হৈ স্নান কৰে। প্ৰকৃততে, লজ্জা মানুহৰ স্বভাৱগত বা প্ৰকৃতিগত নহয় বাবেই স্থান-কাল-পাত্ৰ ভেদে ইয়াৰ উপস্থিতি-অনুপস্থিতি লক্ষ্য কৰা যায়। আনহাতে দেশৰ লজ্জা

বিশেষ বিশেষ অঙ্গ-প্ৰত্যঙ্গৰ সৈতেও জড়িত। নিগ্ৰোসকলৰ ভিতৰত 'খাচা'-গোষ্ঠীৰ লোক-সকলে জননেন্দ্ৰিয়ক অনাবৃত কৰি ৰাখে, কিন্তু তেওঁলোকৰ অন্যান্য অঙ্গ-প্ৰত্যঙ্গ আবৃত কৰি ৰাখে। চীন দেশৰ সম্ভ্ৰান্ত বংশৰ যুৱতীহঁতে তেওঁলোকৰ ভৰি দুটা নিজৰ স্বামীৰ বাহিৰে আনৰ আগত নেদেখুৱায়; চিকিৎসকৰ আগতো আনকি ভৰি দেখুৱাব লগা হলে তেওঁলোক বিব্ৰত আৰু লজ্জিত হয়। আৰব, পাৰস্য তুৰস্ক, আফগানিস্থান আৰু ভাৰতবৰ্ষৰ অধি-কাংশ নাৰীয়েই তেওঁলোকৰ মূৰ মুখ আৰু ডিঙি ঢাকি ৰখাটো ভদ্ৰতা সুৰুচিৰ পৰিচায়ক বুলি জ্ঞান কৰে।

উদাহৰণ স্বৰূপে, "এজনী পাহাৰী যুৱতীৰ প্ৰসঙ্গত প্ৰকৃতিবাদী পণ্ডিত ডক্টৰ ওৱালেছে লিখিছে—"এবাৰ মই এজনী ৰূপহী যুৱতীক পোছাক পিন্ধাত অভ্যস্ত কৰাৰ চেষ্টা কৰিছিলোঁ। অথাৎ দেশৰ তিৰোতাৰ পক্ষে জনবহুল বাটত উলঙ্গ হৈ ফুৰাটো যিমান লজ্জাৰ কাৰণ হব বুলি কল্পনা কৰিব পাৰি, পোছাক পৰিহিতা সেই যুৱতী বাটত ওলোৱাত তাতকৈ কম লজ্জিত হোৱা নাছিল।" বৰ্তমান কালত পাশ্চ্য-নাৰীয়ে সমগ্ৰপিঠি, ডিঙি আৰু আনকি বক্ষ-স্থলো অৰ্ধেক উন্মুক্ত কৰি ঘুৰা ফিৰা কৰিবলৈ সামান্যতমো লজ্জা বা সঙ্কোচবোধ নকৰে। লজ্জা প্ৰকৃতিদত্ত কোনো প্ৰবৃতি হোৱা হ'লে সৰ্ব-দেশত, সৰ্বকালত সকলো মানুহেই কেৱল নিৰ্দ্দিষ্ট কিছুমান অঙ্গকেই লজ্জাৰ স্থান বুলি জ্ঞান কৰিলেহেঁতেন।

সাজ-পোছাক বৰ্জনকাৰী সমাজত মানুহ অধিকতৰ কামাবেগ পীড়িত হব আৰু সেই সমাজত যৌন অপৰাধ বৃদ্ধি পাব। নগ্নতাবাদ বিৰোধীসকলৰ এই যুক্তিও গ্ৰহণযোগ্য নহয়। কিয়নো, বিবস্ত্ৰ উলঙ্গ দেহত ৰহস্য বা কৌতু-হলৰ একো অৱশিষ্ট নাথাকে। অহৰ্নিশ দৃষ্টিত পৰি থাকিলে এটা উলঙ্গ দেহ স্বাভাৱিক হৈ পৰে, তাৰ মাজত কোনো আকৰ্ষণ নাথাকে। জনৈক প্ৰকৃতিবাদী পণ্ডিতে কৈছে "সম্পূৰ্ণ নগ্নাতাতকৈ আংশিক আবৃত্ত অঙ্গই মানুহৰ যৌন-ক্ষুধা বেছিকৈ জাগ্ৰত কৰি তোলে।" এই একেটা কথাকে ডক্টৰ স্নোৱে অন্য ভাষাৰে কৈছে—"আমাৰ সমাজত সামান্যবস্ত্ৰ পৰিহিতা নাৰীৰ সংসৰ্গত পুৰুষৰ কাম-বাসনা যিমান জাগ্ৰত হয়, অসভ্য জাতিৰ নগ্ন নাৰীৰ সংসৰ্গত তাৰ এক শতাংশও জাগ্ৰত নহয়।" মিষ্টাৰ ৰীডে কয়—"নগ্নতাই আমাৰ কামনা যিমান পৰিমাণে নিবৃত কৰি ৰাখে, সাজ-সজ্জাইসিমান পৰিমাণে নোৱাৰে।"

নগ্নতাবাদৰ সমালোচনাত কোৱা হৈছে • নগ্নতা চৰ্চাত মানৱ দেহৰ দুৰ্বল বা কুৎসিত অঙ্গ বিশেষক আবৃত কৰাৰ কোনো অৱকাশ নাই। মানুহৰ দৈহিক গঠন আৰু পৰিবৰ্ত্তন সকলো সময়তে উপভোগ্য নহয়। ইয়াৰ উপ-ৰিও বিকৃতি, সাময়িক অসুস্থতা আৰু অঙ্গ বিশেষৰ বিকলই আনৰ মনত ঘৃণাৰ উদ্ৰেক কৰিব পাৰে, আনকি নিজৰ মনতো কুণ্ঠাবোধ জন্মাব পাৰে। অৱশ্যে সুস্থ-সবল সুগঠিত দেহৰ এক নিজস্ব সৌন্দৰ্য্য আছে। কিন্তু সি দৈহিক সম্পদৰ অধিকাৰী নহয়, যি কুশ্ৰী, তেওঁৰ নগ্নতা আনৰ বাবে সুখকৰতো নহয়েই,

নিজৰ বাবেও ও নহয়। বেশভূষাই মানুহক আঙ্গিক ত্রুটি-বিচ্যুতি আৰু কদৰ্য্যতা ঢাকি ৰখাত সহায় কৰে। বেশভূষাই মানুহক সুদৰ্শন কৰি তোলে,—দৈহিক বৈচিত্ৰ দান কৰে। কিন্তু মানুহ যেতিয়া প্ৰতিনিয়ত বসন-ভূষণৰ পৰা মুক্ত হৈ থাকে, তেতিয়া সি গতানুগতিক আৰু বৈচিত্ৰ্যহীন হৈ পৰে, দেহৰ আকৰ্ষণী শক্তি হ্ৰাস পায়। সভ্য মানৱ সমাজত সাধাৰণৰ বাবে ই কাম্য নহয়। সেই বাবেই নগ্নতা চৰ্চা শুচিবাদী সন্ন্যাসীসকলৰ পক্ষেই উপযুক্ত বুলি কোৱা হয়। কিন্তু এইটো কথা জানো সঁচা যে নগ্নতাই যৌন আকৰ্ষণক নিস্তেজ কৰি তোলে? প্ৰকৃততে দৰ্শনেন্দ্ৰিয়ৰ সাহাৰ্য্যত মানুহে যি যৌন অনুভূতি লাভ কৰে, নিৰ-বিচ্ছিন্ন নগ্নতাই তাক সঙ্কুচিত কৰি তোলে।

সমালোচক সকলে আকৌ কয়—বৰ্ত্তমান কালত সভ্য সমাজত নগ্নতা চৰ্চাই ব্যাপকতা লাভ কৰিব পৰা নাই। স্মৰণাতীত কালৰ পৰাই মানুহ সাজ-পোছাকত অভ্যস্ত হৈ আহিছে। বেশভূষা এতিয়া কেৱল প্ৰয়োজনেই হৈ থকা নাই, ই বিলাসৰো অপৰিহাৰ্য্য অঙ্গ হৈ পৰিছে। সভ্য মানৱ সমাজত বেশভূষা কেৱল দৈহিক প্ৰয়োজনেই হৈ থকা নাই, ই মানসিক স্বাস্থ্যৰ বাবেও অপৰিহাৰ্য্য। এনে ক্ষেত্ৰত নগ্নতাবাদৰ পক্ষে প্ৰত্যাশিত সাফল্য লাভ কৰাটো সুদূৰ পৰাহত নহয় বুলি কব নোৱাৰি। অৱশ্যে অৱসৰ বিনোদনৰ প্ৰয়োজনত সভ্য সমাজত নগ্নতা চৰ্চাই স্থান লাভ কৰিব পাৰে। জাৰ্মানিৰ কেইখনমান নগৰত নগ্নতা চৰ্চাৰ বাবে স্নানাগাৰ, চুইমিং পুল আৰু প্ৰমোদোদ্যানৰ ব্যৱস্থা কৰা হৈছে। আনৰ বিৰক্তি বা আন ধৰণৰ কোনো অসুবিধাৰ সৃষ্টি নহ'লে নগ্নতা-বাদী সকলৰ বিৰুদ্ধে অভিযানৰ কোনো প্ৰয়োজন নাই। ◉

বিঃ দ্ৰঃ "যৌনবিজ্ঞানী মচউদ আৰ ৰহমানৰ এই প্ৰবন্ধটি সংক্ষিপ্ত অনুবাদ কৰা হল।"

---

আমাৰ দেশত যিমান দিনলৈকে পাঠক সমাজ গঢ়ি নুঠে, সিমান দিনলৈকে আমাৰ জাতীয় সাহিত্যৰ উন্নতি বা মঙ্গলৰ নিমিত্তে শিক্ষিত সমাজ অলপ স্বাৰ্থত্যাগ কৰি কাকত বা কিতাপবিলাকক উৎসাহ দি জীয়াই ৰাখিবৰ চেষ্টা কৰা উচিত, নহলে কিতাপ লেখক নাইবা আলোচনী আৰু কাকতৰ পৰিচালকসকলৰ ব্যক্তিগত স্বাৰ্থ-ত্যাগৰপৰা সাহিত্যৰ উন্নতিৰ আশা সুদূৰ পৰাহত।

—নগেন্দ্ৰনাৰায়ণ চৌধুৰী,
১৯৩১, শিৱসাগৰ



# “বিহু সংস্কৃতিত জনজাতীয় উৎস।”

শ্ৰীবজিতা কলিতা
স্নাতক মহলা (কলা)
দ্বি-বাৰ্ষিক

“দিখৌ জাঁজী ধনশিৰী
নানা নদী লগ লাগি
হয়নো ব্ৰহ্মপুত্ৰ মহানদী নাচনী ;
বড়ো-চুতীয়া, লালুং কছাৰী
নানা জাতি লগ লাগি
হয়নো অসমীয়া মহাজাতি নাচনী।”

বিহু অসমীয়া জাতিৰ প্ৰাণ-প্ৰবাহিত বিশালতম সাংস্কৃতিক উৎসৱ। অসমীয়া মহাজাতিটোক বিভিন্ন জনজাতিৰ সৈতে একতাৰ ডোলেৰে বান্ধি ৰাখিছে এই বিহুৱে। মহান অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ সুক্ষ্মাতি সূক্ষ্ম দিশবোৰ অনুধাৱন কৰি সময়োচিত ব্যৱস্থা গ্ৰহণ নকৰিলে বিহু সংস্কৃতিও ঠেকহীন হোৱাৰ আশঙ্কা আছে। আজিৰ মহান অসমীয়া সংস্কৃতিৰ মূলবীজ যিদৰে জনজাতীয় চেতনাৰ সাংস্কৃতিক উৎস সেইদৰে বিহু উৎসৱৰূপী বৰ লুইতৰ সঞ্জীৱনী প্ৰবাহেও জনগোষ্ঠীৰূপী উপনৈ সমূহৰ একত্ৰিত ৰূপহে মাথোন।

জনগোষ্ঠী সমূহৰ সাংস্কৃতিক পৰম্পৰাৰ ইতিহাসে এই কথা প্ৰতীয়-মান কৰায়। বিহু কেৱল এটি সংস্কৃতি এনে নহয়—ই অসমীয়া জাতিৰ জীৱনী শক্তিৰ উৎস বুলিহে ক’ব লাগিব।

কৃষিৰ সৈতে বিহুৰ সম্পৰ্ক থকাটো নিৰ্ঘাত সত্য আৰু প্ৰমাণ সিদ্ধ। আদিম মানৱৰ বিৱৰ্তনমুখী সভ্যতাৰ আধ্যাত্মিক ; অধিদৈৱিক আৰু অধিভৌতিক চেতনাস্ৰোতৰ কালোতীৰ্ণ মানসিক বিকাশৰ পৰাকাষ্ঠী বিহু উৎসৱত পৰিণত হয়।

বিহু উৎসৱত জড়িত আটাইবোৰ সম্ভাৰেই জনজাতীয় উৎসৱ পৰা অহা। পাণ-তামোলৰ ব্যৱহাৰ, বাদ্য-বাজনাৰ ব্যৱহাৰ, বস্ত্ৰ সম্ভাৰ আৰু উৎসৱৰ তথা উপকৰণৰ বিভিন্ন দিশৰ কথা আঙুলিয়াব পাৰি।

মানৱাত্মাৰ আৱেগ বিহ্বলতা, প্ৰাণোচ্ছল উদ্দাউলতাৰ শীৰ্ষতা বিহু উৎসৱতেই। অনুৰণিত হৈ উঠে সেয়েহে সৌন্দৰ্য্যবোধ আৰু প্ৰজনন চেতনাৰ অনমনীয় মনস্তত্ব এই বিহু উৎসৱতেই পৰিলক্ষিত হৈ উঠে।

বিহু সংস্কৃতিৰ মূল বুনিয়াদ হৈছে কৃষি। এই কৃষিৰ ওপৰতে মানৱ জাতিৰ জীৱন ধাৰাৰ আচল বুনিয়াদো গঢ়ি উঠে। আমাৰ আদিম জনজাতি সকলে কৃষি কাৰ্য্যৰ প্ৰাৰম্ভতে বসুমতী শস্য-শ্যামলা হবৰ কাৰণে বিভিন্ন নৃত্য-গীতৰ আয়োজন কৰিছিল আৰু সেয়ে বিহু উৎসৱৰ মূল উৎস। বড়ো সকলৰ খেৰাই নৃত্যত ডেকা ল'ৰা ঋষীলাও গঠে সকলে চিফুং বাঁহী, জোথা-তাল বজাই তাৰ তালে তালে গাভৰু চিখ্‌লা সকলক নচুৱাই বসুমতী অন্তঃসত্বাৰ কামনা কৰে। দেউৰী, চুতীয়া আৰু লালুং সকলে বহাগৰ প্ৰথম বুধবাৰে বিহুৰ দেওধনী তোলে; মিচিং সকলে আলি গাই লিগাং উৎসৱ পাতে। গাৰো সকলৰ ওৱাং গাল আৰু ৰংচুগালা নৃত্য-গীতো কৃষি উৎসৱৰে পৰম্পৰা। ৰংচুগালা নৃত্যৰ যোগেদি কৃষি দেৱতালৈ প্ৰথম শস্য নিবেদন কৰে। খাচীয়া সকলৰ নংক্ৰেম অনুষ্ঠান, মণিপুৰী সকলৰ লাই হাৰাওৱা নৃত্য গীত। ৰাভা সকলৰ খক্‌চি পূজা সোনোৱাল কছাৰীৰ বাইথ্‌ পূজাৰ নৃত্য গীত মোনপা আৰু ছেৰ ডুকপেন সকলৰ মাঘ ফাগুন মাহৰ উৎসৱ লোচেৰ— অকাঁ সকলৰ হুফুগ্ৰ নেচিদাউ আপাতানি সকলৰ মলকো, দফ্‌লা সকলৰ চিৰ মলু চচুম, আদি (আবৰ সকলৰ মপিন, আবান, মিচিমি সকলৰ দিবাতাই, কহ-খাম্‌তি চিংফৌ সকলৰ চাংকেন, নগা সকলৰ লকু, সলোনি পূজা, বিচাজু; ৰাঞ্চু সকলৰ চওঁজিয়েলে আদি উৎসৱৰ নৃত্য গীত সমূহ আজি অসমীয়াৰ প্ৰজনন উৎসৱ বিহুৰেই আদিমতম উৎস সেই আদিম জনজাতীয় সাংস্কৃতিক বীজৰ ভেটিতেই মহান অসমীয়া জাতিৰ বৰ্ত্তমানৰ ৰূপান্তৰিত বিহু সংস্কৃতিৰ দৃঢ়ভেটি গঢ়ি উঠিছে।

পৰ্ব্বত পাহাৰ নদ-নদী, কাঠ-বাঁহ, বেত-লতা, জীৱ-জন্তু, পশু-পক্ষী আৰু মাটিৰ দেশ এই অসম। অনুক্ৰমে বড়ো, কছাৰী, ৰাভা, লালুং, ডিমাচা, কাৰ্বি, তিৱা মিচিং কোঁচ আদি (আবৰ) অকাঁ, ডফলা, মিচিমি, খাম্‌তি। দোৱনীয়া, শৰনীয়া, দেউৰী, চুতীয়া, মেইতেই, মোনপা, চাকমা, লিম্বু, গালং, মিজি, মণিপুৰী, বিষ্ণুপুৰী, ত্ৰিপুৰী, আপাতানি, ছেৰডুক্‌পেন, টাই, ফাকিয়াল, মটক, মৰাণ, ৰাঞ্চু, লেপ্‌চা, নগা, মিজু, খাছীয়া, লুচাই, গাৰো, অসমীয়া, হিন্দু, মুছলমান, শিখ, মজহুব আদি জাতি-প্ৰজাতিৰ সম্মিলিত সমষ্টিয়েই অসমীয়া জাতি আৰু এই জাতি গোষ্ঠীৰ সংমিশ্ৰিত সংস্কৃতিয়েই অসমীয়া সংস্কৃতি। এই গৌৰৱোজ্জ্বল সাংস্কৃতিক ঐতিহ্যৰ নজীৰ সাংস্কৃতিক ইতিহাসতে পাবলৈ নাই। সেয়েহে অসমীয়া সংস্কৃতি বিশ্বৰ শ্ৰেষ্ঠতম আৰু সুন্দৰতম সংস্কৃতি আৰু বিহু সংস্কৃতিয়েই অসমীয়া জাতিৰ জীৱনী শক্তিৰ সৰ্বোৎকৃষ্ট অনুপাম। বিহুৰ ঐতিহাসিক পৰম্পৰা বিশুদ্ধতা, স্বকীয়তা আৰু স্বতঃস্ফূৰ্ত্ততা, অসমীয়াই হেৰুৱাব নোৱাৰে আৰু যদি হেৰুৱাব লগীয়া হয় তেনেহ'লে অসমীয়া জাতিয়ে এদিন নিজকে হেৰুৱাব।

❀



# জ্যোতি প্ৰসাদৰ 'লভিতা' নাটত এটি বাস্তৱবাদী নাৰী চৰিত্ৰ—লভিতা

কুমাৰী ননীমনি মজুমদাৰ ।

অসমীয়া সাহিত্য-সংস্কৃতিৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা অসমীয়া নাট্য-সাহিত্য জগতৰ এজন অন্যতম শ্ৰেষ্ঠ নাট্য-কাৰ। অসমৰ ৰংগমঞ্চ জাতিস্কাৰ কৰি তোলাৰ মানসেৰে জ্যোতিয়ে শৈল্পনৈপুণতাৰে কেইবাখনো নাট ৰচনা কৰিছিল। তেওঁৰ নাট্যসম্ভাৰ কাল্পনিক, গীতিনাট আৰু বাস্তৱবাদী সামাজিক নাটেৰে সমৃদ্ধ। থলুৱা সংগীত সুৰেৰে ভৰপূৰ 'শোণিত কুঁৱৰী' জ্যোতিপ্ৰসাদৰ প্ৰথম পৌৰা-ণিক নাটক। জ্যোতিৰ জীৱনৰ সুন্দৰতম সৃষ্টি 'কাৰেঙৰ লিগিৰী' গোটেই অসমীয়া নাট্য-সাহিত্যৰ ভিতৰতেই অন্যতম শ্ৰেষ্ঠ নাট। পাশ্চাত্য ৰোমান্টিকতাবাদৰ দ্বাৰা আকৰ্ষিত হোৱা শিল্পী জ্যোতি-প্ৰসাদৰ কাল্পনিক মনৰ সৃষ্টি 'ৰূপালীম' অসমীয়া সাহিত্যত এখনি অন্যতম কাল্পনিক নাটক। আনহাতে সমাজ-জীৱনৰ বাস্তৱতাৰ প্ৰতি আকৃষ্ট হোৱা শিল্পী প্ৰাণৰ সৃষ্টি 'লভিতা' জ্যোতিপ্ৰসাদৰ এখনি উৎকৃষ্ট বাস্তৱবাদী অসমীয়া নাটক।

জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ সমগ্ৰ নাটকতেই তেওঁৰ নিজস্ব শৈল্পিক পাৰদৰ্শিতাৰে অংকন কৰিছে একো-একোটা উজ্জল নাৰী চৰিত্ৰ। উষা, শেৱালী, কাঞ্চনমতী, ৰূপালীম, ইতিভেন, লভিতা আদি জ্যোতিৰ নাটৰ মুখ্য নাৰী চৰিত্ৰ। কাল্পনিক আৰু গীতি নাটক লিখিবলৈ কল্প-কলম হাতত লৈ শিল্পী জ্যোতি প্ৰসাদে উষা, চিত্ৰলেখা, শেৱালী, কাঞ্চনমতী, ৰূপালীম, ইতিভেন এই আটাই বিলাক নাৰী চৰিত্ৰতে অংকন কৰিছে ৰোমান্টিক প্ৰেমৰ চিত্ৰ। কিন্তু তেওঁৰ 'লভিতা' নাটত লভিতাৰ চৰিত্ৰত পূৰ্বসূৰী নাৰী চৰিত্ৰ সমূহৰ পৰম্পৰা ৰক্ষিত হোৱা নাই। লভিতাৰ চৰিত্ৰত ৰোমান্টিক প্ৰেমৰ আবেদন চিত্ৰিত হোৱা নাই। এখনি বাস্তৱবাদী সামাজিক নাটক লিখাৰ প্ৰয়াসেৰে জ্যোতিয়ে তেওঁৰ লভিতা নাটত তেওঁৰ

কাল্পনিক আৰু গীতি নাটৰ মুখ্য নাৰী চৰিত্ৰ উষা, শেৱালী, কাঞ্চনমতীৰ বিপৰীতে লভিতাক এক বাস্তৱমুখী স্বদেশ প্ৰেমী অসমীয়া নাৰী চৰিত্ৰ হিচাপে অৱতাৰণা কৰিছে। অৱশ্যে তেওঁৰ 'ৰূপালীম' খনিলৈ দৃষ্টি নিক্ষেপ কৰিলে ৰূপালীমৰ চৰিত্ৰত লভিতাৰেই পূৰ্বচিনাকি পোৱা যায়।

লভিতা নাটকত নাট্যকাৰ জ্যোতিপ্ৰসাদে কোনো এটি চৰিত্ৰতে অধিক গুৰুত্ব আৰোপ কৰা নাই যদিও লভিতাৰ চৰিত্ৰত অধিক কাৰ্যদক্ষতা আৰোপ কৰিছে। সেয়েহে নাট খনিত লভিতাকে নায়ক-নায়িকা বুলি অভিহিত কৰিব পাৰি। এই প্ৰসঙ্গতে জ্যোতিপ্ৰসাদৰ লভিতাক এক বাস্তৱবাদী নাৰী চৰিত্ৰ হিচাপে আলোচনা কৰাৰ প্ৰয়াস কৰিব পাৰি।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ১৯৪২ চনৰ গণবিপ্লৱ আৰু সম-সাময়িকভাৱে সংঘটিত হোৱা দ্বিতীয় মহাসমৰৰ বতাহ-চাটিয়ে অসমকো চুই গৈছিল। তাৰেই পটভূমিত জ্যোতিপ্ৰসাদে লভিতা নাটকখনি ৰচনা কৰিছিল। এই নাটক খনিৰ এটি নাৰী চৰিত্ৰ হ'ল লভিতা। কলা সুলভ বৈশিষ্ট্যৰে জ্যোতি প্ৰসাদে 'লভিতা' নাটত উন্নত চৰিত্ৰা লভিতাক উপস্থাপন কৰি অসমীয়া নাৰী জাতিৰ চৰিত্ৰবলৰ নিদৰ্শন দাঙি ধৰিব বিচাৰিছিল। লভিতাৰ বিপ্লৱী কাৰ্যাৱলী 'আৰু স্বদেশ প্ৰেমৰ গভীৰতা প্ৰতিজনী অসমীয়া গাভৰু-তিৰোতাৰ কৰ্মৰ আদৰ্শ হওঁক; নিশ্চয় তাকে ভাবিয়েই শিল্পীজনাই গঢ়ি তুলিছিল লভিতাক আৰু লভিতাৰ জীৱনৰ সমগ্ৰ কৰ্মৰাজি।

লভিতা এজনী সৰ্বসাধাৰণ গাঁৱলীয়া ছোৱালী। তাই এজনী আদৰ্শমূলক অসমীয়া ছোৱালী নহয়। কিন্তু গাঁৱলীয়া হোজা-মানুহৰ জীয়ৰী হলেও লভিতা এজনী অসমীয়া চৰিত্ৰৰ অসমীয়া গাভৰু। জ্যোতিৰ হাতত তাই এজনী সং সাহসী বাস্তৱবাদী নাৰী হিচাপে ধৰা দিছে। স্বদেশপ্ৰেমী লভিতাই এজনী সাধাৰণ গাঁৱলীয়া ছোৱালী হৈও বিভিন্ন সমস্যাবহুল ঘটনা প্ৰবাহত উটি ভাহি এক অসামান্য চাৰিত্ৰিক বৈশিষ্ট্য কঢ়িয়াই আনিছে। লভিতাৰ অসাধাৰণ চৰিত্ৰবলৰ নিদৰ্শনেৰে জ্যোতিয়ে সৰ্বসাধাৰণ অসমীয়া গাভৰু ছোৱালীৰ গাত কেনে ধৰণৰ চাৰিত্ৰিক বৈশিষ্ট্য নিহিত হৈ থাকিব পাৰে তাকেই বিশ্বৰ আগত উদঙাই দেখুৱাব বিচাৰিছিল। কোনো দিনে কোনো কালে নোহোৱা-নোপোজা ঘটনাবহুল সমস্যা এটিৰ সন্মুখীন হৈ অসমীয়া গাভৰু ছোৱালী এজনীয়ে কিমানখিনি নিঃসহায় অনুভৱ কৰে আৰু সেই ভয়াবহ ঘটনাৰ সৈতে যুঁজ দি কেনেদৰে অভূতপূৰ্ব আত্মবলৰ পৰিচয় দিব পাৰে তাক নাট্যকাৰ জ্যোতিপ্ৰসাদে 'লভিতা' নাটত লভিতাৰ চৰিত্ৰৰ দ্বাৰা দেখুৱাব বিচাৰিছিল। জ্যোতিয়ে তেওঁৰ অসাধাৰণ শিল্পনৈপুণতাৰে সাধাৰণ গাঁৱলীয়া ছোৱালী লভিতাৰ চৰিত্ৰত এক অভূতপূৰ্ব বৈপৰীত্য সানি এজনী উদাৰ মনোভাৱৰ গভীৰ দেশপ্ৰেমিকা ৰূপে লভিতাক থিয় কৰাইছে। লভিতাৰ প্ৰাণত সুপ্ত হৈ লুকাই আছিল অসীম সাহস আৰু নিজৰ মাতৃভূমিক ভালপোৱাৰ অদম্য প্ৰেৰণা। দুৰন্ত সাহসী আৰু ধৰ্মশীলা লভিতা অসমীয়া নাৰী-জাতিৰ

বাস্তৱ প্ৰতিমূৰ্ত্তি হিচাপে জ্যোতিপ্ৰসাদৰ মানস জ্যোতিৰে উদ্ভাসি উঠিছে।

গোলাঘাটৰ ফুলগুৰি গাঁৱৰ বাণেশ্বৰ বৰুৱাৰ শিক্ষিতা গাভৰু লভিতা। ফুলগুৰি গাঁৱৰ ওচৰৰ লহৰজান এৰোড্ৰামত দ্বিতীয় মহাযুদ্ধৰ যুদ্ধ-জাহাজৰ সমাগম হৈছিল। সেই সময়তে জাপানী সৈন্যৰ উৰাজাহাজৰ পৰা হোৱা বোমাবৰ্ষণত লভিতাৰ দেউতাক বাণেশ্বৰ বৰুৱাৰ মৃত্যু হয়; আৰু তেতিয়াই অকলশৰীয়া লভিতাৰ জীৱনলৈ ভয়াবহ বিপৰ্যয় নামি আহে। বৃটিছ গৱৰ্ণমেণ্টে লহৰজান এৰোড্ৰামৰ ওচৰ-পাজৰৰ গাঁওবোৰত মিলিটেৰী লগাই গাঁওবাসী বাইজক ঘৰ-দুৱাৰ এৰি আতৰি যাবলৈ হুকুম দিছিল। গাঁও এৰি গাঁৱৰ মানুহ আতৰি গৈছিল। কিন্তু লভিতা গাঁও এৰি, নিজৰ ঘৰ এৰি, যোৱাৰ পক্ষপাতী হোৱা নাছিল। পিতৃ-হাৰা-মাতৃহাৰা লভিতা অৱশেষত নিজৰ ঘৰৰ ভেটিটোও এৰি যোৱাৰ তাগিদাত পৰি ক্ষন্তেকৰ বাবে নিঃসহায় হলেও তাই গাঁও এৰি, ঘৰ এৰি নাযাবলৈ দৃঢ় সংকল্প লৈছিল। তাইৰ প্ৰাণত লুকাই থকা সাহসী নাৰী সত্বা তেতিয়াই জাগি উঠিছিল। ঘৰ এৰি নেযাও বুলি লভিতাই তীব্ৰ প্ৰতিবাদ কৰিছিল। মিলিটেৰীৰ বন্দুকৰ আগত গৌৰৱেৰে থিয় হৈ লভিতাই চিঞৰি চিঞৰি কৈছিল—"গোটেই বৃটিছ গৱৰ্ণমেণ্টৰ বন্দুক-বৰটোপ আনিলেও চাহাব, এই ভেটিৰ পৰা এখোজো আতৰ কৰিব নোৱাৰা। জীয়াই থাকো মানে, মোৰ ভেটি, মোৰ ঘৰ, মোৰ মাটি, মোৰ এই দেশ। ইয়াত মোৰ মাতিবৰ অধিকাৰ আছে।" '(লভিতা' নাটকৰ ১ম অংক ৩য় দৰ্শন)। অৱশেষত লভিতাৰ প্ৰেমিক ডেকা পুলিচ বিষয়া গোলাপৰ অনুৰোধত লভিতাই মৌজাদাৰৰ ঘৰত আশ্ৰয় লৈছিল। কিন্তু স্বাধীন-চিতীয়া সবল প্ৰাণা লভিতাই স্বভাৱতে ঈৰ্যাপৰায়ণ তিৰোতা মৌজাদাৰণীৰ মাহী আইৰ অত্যাচাৰ-উৎপীড়ণ আৰু কেটেৰা মাত কোনোমতেও সহ্য কৰিব নোৱাৰিলে। আশ্ৰিতা হলেও মৌজাদাৰনীৰ ঘৰত তাই 'বান্দী-খাটিবলৈ অহা নাই।' সংকীৰ্ণ মনৰ মৌজাদাৰৰ ঘৰৰ পৰা তাই ওলাই আহিছিল মুক্ত আকাশৰ তললৈ। কিন্তু তেতিয়াও লভিতাৰ জীৱনৰ সংকটপূৰ্ণ দিনবোৰ শেষ হৈ যোৱা নাছিল। সেই সময়ত গাঁৱে-ভূঁৱে পিয়াপি দি ফুৰা মিলিটেৰী সৈন্যৰ হাতত ধৰ্ষিতা হোৱাৰ পৰা কথমপি হাতসাৰি উদাৰ মতি লভিতাই দ্বিতীয়বাৰৰ কাৰণে আশ্ৰয় লৈছিল বুঢ়া মুছলমান ইলাহী বকছৰ ঘৰত।

লভিতা সচাকৈয়ে এজনী উদাৰ মানসিকতাৰে গঢ় লোৱা অসমীয়া নাৰী। নাট্যকাৰ জ্যোতিপ্ৰসাদে লভিতাৰ বহল মনোবৃত্তিৰ পৰিচয় দি পুৰণি অসমীয়া সমাজৰ সংকীৰ্ণতাবাদী কাঠামো ভাঙি দিয়াৰ পক্ষপাতী হৈছিল। সেয়েহে তেওঁৰ লভিতাক পৰম্পৰাগত সংকীৰ্ণ গণ্ডীৰ অসমীয়া নাৰীৰ বিপৰীতে এজনী বাস্তৱবাদী আৰু বিচাৰবুদ্ধি সম্পন্ন উন্নত মনৰ অসমীয়া নাৰী হিচাপেহে অংকণ কৰিব বিচাৰিছিল। লভিতাৰ মনত জাত-পাতৰ সংকোচনবাদী বিৰোধভাৱে বাহ লোৱা নাই। তাইৰ পূৰ্বৰ প্ৰেমিক গোলাপে মুছলমানৰ ঘৰত আশ্ৰিতা হোৱা বাবে তাইক গ্ৰহণ কৰিবলৈ

সংকোচবোধ কৰা দেখি তাইৰ মন ক্ষুব্ধ হৈ উঠিছিল। আজিৰ ডেকা বুলি মিছা গৰ্বত ওফন্দি ফুৰা অসমীয়া ডেকা গোলাপৰ এনে অন্ধ সংস্কাৰেৰে ঠাহ খায় থকা ঘৃণেধৰা বিচাৰ বুদ্ধিক লভিতাই বাককৈয়ে ঘৃণা কৰিছিল। নাট্যকাৰ জ্যোতিয়ে লভিতাৰ এই মানসিকতাৰে সময়ৰ সোঁতত উটি-ভাহি ফুৰা তথাকথিত অসমীয়া ডেকাশক্তিক ভ্ৰূকুটি কৰিব বিচাৰিছিল লভিতাৰ মুখত এনেধৰণৰ জুই বৰষা সংলাপ দি—"তুমি নকৰা আজিৰ দিনৰ ডেকা বুলি, তোমাক নিজকে সেইবুলি ভুৱা নিদিবা। যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই সি আজিৰ দিনৰ ডেকা হবই নোৱাৰে। ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়, দেশত চলি থকা অন্যায়, নিয়ম কাৰণ, মূৰ্খ সমাজৰ সংকীৰ্ণ মনৰ মানুহৰ নিৰপৰাধী-নিমাখিতৰ ওপৰত অন্যায় অত্যাচাৰৰ নিজৰ সুখ সম্পদ, আনকি নিজৰ জীৱনকো দি যি ডেকাৰ থিয় হবলৈ মনত বল নাই সি আজিৰ ডেকা হবই নোৱাৰে।" (নাটৰ ৩য় অংক, ২য় দৰ্শন)।

'লভিতা' নাটকত লভিতা গভীৰ দেশাত্মবোধৰ গৌৰৱেৰে গৌৰৱান্বিত এটি উজ্জ্বল নাৰী চৰিত্ৰ। স্বদেশৰ স্বাধীনতা উদ্ধাৰৰ বাবে, স্বজাতিৰ মুক্তিৰ হকে নেতাজী সুভাষ চন্দ্ৰ বসুৰ আজাদ হিন্দ ফৌজত ( I. N. A. ) যোগ দি সহস্ৰ বিপ্লৱৰ মন্ত্ৰত দীক্ষিত হৈ হাতত বন্দুক লৈ ওলাই আহিছিল বৃটিছ সৈন্যৰ সতে যুদ্ধ কৰিবলৈ ৰণচণ্ডীৰ বেশেৰে অসমীয়া গাভৰু লভিতা। বিপ্লৱী সত্বাৰে জাগৰিত হোৱা শিল্পী জ্যোতিপ্ৰসাদে তেওঁৰ এই বিপ্লৱী নাৰী মূৰ্তিৰ চিত্ৰনেৰে অসমীয়া নাৰী-জাতিৰ স্বদেশ প্ৰীতি আৰু সুপ্ত শক্তিৰ পৰিচয় দাঙি ধৰাৰ মানস কৰিছিল। জ্যোতি প্ৰসাদৰ লভিতা স্বদেশ প্ৰেমেৰে আপ্লুতা হৈ নিজৰ মাতৃভূমিৰ শৃংখল মুক্তিৰ বাবে প্ৰাণাহুতি দিয়া অসমীয়া ডেকা-ডেকেৰী, কনকলতা, মুকুণ্ড কাকতি, ভোগেশ্বৰী আদি অমৰ শ্বহীদৰ অংকিত চিত্ৰৰূপ বুলিয়েই কব লাগিব। সৎ-সাহসী লভিতাই অসাধাৰণ মনোবলেৰে হাতত বন্দুক লৈ ভাৰতৰ স্বাধীনতাৰ বাবে, অসমৰ স্বাধীনতাৰ বাবে ৰণ দিবলৈ ওলাই আহি বৃটিছ সৈন্যৰ সন্মুখত বুকুপাতি থিয় হৈ নিজৰ সৈন্য দলক মুক্তকণ্ঠে আহ্বান কৰিছিল—"এখোজো পিছুৱাই নাহিবা আজিৰ যুদ্ধ জিকিবই লাগিব। যুদ্ধ কৰা, যুদ্ধ কৰা। প্ৰাণপণে শত্ৰুক ধ্বংস কৰা। আগবাঢ়া, আগবাঢ়া। জয় হিন্দ, জয় হিন্দ।" (নাটৰ ৫ম অংক ৪ৰ্থ দৰ্শন)।

সমাজ শিল্পী জ্যোতি প্ৰসাদৰ স্বদেশ প্ৰেমী প্ৰাণটোৱে সদায় বিচাৰিছিল অসমীয়া জাতিৰ জাতীয় সত্বাৰ নিৰাপত্তা। অসমীয়া সংস্কৃতিৰ ভেটি নিৰ্মানৰ অদম্য বাসনাক বাস্তৱত ৰূপ দিবলৈ আজীৱন নিজকে ব্যস্ত ৰখাৰ উপৰিও দেশৰ জনগনকো অনুপ্ৰাণিত কৰিব বিচাৰিছিল সেই একে পথতে। তেওঁৰ জীৱনৰ সমগ্ৰ ৰচনা ৰাজিত আমি স্বদেশ প্ৰেমৰ সুৰ এটা বাজি থকা শুনো। মাতৃভূমিৰ মোহেৰে মোহান্ধ হোৱা 'লভিতা' নাটকৰ নাৰী চৰিত্ৰ লভিতাৰ মুখতো মৃত্যুৰ আগমুহূৰ্তত জ্যোতিয়ে তেনেধৰণৰ সংলাপৰেই অৱতাৰণা কৰিছিল। বন্দুকৰ গুলিত ধাৰাসায়ী হোৱা লভিতাই মৃত্যুৰ আগে

আগে মাতৃভূমি অসমীৰ গুণ বসানি কৈছিল— “যাবৰ সময়ত মোৰ অসম আইৰ মাটিৰে কপালত এটি ফোঁট দিয়া ······ মোৰ দেশৰ মাটিৰে ফোঁট। মই যাবৰ সময়ত সুন্দৰী সুৰীয়া নাম এটি গাই শুনোৱা··· ···অসমৰ সুন্দৰী মাত ·· ·· অসমৰ সুৰীয়া মাত।’ (নাটৰ ৫ম অংক ৪র্থ দর্শন)।

অসমীয়া সাহিত্যত ৰূপকোঁৱৰ জ্যোতি-প্ৰসাদ আগৰৱালা এজন সুখ্যাত নাট্যকাৰ। ভাৰতৰ স্বাধীনতা লাভৰ পৰৱৰ্তী কালত তেওঁ ৰচনা কৰা ‘লভিতা’ নাটখনি এখনি অন্যতম অসমীয়া সমাজ-জীৱনৰ বাস্তৱবাদী নাট। বিপ্লৱীৰ গণবিপ্লৱ আৰু দ্বিতীয় মহাসমৰৰ পট-ভূমিত এখনি সামাজিক বাস্তৱবাদী নাট ৰচনা কৰিবলৈ গৈ ‘লভিতা’ নাটত লভিতা নামৰ চৰিত্ৰটি অংকণ কৰি এজনী সংসাহসী, স্বদেশ প্ৰেমী আৰু অধিক বাস্তৱবাদী অসমীয়া গাভৰু লভিতাকে উপস্থাপনা কৰিছিল। অসমীয়া প্ৰতিজন যুৱক-যুৱতীৰ বাবে লভিতাৰ জীৱনাদৰ্শ আৰু কাৰ্যাৱলী অনুকৰণীয়। এশ-এবুৰি সম-স্যাৰে ভাৰাক্ৰান্ত অসমীয়া ডেকা-গাভৰুৰ বাবে লভিতা এক চিৰন্তণ কৰ্মপ্ৰেৰণা হওঁক; সেয়াই হয়তু আছিল জ্যোতিপ্ৰসাদৰ লভিতা-চৰিত্ৰ সৃষ্টিৰ মূল উদ্দেশ্য; তাকে কৰিবলৈ গৈ শিল্পী-জনাই তেওঁৰ সৃষ্টি ধৰ্মী কল্পনাক একেবাৰে দমাই ৰাখি অধিক বাস্তৱবাদী হোৱা যেন অনুমান হয়।

‘লভিতা’ নাটৰ জন্ম দিবলৈ গৈ জ্যোতি-প্ৰসাদে নাট্য সাহিত্যৰ পৰম্পৰা ৰক্ষাৰ ফালে চকু দিয়া নাই বুলি কব লাগিব; কিন্তু নাট-খনিত লভিতাক এটি আদৰ্শনীয় বাস্তৱমুখী নাৰী চৰিত্ৰ ৰূপে অংকণ কৰাত নাট্যকাৰৰ কলা সুলভ বৈশিষ্ট্য সুন্দৰ ভাৱে প্ৰকাশ পাইছে। স্বদেশ প্ৰেমী, অসীম সাহসী, বাস্তৱবাদী লভিতা অসমীয়া জাতিৰ যুগে যুগে সংগ্ৰামৰ চিৰন্তন আদৰ্শ হৈ ৰওঁক; সেয়াই আছিল জ্যোতি-প্ৰসাদৰ বিপ্লৱী শিল্পী প্ৰাণৰ আকাংখ্যা।

## গ্ৰন্থপঞ্জী


(১) ‘অসমীয়া নাট্য সাহিত্য’—ড° মহেন্দ্ৰ নাথ শৰ্মা
(২) ‘অসমীয়া নাট্য সাহিত্যৰ জিলিঙণি’—হৰিশ চন্দ্ৰ ভট্টাচাৰ্য
(৩) ‘লভিতা’ নাটক—জ্যোতিপ্ৰসাদ আগৰৱালা (সম্পাদনা)
(৪) ‘আধুনিক অসমীয়া সাহিত্য: দুটি তৰংগ’—ড° শৈলেন ভৰালী
(৫) ‘জ্যোতি প্ৰসাদ আৰু লভিতা’ শীৰ্ষক এটি চমু আলোচনা।

# দুৱৰাৰ 'শৃণ্য পৰিচয়' ঃ
## এটি চমু আলোচনা

—ডিম্বেশ্বৰ বৰুৱা

বনফুলব কবি দুৱবাক বিংশশতিকাব শ্রেষ্ঠ বোমান্টিক গীতি কবি বুলি অসমীয়া কাব্যকাননত ওখ আসন দিয়া হৈছে। তেওঁব কবিতাত বোমান্টিক ভাবাদর্শব গীতিকবিতাব সংগীত মাধুবিমাব বাঙময় প্রকাশ ঘটিছে। 'আপোন সুব' আক 'বনফুল'ব কবিতাব মাজেবে কবিব আত্মনিষ্ঠতা প্রকাশ পাইছে। দুৱবাব মন্ময় কবিতা সমূহ ব্যক্তিগত সুখ-দুখ, আবেগ-অনুবাগ, শোক-বিবহ আদিবে ভবপূব। মূখ্যত প্রেমব কবি দুৱবাব কবিতাত "**Lyric is a short poem containing one sentiment or one Thought or describing one situation**"—অর্থাৎ "গীতি কবিতা ক্ষুদ্র অবয়ব বিশিষ্ট কবিতা য'ত মাত্র অনুভূতিব এককতা বা ভাৱব স্বল্পতা প্রকাশ পায় আক যিয়ে এটা মাত্র পবিস্থিতিব বর্ণনা দিয়ে"—গীতি কবিতা (Liric)ব এই সংজ্ঞা বিচাবি পোৱা যায়। আনহাতে গীতি-কবিতাব বিশেষ লক্ষণ আন্তবিকতাপূর্ণ অনুভূতি, সংগীত মাধুর্যতা আক গীতি স্বাচ্ছন্দ্যও দুৱবাব কবিতাত চিব প্রৱাহমান।

ড° বিবিঞ্চি কুমাব বৰুৱাব ভাষাত—'দুৱবা মুখ্যত প্রেমব কবি ; সৌন্দর্যব উপাসক। তেওঁ প্রেমব সপোন দেখে, প্রেমব কবিতা লিখে।' আকৌ অসমীয়া সাহিত্যব প্রথিতযশা সমালোচক ড° বাণীকান্ত কাকতি দেবে কৈছিল—"দুৱবাব কবিতা সমূহত ৰূপব সমাবেশ আছে আক ই প্রায়ে ৰূপকাত্মক।"

প্রকৃততে ব্যক্তিগত জীৱনব হা-হুমুনিয়া, নিঃসংগ জীৱনব গভীব বেদনা আক সংসাবব তিক্ততাই ইংবাজ কবি শ্যেলীব দবে আমাব কবি গবাকীকো একেবাবে আতুব কবি তুলিছিল। অকলশবীয়া আক আত্মকেন্দ্রিক দুৱবাব কবিতাত শ্যেলীব কবিতাব দবে সংসাবব প্রতি ওপজা ঘৃণা আক বিবক্তিব ভাৱ প্রকাশ পাইছে। কবিজনা

সাংসাৰিক জীৱনৰ প্ৰতি একেবাৰে নিৰাশ হোৱা নাই। সৌন্দৰ্যৰ উপাসক কবি দুৱৰাই আজীৱন বিচাৰি ফুৰিছিল সৌন্দৰ্যৰ অনন্ত নিজৰা আৰু সেই নিজৰাতে বুৰ মাৰি তাত তেওঁৰ মানস প্ৰতিমাক বিচাৰি আপোন পাহৰা হৈছিল। কবি দুৱৰাৰ পাৰ্থিৱ জীৱনৰ এই হা-হুমুনিয়াহেৰে পৰিপূৰ্ণ এটি উৎকৃষ্ট গীতি-কবিতা হ'ল 'আপোন সুৰ'ত সন্নিবিষ্ট 'শূণ্য পৰিচয়'। 'শূণ্য পৰিচয়' কবিতাটি কবিজনাৰ ৰোমাণ্টিক প্ৰেমৰ সৌন্দৰ্যৰে ভৰপূৰ। এই আলোচনাৰ মাজেৰে দুৱৰাৰ 'শূণ্য পৰিচয়' কবিতাটিৰ এটি আলোচনা কৰাৰ প্ৰয়াস কৰিছোঁ মাথোঁ।

কবি দুৱৰাই বাস্তৱ জীৱনটো অতিবাহিত কৰোঁতে এই সংসাৰত নানা জনৰ সৈতে চিনাকি ঘটিছিল, নানাজনক তেওঁ আপোন কৰি লব বিচাৰিছিল। ভাতোকৈ আচল কথা আছিল হয়তু তেওঁ সংসাৰত লগ পোৱা বহুতৰে লগত জীৱনৰ গোপন সম্পৰ্কও স্থাপন কৰিছিল। কিন্তু সেই সম্পৰ্ক কবিৰ বাবে একেবাৰে ক্ষন্তেকীয়া আছিল। এই ক্ষন্তেকীয়া সম্বন্ধই কবিক বেদনা-বিধুৰ কৰি তুলিছিল। মৰম আকলুৱা কবি দুৱৰাই জীৱনক লগ পোৱা বহুজনৰ পৰাই মৰম-চেনেহ আদায় কৰিব বিচাৰিছিল। কিন্তু এই মৰম-চেনেহবোৰো আছিল খন্তেকীয়া। এই অপূৰ্ণ মৰমে কবিৰ হৃদয়ৰ বেদনা অধিক কৰি তুলিছিল। কোনোৱে কবিক ভালপোৱাৰ প্ৰতিশ্ৰুতি দি আকৌ আতৰি গৈছিল তেওঁৰ কাষৰ পৰা। কবিয়ে ইয়াক একোটা সপোন বুলি অভিহিত কৰিছে। সপোনত বহুতো বস্তু লাভ কৰিও হেৰুৱাৰ দৰে কবিয়েও জীৱনত বহুতৰে মৰম লাভ কৰি পিছত আকৌ সেই-বোৰ হেৰুৱাইছিল; সেয়েহে তেওঁ জীৱনৰ বাসনাবোৰক বিফল বাসনা বুলিয়েই শান্তনা লভিছিল আৰু কায়াহীন ছায়াৰ দৰে তেওঁ জীয়াই আছিল। তেওঁ যেন জগতৰ পৰা এসোপা অনাদৰহে পাইছে আৰু সেই অনাদৰ অৱহেলাবোৰে কবিৰ হৃদয়খনি দহি পুৰি মাৰিছিল। জীৱনৰ এই অনাদৰ অৱ-হেলাই কবিক সংসাৰ বিৰাগী কৰি তুলিছিল; আৰু তেতিয়াই তেওঁ সংসাৰৰ মায়া-মোহ এৰি অতীতৰ স্মৃতিবোৰ বুকুত সাৰতি লৈ পাহৰণি নৈৰ পাৰত পঁজা এটি সাজি তাতেই জীৱনৰ বাকীছোৱা কাল কটোৱাৰ ইচ্ছা প্ৰকাশ কৰিছে। আশাৰ হেঙুলীয়া সপোনবোৰ লৈ মানুহে সংসাৰ সমুদ্ৰত নাওঁ বাই থাকোতে সময়ৰ পছোৱাই মানুহৰ জীৱন-শলিতা নুমাই দিয়ে; আৰু সেই দিনাই নিয়তিয়ে মানুহক কোনোবা অজান দেশলৈ লৈ যায়। মানুহৰ এই ক্ষণ-ভংগুৰ জীৱন-পৰিবৰ্ত্তনে কিন্তু প্ৰকৃতি জগতৰ কোনো পৰিবৰ্তন নঘটায়।

এনেদৰে ক্ষনভংগুৰ মানৱ-জীৱনটো নিয়তিৰ আদেশত নিঃশেষ হৈ যোৱাৰ পিছত অতীতৰ সকলো স্মৃতি শূণ্যত পৰিণত হয়; ঠিক তেনে-কৈয়ে কবিৰ অতীত জীৱনৰ স্মৃতি কালৰ বুকুত শেষ হৈ যোৱাৰ পিছত পাহৰণি নৈৰ পাৰত কবিয়ে সজা পজাটিয়ে কবিৰ শূণ্য-পৰিচয়হে দিব। 'শূণ্য পৰিচয়' কবিতাত কবি যতীন্দ্ৰ নাথ দুৱৰাই তেওঁৰ হৃদয়ৰ কাব্যিক অনু-ভূতি এনেদৰেই প্ৰকাশ কৰিছে।

'শূন্য পৰিচয়' কবিতাটিত দৰদী কবি হুৰবাই যৌৱনৰ আদিম পুৱাতেই প্ৰেয়সীৰ দ্বাৰা অৱহেলিত, অনাদৃত হৈ দুখৰ বোজাটো বুকুত বান্ধি লৈ বেথা-বেদনা প্ৰকাশ কৰিছে। কবিতাটোৰ কোমল পাপৰিত সৰি পৰিছে বেদনাৰ পৰাগৰেণু—

"মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ ৰৱনেৰে ঢকা;
অন্তৰ জলোৱা ছবি অতীতৰ স্মৃতি লই
বুকুৰ তেজেৰে আছে অন্তৰতে আঁকা।"

কবিৰ হৃদয়ত জ্বলি আছে একুৰা জুই। ৰাৱণৰ চিতাজুইৰ দৰে দপ-দপকৈ জ্বলি থকা এই জুইকুৰাৰ উনান কোনোৱে নেপায়। জেতুকা পাতৰ বাহ্যিক ৰূপৰ অন্তৰালত লুকাই থকা আভাৰ নিচিনাকৈ প্ৰেসৰীৰ অৱহেলিত চাৱনিৰ পৰা ওলাই অহা জুই শিখাই কবিৰ অন্তৰ দেই-পুৰি মাৰিছে।

কবিৰ জীৱনলৈ বহুজনে বহুবাৰ মৰম সফুঁৰা লৈ আহি কবিক চেনেহ যাচিছিল। কিন্তু ভাগ্যহীন কবিৰ জীৱনত সেই মৰম-চেনেহৰ চিন চিৰন্তন হৈ নেথাকিল। কবিৰ অন্তৰত সকৰুণ সুৰ তুলি সকলোবোৰ গুছি গ'ল। সেয়েহে একান্ত আত্মনিষ্ঠ কবি হুৰবাই ব্যৰ্থপ্ৰেমৰ হা-হুমুনিয়া সৰলবৈখিক গতিত প্ৰকাশ কৰিছে 'শূন্য পৰিচয়' কবিতাটিৰ এই ফাঁকি কবিতাত—

"কতজন কাষলৈ কতভাৱে আহি মোৰ
তোলাই হিয়াত মাথোঁ সকৰুণ তান,
শূন্যত বিয়পি পৰি শূন্যতেই যায় মাৰ
ভাগ্যহীন জীৱনৰ সুৰহীন গান।"

কবিতাটিৰ প্ৰকাশ ভংগীয়ে কবিৰ একান্ত মনোধৰ্মিতাৰ ( Subjectivity ) স্বাক্ষৰ বহন কৰিছে। মনৰ সুখ-দুখ, হৃদয়ৰ আবেগ-অনুৰাগ-শোক-বিৰহৰ বিননিয়ে কবিতাটিক গীতি-কবিতাৰ শাৰীলৈ উত্তৰণ ঘটাইছে। সেয়েহে 'শূন্য পৰিচয়'ক আধুনিক অসমীয়া গীতি কবিতাৰ উৎকৃষ্ট নিদৰ্শন বুলি কব পাৰি।

হুৰবা ৰোমাণ্টিক যুগৰ অন্যতম জনপ্ৰিয় কবি। ৰোমাণ্টিক কবিতাৰ সনাতনী ধৰ্ম হুৰবাৰ কবিতাত সদায় প্ৰচাৰিত হৈ আহিছে। বিশেষকৈ অতীত প্ৰীতি, প্ৰেমৰ মহানতা আদিক তেওঁ বৰ বেছি শলাগিছিল। তেওঁৰ সৰহভাগ কবিতাতে এটি শূন্যতা, এটি নিৰাশা, এটি কাতৰ আকুতিৰ কৰুণ সুৰে সহানুভূতিৰ মৃদু জোকাৰণিৰ সৃষ্টি কৰিছে। এনে এক প্ৰসংগতে "কবিতা হৈছে নিৰলে সোৱাৰা হিয়াৰ আবেগ" ইংৰাজ কবি ৱৰ্ডছৱৰ্থৰ কবিতাৰ এই সজ্ঞাটি হুৰবাৰ কবিতাবোৰত সুন্দৰ ভাবে বজিতা খাই যায় বুলি কব পাৰি।

সৌন্দৰ্যৰ উপাসক কবি হুৰবাৰ মানস চিত্তত প্ৰকৃতি বুকুৰ সেউজীয়া বননিৰ গছ-লতা, চৰাই-চিৰিকটি, নৈ-জান-জুৰিৰ অপৰূপ সৌন্দৰ্যই পুলক জগাইছিল। যৌৱন প্ৰভাত বেলাত কোনোৱা প্ৰেয়সীৰ প্ৰেমৰ ৰোৱতী স্মৃতিয়ে মৃদু কলৰৱ তুলি নাচি নাচি বৈ গৈছিল। "Beauty is truth and truth is beauty" ৰোমাণ্টিক কবিৰ এইষাৰ মহান বাণীৰ শান্তিজলৰ চিটিকনি পৰিছিল হুৰবাৰ কবিতাত।

'শূন্য পৰিচয়' হুৰবাৰ কাব্য সাধনাৰ এটি উৎকৃষ্ট ৰোমাণ্টিক কবিতা। পাৰ্থিৱ প্ৰেমত

ব্যৰ্থ কবিৰ হিয়াখনি জেতুকা পাতৰ সেউজীয়া বননিৰ বৰণেৰে ঢকা ; বুকুৰ বঙা-তেজেৰে জ্বলি থকা ছবি তেওঁৰ অন্তৰত অকা আছে। এয়া হ'ল ৰোমাণ্টিক কবিৰ ব্যৰ্থ প্ৰেমৰ হৃদয়াবেগ। ব্যৰ্থ-প্ৰেমিক কবি দুৰৱাই সেয়েহে প্ৰেয়সীৰ ভালপোৱা আশা কৰা নাই, কামনা কৰা নাই আৰু বিশ্বাসো নকৰে। কবিয়ে লিখিছে—


তুমি মোক ভাল পোৱা শুনিলেও হাঁহি উঠে
হব পাৰে ইয়ো এটি সপোনৰ ৰেখা,
সপোনৰ শেষ হলে মোহ জাল আতৰিলে
দুনাই এনুৱাভাৱে দিবা জানো দেখা ?

কবিয়ে জীৱনৰ সকলো অনাদৰ অৱহেলা গোটাই লৈ জীৱনৰ কুসুম কানন ৰচিব খুজিছিল। পাহৰণি নৈ পাৰত সজাঁ পজাটিত স্নিগ্ধ জোনাকী আকাশৰ তল বীণৰ সুৰৰ তালে তালে জীৱনৰ গীত গাব ; সেয়াই আছিল কবিৰ হেপাঁহ।

ৰোমাণ্টিক কবিতাৰ কল্পনা প্ৰৱনতা, সৌন্দৰ্যৰ আৰাধনা আৰু বাস্তৱ বিমুখীতাও আমি দুৰৱাৰ 'শূন্য পৰিচয়'ত বিচাৰি পাওঁ। এক কথাত কবলৈ হলে কবিতাটিৰ প্ৰকাশ ভংগিৰ আঁহে আঁহে কিছুমান উপমা, প্ৰতীক, ভাৱাবেগ, মানসচিত্ৰ আদিৰ সুন্দৰ নিদৰ্শন ফুটি ওলাইছে। 'শূন্য পৰিচয়' কবিতাত দুৰৱাৰ জীৱনৰ নৈৰাশ্যই তেওঁৰ আত্মা-বিলোপৰ ভাৱৰ ইংগিত দিয়া যেন লাগে। কবিতাটিৰ প্ৰকাশ ভংগিত কবি-হৃদয়ত জাগি উঠা নৈৰাশ্যবাদী ভাৱটো আমি দেখিবলৈ পাওঁ। সেই বুলিয়েই দুৰৱাক আমি পলায়নবাদী ( escapist নাইবা দুৰ্ঘোৰ নৈৰাশ্যবাদী (pessimist) বুলিও কব নোৱাৰোঁ। নিৰাশাৰ কলীয়া ডাৱৰৰ মাজতো তেওঁ আশাৰ ৰেঙনি দেখে, আন্ধাৰতো পোহৰৰ সন্ধান পায়, বিচ্ছেদতো মিলনৰ সুৰ শুনে। জীৱন নদীত নাওঁ বাই থাকোতে যুগৰ আহ্বান, সংসাৰৰ কৰ্তব্যৰ চিন্তা-ভাৱনাই তেওঁক আকুল নকৰাকৈ থকা নাই। তেওঁ যেন সুদূৰ ভৱিষ্যতৰ প্ৰতিও একেবাৰে আশাহীন হোৱা নাই।

অসমক সকলো প্ৰকাৰে অসমীয়া বা অতুলনীয় কৰি ৰাখিবলৈ চেষ্টা কৰা প্ৰত্যেক অসমীয়াৰ কৰ্তব্য। সকলো অসমীয়াই মুঠ বান্ধি একতা সূত্ৰত আৱদ্ধ হৈ সমৱেত চেষ্টা কৰিলেহে আমাৰ উন্নতি হ'ব। জাতীয় উন্নতিৰ নিমিত্তে লাগে ঐক্য, গভীৰ স্বদেশানুৰাগ আৰু স্বজাতিপ্ৰেম। লাগে অদম্য উদ্যম, একাগ্ৰতা, সেৱাপৰায়ণতা আৰু স্বাৰ্থত্যাগ। লাগে জাতিৰ বিশিষ্টতাৰ সন্ধান আৰু সেই বিশিষ্টতাক ফুটাই তুলিবলৈ একান্ত চেষ্টা।

আনন্দচন্দ্ৰ আগৰৱালা
১৯৩৪, মঙলদৈ।



# আনবিক বোমা

এম্ চালেহ উদ্দিন আহমেদ
বি. এচ্. চি (দ্বিতীয় বাৰ্ষিক)

আজিৰ পৃথিৱীত এনে মানুহ খুব কমেই পোৱা যায় যিয়ে আনবিক বোমাৰ বিষয়ে একোৱেই শুনা নাই। যোৱা মহাযুদ্ধত আমেৰিকাই আনবিক বোমা প্ৰয়োগ কৰি জাপানত যি ধ্বংসলীলাৰ সৃষ্টি কৰিলে তাক জানো কেতিয়াবা পাহৰিব পৰা যাব? এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে আনবিক বোমাই কেৱল আধুনিক বিজ্ঞানৰ প্ৰগতিৰ চূড়ান্ত নিদৰ্শন নহয়; অৰ্থাৎ ইয়াৰ পাছতো বিজ্ঞানে অধিক উন্নত বস্তু আবিস্কাৰ কৰিছে। তথাপি দেখা যায় আজি ইয়াৰ ভয়াবহতা পৃথিৱীৰ সমগ্ৰ মানুহৰ মনত সজীৱ হৈ আছে। গতিকে 'হৈ যোৱা ঘটনা' বুলিয়েই ইয়াৰ তাৎপৰ্যক অস্বীকাৰ কৰিব পৰা নাযায়। এই তাৎপৰ্যপূৰ্ণ বস্তুটোনো কিদৰে আবিস্কাৰ হ'ল তাক জনাৰ কৌতুহল নিশ্চয় সকলোৰে আছে।


আনবিক বোমাৰ জন্মনো কিদৰে হ'ল এই কথাৰ আলোচনা কৰাৰ আগতে আমি ঘূৰি যাব লাগিব ১৯৩৪ চনৰ জাৰ্মানিৰ বাৰ্লিন চহৰলৈ। জাৰ্মানিত তেতিয়া নাৎসীবাদৰ পিতৃপুৰুষ এডলফ হিটলাৰৰ অভ্যুদয় ঘটিছেহে মাথোন। সেই সময়তে বাৰ্লিন চহৰস্থ হিটলাৰৰ কাৰ্য্যালয়ৰ পৰা নাতিদূৰৈত অৱস্থিত এটি গৱেষণাগাৰত মিঃ অট'হান আৰু মিছেছ লিজ মেইটনাৰ নামৰ দুগৰাকী বিজ্ঞানী আৰু তেওঁলোকৰ সহযোগী সকল ব্যস্ত আছিল পৰমাণুৰ ওপৰত চলোৱা এটা কঠিন পৰীক্ষাত। সেই একে বছৰতে ইটালীৰ বিজ্ঞানী এন্ৰিক' ফাৰ্মিয়ে বিশ্ববিখ্যাত নিউক্লীয় বিভাজন বিক্ৰিয়া (**Nuclear Fission Reaction**) আবিষ্কাৰ কৰে। ফাৰ্মিয়ে নিউট্ৰন কণাৰে ইউৰেনিয়াম (**Uranium** ই এবিধ গধুৰ ধাতু) পৰমাণুৰ নিউক্লিয়াছত আঘাত দি নিউক্লিয়াছক ভাঙি খণ্ড-বিখণ্ড কৰে। ইউৰেনিয়ামৰ লগত নিউট্ৰনৰ বিক্ৰিয়াৰ ফলত নতুন মৌলৰ উদ্ভৱ হ'ব পাৰে।

যি কি নহওঁক, বিজ্ঞানী ফার্মিব সূত্রকে অৱলম্বন কবি অট'হান আৰু তেওঁৰ সহযোগী সকলে ইউবেনিয়াম ধাতুৰ ওপৰত পৰীক্ষা চলালে। নিউক্লীয় বিভাজনৰ ফলত ক্রুপ্তন গেছ আৰু বেৰিয়াম ধাতু উৎপন্ন হয়। লগতে প্রক্রিয়াতে প্রচণ্ড শক্তিবো উদ্ভৱ হ'ল। গৱেষণা কার্য্যৰ মুখ্য বিজ্ঞানী মিঃ অট'হানে কিন্তু এই শক্তিৰ ওপৰত একেবাৰে গুৰুত্ব দিয়া নাছিল। কিন্তু আনগৰাকী বিজ্ঞানী মিছেছ মেইটনাৰ এই শক্তিৰ প্রতি বিশেষভাৱে আকর্ষিত হ'ল। তেওঁ বুজি উঠিল যে এই প্রক্রিয়াটোৰ ফলত উৎপন্ন হোৱা প্রচণ্ড শক্তিয়ে বিশ্ববাসীক চমকিত কবি তুলিব। মেইট্‌নাৰ আছিল ইহুদী মহিলা আৰু সেয়ে তেওঁ নিজে জনা কোনো কথাকে হিটলাৰৰ ত্রাসত প্রকাশ কবিব নুখুজিলে। তথাপিও কথাখিনি প্রকাশ কবিবৰ কাৰণে ব্যাকুল হৈ পৰা মেইট্‌নাৰে অৱশেষত জার্মানিৰ পৰা পলাই গৈ ইংলণ্ড পালে। তাত তেওঁ বিশ্ববিশ্রুত পদার্থবিদ নীলছবোৰৰ সহযোগী ফ্রিটজক লগ ধৰি তেওঁবিলাকে ইতিমধ্যে কৰা পৰীক্ষা আৰু ফলাফল সম্পর্কে অৱগত কৰালে। তেতিয়া ফ্রিটজেও অলপো পলম নকবি সেইসময়ত আমেৰিকাত ভ্রমণৰত নীলছ্‌বোৰলৈ সকলো কথা চিঠি যোগে লিখিলে। বিজ্ঞানী ফার্মিব কথা আগতে উল্লেখ কবিছোঁ। বোৰে ফ্রিটজৰ চিঠি পায়েই ফার্মিব লগত আলোচনা কবিলে। লগে লগে এই পাৰমাণৱিক বিভাজন বা শৃঙ্খল বিক্রিয়াৰ ওপৰত ফার্মিয়ে পুনৰ পৰীক্ষা চলাই কথাখিনিৰ সত্যতা স্বীকাৰ কবিলে। জার্মানিৰ মিত্রদেশ ইটালীৰ পৰা হিট্‌লাৰৰ নাৎসীগোষ্ঠীৰ অত্যাচাৰৰ হাত সাৰিবলৈকে বিজ্ঞানী ফার্মি পলাই গৈছিল আমেৰিকালৈ। এইজনা খ্যাতিমন্ত বিজ্ঞানীৰ অৱদানৰ বাবেই আমেৰিকাই পৰমাণু বোমা তৈয়াৰ কৰাত সমর্থ হ'ল বুলি কব পাবি। সেই কথা পিছলৈ থাকক।

এটা সূক্ষ্মাতিসূক্ষ্ম পৰমাণুৰ নিউক্লিয়াছৰ ওপৰতনো এনে কি যাতু প্রয়োগ কৰা হয় যাৰ ফলত উদ্ভুত হোৱা শক্তিয়ে সমগ্র বিশ্বকে চমকাই তুলিব পাৰে! এই যাতুৰ অন্তৰালত আছে বিজ্ঞানেই। কথাখিনি পৰিস্কাৰ হবলৈ আমি মহাবিজ্ঞানী আইনষ্টাইনৰ শক্তি বিষয়ক বিখ্যাত সূত্র $E = mc^2$ ক মনত পেলাব লাগিব। এই সূত্রত (সমীকৰণ) E হৈছে আৰ্গ (Erg) এককত শক্তিৰ পৰিমাণ; m হৈছে গ্রামৰ এককত পদার্থৰ ভৰ (mass) আৰু c হৈছে ছেন্টিমিটাৰ (centemeter) এককত পোহৰৰ বেগ (পোহৰৰ বেগ ৩ × ১০¹⁰ ছে মি./ছেকেণ্ড)। এই সমীকৰণটোৱে দেখুৱাই দিলে যে, পদার্থৰ ভৰ আৰু শক্তিৰ মাজত যথার্থ সাদৃশ্য আছে। যদিহে ক্ষুদ্রভৰৰ পদার্থ এটাকো 'ধ্বংস' বা 'ৰূপান্তৰিত' কবিব পৰা যায়, তেন্তে প্রভূত শক্তি পোৱা যাব।

ইতিমধ্যে ফার্মিয়ে তেওঁৰ পাৰমানৱিক বিভাজন বিক্রিয়াৰ ওপৰত গৱেষনা পুনৰাৰম্ভ কবিছে। এই বিক্রিয়ানো কি? নিউট্রন কণা শোষন কবি ইউবেনিয়ামৰ দৰে গধুৰ ধাতুৰ নিউক্লিয়াছটো ভাঙি প্রায় দুটা সমান সমান অংশত পৰিণত হয়। বিভাজন শক্তি বেছি হোৱা হেতু এই অংশ দুটা দুফালে চিটিকি পৰে।

লগে লগে দুটা বা তিনিটা নিউট্ৰন কণা আৰু তেজস্ক্ৰিয় ৰশ্মি কিছুমানৰ জন্ম হয়। নতুনকৈ জন্ম হোৱা নিউট্ৰনবোৰে ওচৰত থকা আন কিছুমান পৰমাণুৰ নিউক্লিয়াছৰ দ্বাৰা শোষিত হ'লে পুনৰ একে ধৰণৰ ঘটনা ঘটি অধিক পৰমাণুৰ বিভাজন ঘটিবলৈ ধৰে। এটাৰ পাছত আনটো পৰমাণু ভাঙিযোৱা অৱস্থাটো এডাল শিকলিৰ দৰে হোৱা বাবে ইয়াক শৃংখল (শিকলি) বিক্ৰিয়া (chain reaction) বোলে। পৰমাণুৰ বিভাজনৰ ফলত প্ৰচণ্ড শক্তিৰ উদ্ভৱ




হয়। যদি এই বিক্ৰিয়াৰ দ্বাৰা অতি কম সময়ৰ ভিতৰতে অসংখ্য পৰমাণুৰ বিভাজন ঘটাব পৰা যায়, তেন্তে প্ৰভূত শক্তি উদ্ভূত হৈ বিস্ফোৰণ হ'ব। এই বিস্ফোৰণৰ ফলত প্ৰচুৰ তাপশক্তি পোহৰ আৰু তেজস্ক্ৰিয় ৰশ্মিৰ বিকিৰণ হ'ব। সেই সময়ত ট্ৰাইনাইট্ৰ'টলুইন (trinitro-toluine) নামৰ এক বিস্ফোৰক পদাৰ্থ ব্যৱহৃত হৈছিল। পৰীক্ষা কৰি দেখা গ'ল যে মাত্ৰ 0·5 গ্ৰাম বিশুদ্ধ ইউৰেনিয়ামৰ ওপৰত শৃঙ্খল বিক্ৰিয়া প্ৰয়োগ কৰিলে উৎপন্ন হোৱা শক্তি কেবা হাজাৰ টন ট্ৰাইনাইট্ৰ'টলুইনৰ শক্তিৰ সমতুল্য! "নিচেই কম পদাৰ্থ ব্যয় কৰি পাব পৰা এই প্ৰচণ্ড শক্তিকণো কিদৰে নিয়ন্ত্ৰণ কৰি কামত ব্যৱহাৰ কৰা যায়?"—এই প্ৰশ্নই ফাৰ্মি প্ৰমুখ্যে অসংখ্য বৈজ্ঞানীক ব্যতিব্যস্ত কৰি তুলিলে।

প্ৰাকৃতিক ইউৰেনিয়াম (ৰাসায়নিক চিহ্ন-U) তিনিটা ভাগত (আইছ'ট'পত) বিভক্ত। প্ৰথমতে $U_{238}$ৰ পৰিমাণ মূল ধাতুভাগৰ ৯৯°৩%; $U_{235}$ৰ পৰিমাণ ০°৫%; আৰু $U_{234}$ৰ পৰিমাণ ০°০০৬%। উল্লেখযোগ্য যে সাধাৰণ শৃংখল বিক্ৰিয়াত কেৱল মাথো $U_{235}$ অংশই-হে ভাগ লয়। কিন্তু ই দুষ্প্ৰাপ্য—মুঠ ইউৰেনিয়ামৰ ১/১৪০ অংশহে মাত্ৰ। গতিকে প্ৰথম অৱস্থাত এই দুষ্প্ৰাপ্য পদাৰ্থ ব্যৱহাৰ কৰি শক্তি আহৰণ কৰাটো বৈজ্ঞানীসকলৰ সপোনৰো অগোচৰ হৈ থাকিল।

হয়তো এই সপোন দিঠকত পৰিণত হ'বলৈ বহুদিন লাগিলহেঁতেন, যদিহে ২য় বিশ্ব-যুদ্ধ সংঘটিত নহ'লহেঁতেন। জাৰ্মানিৰ শাসক

হিট্‌লাৰৰ উদ্দেশ্য আছিল অতি সোনকালে সমগ্র বিশ্বক নিজৰ অধীন কৰা। সেয়ে তেওঁ যুদ্ধত সৰ্বাধুনিক আৰু সৰ্বোত্তম অস্ত্রসমূহ প্রয়োগ কৰি বিপক্ষক ব্যতিব্যস্ত কৰি তুলিবলৈ চেষ্টা চলাইছিল। তেওঁ পাৰমাণবিক শক্তিক কামত লগাই এবিধ অস্ত্র তৈয়াৰ কৰাৰ কথা চিন্তা কৰিছিল। কিন্তু হিট্‌লাৰে যি সপোন দেখিছিল, তাক দিঠকত পৰিণত কৰাত সফলকাম হ'লগৈ তেওঁৰেই শত্রুদেশ আমেৰিকা যুক্তৰাষ্ট্রইহে।

লিজ মেইটনাৰৰ সহযোগীতাত পাৰমাণবিক বিভাজন বিক্রিয়া চলাই তাত উদ্ভূত হোৱা প্রচণ্ড শক্তিৰ বিষয়ে বিশ্বক প্রথম ইংগিত দিয়া বিজ্ঞানী মিঃ অট'হান তেতিয়াও একে ঠাইতে আৰু একে পৰীক্ষাতে ব্যস্ত আছিল। এইবাৰ তেওঁৰ প্রধান সহযোগী আছিল ষ্টাৰ্চ আৰু গেইগাৰ নামৰ দুজন বিজ্ঞানী। ২য় মহাযুদ্ধৰ শেহৰ পিনে হিট্‌লাৰে এওঁলোকক $U_{235}$ সৰহকৈ আহৰণ কৰি তাৰ পৰা উদ্ভূত হোৱা শক্তিৰ বিষয়ে পৰীক্ষা চলাই এবিধ মৰণাস্ত্র তৈয়াৰ কৰিবলৈ নির্দেশ দিলে। ইপিনে হিটলাৰৰ কোপদৃষ্টিত পৰা যিসকল ইহুদী বিজ্ঞানী জাৰ্মানি আৰু ইটালীৰ পৰা আমেৰিকালৈ পলাই গৈছিল তেওঁলোকে এই কথা জানিব পাৰি তৎক্ষণাৎ আইনষ্টাইনৰ কাষ চাপিলগৈ। উল্লেখযোগ্য যে জন্মসূত্রে আইনষ্টাইনো আছিল ইহুদী আৰু একেটা কাৰণতে তেওঁ আমেৰিকালৈ গুছি গৈছিল। এই বিজ্ঞানীসকলে বহু আলোচনাৰ পাছত আইনষ্টাইনৰ স্বাক্ষৰ থকা এখন স্মাৰকপত্র আমেৰিকাৰ ৰাষ্ট্রপতিলৈ প্রেৰণ কৰে। ইয়াত হিট্‌লাৰৰ উদ্দেশ্য আছিল আৰু তাৰ পৰা হ'ব পৰা পৰিণামৰ বিষয়ে বিশদ্ বিবৰণ আছিল। আনহাতে হিট্‌লাৰে চেকোশ্লোভাকিয়াৰ ইউৰেনিয়াম খনি অধিকাৰ কৰি আফ্রিকাৰ বেলজিয়াম কংগো কৰায়ত্ত কৰিবলৈ একে উদ্দেশ্য লৈ আগবাঢ়িল। লগে লগে তেওঁ এইবুলি ভাবুকি দিবলৈ ধৰিলে যে তেওঁ অচিৰেই যুদ্ধত এক ভয়ানক মৰণাস্ত্র প্রয়োগ কৰিব। এই ভাবুকিয়ে জাৰ্মানিৰ শত্রুদেশ আমেৰিকাক ত্রস্তমান কৰি তুলিলে। শেষত জাপানে পাৰ্ল হাৰ্বাৰ আক্রমণ কৰাৰ লগে লগেই আমেৰিকাই পৰমাণু বোমা তৈয়াৰ কৰাৰ সিদ্ধান্ত ল'লে।

ৰাষ্ট্রপতি ফ্রেংকলিন, ৰুজভেল্টৰ অনুমোদন ক্রমে বিজ্ঞানী এনৰিক' ফাৰ্মিয়ে শৃংখল বিক্রিয়াত উদ্ভূত হোৱা শক্তিক নিয়ন্ত্রণ কৰাৰ পৰীক্ষা চলাই গ'ল। চিকাগো বিশ্ববিদ্যালয়ত এটা গ্রাফাইটযুক্ত নিউক্লীয় বিএক্‌টৰ ( **Nuclear Reactor** ) গঢ়ি তোলা হ'ল। ১৯৪২ চনৰ ডিচেম্বৰ মাহত ফাৰ্মি আৰু সহযোগী বিজ্ঞানীসকলে এই প্রচণ্ড শক্তিক নিয়ন্ত্রণ কৰাত সফল কাম হ'ল। এই ঘটনাই পৰমাণু বোমা তৈয়াৰৰ প্রস্তুতি পৰ্ব দ্রুততৰ কৰি তুলিলে।

ফাৰ্মিয়ে এই ঐতিহাসিক পৰীক্ষাত নিউক্লীয় বিএক্‌টৰৰ অন্তৰ্ভাগত গ্রাফাইটৰ এটা আৱৰণ ৰাখিছিল। গ্রাফাইট হ্রাসক (**Moderator**) হিচাবে ব্যৱহৃত হয়। ই প্রচণ্ড গতিবেগযুক্ত নিউট্রন কণাবোৰৰ গতিবেগ একেবাৰে কমাই পেলায়। লগতে কেডমিয়াম ধাতুৰে নির্মিত


এডাল নিয়ন্ত্ৰক দণ্ডৰ দ্বাৰা গতিবেগ হ্ৰাসপোৱা নিউট্ৰনবোৰৰ কিছু অংশ শুহি পেলোৱা হয়। অৰ্থাৎ দুটা কামৰ জৰিয়তে বিএকটৰৰ ভিতৰত শৃংখল বিক্ৰিয়া নিয়ন্ত্ৰণ কৰা হয়—(ক) নিউট্ৰনৰ গতিবেগ কমোৱা, (খ) নিউট্ৰনৰ সংখ্যা নিয়ন্ত্ৰণ কৰা।

ইউৰেনিয়ামৰ কৃত্ৰিম মৌলান্তৰণৰ দ্বাৰা প্লুটনিয়াম ধাতু উৎপাদন কৰিব পাৰি। এতিয়া পৰমাণু বোমা তৈয়াৰৰ কামত প্লুটনিয়ামক ব্যৱহাৰ কৰাৰ সম্ভাৱনা সম্পৰ্কে পুংখানুপুংখকৈ গৱেষণা চলোৱা হ'ল। দেখা গ'ল যে ইয়াৰ নিউক্লিয়াছতো ধীৰগতিৰ নিউট্ৰন কণাৰে আঘাত কৰিলে শৃংখল বিক্ৰিয়া সংঘটিত হয়। পৰীক্ষা চলোৱা বিজ্ঞানী সকলৰ ফালৰ পৰা এই ইংগিতো দিয়া হ'ল যে অকল প্লুটনিয়াম অথবা ইয়াক ইউৰেনিয়ামৰ লগত মিহলাই পৰমাণু বোমা তৈয়াৰ কাৰ্য্যত ব্যৱহাৰ কৰা যাব পাৰে। এই ধাৰণাৰ ভিত্তিত বহুত পৰীক্ষাৰ অন্তত আমেৰিকাৰ বিজ্ঞানীসকলে পৰমাণু বোমা তৈয়াৰ কৰে। ১৯৪৫ চনৰ ১৬ জুলাইত মেক্সি-ক'ৰ মৰুভূমি অঞ্চলত পৃথিৱীৰ প্ৰথমটো পৰমাণু বোমা পৰীক্ষামূলক ভাৱে ফুটোৱা হয়। একেটা বছৰৰে ৬ আগষ্টত এই পৰমাণু বোমা নিক্ষেপ কৰি জাপানৰ হিৰোচিমা আৰু নাগাচাকি নামৰ দুখন চহৰ সম্পূৰ্ণৰূপে ধ্বংস কৰা হ'ল। এই ঘটনাৰ ফলত প্ৰায় ৭৮,০০০ মানুহ মৃত আৰু প্ৰায় ৫৯,০০০ মানুহ আঘাত প্ৰাপ্ত হয় ইয়াত নিৰ্গত হোৱা তেজস্ক্ৰিয় ৰশ্মিয়ে পাৰিপাৰ্শ্বিকতা দূষিত কৰাৰ লগতে বংশানুক্ৰমে স্থানীয়লোকৰ শৰীৰক অপকাৰ সধাৰো প্ৰমাণ পোৱা গৈছে।

পৰমাণু বোমাৰ নিক্ষেপণে আমাক সোঁৱৰাই থৈ গ'ল যে—বিজ্ঞানৰ ভুল প্ৰয়োগে অতি মাৰাত্মক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। ধ্বংসলীলা সৃষ্টি কৰা পৰমাণু বোমাৰ আধাৰ হৈছে পাৰমাণৱিক শক্তি। যিটোক আমি আমাৰ উপকাৰৰ অৰ্থে বিভিন্ন দিশত কাৰ্য্যকৰী প্ৰয়োগ কৰিব পাৰো। আমাৰ দেশে এই দিশত লোৱা কাৰ্য্যপন্থা উল্লেখযোগ্য। কিন্তু বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ শাসকগোষ্ঠীয়ে ইয়াৰ ধ্বংসাত্মক দিশটোহে গ্ৰহণ কৰিছে। পাৰমাণ-ৱিক শক্তিৰ কথা চিন্তা কৰোতে আমি এই কথাৰ ওপৰত প্ৰাধান্য দিব লাগিব যাতে বিজ্ঞানৰ তথ্য আৰু আবিষ্কাৰ সমূহক মানৱ-জাতিৰ অকল্যাণৰ বাবে কেতিয়াও প্ৰয়োগ কৰা নহয়। এনে কৰিলেহে "বিজ্ঞান মানৱৰ বাবে আশীৰ্বাদ"—এই কথাৰ সাৰ্থকতা প্ৰতি-পন্ন হ'ব।

যি জাতিয়ে যুদ্ধক্ষেত্ৰত নিজৰ প্ৰয়োগ কৰিবলগীয়া অস্ত্ৰ দেশৰ যুৱক শক্তিৰ বিৰুদ্ধে প্ৰয়োগ কৰিবলৈ বাধ্য হয় সেই জাতি অৰাজকতাৰ প্ৰান্তসীমাত উপনীত হোৱা বুলি কব পাৰি।

—জেৰি ফৰ্বাৰ।



# "অসমীয়া সাহিত্যত ৰমন্যাসবাদ"

শ্ৰীকনক চহৰীয়া
স্নাতক মহলা।

সাহিত্যত ৰমন্যাসবাদৰ সংযোজন এক নতুন আন্দোলন। সেয়ে অসমীয়া সাহিত্যত ৰমন্যাসবাদৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰাৰ আগতে "ৰমন্যাসবাদৰ" বিষয় বিচাৰ কৰাটো নিশ্চয় যুক্তি যুক্ত হ'ব।

ৰমন্যাসবাদ বা ৰোমাণ্টিচিজিমৰ জন্ম হয় পাশ্চাত্য সাহিত্যত। ইউৰোপ বা ইংলণ্ডত পোনতে অষ্টাদশ শতিকাৰ শেষ আৰু উনবিংশৰ প্ৰাকমুহূৰ্ত্তত যি নৱজাগৰণৰ সৃষ্টি হৈছিল তাৰ ফলত সামাজিক, অৰ্থনৈতিক আদি দিশত সংস্কাৰ সাধন হোৱাৰ লগতে সাহিত্য, সংস্কৃতিৰ জগতখনটো এক' নতুনৰ সংযোজন ঘটে। সাহিত্যত সংযোজিত হোৱা এই নতুন ৰূপটোৱেই হ'ল ৰোমাণ্টিক সাহিত্য বা সাহিত্যৰ ৰমন্যাসবাদ।

এই' ৰমন্যাসবাদৰ সংজ্ঞা নানা পণ্ডিতে নানা ভাৱে আগবঢ়াইছে। অৱশ্যে আটাইবে এটা উমৈহতীয়া লক্ষ্য বিদ্যমান। ৰোমাণ্টিচিজিম সম্বন্ধে ৱাট চ ডাণ্টনে কৈছে—"ই বিস্ময় ভাৱৰ লগত নৱচেতনা," ৱাল্টাৰ 'পেট্ৰাৰে কৈছে—"ই সুন্দৰৰ লগত অদ্ভুতৰ সংযোগ, ডিক্তৰ হিউগে কৈছে "সাহিত্যত উদাৰ প্ৰানতা", হাইনৰিখ হাইণে কৈছে— "অতীতৰ প্ৰতি শ্ৰদ্ধা", আৰু কোনোৱে কৈছে—"কল্পনা প্ৰৱণতাৰ অসমান্য বিকাশ"। আকৌ ইংৰাজী সাহিত্যৰ অন্যতম বুৰঞ্জী লেখক কম্মৈ বিকেটে ৰোমাণ্টিচিজিমৰ তিনিটা প্ৰধান লক্ষনৰ কথা উল্লেখ কৰিছে, (১) ৰহস্য ঘন ভাবানুভূতি (২) বৌদ্ধিক উৎসুক্যৰ অতিশয্য (৩) জীৱনৰ সহজাত সৰলতাৰ প্ৰতি প্ৰৱনতা।

মুঠতে কবলৈ গলে ব্যক্তি সত্বাৰ প্ৰাধান্য, প্ৰকৃতি প্ৰীতি, সাধাৰণ প্ৰাণীৰ প্ৰতিও উদাৰ মনোভাৱ অতীতৰ প্ৰতি শ্ৰদ্ধা, আত্মমুক্তিৰ প্ৰচেষ্টা, প্ৰেম আৰু সৌন্দৰ্য্যৰ পূজা অতীন্দ্ৰিয়বাদ আদিয়েই ৰোমা-ণ্টিক সাহিত্যৰ প্ৰধান লক্ষণ।

পশ্চিমীয়া এই ৰমন্যাসবাদ অষ্টাদশ শতিকাত যদিও উদ্ভৱ হৈছিল তথাপি অসমীয়া সাহিত্য তেতিয়াও ই বহু আতৰতে আছিল। উনবিংশ শতিকাৰ নৱম দশকত ইংৰাজী আৰু বঙালী সাহিত্যৰ যোগেদি এই ৰমন্যাসবাদ অসমীয়া সাহিত্যত সোমাই পৰে । উনবিংশ শতিকাৰ নৱম দশকত কলিকতাত পঢ়িবলৈ যোৱা প্ৰবাসী অসমীয়া ছাত্ৰ সকলে শিক্ষা গ্ৰহণ কৰাৰ লগতে বঙলা সাহিত্যত ঘনিষ্ঠ ভাৱে অধ্যয়ন কৰিবলৈ লয়। সেই সময়ত বঙ্গ দেশতো নৱজাগৰণৰ নৱ সূত্ৰপাত। পুৰণি সমাজ ব্যৱস্থাক সংস্কাৰ কৰিবলৈ উঠিপৰি লাগিছিল ৰাজা ৰামমোহন ৰায়, দেবেন্দ্ৰ নাথ ঠাকুৰ, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ সাহিত্যত সুন্দৰৰ সংযোজন ঘটাইছিল—মধুসূদন দত্ত, বিহাৰীলাল, নবীন সেন, ৰবীন্দ্ৰ নাথ ঠাকুৰ আদি সাহিত্য-সেৱী সকলে। বঙ্গীয় এই লোক সকলৰ সংস্কাৰকামী প্ৰচেষ্টাত অনুপ্ৰানিত হৈ প্ৰবাসী অসমীয়া ছাত্ৰ সত্যনাথ বড়া, লম্বোদৰ বড়া, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা আদিয়েও বঙালী সমাজ সাহিত্যৰ সৈতে নিবিড় সম্পৰ্ক গঢ়ি তুলি অসমীয়া সাহিত্যটো ৰোমাণ্টিক ৰচনাৰ সংযোজন ঘটাই। ১৮৮৯ চনত কলিকতাৰ পৰা "অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ" সৌজন্যত প্ৰকাশ কৰা "জোনাকী" কাকতৰ জৰিয়তে ৰোমাণ্টিক ৰচনা সমূহ প্ৰকাশ কৰে।

কলিকতাত পঢ়িবলৈ গৈ "জোনাকী" কাকতৰ জৰিয়তে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক ভাৱৰ ঢল বোঁৱাই অনা এই কেইজন প্ৰবাসী অসমীয়া ছাত্ৰই অসমীয়া সাহিত্যৰ আটাইকেইটা দিশলৈয়ে ৰৰঙণি আগবঢ়াই। অসমীয়া সাহিত্যৰ কৱিতা, চুটি গল্প, নাটক, উপন্যাস, প্ৰৱন্ধ সমালোচনা আদি অন্যান্য ৰচনা সম্ভাৰ এই আটাইবোৰতে ৰোমাণ্টিক লক্ষণ বিদ্যমান।

জোনাকী কাকতৰ আগতেও "অৰুনোদয়ৰ" পাতত যদিও কৱিতা চুটি সাধু আদি প্ৰকাশ হৈছিল তথাপি এইবোৰ এক বিশেষ ধৰ্মীয় ৰচনাহে আছিল। কৱিতাৰ যি কাব্যিক ৰস, সেইটো তাত পাঠকে আস্বাদন কৰিব পৰা নাছিল। জোনাকী কাকতত প্ৰকাশ পোৱা কৱিতা নাটক আদি ৰচনা খিনিতে প্ৰথম ৰোমাণ্টিক প্ৰভাৱ পৰা দেখা যায়। সাহিত্যৰ কেউটা শাখাতকৈ বিশেষকৈ কৱিতাখিনিৰ মাজত ৰমন্যাসবাদৰ প্ৰভাৱ বেছি স্পষ্ট হৈ পৰিছে।

ৰমন্যাসবাদৰ ফলতে অসমীয়া কৱিতাটো ছনেট, প্ৰকৃতি বিষয়ক, প্ৰেমমূলক, ব্যঙ্গকৱিতা কথা কৱিতা আদিয়ে জন্ম লাভ কৰে। জোনাকী কাকতত প্ৰকাশ পোৱা চন্দ্ৰ কুমাৰ আগৰৱালাৰ "বনকুঁৱৰী" নামৰ কৱিতাটোৱেই প্ৰথম ৰোমাণ্টিক কৱিতা। হেমচন্দ্ৰ গোস্বামীৰ "প্ৰিয়তমাৰ চিঠি" নামৰ কৱিতাটোৱেই আছিল প্ৰথম অসমীয়া ছনেট। ৰোমাণ্টিক সাহিত্যৰ লক্ষণ অনুসৰি অতীতৰ প্ৰতি শ্ৰদ্ধা, জয়গান, জাতীয় ঐক্যৰ বাবে উদাও আহ্বান লক্ষ্মীনাথ বেজবৰুৱাৰ কৱিতাত আৰম্ভ হৈ ক্ৰমে বিনন্দ বৰুৱা, ডিম্বেশ্বৰ নেওগ, প্ৰসন্ন লাল চৌধুৰী, অতুল হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰৱালা

আদিৰ লেখনিলৈ বৈ থাকে। ৰঘুনাথ চৌধাৰী, নিলমণি ফুকন, ৰত্নকান্ত ববকাকতি আদিৰ কবিতাত প্ৰকৃতি প্ৰীতিৰ পৰিচয় স্বতঃস্ফুত ভাৱে ফুটি উঠিছে। সেইদৰে নলিনী বালা দেৱী, অম্বিকাগিৰী ৰায়চৌধুৰী, ধৰ্মেশ্বৰী দেৱী বৰুৱানী আদিৰ কবিতাত অতীন্দ্ৰিয় বাদ, যতীন্দ্ৰ নাথ দুৱৰা, গণেশ গগৈ, দেৱকান্ত বৰুৱা আদিৰ কবিতাত প্ৰেমিকাৰ প্ৰতি থকা গভীৰ আসক্তিৰ পৰিচয় পোৱা যায়।

কবিতাৰ লগে লগে প্ৰাচীন ধৰ্ম্ম মূলক নাটকৰ সংস্কাৰ সাধন হৈ পাশ্চত্যৰ প্ৰভাৱত ৰোমাণ্টিক ধৰ্মী নাটকৰো সৃষ্টি হয়। প্ৰাচীন সংস্কৃত নাটক, অসমীয়া অঙ্কীয়া নাটক আদি আছিল সংঘাটবিহীন নাটক। ৰোমাণ্টিক প্ৰভাৱৰ ফলতে সংঘাটবিহীন প্ৰাচীন নাটকৰ বিলোপ্তি ঘটি আধুনিক সংঘাট প্ৰধান নাটকৰ সৃষ্টি হয়। নাটকীয় ঘটনাৰ পৰিণতিলৈ লক্ষ্য ৰাখি নাটকৰ ট্ৰেজেদি, কমেডি, মেলোড্ৰামা, ফাৰ্চ আদি শ্ৰেণীত বিভক্ত হোৱাটো পশ্চিমীয়া ৰোমাণ্টিক প্ৰভাৱৰে ফল। নাটকীয় কাহিনী বিকাশৰ ক্ষেত্ৰটো পাশ্চাত্য ৰোমাণ্টিক নাটকৰ প্ৰভাৱ বিশেষভাৱে লক্ষণীয়। এক বা একাধিক অঙ্কৰ দ্বাৰা নাটকীয় আখ্যানৰ স্তৰ বিভাগ, অঙ্কৰ ভিতৰত আকৌ একাধিক দৃশ্য বা গৰ্ভাঙ্কৰ স্থাপন, স্বগতোক্তি একোক্তি, আৰু অত্যাধুনিক নাটকৰ চিনেমাৰ অনুকৰণত Flash back কৌশল আদিৰ প্ৰয়োগে প্ৰাচীন নাটকৰ পৰা আধুনিক নাটক পৃথক কৰিছে। বাস্তৱমুখিতা আধুনিক নাটকৰ অন্যতম বৈশিষ্ট্য। সেইদৰে মঞ্চৰ সাজসৰ্জ্জাৰ আধুনিক প্ৰয়োগো ৰোমাণ্টিক সাহিত্যৰে ফল বুলি ক'ব লাগিব। অসমীয়া নাটকত এইবোৰৰ পূৰ্ণ-প্ৰয়োগ দেখা যায়। উনবিংশ শতিকাৰ শেষৰ ফালে লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঁইবৰুৱা বেণুধৰ ৰাজখোৱা, দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, শৈলধৰ ৰাজখোৱা, নবীন চন্দ্ৰ বৰদলৈ, অতুল হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰ-ৱালা আদিৰ ৰচনাত। এওঁলোকৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকতেই পাশ্চাত্যৰ আধুনিক লক্ষণ বেছিকৈ পৰিলক্ষিত হয়। এওঁৰ নাটকত ইবচেনৰ প্ৰভাৱ বিদ্যমান।

অসমীয়া সাহিত্যত ৰোমাণ্টিক সাহিত্যৰ নৱতম সৃষ্টি হ'ল—উপন্যাস আৰু চুটি গল্প। ৰোমাণ্টিক সাহিত্যৰ প্ৰভাৱৰ আগলৈকে ইয়াৰ জন্ম হোৱা নাছিল। প্ৰাচীন সংস্কৃত সাহিত্যত গদ্যত ৰচনা কৰা কাব্যধৰ্মী আখ্যায়িকাৰ লগত বৰ্তমানৰ উপন্যাস সাহিত্যৰ কোনো যোগসূত্ৰ নাই। পদ্মনাথ গোহাঁইবৰুৱাৰ ভানুমতী (১৮৯১) লাহৰী (১৮৯২) লক্ষ্মীনাথ বেজবৰুৱাৰ "পদুম কুঁৱৰী" এই তিনিখন উপন্যাসৰ পৰা আধুনিক অসমীয়া উপন্যাস যুগৰ শুভাৰম্ভণ হয়। অসমীয়া উপ-ন্যাসে প্ৰতিস্থা লাভ কৰি উপন্যাস সম্ৰাট ৰজনী কান্ত বৰদলৈৰ হাতত। ৰোমাণ্টিক প্ৰভাৱ যুক্ত আন আন উপন্যাসিকসকল হ'ল—দণ্ডিনাথ কলিতা, দৈৱচন্দ্ৰ তালুকদাৰ, হৰিনাৰায়ণ দত্ত-বৰুৱা, দীননাথ শৰ্ম্মা আদি।

উপন্যাস সাহিত্যৰ লগতে ৰোমাণ্টিক প্ৰভাৱপুষ্ট আনটি গদ্য শাখা হ'ল চুটি গল্প। ইও ৰোমাণ্টিক প্ৰভাৱতে জন্ম লাভ কৰে। ড° সত্যেন্দ্ৰ নাথ শৰ্ম্মাদেৱে সেয়ে চুটি গল্পক

পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত "অমৃতময় ফল" বুলি কৈছে ।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ হাততে এই শ্ৰেণী সাহিত্যই পোনতে অসমীয়া সাহিত্য জগতত আত্ম প্ৰকাশ কৰে । বেজবৰুৱাৰ পিছত যথাক্ৰমে শৰৎ চন্দ্ৰ গোস্বামী, লক্ষীধৰ শৰ্ম্মা, লক্ষ্মীনাথ ফুকন, হলিৰাম ডেকা, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, ত্ৰৈলোক্য নাথ গোস্বামী, বীণা বৰুৱা আদিৰ লেখনিত অসমীয়া সাহিত্যত এটা বোঁৱতী সুঁতি প্ৰবাহিত হৈ থাকে ।

গল্প, কবিতা, নাটক, উপন্যাস আদিৰ লগে লগে ড° সূৰ্য্যকুমাৰ ভূঞা, ড° বাণীকান্ত কাকতি, বেণুধৰ শৰ্ম্মা, জ্ঞাননাথ বড়া, কৃষ্ণ কান্ত সন্দিকৈ আদিৰ সুন্দৰ সমালোচনামূলক প্ৰবন্ধ জীৱনী আদি অন্যান্য ৰচনাৰ ক্ষেত্ৰটো এক নবীনসত্বা অসমীয়া সাহিত্যত সোমাই পৰে । কবিতা, নাটক আদিৰ দৰে ইও ৰোমাণ্টিক প্ৰভাৱৰে সুফল বুলি ক'ব লাগিব । অসমীয়া সাহিত্যত উনবিংশ শতিকাৰ শেষত ঘটা এই ৰোমাণ্টিক প্ৰভাৱে আমাৰ জাতীয় সাহিত্যক যে বহুদূৰ আগুৱাই- নিলে সি অনস্বীকাৰ্য্য । কিন্তু ইয়াৰ মূলতে যে বঙলা সাহিত্যৰ প্ৰভাৱ চিৰ বিৰাজমান তাকো আমি স্বীকাৰ কৰিবই লাগিব । সেয়ে পণ্ডিত পুৰুষ ড° সত্যেন্দ্ৰ নাথ শৰ্মা দেৱে কৈছে—"আমাৰ দেশত বঙ্গ ভাষা সাহিত্য প্ৰচলন নোহোৱাহেঁতেন আৰু লিখিত যুৱকসকল কলিকতাত নথকাহেঁতেন অৰু-নোদয় যুগৰ ভাষা আৰু সাহিত্যৰ এনে দ্ৰুত পৰিবৰ্তন হয়তো নহ'লহেঁতেন ।"

বঙলা ভাষাৰ এই প্ৰভাৱৰ কাৰণেই অসমীয়া সাহিত্যৰ গদ্যত সুসংহত বাক্য গঠনৰ ৰীতি, কবিতাৰ ছন্দৰীতি আৰু উপন্যাস ৰচনাৰ চানেকিত অসমীয়া সাহিত্যৰ ওচৰ সম্পৰ্ক থাকি গ'ল ।

অসমীয়া উপন্যাস যেন অসমীয়া চৰিত্ৰৰ, অসমীয়া সমাজৰ, কাম্য কানন অসমৰ ফট-ফটীয়া দাপোণ হয় আৰু উপন্যাসৰ সিদ্ধান্তই যেন পাঠকক ঈশ্বৰমুখী কৰি উন্নতিৰ বাটলৈ নিয়ে। ফচহু বজৰুৱা উপন্যাস যেন অসমীয়াই নিলিখে; বৰং উপন্যাস নোহোৱাই ভাল, তথাচ বেয়া কথাৰ, বেয়া আৰ্হিৰ যেন উপনাস সৃষ্টি নহয় ।

—ৰজনীকান্ত বৰদলৈ

১৯২৫, নগাওঁ



# ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ অৱদান

মিচ্ দীপাঞ্জলি বৰুৱা
স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

জ্যোতি প্ৰসাদ আগৰৱালা অসমীয়া ভাষা-সাহিত্যৰ এজন খ্যাতি-মন্ত পুৰুষ। তেওঁ একেধাৰে কবি, গীতিকাৰ, নাট্যকাৰ, অভিনেতা আৰু পৰিচালক। তেখেতে আমাৰ সংস্কৃতিৰ ৰবঘৰৰ ভেটি সুদৃঢ় কৰি তাত যি অলোক সম্পাত কৰি গৈছে তাক আমি কিয়, আমাৰ সুদূৰ ভৱিষ্যতৰ বংশধৰ সকলেও উলাই কৰিব নোৱাৰিব। সুন্দৰ আৰু সংস্কৃতিৰ পূজাৰী আছিল বাবেই তেখেতে 'ৰূপকোঁৱৰ' আখ্যা পাইছিল।

সুন্দৰৰ পূজাৰী এইজনা মহান শিল্পীৰ জন্ম হৈছিল ১৯০৩ চনৰ জুন মাহৰ ১৭ তাৰিখে। তেখেতে তেজপুৰ হাইস্কুল, ডিব্ৰুগড় চৰকাৰী হাইস্কুল আৰু ডিব্ৰুগড়ৰ জৰ্জ স্কুলত শিক্ষা লাভ কৰিছিল। তেজপুৰ হাইস্কুলৰ পৰা মেট্ৰিক বাছনি পৰীক্ষাত উত্তীৰ্ণ হৈয়েই ১৯২১ চনত মহাত্মা গান্ধীৰ দ্বাৰা পৰিচালিত অসহযোগ আন্দোলনত জপিয়াই পৰিছিল।

জ্যোতি প্ৰসাদে ছাত্ৰ অৱস্থাত ১৪ বছৰ বয়সতে "শোণিত কুৱঁৰী" ৰচনা কৰে। তেওঁৰ ৰচনাৱলীৰ মাজত প্ৰগতিশীল চিন্তাৰ পৰশ আছে। "কাৰেঙৰ লিগিৰী", 'ৰূপালীম', 'লভিতা', "নিমাতী কইনা", 'খনিকৰ', "সোনপখিলি", আদি অসমীয়া সাহিত্য ভঁৰালৰ শ্ৰেষ্ঠ নাটক। ইয়াৰ উপৰিও গীত, কবিতা শিশু-ৰচনা আৰু "জ্যোতিধাৰা"ত সন্নিবিষ্ট ভালেমান প্ৰবন্ধই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে। তেখেতৰ একমাত্ৰ উপন্যাস "আমাৰ গাওঁ"।

"শোণিত কুৱৰী"ৰ বিশেষত্ব হ'ল, ইয়াৰ কাব্য কল্প অভিযোজনা। এটা পৌৰাণিক আখ্যানক অসমীয়া ঠাচেৰে গঢ় দি নাটক ৰচনা কৰিলে। "শোণিত কুৱঁৰী' ১৯২৪ চনত তেজপুৰৰ বান ৰঙ্গমঞ্চত মঞ্চস্থ কৰি এক আলোড়নৰ সৃষ্টি কৰিছিল।

"শোণিত কুৱঁৰী"ৰ মূল বিষয়বস্তু দশম ভাগৱত আৰু হৰিবংশ। ইয়াৰ পৰাই কবিসকলে উপাদান লৈ উষা পৰিণয়, কুমাৰ হৰণ

আদি কাব্য লিখিছে। জ্যোতি প্রসাদে এই কাহিনীকে লৈ "শোণিত কুৱঁৰী" নাটখন ৰচনা কৰিছিল। পৌৰাণিক কাহিনীৰ অলৌকিক ঘটনা পৰিহাৰ কৰিছে। উদাহৰণ স্বৰূপে—পুৰাণত তামসী বিদ্যাৰ দ্বাৰা চিত্ৰলেখাই অনিৰুদ্ধক হৰণ কৰি অনাৰ বৰ্ণনা আছে। তেখেতে এই ঘটনা বাদ দি চিত্ৰলেখাই ছবি বিক্ৰেতাৰ ৰূপত দ্বাৰকাত প্ৰবেশ কৰি উষাৰ ছবি দেখুৱাই অনিৰুদ্ধক শোণিতপুৰলৈ আনিছে।

জ্যোতি প্ৰসাদে বিলাতত থাকোতেই ৰচনা কৰে "কাৰেঙৰ লিগিৰী"। মধ্যযুগৰ পটভূমিত ৰচনা কৰা এই নাটখনত প্ৰাচীন ৰাজনীতিকে খামোচ মাৰি ধৰি থকা সমাজ আৰু নতুন দৃষ্টি-ভঙ্গীৰে চলা ব্যক্তিৰ মাজত যি সংঘৰ্ষ, পুৰণি ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সমাজৰ কু-সংস্কাৰবোৰে নতুন আদৰ্শৰ প্ৰগতিৰ পথত অন্তৰায়ৰ সৃষ্টি কৰি কেনেদৰে জীৱন বিষময় কৰি তোলে তাকে দেখুৱাইছে।

তেখেতৰ আন এখনি সামাজিক নাটক 'লভিতা'। 'লভিতা'ত তেনে কোনো কাহিনী পোৱা নাযায়। নায়িকা লভিতাক কেন্দ্ৰ কৰিয়ে ৪২ৰ গণ আন্দোলনৰ প্ৰতিক্ৰিয়া অসমত কেনেদৰে হৈছিল আৰু সেই সময়ৰ অসমীয়া ছোৱালী এজনীয়ে কিমান আত্মবলৰ পৰিচয় দিব পাৰিছিল তাৰ ভেটিতেই নাটখন ৰচনা কৰিছে। নিজৰ মৃত্যুৰ কথা নাভাবি বোমা-বৰতোপৰ মাজে মাজে আহত সৈনিকক শুশ্ৰূষা কৰি বৃটিছ সৈন্যৰ গুলিত প্ৰাণ আহুতি দিয়ে। অসমীয়া ছোৱালী এজনীয়ে দেশ মাতৃকাৰ ৰক্ষাৰ হেতু আহত সৈনিকৰ শুশ্ৰূষা কৰি প্ৰাণ দি কিমান মানৱতাবোধৰ পৰিচয় দিছে 'লভিতা' নাটকত তাকেই দেখুৱাইছে।

'জয়মতী' আৰু 'ইন্দ্ৰমালতী' বোলছবি দুখনৰ শুভ মুক্তিৰ মাজৰ সময়ছোৱাতে জ্যোতিপ্ৰসাদে তেওঁৰ জীৱনৰ মহত্তম নাটক 'ৰূপালীম' ৰচনা কৰিছিল। জ্যোতিপ্ৰসাদে 'ৰূপালীম'ৰ কাহিনী ৰচনাত বিখ্যাত বেলজিয়াম নাট্যকাৰ মৰিছ মেটাৰলিংকৰ "মন্না-ভান্না" নাটকৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। 'মায়াৰ'ক প্ৰাণভৰি ভাল পায়ো স্বদেশৰ মঙ্গলৰ হকে, মুক্তিৰ হকে ৰূপালীম মণিমুগ্ধৰ বাহুবন্ধনলৈ অগ্ৰসৰ হৈছিল। সম্পূৰ্ণ কৰিছিল এটা অমূল্য জীৱন। সত্য-শিৱ-সুন্দৰম সৃষ্টিয়ে বহুজনৰ হিতৰ বাবে, মঙ্গলৰ বাবে ৰচনা কৰিছিল পৰম বিস্ময়। জ্যোতিপ্ৰসাদৰ ৰূপালীমৰ বৈশিষ্ট্য ইয়াতেই।

ৰূপকোঁৱৰৰ ৰচনাত মানুহৰ প্ৰতি প্ৰেম দেখা পোৱা যায়। মানুহৰ প্ৰতি গভীৰ মমতাবোধ বিশেষকৈ নিপীড়িত, নিষ্পেষিত মানুহৰ প্ৰতি মমতাবোধ। এই ভাবৰ উপৰিও তেওঁ নতুন দৃষ্টিভঙ্গীৰ আদৰ্শেৰে অসমীয়া সাংস্কৃতিক জগতখন গঢ়ি তুলিবলৈ যিবোৰ সাহিত্য ৰচনা কৰিলে সেই সকলো বোৰতে আমি দেখিবলৈ পাওঁ গভীৰ দেশাত্মবোধ। তেখেতৰ কবিতা, গীত, মৌলিক চিন্তাধাৰাৰে ৰচিত প্ৰবন্ধ ৰাজিৰ মাজতো যে এই দুই বোধে বৰ দ'লৈকে শিপাই থকা নাই—তেনে নহয়। তেখেতৰ সাহিত্য ৰাজিত যে মানৱতাৰ আদৰ্শ নিহিত আছে তাক নিজেই কৈছে—

"মানৱৰ আদৰ্শে আদৰ্শে
মোৰে চিন্তা হ'ল প্ৰকাশিত,

মানৱৰ আদৰ্শে আদৰ্শে
মোৰে চিন্তা হ'ল মুকুলিত,
সংসাৰৰ জ্ঞানে জ্ঞানে
বিজ্ঞানে বিজ্ঞানে
মোৰে বুদ্ধি মেধা বিকশিত,
মানৱৰ প্ৰাণে প্ৰাণে
মোৰ মহা প্ৰাণ হ'ল
সদায় স্পন্দিত,"

(ন-যোৱান-ই-হিন্দ)

জ্যোতিপ্ৰসাদ আছিল নিভাজ দেশপ্ৰেমিক। শিক্ষা-দীক্ষা, অন্ন-বস্ত্ৰহীন কোটি কোটি ভাৰতীয় নৰ-নাৰীয়ে পোনতে স্বাধীনতা, মুক্তি সংগ্ৰাম আদিৰ একো ভূ-ভা পোৱা নাছিল। প্ৰগতি-বাদী সংগ্ৰামী নেতা সকলেই আগবাঢ়ি গৈ জনজীৱনক স্বাধীনতা মুক্তি প্ৰগতিৰ নামত অনুপ্ৰাণিত কৰিব লগাত পৰিছিল। ৰূপ কোঁৱৰ জ্যোতিপ্ৰসাদ নিজেও এই ক্ষেত্ৰত অগ্ৰণী আছিল। তেওঁ বাইজৰ মাজলৈ গৈ মুক্ত কণ্ঠে আহ্বান জনাইছিল—

"জননীৰ সন্তান জাগা
জাগা শক্তিমান জাগা মুক্তি প্ৰাণ
মৃত্যু গছকি আনা জয় জিনি
কৰি দুৰ্জয় অভিযান।"

গণশক্তি ঐক্যবদ্ধভাবে সুসংগঠিত হৈ জাগি উঠিলে সকলো কথাই সম্ভৱপৰ হয়। তেওঁ জানে যে বিপ্লৱৰ পথ সেন্দুৰীয়া আলি নহয়, ই কাঁইটেৰে ভৰা। তেওঁ বিপ্লবী নৱ-জোৱান সকলক সতৰ্ক কৰি দিছে।

"অগ্নি বৃষ্টি আহিব লাগিছে
গৰজে বজ্ৰপাত
শিলাবৃষ্টি ভূমিকম্প
হ'ব সহস্ৰ উল্কাপাত।"

জ্যোতি সঙ্গীতবোৰতো আমি দেখিবলৈ পাওঁ মহামানৱৰ আদৰ্শ। কোনো প্ৰকৃত মানৱে দেশ মাতৃকাৰ লাঞ্চনা সহ্য কৰিব নোৱাৰে। জ্যোতিপ্ৰসাদেও দেশৰ দুৰৱস্থা দেখি সহ্য কৰিব পৰা নাই। দেশ মাতৃক ৰক্ষা কৰাৰ অগ্নিমন্ত্ৰ চিঞৰি চিঞৰি কৈছিল—

"সাজু হ'বৰে হ'ল ডেকা লৰা,
সাজু হবৰে হ'ল,
তোৰ তপ্ত কধিৰ ঢালি
আয়েৰক শক্তি দিবৰে হ'ল।"

° ° °

"লুইতৰ পাৰৰে আমি ডেকা লৰা
মৰিবলৈ' ভয় নাই।"

জ্যোতিপ্ৰসাদৰ কবিতাত অপাৰ্থিৱ বা অতি জাগতিক প্ৰশংসা নাই। ই সম্পূৰ্ণ ইহ জাগতিক দেশ, মাটি আৰু মানুহৰ সমস্যা বেদনাৰে চিহ্নিত।

অসমীয়া সংস্কৃতি জগতলৈ আন এটি অৱদান হ'ল কথা-ছবি নিৰ্মাণ। প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ নিৰ্মাতা জ্যোতি প্ৰসাদ। ১৯৩৫ চনৰ ১০ মাৰ্চত কলিকতাৰ ৰৌনাক হলত 'জয়মতী'য়ে মুক্তি লাভ কৰে। কলাসৃষ্টিৰ দিশত যশ আৰ্জিলেও জ্যোতি প্ৰসাদক 'জয়মতী' কথাছবিয়ে আৰ্থিকভাবে জুৰুলা কৰিছিল। সেয়ে কিছু আৰ্থিক ক্ষতিপূৰণৰ আশাৰে কলিকতাৰ ষ্টুডিঅ'ত দুদিনৰ শ্বুটিঙেৰে সামজিক ৰোমাণ্টিক ধৰ্মী দ্বিতীয় কথাছবি 'ইন্দ্ৰমালতী' কৰিছিল। এইজনা শিল্পীয়ে অসমীয়া সমাজলৈ যি অতুলনীয় অৱদান আগবঢ়াইছে সি সচাকৈয়ে স্মৰণীয়। আজীৱন সাহিত্য সেৱা কৰি ১৯৫১ চনৰ ১৭ জানুৱাৰী তাৰিখে ৪৮ বছৰ বয়সত দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ এইজনা শিল্পীয়ে অমৰধামলৈ গতি কৰে। জ্যোতিপ্ৰসাদৰ ৰচনা ৰাজি সমগ্ৰ দেশবাসীৰ বাবে অনুকৰণীয়।


# দবঙ্গত মাঘৰ দোমাহী

ড° নবীন চন্দ্ৰ শৰ্মা

বৰ্তমান বিহু বুলিলে আমি যি বুজোঁ অৰ্থাৎ নৃত্যগীত সম্বলিত অনুষ্ঠান, তেনেদৰে অতীত দবঙ্গত অথবা নামনি অসমত বুজা হোৱা নাছিল। বিহুক বৰ্তমানৰ প্ৰসংগত অসমৰ জাতীয় উৎসৱৰ সন্মান দিলেও আজি কেইবছৰমান আগলৈকে বিহুগীত আৰু নৃত্য কেৱল উজনি অসমতে সীমিত আছিল। বিহুগীত আৰু নৃত্যযে প্ৰজনন-কৃত্যৰ লগত সম্পৰ্ক যুক্ত আছিল তাত সন্দেহ নাই। আদিম মানৱে বিশ্বাস কৰিছিল যৌন-আচাৰাদিয়ে আই ধৰিত্ৰীৰ উৰ্ব্বৰতা বৃদ্ধি কৰে, খেতি-বাতিৰ উৎকৰ্ষ সাধিত হয় ইত্যাদি। এই প্ৰসংগত ড° প্ৰফুল্লদত্ত গোস্বামীয়ে লিখিছে ঃ "আই বসুমতীক শস্যশীলা কৰিবলৈ বহুতো অনুষ্ঠান আছে। এপ্ৰিল-মে মাহমানত পৃথিৱীৰ ভিন্ ভিন্ ঠাইত মতা-মাইকীয়ে মিলি আৰু কেতিয়াবা পৃথক পৃথককৈ নাচে। বসু-মতীৰ উৰ্ব্বৰাতাৰ বৃদ্ধি কৰিবলৈ এয়ে মন্ত্ৰমূলক নাচ। মিৰিৰ বিশ্বাস লিগাং বিহুত নানাচিলে ধানৰ ঠোক লেবেলি পৰে। এই নৃত্য-বিলাকত স্ত্ৰী আৰু পুৰুষে যথেষ্ট স্বাধীনতা পায়, আৰু মাইকী মানুহে এই বিলাকত সাধাৰণতে আগ ঠাই লয়। আদিম মানুহৰ ভাৱ আছিল যে, তিৰোতা মানুহক সন্তান-সম্ভৱা কৰিলে বসুমতীও শস্যগৰ্ভা হয়। খেতি-বাতিৰ কামতো তিৰোতাই আগ ভাগ লয়। আমাৰ মাজত তিৰোতাই এতিয়াও ভুঁই ৰোৱে ; আনহাতে বাজী আৰু বাৰী তিৰোতাক শুভ কামত যোগ দিবলৈ দিয়া নহয়। যি সময়ত অসমীয়া বিহুনাচ নচা হয় তালৈ লক্ষ্য কৰিলে আৰু এই নাচত শৰীৰৰ কি কি অংশ সঞ্চালিত হয় আৰু মতা আৰু মাইকীৰ কি কি সম্বন্ধ প্ৰকাশ পায়, সেই বিলাক কথা গমি চালে বিহু-নাচৰ প্ৰেৰণা যৌনমূলক বুলিয়ে সিদ্ধান্ত কৰিব লগীয়া হয়। বাস্ত-ৱিকতে বিহুনাচত যৌনমুদ্ৰা আদি নথকা নহয়। পূব দৰঙত মাইকী মানুহে নচা দেখিছিলোঁ। দুজনী ছোৱালীয়ে নাচিছিল। তাৰে এজনীয়ে মতা মানুহৰ মুদ্ৰা আৰু আন এজনীয়ে মাইকী মানুহৰ

মুদ্রা দেখুৱাইছিল। ······ আজি কালি আমি এই ধৰণৰ নাচৰ সামাজিক আৰু নৃতাত্ত্বিক ব্যঞ্জনা পাহৰি গৈ বিহু বা তেনে নৃত্য অশো-ভন বুলি ঠাৱৰ কৰিবলৈ শিকিছোঁ। (গোস্বামীঃ অসমীয়া জন সাহিত্য ঃ ১৯৮৬ ঃ ১৯ – ২০)

বৰ্ত্তমান বিহুনাচ আৰু গীতৰ মৌলিক অৰ্থ (original meaning) পাহৰি পেলোৱা



ভেলাপুজি আৰু ভেলাঘৰ
আলোকচিত্ৰ ঃ লিখক

হৈছে। এতিয়া বিহু উৎসৱ পৰম্পৰাৰ পৰা আঁতৰি প্ৰায়ে আৰ্ট ফৰম্ ৰূপে গাওঁৰ পৰা, হাবি-বননিৰ পৰা, চাপৰিৰ বুকুৰ পৰা নগৰৰ বুকুলৈ মঞ্চৰ আৰ্ট ফৰম্ ৰূপে আহিছে। সাম্প্ৰতিকে স্থানীয় (Parochial) নৃত্যানুষ্ঠান বিহুৱে সাৰ্বজনীন (Universal) উৎসৱ ৰূপে সদিয়াৰ পৰা ধুবুৰীলৈ বিয়পি পৰিছে।

দৰঙ্গত অৰ্থাৎ অতীতৰ মঙ্গলদৈ মহকুমাত তথা নামনি অসমত তিনিটি বিহুৰ ভিতৰত ভোগালী বা মাঘবিহুৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰা দেখা যায়। মাঘ বিহুত নৃত্য-গীত মুঠেই নাই আছে খোৱা-লোৱা আদি বিভিন্ন সামগ্ৰীৰ পূৰ্ণ পয়োভৰ। এই সামগ্ৰী সমূহৰ ভিতৰতো গুৰুত্ব লাভ কৰে পিঠা-চুঙাই। ধনী-দুখীয়া, জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৱে পিঠা-চুঙা পোৱে। পিঠা-চুঙাৰ বাবে ভলুকা বা কটা-বাঁহৰ দুপেৰীয়া চুঙা কটা হয়। অঞ্চল বিশেষে বিজেলি বা জাতিবাঁহৰ চুঙাও ব্যৱহাৰ কৰা দেখা যায়। পিঠা-চুঙাৰ বাবে উৰুকালৈ ৭,৮ দিন থাকোতেই কোমল বা, আপেনতা বাঁহ এডাল বিশেষকৈ 'চামপাতে-লীয়া' ধৰণৰ বাঁহ এডাল কাটি চাবিচুকত অৰ্থাৎ ৰদ নপৰা ঠাইত থৈ দিব লাগে। উৰুকাৰ দিনা ৰাতিপুৱা উলতা (ওভোতা) কৈ দুপেৰীয়া চুঙা কাটে। বিজেলী অথবা জাতিবাঁহৰ হলে এপে-ৰীয়া চুঙা কটা নিয়ম। উৰুকাৰ দিনা ৰাতি-পুৱাতেই বনি অৰ্থাৎ আলোৱা বৰা চাউল টৌ বা চৰিয়াত ভিজায়। কটা বাঁহৰ বা ভল্কা (ভলুকা) বাঁহৰ চুঙা হলে তামোল-গছৰ শলী বা লোহাৰ শলীৰে মাজৰ গাঁথিটো ফুটায়। চুঙাবোৰ পানীত ভালদৰে ধুই ৰদ নপৰা ঠাইত থৈ দিব লাগে। আবেলি ভিজোৱা বনি চাউলখিনি ভালদৰে ধুই চুঙাত পানী ভৰাই লয় চাউল ভৰায়। চুঙাৰ পানীৰ প্ৰায় ৪ আঙুলিমান তললৈহে চাউল থাকিব লাগে। গধূলি গোটেই চোতালখন মুচি চোতালৰ পূৱ ফালে এখন সাঁকো পাতে। সেই সাকোঁত



ভেলাঘৰ

আলোকচিত্ৰ ঃ লিখক

প্ৰায় ৩০° হেলনীয়া কৰি চুঙাবোৰ শাৰী পাতি আওজাই থয়। ইয়াৰ পিছত ঘৰৰ বোৱাৰী বা আই-বায়ে গা-পা ধুই 'ভাল-কাপোৰ (ধৌত-বস্ত্ৰ) পিন্ধি চুঙাবোৰৰ বিপৰীত ফালে কলৰ চোচনি বা ধানখেৰ বা নৰাৰে জুই লগাই দিয়ে। এইদৰে কিছু সময়ৰ পিছত চুঙাবোৰৰ একালে জুই লাগে। পানীৰে সেই জুই নুমাই চুঙাটো ঘুৰাই দিয়ে। ইটো ফালতো তেনেদৰে জুই লাগিলে বুজিব লাগিব পিঠা পোৰা হল। গোটেই কেইটা চুঙা পোৰা হলে পিঠা-চুঙাবোৰ চোতালৰ পৰা নি বান্ধনীঘৰৰ হাইহালৰ ওচৰত থৈ দিয়ে। অৱশ্যে চুঙা-পিঠা এনিশা বাহি কৰি খোৱাহে নিয়ম। বাহিহলে পিঠা চোচেৰে এৰে। দৰঙ্গ অঞ্চলত ভোগালী বিহুত চুঙা-পিঠা অপৰিহাৰ্য্য। পিঠাগুড়িৰে কিন্তু চুঙা-পিঠা দৰঙ্গ অঞ্চলত প্ৰায়ে পোৰা নহয়।

গৰখীয়া বিলাকে ঘৰে ঘৰে কোমল বাঁহ তোলে আৰু পথাৰত ১০/১৫ ডাল বাঁহ আগ আৰু গোৰেৰে সৈতে বৃত্তাকাৰ ভাৱে পোটে। নৰাৰে সেই বাঁহবোৰ গোঁঠে আৰু নৰাৰেই ভিতৰৰ শূন্য স্থান পূৰায়। ইয়াকে বোলে 'খাল পোটা'। কামৰূপৰ ঠায়ে ঠায়ে কল-লোচনিৰে পুজি সাজে। দৰঙ্গত সাধাৰণতে দুটাতকৈ বেছি পুজি সাজে। এটা বৰ পুজি, এটা মাজু পুজি আন এটা সৰু পুজি অথবা বৰভেলা আৰু সৰু ভেলা পুজি। উৰুকাৰ দিনাহে ভেলা পুজিৰ মুখি মাৰিব লাগে। পুজিৰ পৰা অলপ দূৰৈত অপৈতা বাঁহ, কল-লোচনি আৰু নৰাৰে এটা ঘৰ সজা দেখা যায়। এই ঘৰটোক বোলে ভেলাঘৰ। এই ঘৰটোতেই ৰাতি গৰখীয়াহঁতে 'ভেলা-ভোজ' বা গুৰখীয়া ভোজ খায়।

গুৰখীয়া বিলাকে উৰুকালৈ ৮।১০ দিন থকাৰে পৰা মানুহৰ ঘৰে ঘৰে গৈ 'হুইধ্বনি'



শ্ৰীমতী লতাদেৱীয়ে চুঙা পিঠা পুৰিছে। ওচৰতে ড° প্ৰফুল্লদত্ত গোস্বামীয়ে পিঠা পোড়া চাই আছে। : আলোকচিত্ৰ : লিখক

অৰ্থাৎ 'হৰিধ্বনি' দি চাউল-পইচা-কণী আদি যোগাৰ কৰে। গৰখীয়াসকলে হাতত একোডাল টোকন লৈ গধূলি প্ৰতিঘৰ মানুহৰ ঘৰলৈ গৈ চোতালত অৰ্ধবৃত্তাকাৰ ভাবে থিয় হয় আৰু বৰ গৰখীয়াই এনেদৰে লগাই দিয়ে:

: হৰিবল বল

বাকীবিলাক গৰখীয়া : হক, হক

: কুশল হক

: হক

: মঙ্গল হক

: হক

: আমাক এটা পইচা দিবালে খেমতা হক

: হক, ইত্যাদি।

উৰুকাৰ দিনা ৰাতিপুৱাৰে পৰা প্ৰতিঘৰ মানুহৰ ল'ৰা-ছোৱালীয়ে মিলি বাৰীৰ তামোল, নাৰিকল, আম, কঠাল, পনিয়াল, লেতেকু, সফিৰাম, নবকটেঙা, জৰা, ডৱাটেঙা, ঠেকেৰা, ঔ, কুজিঠেকেৰা আদি লাগনীয়া গছবোৰৰ গুৰিত খেৰেৰে বা কলগছৰ শুকান লোচেনিৰে একোটি বান্ধ দিয়ে। ফল ধৰাৰ বয়স হোৱা অথচ ফল নধৰা বাৰীৰ গছবোৰৰ গুৰিতো এনেদৰে বান্ধ দিয়া ৰীতি প্ৰচলিত আছে। ইয়াকে 'গাছ বান্ধা' বোলে। লোক-জীৱনত বিশ্বাস প্ৰচলিত আছে যে, এনেদৰে মাঘৰ দোমাহীৰ উৰুকাৰ দিনা তামোল-নাৰিকল আদি গছ নাবান্ধিলে ফল নধৰে। গছ বন্ধা কৃত্য যে, যাদুমূলক মন্ত্ৰ পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত তাত সন্দেহ নাই। লোকজীৱনত এনেধৰণৰ যাদুমূলক মন্ত্ৰৰ প্ৰয়োগ আন আন প্ৰসংগতো লক্ষ্য কৰিব পাৰি। উদাহৰণ স্বৰূপে অনুৰ্বৰা নাৰীক উৰ্বৰা কৰিবলৈ যাদুমূলক 'জাপ'

(জাব) পিন্ধোৱা ৰীতি আমাৰ বহুতে দেখিছে। এই মন্ত্ৰপূত 'জাপ' পিন্ধোৱাৰ উদ্দেশ্য সন্তান লাভ। তেনেদৰে 'গছবন্ধা'ৰ উদ্দেশ্যও সন্তান অৰ্থাৎ ফল লাভ।

উৰুকাৰ আগতেই পথাৰৰ ধান কটা হ'ব লাগিব আৰু ধানবোৰ মাৰি গুৰি ধানবোৰ ভাখেৰীত অৰ্থাৎ ভঁড়ালত থব লাগিব। গোটেই মাঘ মাহটোৰ ভিতৰত ভঁড়ালৰ ধান উলিয়াব নোৱাৰি।

গুৰখীয়াহঁতে উৰ্কাৰ গোটেই নিশাটো ভেলাঘৰত থাকে— ভোজ-ভাত খায়, চাহ-পিঠা-লাৰু আদিও খায়। কোনো কোনো গৃহস্থই আকৌ চুঙাপিঠা পোৰা হোৱাৰ পিছতেই দুই এটা চুঙা আনি 'গুৰখীয়া চলিহঁতক' খাবলৈ দিয়ে। গৰখীয়াহঁতে ভেলা-ভোজ (লগভাত) খাই উঠি সকভেলা পুজি এটা পুৱায়। ইয়াৰ পিছত গৰখীয়াহঁতে গোটেই ৰাতিটো উজাগৰে থাকি বাঁহতলীলৈ গৈ চুৰ কৰি আপৈতা বাঁহ কাটি আনি জাগ পাতে। উৰুকাৰ দিনা হেনো এনেদৰে বাঁহ চুৰ কৰাটো পুণ্যৰ কাম লোক-জীৱনে এনেদৰেই পৰম্পৰাগত ভাবে বিশ্বাস পোষণ কৰি আহিছে। ঢলফাট্ দিয়াৰ লগে লগে গৰখীয়াহঁতে ভেলাঘৰত জুই দিয়ে। ইয়াৰ পিছত গৰখীয়াহঁতে গা-পা ধোৱে কাৰণ ভেলাঘৰ পুওৱা গাৰে ভেলাপুজি পুৱাব নাপায়। গাঁওৰ ভিতৰতে গণ্য-মান্য ব্যক্তি এজনে গা-পা ধুই শুচি কাপোৰ পিন্ধি এখন কাঁহীত ফুল-চাউল-তিল আদি লৈ ভেলাপুজিত জুই দিবলৈ আহে। পুজিত জুই দিয়াৰ পূৰ্বেই পুজিৰ বাঁহ কেইডাল মাটিৰপৰা তিনিহাতমান ওপৰত আধাকটা কৰে। ইয়াৰ পিছতেই সেই মানুহজনে বিধি-পূৰ্বক প্ৰদক্ষিণ কৰি পুজিত জুই লগাই দিয়ে। গৰখীয়াহঁতে ঢোল-তাল বজাই হৰিধ্বনি দিয়ে। আই-বাইহঁতে উৰুলী জোকাৰ দিয়ে। প্ৰজ্বলিত অগ্নিত ফুল-চাউল-তিল আদি উছৰ্গা কৰে। কামৰূপৰ ডিমু, কমলপুৰ আদি অঞ্চলত বৰ দোমেহীৰ দিনা এটা পুজি আৰু পিছৰ দিনা আন এটা পুজি পুৱায়। দুয়োদিনে মাহ-প্ৰসাদ আদি আগবঢ়াই সংকীৰ্ত্তন গায়। দৰঙ্গত 'বৰ দোমাহী'ৰ দিনাই দুয়োটা পুজি পুৱায়। পুজি পোৰাৰ পিছত প্ৰত্যেক জন মানুহেই পুজি পোৰা ছাই আৰু আধাপোৰা বাঁহ এডোখৰ বা দুডোখৰ ঘৰলৈ আনে। জাতিতেলত (মিঠাতেল) ছাইখিনি ভালদৰে সানি গোহালিৰ প্ৰত্যেকটি গৰুৰ কপালত ফোট দি মানুহেও অৱশিষ্ট ছাইৰে ফোট লয়। ঘৰলৈ অনা আধাপোৰা বাঁহ নাৰিকল, কঠাল, আম আদি গছত বান্ধি দিয়ে। লোক জীৱনত বিশ্বাস প্ৰচলিত আছে যে এনেদৰে পুজিৰ আধা-পোৰা বাঁহ আৰি দিলে গছত হেনো বেছিকৈ ফল ধৰে। দোমাহীৰ দিনা বেহেইত পুৱাতে (বিহান পুৱাতে) ঘৰৰ মূল মানুহজনে নিজৰ বাৰীত সোমাই চিঞৰি চিঞৰি ধমকিৰ সুৰত এইদৰে কয়—'আম জাম-কঠাল, লেতকু পনিয়াল তামোল-পান লাগ্ লাগ্ লাগ্—ঐ'। ইয়াৰ মূলতে আছে যাদুমূলক মন্ত্ৰ। এই যাদু হ'ল উৰ্বৰতাৰ যাদু।

লোক-জীৱনত বিশ্বাস প্ৰচলিত আছে যে অতি পুৰণি কালত 'ভেলা' নামৰ এজন বুঢ়া আছিল। বুঢ়াৰ বুঢ়ীৰ বাহিৰে আপোন বুলিবলৈ কোনোৱেই নাছিল। বুঢ়াই কিন্তু

গুৰ্খীয়া চলিক বৰ মমত (মৰম) কৰিছিল। এদিন বুঢ়া-বুঢ়ী ঘৰৰ ভিতৰতে মৰি থাকিল। গুৰখীয়াইঁতে ৰাতিপুৱা বুঢ়া-বুঢ়ীক বাহিৰত দেখা নেপাই দুৱাৰ কাটি ঘৰৰ ভিতৰলৈ গ'ল । শেষত ঘৰৰ ভিতৰতেই বুঢ়া-বুঢ়ীৰ শৱ সংকাৰ কৰিলে আৰু বুঢ়া-বুঢ়ীৰ বিদেহী আত্মাৰ সদগতি কামনা কৰি, গুৰ্খীয়াহতে 'মকল-ভোজ' খালে। সেয়ে এই ভোজৰ নাম 'ভেলা-ভোজ'। গুৰ্খীয়া-বিলাকে ভোজখোৱা ঘৰটোৰ নাম 'ভেলা-ঘৰ' অৰ্থাৎ ভেলা বুঢ়াৰ ঘৰ। পুজি ছুটা ভেলা বুঢ়া আৰু ভেলা-বুঢ়ীৰ প্ৰতীক।

ৰবদোমাহীৰ দিনা ৰাতি পুৱাতে বাঁহৰ গুৰিত নতুন মাটি দিব লাগে। কিয়নো মাঘ বিহুত বাঁহৰ গুৰিত মাটি নিদিলে বাঁহৰ বংশ বৃদ্ধি নহয়। গাইছুৱেনী সময়ত গোহালীৰ গৰুক চুঙা-পিঠা, চিৰা-সান্দহ আদি খুৱাই সেৱা সংকাৰ কৰি এৰি দিয়ে। মাঘ বিহুৰ পৰা বহাগ বিহুলৈকে গৰুক উদং দিয়া ৰীতি প্ৰচলিত আছে। ঘৰৰ পৰিয়াল বৰ্গই গা-পা ধুই উঠি গোসাই-গুৰু জ্যেষ্ঠজন আদিক সেৱা সংকাৰ কৰি উঠি জা-জলপান খাই ঘৰতে দুই এক অধ্যায় ৰামায়ণ, মহাভাৰত, দশম পঢ়ি আবেলি ডেকাসকল পথাৰ বা মুকলি ঠাইলৈ গৈ কলৰ গছত উঠা, খুটাত উঠা, দৌৰ, জাপ, কলহ ভাঙা, তিনঠেঙীয়া দৌৰ, কুকুৰা যুঁজ, ভেল কুত্ কুত্, চিউ-উ, ঢোপ আদি নানা খেল খেলে। গধূলি ৰাজহুৱা গোসাই ঘৰত বা নামঘৰত বিয়াহৰ ওজা-পালি উঠে অথবা খুলীয়া ভাউৰীয়া অনুষ্ঠিত হয়। অঞ্চল বিশেষে বহা নাম বা ঠিয় নামো ধৰে।

কোনো কোনো অঞ্চলত উৰুকাৰ দিনা সামূহিক ভাবে ৰাজহুৱা পুখুৰীত বা বিলত মাছ মৰা দেখা যায়। আকৌ দৰঙ্গত কোনো কোনো ঠাইত উৰুকাৰ দিনা আবেলি সামূহিক চিকাৰো কৰে। সামূহিক চিকাৰৰ জৰিয়তে শহাপহু, কটলাপহু, ( কেটেলাপহু ) আদি ধৰি চিকাৰীদলটোৰ মাজত ভগাই লোৱা ৰীতিও প্ৰচলিত আছে।

গঞাবাইজৰ মাজত এনে কিছুমান যাদু-ক্ৰিয়া প্ৰচলিত যাৰ সংযোগত মাঘৰ দোমাহীৰ দিনাখনেই অহা বাৰিষাত বানপানীৰ জোৰ কিমান হ'ব তাৰ আভাস পায়। উৰুকাৰ দিনা গধূলি আওহতীয়া ঠাইত গজা ক'লা কচুৰ নতুন পাত চাৰিটা পানী সৰকি পৰিব নোৱা-ৰাকৈ কোমল তমাল বা বেটৰ বুকতাৰে বান্ধে। এই কচুপাত চাৰিটাৰ নাম ক্ৰমে আহাৰ, শাওন, ভাদ, আৰু আহিন। দোমাহীৰ দিনা পুজি পুৱাই উঠি কচুপাত বন্ধা মানুহজন কচুতলীলৈ আহি বন্ধা কচুপাত কেইটা খোলে। আহাৰ-শাওন-ভাদ আৰু আহিন নাম দিয়া কচুপাত কেইটাৰ যোনটো পাতত অধিক পানী জমা হয় সেই মাহতেই ডাঙৰ বান-পানী হ'ব আৰু যিটো পাতত পানী জমা নহয় সেই মাহটোত বানপানী নহয়।

মাঘৰ বিহুৰ দিনা দুপৰীয়াৰে পৰা আবেলি-লৈকে ধুমুহা-বজ্ৰ-বৃষ্টি নিবাৰণৰ বাবে নাহৰৰ পাতত মন্ত্ৰ লিখি ঘৰৰ চালত খুহি থোৱা হয়। দেও-ভূত-প্ৰেত, পিশাচ, 'অখিষ্ট' (অশিষ্ট) আদিয়ে যাতে গাত লম্ভিব নোৱাৰে সেই উদ্দেশ্যেৰে জীয়ৰী-ছোৱালী, গাভৰু-বোৱাৰী, পো-নাতি আদিক 'জাপ' (জাৰ, মন্ত্ৰপূত সূতাৰে নিৰ্মিত

ৰচী), তাবিজ, মাদেলী আদিও অঞ্চল বিশেষে দিয়ে। দুষ্টলোকে গুৰনী গাভৰু, ধুনীয়া ল'ৰা আদিক যাতে 'বাণ-মাৰি' অনিষ্ট সাধন কৰিব নোৱাৰে সেই উদ্দেশ্যেৰে প্ৰতিষেধক মাদেলী, জাৰ, 'গোবদাৰু' আদিও মাঘ বিহুৰ দিনাই দিয়া নিয়ম।

মাঘ বিহুৰ দিনা গালি-গেলাজ পৰাটো মঙ্গলজনক বুলি লোকমনে বিশ্বাস কৰে। উক্ত-কাৰ দিনা ৰাতি সেইবাবেই গৰখীয়াইঁতে চুৰ কৰি আপৈতা বাঁহ কাটে।

বিহুৰ পিছ দিনাৰে পৰা অঙহী-বঙহীক বিহু খাবলৈ মতা হয়। ইয়াকে 'দোমাহী খাবলৈ মতা' বোলে। অঙহী-বঙহীক প্ৰথমতে জলপানেৰে আপ্যায়িত কৰিহে দুপৰীয়া মাছে-মঙহেৰে ভাত খুওৱা হয়। জলপানবো প্ৰধান উপাদান চুঙা-পিঠা, মহৰ কেঁচা দৈ আৰু খকুৱা কুহিয়াৰৰ নতুন চুৰা।

মাঘৰ দোমাহীৰ দিনা (বৰদোমাহী) গৰখীয়াইঁতক ঘৰলৈ মাতি আনি ভৰি-হাত ধুৱাই মনৰ মতে এসাজ জা-জলপান খুৱাই লক দান কৰিলে গৃহস্থৰ হয় মঙ্গল। সন্তানহীনা তিৰোতাই এনেদৰে গৰখীয়াক পূজা কৰি সন্তান লাভ কৰিবলৈ সমৰ্থ হ'ব পাৰে বুলি লোক মানসে বিশ্বাস কৰে। গৰখীয়া-পূজা কৰিলে বয়স অনুসৰি মাত-কথা নোলোৱা ল'ৰা-ছোৱালীবো মাত-কথা ওলায়। মাঘৰ বিহুত নদীত স্নান কৰা, জলায়ত স্নান কৰা দেৱতাৰ বিগ্ৰহ দৰ্শন, মন্দিৰ দৰ্শন আদি পৱিত্ৰ কাম। এই দিনটোত খটৱা গোসাই ঘৰত প্ৰতিষ্ঠিত ৰাম-লক্ষ্মণ-সীতা আৰু হনুমানৰ বিগ্ৰহত ৰূপৰ ফুল দান কৰিলে হেনো মনৰ বাঞ্ছিত পূৰণ হয়।

আধুনিকতাই মাঘৰ দোমাহী পালনৰ পৰম্পৰাত আঘাত কৰিলেও পুজি সজা, চুঙা-পিঠা পোৱা আদি ৰীতি-নীতি অব্যাহত ভাবে চলিয়েই আছে।

ভাষা হৈছে সাহিত্যৰ সাজপাৰ মাথোন, ভাব হৈছে তাৰ দেহ আৰু আদৰ্শ হৈছে তাৰ প্ৰাণ। সাহিত্যৰ দেহ যদি নিৰোগী থাকে আৰু প্ৰাণ যদি সবল থাকে, লেখকৰ অভিৰুচিমতে তাক সাজপাৰ পিন্ধোৱাত কোনো বাধা নাই। সৌন্দৰ্য আৰু ৰসৰ উদ্ৰেক কৰিব পাৰিলেই হ'ল; কিন্তু আমাৰ নিভাঁজ জাতীয় ভাষা হৈছে আমাৰ হোজা গাঁৱলীয়া মানুহৰ ভাষাহে। সেইগুণে আমাৰ গাঁৱলীয়া মানুহৰ মুখৰ ভাষাকে, ব্যাকৰণৰ বিধানেৰে সংস্কাৰ কৰি সাহিত্য ৰচনা কৰাহে আমাৰ প্ৰধান কৰ্ত্তব্য। নচেৎ আমাৰ সাজপাৰ যেনে খিচিৰি হৈছে ভাষাও তেনে খিচিৰি হব।

—হেমচন্দ্ৰ গোস্বামী,
১৯২০, তেজপুৰ

## অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী

সংগ্ৰাহক— **শ্ৰীকুলেন্দ্ৰ দেৱশৰ্মা।**
স্নাতক শ্ৰেণী (কলা) ২য় বাৰ্ষিক।

(১) যি ছাত্ৰই দেশৰ আৰু জন্মভূমিৰ সাৰ্বভৌমত্ব আৰু জাতীয় স্বাধীনতা ৰক্ষা কৰা দায়িত্ব আৰু কৰ্তব্য পালন কৰা বিষয়ৰ জীৱন উছৰ্গা কৰা নিৰ্ভীকতা, সাহসিকতা আৰু শৌৰ্য্য-বীৰ্য্য বীৰত্বেৰে নিজক অলংকৃত কৰি তোলা দুৰ্দমনীয় মানসেৰে শিক্ষা লাভ নকৰে, সেই ছাত্ৰই বিশ্ববিদ্যালয়ৰ গতানুগতিক সৰ্বোচ্চ উপাধি লাভ কৰিলেও তেওঁ দেশৰ আৰু জাতিৰ একো উপকাৰত নাহে। তেওঁ দেশৰ আৰু জাতিৰ সম্পদ হৈ উঠাৰ পৰিবৰ্ত্তে জোকৰ দৰে সৰ্বগ্ৰাসী শোষক হৈ উঠি নানা দুৰ্নীতিৰে নিজক, সমাজক, দেশক, জাতিক আৰু ধ্বংসহে কৰে। কিন্তু দেশ শাসক যি চৰকাৰে দেশৰ ছাত্ৰসকলক দেশৰ এনে সম্পদ কৰি তোলা শিক্ষা দিয়াৰ ব্যৱস্থা হাতত নলয় বা কৰিব নোৱাৰে সেই চৰকাৰো দেশৰ আৰু জাতিৰ শাসন দায়িত্ব লোৱাটো ধৃষ্টতা আৰু অমাৰ্জনীয় অপৰাধ।

(২) যিবিলাক গছ-গছনিৰ মূল উপৰুৱা, তবাং; ধুমুহাৰ কোবত সেইবোৰহে উঘালি পৰে। যিবিলাকৰ গভীৰ মূল, সেইবোৰ গছ-গছনিয়ে আত্মৰক্ষা কৰি অটল থাকে। মানুহৰ সভ্যতা সংস্কৃতিৰ ক্ষেত্ৰতো সেই একে কথা। যিবিলাক মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ শিপাৰ আত্মিক গভীৰতাৰ লগত সংযোগ নাই, উপৰুৱা তবাং, সেইবিলাক মানুহ আনৰ সভ্যতা সংস্কৃতিৰ কোবত উফৰি পৰে।

(৩) জাতীয়, ৰাষ্ট্ৰীয় বা ৰাজনৈতিক অস্তিত্ব শক্তিশালী হৈ নাথাকিলে ভাষিক, সাহিত্যিক, সাংস্কৃতিক, আৰ্থিক, সামাজিক সকলো অস্তিত্ব লুপ্ত হৈ শেষত একো নথকা জাবৰ হৈ পৰে।

(৪) হিংস্ৰ পশুৰ মুখত পৰা মানুহ এজনৰ আত্মৰক্ষাৰ বাবে যিদৰে তাৰ ঐকান্তিকতাটো তাৰ আত্মৰক্ষাৰ ধ্যান প্ৰচেষ্টাৰে কেন্দ্ৰীভূত হয়, এনেকি তাৰ খোজৰ তলিত থকা কণ্টকভৰা অগাধ খালটোলৈও হুচ নাথাকে, কেৱল তাৰ আত্মৰক্ষাৰ বাহিৰে আন কোনো চিন্তা মনত নথকা হয়—সেইদৰে আজি চাৰিওফালে নানা শত্ৰুৱে বেঢ়ি ধৰা অসমীয়াই নিজ দেশত জী থাকিবলৈ হলে, আন সকলো চিন্তালৈ মন নিদি, লক্ষ্য নাৰাখি একান্তভাৱে আত্মৰক্ষাৰ সংগ্ৰামত লিপ্ত হব লাগিব।

## ঃ অমৃতৰ সন্ধানত ঃ

জাবৰ উদাস পৃথিৱীৰ
প্ৰতিটো নীৰৱ নিশা
মই শুনিছোঁ
জীৱনৰ মৰু প্ৰান্তত কক-বকাই ফুৰা
মোৰ আইৰ অযুত-নিযুত ভোকে মৰা সন্তানৰ
মৃত্যু-নিনাদ !
কাঠফুলা জীৱনত সিহঁতে দেখিছে
ভৱিষ্যতৰ বঙা বঙা কদৰ্য্য ইতিহাস ।
তৰাজ্বলা আকাশৰ শীতৰ প্ৰতিটো নিশাই
মোক ল'ই যায় সিহঁতৰ কাষলৈ,
সিহঁতৰ সতে মইও দেখো
মোৰ দেশৰ প্ৰান্তে প্ৰান্তে জ্বলি উঠা
তুৰন্ত জুইকুৰাৰ লেলিহান শিখা ;
আৰু দেখিছোঁ, শতাব্দীৰ কবৰ আৰু কংকাল ।
সেই বাবেই, মই লিখিছোঁ
গতি শীলতাৰ কবিতা,
আৰু গাইছোঁ, বন্দীশালৰ ৰুদ্ধ প্ৰাচীৰ ভঙাৰ গান ।
মোৰ কবিতাত—মোৰ গানত
প্ৰস্ফুতিত হওঁক !
চিৰ নিষ্পেষিতৰ নৰক-যাতনা ।
তাৰ পিছত, মই শুনিব খুজিছোঁ
এক নতুন দিনৰ প্ৰাত্যহিকতাত
মোৰ দেশৰ সেউজীয়া পথাৰত
ৰাংঢালী-ৰূপহীৰ
বংমন—ভদীয়াৰ
প্ৰানোচ্ছল হাঁহিৰ গুঞ্জন
আৰু,
সময়ৰ শুকুলা ঘোঁৰাৰ পিঠিত উঠি
মই কৰিব ওলাইছোঁ অনিৰুদ্ধ গতিত
মোৰ অবিৰত যাত্ৰা
অমৃতৰ সন্ধানত !




ডিম্বেশ্বৰ বৰুৱা
ত্ৰি-বাৰ্ষিক স্নাতক
কলা ( ৩য় বৰ্ষ )

হেৰা ! হেৰা ! বাটৰুৱা,
কাবউ কৰিছো হাতযোৰ কৰি ;
অকলে এৰি থৈ নাযাবা মোক,
আলাই আথানি কৰি ।

কেনিনো যাবগৈ লাগে,
চকুৰে নেদেখো মই ;
ইফালে সিফালে খুন্দা খাই,
য'তে ত'তে পৰোঁ গ'ই ।

এটুপি মাথোন চকুৰ লো,
এখনিয়েই কোমল হিয়া ;
এষাৰি মাতেৰে মোক
সহায় এফেৰি দিয়া ।

খোজে প্ৰতি উজুটি খাওঁ,
চুলিৰ আগে যায় জীৱ ;
হায় ! এনে দশা মোৰ,
জনমেই বা ললো কিয় ?

সাবথি মাথোন এই,
কণাৰ লাখুটি ডালি ;
তাৰেহে খোপনি পুতি,
যাও কোনোমতে হালিজালি ।

হায় ! কিযে কপাল মোৰ,
এয়েনে আছিল লেখা ;
তুমিয়েহে তৰোৱাহি,
ভাঙি এই মহা লেঠা ।

মঃ আয়েজুৰ ৰহমান
১ম বাৰ্ষিক (কলা)




শ্ৰীতৃষ্ণা বৰুৱা
স্নাতক ১ম বাৰ্ষিক ( কলা )

সময়ৰ বালিচৰত খোজ কাঢ়ি কাঢ়ি
গৈ গৈ বহুদূৰ পালো।
এটি দুটি পদচিহ্ন ৰাখি—
অতীতৰ মাথো সাক্ষী হৈ ৰ'লো।
মানৱী জীৱনৰ আশা ভৰা কল্পনাক ৰূপ দিবলৈ
সাঁচি ৰখা সাধনাক প্ৰাণ দিবলৈ
আৰু বহু বাকী ;
কিন্তু, বিবেকৰ স্খলন দেখি
আজি কিয় চক খাই যাওঁ ?
নিজৰ ছাঁ দেখি নিজেই বাৰু
কিয় ভয়াতুৰ হওঁ ?
কাহানিবা জানো ভাবিছিলো
জীৱনক এই পথে নিম আগুৱাই !
ভাবিছিলো সংঘাট বিহীন এক বক্তিম আভাবে
জীৱনটোক থ'ম পোহৰাই !
কিন্তু, সেই বক্তিম আভাবোৰ জুই শিখা হৈ
বহুজনক পুৰি পুৰি ছাই কৰি
ৰাখিছে পৃথিৱীত এক কালজয়ী মায়া।
আমি জানো ভাবো কেতিয়াবা ?
মানৱী জীৱন যে এক কায়া।
ভয় আৰু শঙ্কাৰে,
অন্ধকাৰ নিৰ্জনতাক সাক্ষী ৰাখি
অকলশৰে ভাবো কেতিয়াবা
সেই আশা, সেই কল্পনা, সেই সাধনা
সকলোবোৰ জানো বালিচৰৰ বালিঘৰ হব ??? ☙




মঃ জালাল উদ্দিন আহ্মেদ
স্নাতক ১ম বাৰ্ষিক (কলা)

সংকল্প ..... ।

আহা সংকল্প লও আমি ।
এই সন্ধিক্ষণত, ...... .......
মাতৃৰ শপত খাই ।
আমাৰ জীৱন যে.... ... ....
সেউজী সপোন নহয়,
ইযে আশা আৰু সাহসৰ সপোন "গথ" ।
মাতৃৰে মোহিনী শক্তিৰ প্ৰতীক ।
শত সহস্ৰজনৰ মুক্তিৰ সৈনিক ।
প্ৰতিশ্ৰুতি, দিও আহা............ ।
পাহৰি যাওঁ অতীতৰ কলঙ্ক গ্লানি
সমস্বৰে গাওঁ আমি মাতৃৰ জয়ধ্বনি
প্ৰেৰণাৰ কৱচ ৰূপে অতীতক স্মৰি
ককাল বান্ধি আমি যুঁজি যাম........ ,
মৰণ পনৰ সংকল্প লোৱাৰ সময়.........
ঐক্যৰ এনাজৰিৰে টঙালি বন্ধাৰ সময়,
আমিয়ে ৰক্ষক দেশৰ ধৰণী
সমস্বৰে গাও আমি মাতৃৰ মুক্তি বাণী ।
এতিয়া ইয়াত বিৰাট আন্ধাৰ
মাতৃৰ ইতিহাস তেজৰ চেকুঁৰাও ।
প্ৰসৱ বেদনাত মাতৃয়ে ছটফট কৰিছে ।
হয়তো অলপ পিছতে সূৰুয উপজিব ।
উদ্ধাৰিব লাগিব মাতৃৰ ইতিহাস,
ৰক্তাক্ত হাতেৰে হলেও .. ..... ...,
এয়ে হওঁক আমাৰ সংকল্প ।

●

# প্ৰতিশ্ৰুতি মৃত্যুঞ্জয়ৰ

শ্ৰীবলো মণি ৰাজবংশী
উঃ মাঃ ১ম বাৰ্ষিক
(বিজ্ঞান বিভাগ)

পৃথিৱী যেন এখন জন মহাসমুদ্ৰ অচিনাকি পথৰ
প্ৰতিটো উশাহত উঠিছে আৰু নামিছে অলেখ ঢৌ
ইটোৰ পিছত সিটোকৈ
যেন কেৱল মানুহ আৰু মানুহ
আজি উখহি উঠিছে হেজাৰ বিজাৰনৈ
যেন ব্ৰহ্মপুত্ৰ-সিন্ধু আৰু গংগা-যমুনা
একে লগ হৈ
যেন বহাগ, জেঠ, শাওঁণ মাহৰ অলেখ উত্তাপ হৈ
কঁকালত টঙালি বান্ধি উৰন্ত গতিৰে
লক্ষ্য স্থানলৈ
পঁুৱতী নিশা দুৰন্ত গতিৰে উজনীৰ পৰা নামনিলৈ নামি অহা বেলখনৰ
কলিজা কঁপোৱা সেই উকিটোৰ দৰে
ইমূৰ সিমূৰ বিয়পি গৈছে
সেই অজেয় বতৰাটো
লগে লগে তেজৰ প্ৰতিটো বন্ধে বন্ধে সৰি পৰিছে
তাৰ অদ্য প্ৰস্ফুতিত জীৱনটো আৰু যৌৱনটো
মুকুতা-মুকুতা যেন হৈ জিলমিলাই উঠিছে
দেশখনৰ প্ৰতি টুকুৰা জেকা মাটিত বুলেট বিদ্ধ শোণিত বিন্দু
কমাৰ শালৰ প্ৰতিটো হাতুৰীৰ নিৰ্মল কোৱত চিতিকি পৰিছে
টিক্ টিকিয়া বঙা কৰা তীখাৰ স্ফুলিঙ্গ
যেন জ্বলন্ত সূৰ্যটোহে খহি পৰিছে
কিন্তু তাৰ প্ৰতিটো দৃষ্টিত উজ্বলিছে
সেই দুৰন্ত প্ৰতিশ্ৰুতি

হাতুৰীৰ প্ৰচণ্ড কোবতো যিটো হোৱা নাই খণ্ড-বিখণ্ড
কোনকালে কোনো দিনে
আকাশে বতাহে সকলোতে আজি উঠিছে বাজি কেৱল
সেই একেটি গান
তাৰ প্ৰতিটো মূৰত জ্বলি উঠিছে আজি
হেজাৰ শোণিত চাকি
তাৰ প্ৰতিটো পোহৰত সকলো আওৱান
তাৰ প্ৰতিটো নিশাহত সেই চিনাকি হাঁহি
কেৱল প্ৰতিশ্ৰুতি দুৰন্ত মৃত্যুঞ্জয়ৰ ॥

## মোৰ দেশ আৰু মানুহৰ

কুমাৰী ননীমণি মজুমদাৰ
স্নাতক মহলা কলা
( ৩য় বৰ্ষ )

শিহৰণ জাগে ! নিবন্নদিনৰ প্ৰাত্যহিকতাত,
নিষ্পাপ পপীয়াতৰাৰ প্ৰগতিত,
ধ্যানভ্ৰষ্ট অৰ্দ্ধনগ্ন যুৱতীত !
দৃপ্ততা আৱেশিত মোৰ দেশ আৰু মানুহৰ ।

ক্ষুধাসিক্ত জনতাৰ উদং ভৰালত
ৰূপতলী পথাৰৰ অনু-উদিত ৰঙা সূৰুয়।
দুষ্কৃতিৰ জীপাল কক্ষৰ উত্তাল-তৰংগ
বিভীষিকা স্বৰ্ণমঠ ।
জাগৰিত সত্বা মোৰ দেশ আৰু মানুহৰ ।

ৰুদ্ধহিয়াৰ তেজত অংকুৰিত
শৃংখল খোলাৰ আহ্বানত
কৰ্কশ ওঠৰ শব্দৰ স্বৰ ;
উত্তিষ্ঠত গৰজে বৃথা যৌৱন আৰু
শতাব্দীৰ অনিৰুদ্ধ চিএৰে
মোৰ দেশ আৰু মানুহৰ !

□




এটি জীৱন্ত ;
এটি বাস্তৱ ।
স্রষ্টাৰ আচৰিত
স্ৰজন
এটি মিঠা, সুমধুৰ
সাগৰৰ তীৰত
চেতাবৰ পৰা
ওলোৱা……
এটি অমৃত ধনি !
লাহী আঙুলিৰ পৰশত
জীৱন্ত হোৱা চেতাৰ !
কুলি কেতেকীৰ মাতক
আওঁকাণ কৰি
কাবোবাৰ কণ্ঠত
সাগৰৰ তীৰত
প্রতিধ্বনিত হয়
এটি সুললিত ধ্বনিৰ
যাৰ বৰ্ণনাৰ অন্ত নাই
হাঁহিত পূৰ্ণিমাৰ
জেউতি চৰে
চকুত দেখা পোৱা
জোনালীৰ মনোমোহা
দীপ্তি…………
অপৰূপা এটি
নাম…………
এটি জীৱন্ত ;
এটি বাস্তৱ
স্রষ্টাৰ আচৰিত
স্ৰজন ।

শ্রীকনকলতা দেৱী
স্নাতক মহলা কলা
( প্রথম বাৰ্ষিক )




ইনামোৰ হুছেইন।
স্নাতক ১ম বাৰ্ষিক ( কলা )

মোৰ এই অনিৰুদ্ধ যাত্ৰাৰ
পলে পলে ভাৱিছো
ওৱেচিচ কিমান দূৰ ?
সৰে ইতিকিং কৰা
সীমাহীন বালিত
মৰি মৰিও জীয়াই থকা
হে সহযাত্ৰী
তুমি মোৰ সতে আগবাঢ়া।

মই হাঁহিছো
তোমাৰ স্বপ্ন ফুলৰ মালা দেখি
তোমাৰ প্ৰেয়সী কেতিয়া আহিব
এই তপ্ত বসুমতী ফাটি
নিজৰাই কেতিয়া প্ৰাণ পাব ?
তুমি সাৱধান হোৱা
এইয়া যে শতিকাযোৰা
ধুমুহা শিলাবৃষ্টি
কিন্তু ! কিমান দিন ?
হে ধুমুহা
হে দেৱতা
মোক তুমি উৰুৱাই লৈ যোৱা
স্মৃতিৰ স্তম্ভলৈ।



# দুপৰ ৰাতিও উজাগৰে থাকোঁ

শ্ৰীভানু হাজৰিকা
স্নাতক ১ম বাৰ্ষিক (কলা)

( ১ )

দুপৰ ৰাতিও উজাগৰে থাকোঁ—
গভীৰ ৰাতি নুপুৱাই
ই মাথো সোঁৱৰাই দুখৰ স্মৃতি,
মনলৈ অবাধে আনে
এটিৰ পিছত আন এটি বেদনা
ভাগৰুৱা দেহটিক
নিদিয়ে অকণো জিৰণি লোৱাৰ সুবিধা।

( ২ )

দুপৰ ৰাতিও উজাগৰে থাকোঁ—
সুদূৰত ৰিণি ৰিণি শুনা পাওঁ
কত লঘোনীয় শিশুৰ করুণ আৰ্তনাদ,
কত শত নিৰাশা মাতৃৰ—
হতাশাত চূৰ্ণ-বিচূৰ্ণ হৈ যোৱা হিয়া
কিন্তু
হতাশাই জানো প্ৰশ্ৰয় পায় ?

( ৩ )

দুপৰ ৰাতিও উজাগৰে থাকোঁ—
আঃ গুমগুমাই, মহতিয়াই যোৱা
বিস্ফোৰিত শব্দৰ অখণ্ড কোঢ়াল,
এই কোঢ়াল —ক্ৰমশঃ
গভীৰৰ পৰা মৌন হয়
আকৌ মৌনতাই বজাই
নিদ্ৰাৰ করুণ মুৰুলী।

( ৪ )

দুপৰ ৰাতিও উজাগৰে থাকোঁ—
অৱসন্ন এন্ধাৰত
এটি মাংসহীন দীঘল ছায়াই ;
সন্মুখত আগভেটি ধৰে—
ক্লান্ত আৰু অৱশ শৰীৰত
এনেকৈ প্ৰতিটো বিপন্ন ৰাতিৰ এন্ধাৰ
আজুৰি আজুৰি পাৰ কৰি দিছোঁ।

( ৫ )

দুপৰ ৰাতিও উজাগৰে থাকোঁ—
তথাপিও
জাগ্ৰত চেতনাই লৈ আহে,
প্ৰভাতৰ সোণালী কিৰণত—
সন্মুখত পৰি থকা বিশাল কৰ্মৰাজিক
জগাই তুলিবলৈ ॥

আজিয়েই দিয়া কাইলৈ কিয় ?
কোনে জানে মোৰ কালি কি হব ?
হাজাৰ হাজাৰ বছৰ বিয়পা
হয়তো অতীতে সামৰি থব।

ওমৰ খৈয়াম




মুছাদ্দিক হুছেইন
স্নাতক ১ম বাৰ্ষিক
( কলা )

সৃষ্টিৰ শলিতাগছি জ্বলিল আদিম প্ৰভাতত,
বিশ্ব দৰবাৰত তাৰ প্ৰভাৱ কাহানিবাই পৰিল ।
কোনোবা নিশা বস্ত্ৰবিহীন কাচিমে অনুভৱ কৰিলে
পৃথিবীৰ দুটা শক্তি এটা হ'ল পুঁজিবাদী আনটো সমাজবাদী,
আমাৰ গাত তাৰ প্ৰভাৱ বাকৈয়ে পৰিল ।
সৃষ্টিৰ কোনোবা জীৱই টানিলৈ ফুৰিছে,
এটাই আনটোক বিক্ষাত টনা মানুহৰ দৰে !
কুৰি শতিকা পাৰ হৈ একৈশ শতিকা পাৰ হওঁক
কি ক্ষতি লাঞ্চিত, বঞ্চিত মদনৰ, মতলিবৰ
সকলো শতিকাতে সিহঁতে হাল বায়, কোৰ মাৰে
আৰু মাথোন এহাল বুঢ়া হালোৱা গৰু ।
ঠেলা চলোৱা জাবেদৰ খাপ নোখোৱা কনক ঠিকাদাৰৰ
চাৰিমহলা বিল্ডিংটোৰ ওচৰত এটি ভগাঁ পজাঁ ।
টি, ভি, গাড়ী, ৰিফ্ৰিজাৰেটৰ আৰু এটা পাচ মহলাৰ বিল্ডিং,
এইবোৰবে ভূয়সী প্ৰশংসা হাঁহি উঠা বৰ্তমান শতিকা, !
পাচ মিনিটতে পৃথিবী ধ্বংস হোৱা বৰ্তমান যুগ
বিজ্ঞানৰ যুগ, পাৰমাণৱিক যুগ, একৈশ শতিকাৰ যুগ,
হাঁহি উঠা যুগ !

শ্ৰীজিতেন হাজৰিকা
৩য় বাৰ্ষিক, বি, এ,

# তোমালৈ মনত পৰে

মৰমৰ ককাদেউতা
ত'ৰে পৰা লোৱা নমস্কাৰ,
তযু সাহিত্য কীৰ্ত্তি আমি স্বাদ লওঁ
আমাৰ হিত সাধিলা অপাৰ।
কবিতা, নাট, শিশু পুথি আৰু যে কিমান
লেখ জোখ দিব নাই শক্তি ;
তযু সাহিত্য সাগৰত আমি নাহুৰিছোঁ
নত-শিৰে নিবেদিছোঁ ভক্তি।
কবিতাৰ পুথিবোৰ কি যে শুৱলা
'মণিকুট' 'ফেহুজালি' 'জয়তু জননী'
'সাহিত্য-তীৰ্থ' সাজি 'ৰক্ত জবা'ৰে পুজি,
'ৰণ ঝংকাৰে' কৰিলা 'পাঞ্চজন্য' ধ্বনি।
'কণুক জুনুক' কৰি নুপুৰ পিন্ধি
সাজি কাছি ওলাল বাংঢালী,
'মণিমালা' 'মুকুতামালা' পিন্ধি,
কাব্য হ'ল 'কৌমুদী' 'দিপালী'।
'গান্ধী মালিকা' 'মানিকী-মধুৰী' আৰু 'ঝংকাৰ'
ফুলিল 'অপৰাজিতা' ধৰি 'ঐক্যতান,'
'শৰতৰ সুৰ'ৰ লগত 'গগনাৰ সুৰে'
উল্লাসি তুলিলে 'তপোবন'।
'শতাব্দীৰ অৰ্ঘ্য লৈ 'কণ জুনৰ জিলমিল,'
তযু কাব্য কি যে মৌ-সনা,
'মুক্তি গায়ত্ৰী' মহামন্ত্ৰ জপি,
কৰিলা 'সুন্দৰৰ আৰাধনা'।

(অসমীয়া সু-সাহিত্যিক ৺অতুল চন্দ্ৰ হাজৰিকাৰ পবিত্ৰ স্মৃতিত)

# সঁচা
# ম
# মৰম
# ম নাথাকিলে

শ্ৰীধনেশ্বৰ বৰুৱা
প্ৰাক্তন সাহিত্য সম্পাদক

নীল আকাশৰ
লহৰৰ কলি সপ্তঋষি
তাৰেই পঞ্চম ঋষি
ভূপেন, ভূমিত পৰিল ।
সৃষ্টিৰ আদিত
"তুমি আৰু মই"
তুমি যে কৈছিলা
ক'ম'ন ৰুমত
নপৰিলনে অকনো
মোলৈ মনত
দুই জুলাই সাতাশীৰ
আবেলি পৰত ।
সৌ সিদিনা লগ হলোঁ
মনৰ কথা বহু পাতিলো
গাৱলৈ যাওঁতে
মোৰ সতে খেলোতে
সাঁতুৰি নাছুৰি
ৰূপহীৰ বুকুত
কতনা লুকালোঁ ।
তুমি দেখোন নাপালা আমনি
ঐ ভূপেন, তুমি দেখোন আঁতৰি গলা ?
তুমি জানো নাজানাঁ
নে পাহৰিলা
সকলোঁ কামৰে ফল
জয় আৰু পৰাজয়ৰ
যি কোনো এটা নিশ্চয়
নে ভাবিয়ে নাপালা ?
বুল— ?
তুমিটো দেখা নাই
পিতৃৰ খোজ টিলা হল
মাতৃৰ বুকু সুধা হ'ল
ভাতৃৰ বল হ্ৰাস হ'ল
বন্ধুৰ হাঁহি লুকাল
শিক্ষাও হ'ল অৰ্দ্ধ
কিন্তু, দেখুৱাই দিলা প্ৰেমিকাক
ৰাম সীতা হনুৰ গৰ্ভত ।
ঐ বুল চোৱাছোন
তোমাৰ চোতালত আজি
কত-শত আলহি
পুষ্পেৰে ঢাকিলে
লাহি দেহাটি ।
যোৱা ......
ঐ, আকৌ আহিবা দেই
আমাৰ মাজলে
পুনৰ শুনিম আমি
'খনিনৰ' সতে
"অ তেনেকৈ নাচাবা গাভৰু ছোৱালী
সঁচা মৰম নাথাকিলে ।"

# শব্দৰ নতুন খেতিয়ক

শ্ৰীচিত্ৰ জ্যোতি নাথ
উঃ মাঃ শ্ৰেণী
২য় বাৰ্ষিক (বিজ্ঞান)

মই এজন খেতিয়ক,
পুৰণি কৃষ্টিৰ পথাৰত-শব্দৰ নতুন খেতিয়ক
নাঙলৰ পৰিবৰ্ত্তে ব্যৱহাৰ কৰো মই
নিজৰা কলম।
মই এজন খেতিয়ক,
সাম্প্ৰতিক যুদ্ধৰ বতাহত উৰিফুৰা
শব্দৰ নতুন খেতিয়ক,
মোৰ শব্দই সৃষ্টি কৰে চৌদিশে বিদ্ৰোহ
নিষ্পেষিত-জৰ্জৰিত সকলৰ বাবে কৰে বিদ্ৰোহ।
মই এজন খেতিয়ক,
মোৰ আইৰ উদং বক্ষ ঢাকি দিয়া,
শব্দৰ নতুন খেতিয়ক,
দিনে নিশাই সৃষ্টি কৰো মই—
নতুন নতুন শব্দ
এই শব্দ হওঁক দুৰ্নীতিৰ বিপক্ষে এপাত তীক্ষ্ণ কাড়
আৰু ই পাৰ হৈ যাব শ-শ বাধাৰ প্ৰাচীৰ
মই এজন খেতিয়ক
নতুন পুৰুষক পথ দেখুৱা—
শব্দৰ নতুন খেতিয়ক,
মই মোৰ সতে, শব্দৰ সতে বিদ্ৰোহ কৰো নতুন পুৰুষৰ বাবে।
মোৰ দেউতাৰ গুলি খোৱা তেজলগা পতাকাখন লৈ মই
বিদ্ৰোহ কৰো শব্দৰ সতে
শত্ৰুৰ অনেক বাধায়ো তলাৰ নোৱাৰিব মোৰ বিদ্ৰোহক

মই সাহস পাওঁ দেউতাৰ তেজলগা পতাকাখন লৈ—
বিদ্ৰোহ কৰিবলৈ ।
মই এজন খেতিয়ক
ভাষা সংস্কৃতিৰ উৰ্ৱলি যোৱা মঞ্চৰ
শব্দৰ নতুন খেতিয়ক
মোৰ শব্দই অপ-সংস্কৃতিক নাশ কৰি
থাপিব সংস্কৃতিক নতুন মঞ্চত ।
মই এজন খেতিয়ক
পুৰণি কৃষ্টিৰ ছিৰালফটা পথাৰত
শব্দৰ নতুন খেতিয়ক



## এমুঠি কবিতা

শ্ৰীচন্দ্ৰ কান্ত হাজৰিকা
স্নাতক মহলা কলা
প্ৰথম বাৰ্ষিক

( ১ )

সংঘাত অতীত গচকি অহা মোৰ বৰ্ত্তমান
সহস্ৰ প্ৰেৰণাৰ মাজত মোৰ ভৱিষ্যত,
উজ্বল মুখৰ মোৰ হাঁহিময় সত্বা ;
জীৱন নামেৰে সেয়ে হওঁক এটি সৰু কবিতা ।

( ২ )

হে দেৱী ! তুমি মহান
হৃদয়ত আজীৱন তোমাৰেই গান ।
তোমাৰ প্ৰণতি গীতি সবল হৃদয় খনি,
সেয়ে যেন হয় মোৰ তোমালৈ সেৱা উপাদান ।

( ৩ )

অমৰ আত্মাজ্ঞান আজীৱন হৃদয়ত,
মহাত্মা সিজনাই অন্যায়ী কায়াটিক কৰে সংহাৰ ।
মানৱতা জ্ঞান মই পাওঁ সিজনাৰ,
মহাত্মা সিজনাকে৷ অহোৰাত্ৰ মই প্ৰণতি জনাওঁ শতবাৰ

## স্বাগত হে মাতৃৰ পূজাৰী

মিচ্ ডিম্ব হাজৰিকা
স্নাতক (কলা)
(১ম বাৰ্ষিক)

স্বাগত হে মাতৃৰ পূজাৰী
যাচিছোঁ তোমাক প্ৰীতি উপহাৰ ;
মোৰ হৃদয় উজাৰি
আহাহে পূজাৰী
পূজা উপহাৰ লৈ ।

মোৰ হিয়া কাননৰ
কুসুমৰ চাকি
ৰাখিছোঁ যতন কৈ ॥
কৰাহে আৰতি, শক্তি সাধনা গাণ ॥

দিয়াহে আহুতি স্বাৰ্থ বাসনা
ভক্তি-অৰ্ঘ্য বিভূতি মান ॥
পুষ্প পাৰিজাতে
শোভিছে ধৰণী
জনমভূমিৰ দান ।
ই মহাদানৰ পূৰ্ণ গৰিমা
পৰশে তোমাৰ প্ৰাণ ॥
জনমভূমিৰ আশীষত হব
উচ্চ তোমাৰ শিৰ
কৰ্ম্ম তোমাৰ
জনম সাধনা
তুমি হে কৰ্ম্মবীৰ ॥

□

## "চাৰ্কাচৰ বাঘ"

শ্ৰীসাধিৰাম বৰা ।
প্ৰাক্তন ছাত্ৰ

মই আৰু বুলবুল
গৈ আছো
গভীৰ অৰণ্যৰ মাজলৈ
বুলবুলক এটা বাঘ পোৱালি লাগে
তাৰ সন্ধানত— ।

বনৰ বাঘক শিক্ষা দি
তাই ভাষা জননীক সেৱা কৰিব ।
দেউতা সোৱা কিহৰ
বিভীষিকা ?
তাই ভয়ত মোক
সাৱটি ধৰিলে
মই আৰু বুলবুল
চাই ৰ'লো ...............

বুলবুল !! আমি উভটি যাওঁ ব'লা
আজি গভীৰ অৰণ্যত
পশু-পখী আৰু "বাঘ" নাই—
সোৱা বিভীষিকা মাথোন !!

□

# মোৰ দেশ

শ্ৰীপবিত্ৰ কুমাৰ শৰ্মা।
স্নাতক মহলা
প্ৰথম বাৰ্ষিক ( কলা )

এইখনেই মোৰ দেশ,
চিৰ চেনেহী
চিৰ ৰূপহী ভাৰত—,
য'ত দেশৰ আইন আছে সংবিধানত,
শাসকে মুখা পিন্ধি নাটৰ আখৰা কৰে,
শাসনৰ বাঘজৰী হাতত পৰিলে
ক'লা আইন জাৰি কৰি
হাৰাশাস্তি কৰে জনগণক
এইখনেই মোৰ দেশ,
য'ত যুগ যুগ ধৰি আখৰা চলিছে
'ৰকাসুৰ বধ'ৰ
কিন্তু ৰকাসুৰৰ মৃত্যু আজিও যে হোৱা নাই,
হৈছে মাথো কৌৰৱৰ ৰাজসভাত
দ্ৰৌপদীৰ বস্ত্ৰহৰণ,
দুঃশাসনৰ ভীষণ প্ৰতাপ ।
এইখনেই মোৰ দেশ
য'ত বিচাৰত জ্ঞান নাই
নৰঘাটকীও মুক্তি পায় পৰ্দাৰ আঁৰত,
বিবেক বন্দী কৰি
মিছাকেই আশ্ৰয় কৰি
মিছাকেই সঁচা কৰে
বিচাৰ সভাত।
এইখনেই মোৰ দেশ
য'ত হাজাৰ মাতৃৰ বুকু সুধা কৰি
হাজাৰ শ্বহীদে বুকু পাতি দিলে
দেশৰ বাবে,
শ্বহীদৰ বুকুৰ তেজেৰে লিখা ৰ'ল
নেলী, ছিপাঝাৰ, গহপুৰ, চমৰীয়া
দেশৰ বুৰঞ্জীত ।
এইখনেই মোৰ দেশ
চিৰ চেনেহী
চিৰ ৰূপহী ভাৰত ।

□

শ্ৰীৰুণুপ্ৰভা চহৰীয়াৰ
একাদশ শ্ৰেণী
১ম বাৰ্ষিক (কলা)

# কবিতা ৰচা নহ'ল

কোনেও নিদিলে মোক
এটি সঁচা ভাষা
কবিতা ৰচিবলে :
সুনীল আকাশ আৰু
জিক্‌মিক্ তৰালীয়েও।
প্ৰচণ্ড ধুমুহাত দৌৰি ফুৰা
শুকুলা ডাৱৰবোৰ,
কঠিন শিলত ঠেকেচা খোৱা
সৰু সৰু জুৰিবোৰে,
এটিও দিয়া নাই ভাষা
অন্তৰৰ কবিতা ৰচিবলে।
লুইতৰ বহল বুকুত—
আশাবোৰ শেষ হোৱা নাই,
কিন্তু ভাষাবোৰ গ'ল ক'লৈ!
এটি কবিতা ৰচিবলে, হৃদয়ৰ।
সেউজীয়া ঘাঁহনি আৰু
বেদনাহীন উৰণীয়া চৰাইবোৰে
একো নকয়!
আনকি গাভৰু পৃথিৱীয়েও।
অৱশেষত পালো—
কেইটামান অব্যক্ত সঁচা ভাষা
এতিয়া সেইবোৰ লুকাই আছে
ভগা পজাঁ আৰু লঘোনীয়া পেটত।

শ্ৰীঅতুল কুমাৰ মেধি
উচ্চতৰ মাধ্যমিক
বিজ্ঞান (শাখা)

# আক্ষেপ·········

কি সেইবোৰ ?
নৰকঙ্কাল, প্ৰেতাত্মা নে ভূত ?
নিৰ্মম প্ৰহৰীৰ বলি-শালত
জননীৰ মুক্তিৰ বাবে
কেঁচা শোণিত যাঁচি (সিহঁতে)
বোলালে জাতীয় ইতিহাস!
দেশদ্ৰোহী বদনহঁতক
ধাৰাশায়ী কৰা কৌশল,
দেশ মাতৃৰ প্ৰত্যাহ্বানত -
সিহঁতৰ আত্মত্যাগ প্ৰতিভাত,
শান্তি, প্ৰগতি আৰু ঐক্যৰ বাবে।
দাবানলৰ লেলিহান শিখাই
দেই পুৰি জননীক কৰিলে নিঃস্ব
ক'লা বজাৰ, সাম্পদায়িকতা আৰু
বৰ্ঘমালাৰ কৰাল গ্ৰাস,
সিহঁতৰ বলিদানত ধন্য।
ককাদেউতাৰ ধপাতৰ ধোঁৱাত
সিহঁতে কিৰিলি পাৰে।
ডাৱৰৰ মাজত মুখ লুকুৱাই
মিচিকিয়াই হাঁহে,
উত্তৰ পুৰুষ !
তোমালোকে আমাক শান্তি দিয়া !

শ্ৰীকৃষ্ণ কান্ত বৰা
স্নাতক ২য় বাৰ্ষিক
( কলা )



# বিষ্ণু ৰাভালৈ এটি প্ৰশ্ন

তাহানি কোনোবা কবিয়ে
প্ৰশ্ন কৰিছিল,
বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি ?
সেই সময়ত হতাশাৰে ভৰা
অসমী আইৰ অৱস্থা দেখি
ৰাভাৰ আত্মাই একোকে নকলে
মাথো চকুলো টুকিলে
চৈধ্য আগষ্টৰ পুৱতি নিশাৰ
অসম চুক্তিয়ে
আন্ধাৰ কিছু ফালিলে
সূৰ্য্যৰ কিৰণো ওলাল
কিন্তু কৰ পৰা জানো
এচপৰা ডাৱৰে আহি
সূৰ্য্যটো ঢাকিবলৈ
চেষ্টা কৰি আছে,
এতিয়া একেজন কবিয়ে
ৰাভাক প্ৰশ্ন কৰিব
বিষ্ণুৰাভা ডাৱৰ আতঁৰাই নিয়া
ৰতাহছাতি
কেতিয়া আহিব ? □

## ঃ দুটি গীত ঃ

দিগন্ত কুমাৰ বৰুৱা
স্নাতক মহলা (কলা)
১ম বাৰ্ষিক


( ১ )

এই মাটিৰ বুকুতেই
মই ৰচিছোঁ সপোন নতুন দিনৰ
হেঙুলী আভা দেখিছোঁ সুৰুযৰ
নতুন প্ৰভাতত ॥

মোৰ দেশৰ সেউজী পথাৰত
শাওঁণৰ বৰষুণ যেতিয়া সৰে
মোৰ ঘামেৰে ভৰা মুখখনি
হাঁহিৰে উপচি পৰে ॥

এই মাটিৰ মৰমতে
জীয়াই থাকিম বহুদিন
সুৰ ধালি ধালি গাম
মোৰ এই গীত ॥

□



( ২ )

কেতিয়াবা কিয় বাৰু
বেদনাৰে উপচি পৰে,
মোৰ হৃদয় খনি !

বিচাৰে সিক্ত পৰাণে
তোমাৰ এবুকু মৰমৰ
চুমাৰ পৰশমনি ॥

মোৰ চেনেহ পজুলীলৈ'
তুমি আহিবা জানো
বকুল ফুলৰ মালা লৈ ( ? )

হেমন্ত ঋতুৰ প্ৰতিটো পুৱাতে
বহুতো আশাৰে আছোঁ ৰৈ
বাট চাই চাই তোমালৈ ! □

# মাদাৰ টেৰেছা

মিছ চফিকা চুলতানা বেগম
স্নাতক মহলা (১ম বাৰ্ষিক)

আলবেনিয়াৰ সন্যাসীনি
দৰিদ্ৰতাৰ মাতৃ
হে! মাদাৰ টেৰেছা !
ভাৰতত আহি তুমি
কৰুণা আৰু প্ৰেমৰ বলত
কৰিলা আহ্বান
তোমাৰ বাহুত
মানুহ ৰূপী জীৱৰ
এক কঙ্কাল ৰূপক।
সেৱা আৰু ত্যাগেৰে কৰি গ'লা
তোমাৰ কৰ্ত্তব্য।
মতিঝীল বস্তিত দেখিলা তুমি
তোমাৰ সেই কঙ্কাল সন্তান !
তুমি ললা দুবাহুত
মানুহ ৰূপী দেৱক
দিলা মৰম,
দিলা স্নেহ,
দিলা আশ্ৰয়।

অমাৰ্জিত, অনাদৃত শিশুৰ বাবে
তোমাৰ প্ৰেমেৰেই দিলা গঢ়
"শিশু ভৱন"।
কালিঘাটত "নিমল হৃদয়" প্ৰতিষ্ঠা কৰি
বিকশিত কৰিলা তোমাৰ
মাতৃ হৃদয়!
তোমাৰ মৰমেই
তোমাৰ স্নেহেই
কৰিলে পৰিবৰ্তন
সেই কঙ্কাল ৰূপক।
নীলাপাৰিৰ বগা আবৰণে
ঢাকিলে তোমাৰ সৰ্বশৰীৰ।
বাওঁ কান্ধত ক্ৰশ পিন্ধি
হ'লা তুমি
কৰুণাময়ী
মাদাৰ টেৰেছা।

●



## -ঃ এটি তেজৰঙা গোলাপৰ কলি ঃ-

শ্ৰীধৰ্ম্মকান্ত বৰুৱা
বি. এ. প্ৰথম বাৰ্ষিক
( কলা )

হৃদয়ৰ মণিকুটত বিচাৰি পালোঁ
অৱশেষত তোমাক ।
ভগ্নদেউকাৰ পখীটোৱে
অত্যুগ্ৰ যন্ত্ৰণাটো
অতিক্ৰম কৰিবলগীয়া হয়
যেতিয়া সুদীৰ্ঘ পথ
মাজৰাতি
ক'ৰবাত বন্দুকে গৰ্জি উঠে
আৱৰণহীন হৃদয়ৰ অ'ত-ত'ত
বিচ্ছুৰিত হয় তোমাৰ ছবি,
কালৰাতি
আকাশখনে কেতিয়াবা কান্দি উঠে
উৰুখা পঁজাৰ ভিতৰত
মই মাথোঁ তোমাৰ কথাই ভাবোঁ ।
শান্তিৰ কপৌজনীয়ে
মোৰ বুকুৰ ভিতৰত কুণ দিয়ে
দুঃসহ যন্ত্ৰণাৰ মাজতো
মোৰ যৌৱনৰ প্ৰাচুৰ্য্য খিনি
জীৱনৰ সৌন্দৰ্য্য খিনি
লহপহকৈ বাঢ়ি আছে,
স্মৃতিবোৰ আছে প্ৰেৰণা হৈ
মই নতজানু হৈ যাওঁ
যেতিয়া মোৰ হৃচকুত জিলিকি উঠে
এটি তেজৰঙা গোলাপৰ কলি......

## গীত

ইদ্রিছ আলী এম, এ
অসমীয়া বিভাগ

ইচলামপুৰত থাকে অ' ৰাম
বামপুৰত ইচলাম
সম্প্ৰীতিৰে এনে মধুৰ
চানেকী ক'ত পাম ॥

অসমীৰে মাটিত আছে
একতাৰে গান
ইচলামপুৰত শঙ্খধ্বনি
ৰামপুৰত আজান ।
সমন্বয়ৰ এনে সঁচা
সাক্ষী ক'তে পাম ॥
ইচলামপুৰৰ ৰামে যদি
কান্দে হিয়া ধুনি
ৰামপুৰৰ ইচলামৰো
হিয়া যে যায় ভাঙি ।
এনে মিলন-তীৰ্থ ভূমি
ক'তে এখন পাম ॥

□

## "অসহায় যীশু"

মিচ্ দুলপ্ৰিয়া ডেকা
স্নাতক ১ম বাৰ্ষিক
( কলা )

তেজৰ নৈত গা ধুই
মানুহৰ বুকুত জ্বলা দপদপীয়া জুইৰ উত্তাপত
গা তপতাওঁ ।
বন্দুকৰ গুলীত হৃদয় পৰেনে ?
হয়তো নপৰে ।
সেমেকা চকুজুৰিত বোবা চাৱনি
জানোচা, গুলীবোৰ ফুল হয় ।
উৰ্দ্ধশ্বাসে দৌৰিছোঁ আমি অথালি-পথালিকৈ
কলিজাটো লুকাই থবলৈ ।
সন্মুখত এটি জনশূন্য অট্টালিকা
সোমাই গৈ দেখিলোঁ
ক্ৰুছত ওলমি আছে অসহায় যীশু ।
মৰা সাপৰ দৰে পৰি থকা এডাল সাকোঁ
তাৰ ওপৰত উঠি
উমান লৈছোঁ
তেজৰ নৈৰ গভীৰতা কিমান ?

□

ছু
টি
ক
বি
তা

—ৰমেন ৰায়




## মা
## মা নু হ
## হ


শিল্পী, তুমি মানুহ
অ‌ঁাকিব পাৰা নে ?
কেলেই নোৱাৰিম ?
অ‌ঁাকাচোন ।
এয়া অ‌ঁাকিলো ।
ইসবাম, ই দেখোন
ড‌ঁাৱবে ঢকা বেলি
জোন তৰা
আৰু—
সাপ বাঘ কুকুৰ ভালু
আজিৰ মানুহ ই নহয় জানো ? □

## অ
## অ বো ধ
## ধ


তোমাৰ মুৰত ?
টুপি ।
গাত ?
চোলা ।
ভৰিত ?
জোতা ।
চোৱা—
সৰ্বঅঙ্গযোৰ
ধুলিময়
তাৰ আকৌ
কিমান ধুলিৰ ভয় ? □

## মহাবিদ্যালয় সপ্তাহৰ প্ৰতিভাৰ ৰেঙণি ( ৮৬-৮৭ চন )



সুকুমাৰ কলা বিভাগৰ শ্ৰেষ্ঠ স্থান অধিকাৰ কৰোতা মিঃ কাবুল বেজবৰুৱা




বছৰৰ শ্ৰেষ্ঠ অভিনেতা শ্ৰীপ্ৰশান্ত নাথ




বছৰৰ শ্ৰেষ্ঠ সাহিত্যিক ডিম্বেশ্বৰ বৰুৱা


# মহাবিদ্যালয় সপ্তাহৰ প্ৰতিভাৰ ৰেঙণি ( '৮৬-৮৭ চন )



বছৰৰ শ্ৰেষ্ঠ নাট্যদল
( ঈশ্বৰ ওভতি যোৱা )
থিয় হৈ বাওঁফালৰ পৰা—কঙ্কন চহৰীয়া, গিৰীশ শইকীয়া ( শ্ৰেষ্ঠ পৰিচালক ), নিবেন দে, পিণ্টু চাহা ( তৃতীয় শ্ৰেষ্ঠ অভিনেতা )।
বহি বাওঁফালৰ পৰা—কৃষ্ণেন্দু ডেকা দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা, নাৰায়ণ চহৰীয়া, প্ৰশান্ত নাথ ( শ্ৰেষ্ঠ অভিনেতা )।



বছৰৰ শ্ৰেষ্ঠ কুইজৰ দলটি থিয় হৈ—বাওঁফালৰ পৰা শ্ৰীকৃষ্ণেন্দু ডেকা, শ্ৰীতীৰ্থজ্যোতি শৰ্মা। বহি—মঃ নুৰুল হুচেইন




(বছৰৰ তৰ্ক প্ৰতিযোগী) ৺মুক্তিনাথ গোস্বামী চলন্ত শ্বিল্ডৰ শ্ৰেষ্ঠা তাৰ্কিক মিচ্ মল্লিকা ভূঞা

# মহাবিদ্যালয় সপ্তাহৰ প্ৰতিভাৰ ৰেঙণি ('৮৬-৮৭ চন)



বছৰৰ শ্ৰেষ্ঠা গায়িকা
মিচ্ মুন্নু ডেকা



বছৰৰ শ্ৰেষ্ঠ দেহশ্ৰী
মিঃ খনিন্দ্ৰ ডেকা



বছৰৰ শ্ৰেষ্ঠ বহিঃদ্বাৰ (ল'ৰা)
খেলুৱৈ শ্ৰীকুশল ডেকা



১৯৮৬ চনৰ বছৰৰ ২য় শ্ৰেষ্ঠ
(NER) Map
Reder U. O.
Bhupen Sarmah



সাধাৰণজ্ঞান প্ৰতিযোগিতাত
শ্ৰেষ্ঠস্থান অধিকাৰ কৰোতা
শ্ৰীগৌতম দাস



১৯৮৫-৮৭ বছৰৰ Assam
Bn NCC ৰ Map
Reder S.U.O.
Chandan Baruah

## মহাবিদ্যালয় সপ্তাহৰ প্ৰতিভাৰ ৰেঙণি ( '৮৬-৮৭ চন )



একেৰাহে দুবছৰ টেবলটেনিচ
প্ৰতিযোগিতাত শ্ৰেষ্ঠা বিজয়ী
মিচ্‌ মনীকা দেৱী




বছৰৰ শ্ৰেষ্ঠা অন্তঃদ্বাৰ খেলুৱৈ
মিচ্‌ হিৰন্ময়ী চহৰীয়া




বছৰৰ শ্ৰেষ্ঠা বহিঃদ্বাৰ খেলুৱৈ
(ছোৱালী)
মিচ্‌ চুলতানা চালেহা বেগম



বছৰৰ শ্ৰেষ্ঠা নৃত্য প্ৰতিযোগী
মিচ্‌ নিশা ফাটোৱালী



বছৰৰ শ্ৰেষ্ঠ দৌৰবীৰ
গুঃ বিঃ আন্তঃ মহাবিদ্যালয় খেল
প্ৰতিযোগিতাত দুটাকৈ স্বৰ্ণ পদক
লাভ কৰোতা শ্ৰীকনক চন্দ্ৰ বৰুৱা



বছৰৰ শ্ৰেষ্ঠ অন্তঃদ্বাৰ (ল'ৰা)
খেলুৱৈ নাৰায়ণ চহৰীয়া

# মহাবিদ্যালয় সপ্তাহৰ প্ৰতিভাৰ ৰেঙণি ( '৮৬-৮৭ চন )




১৯৮৭ চনৰ ২৩ ৰ পৰা ২৯ জুলাইলৈ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অনুস্থিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বছৰেকীয়া বিশেষ প্ৰশিক্ষণ শিবিৰত প্ৰতিনিধিত্ব কৰা দলটি : ৰহি ( বাওঁফালৰ পৰা ) : সৰ্ব্বশ্ৰী মুকুল বৰুৱা ( অধিনায়ক ), অধ্যাপক ৰাজেন্দ্ৰ বৰুৱা, (কাৰ্য্যসূচী বিষয়া) মুক্তাৰাম কলিতা। থিয় হৈ (বাওঁফালৰ পৰা) : সৰ্বশ্ৰী নাৰায়ন চহৰীয়া, বিজন নাথ পূৰব ডেকা, ভবেশ শৰ্ম্মা বৰুৱা। গিৰীশ ভূঞা আৰু গজেন নাথক ফটোত দেখা নগ'ল ]

বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী



মিচ. অঞ্জনা চক্ৰৱৰ্তী

১৯৮৬–৮৭ চনৰ ছাত্ৰ একতা সভাৰ সদস্য বৃন্দ



বাওঁফালৰ পৰা বহি—

১। অধ্যাপক ড্ঃ বনেন্দু সেন ২। অধ্যাপক ৰমেশ চন্দ্ৰ শৰ্মা ৩।অ:গোপীনাথ শৰ্মা ৪। ডঃ পূৰ্ণ চন্দ্ৰ বৰা ( অধ্যক্ষ/ সভাপতি ) ৫। ড্যা:ৰাজেন্দ্ৰ প্ৰসাদ বৰুৱা ( ভাৰপ্ৰাপ্ত অধ্যাপক ছাঃ এঃ সঃ ) ৬। ড্যা:উষা বড়া ৭। ড্যা:বুজৰ বৰুৱা ৮। প্ৰণব বৰদলৈ ( প্ৰতাপ ) ( সাধাৰণ সম্পাদক )

বাওঁফালৰ পৰা থিয় হৈ—

১। ভাস্কৰ চহৰীয়া সম্পাদক, ছাত্ৰ জিৰণী কোঠা ২। প্ৰশান্ত নাথ সম্পাদক, সাহিত্য বিভাগ ৩। ধীৰেণ শৰ্মা সম্পাদক, সুকুমাৰ কলা বিভাগ; ৪। ভবেশ শৰ্মা বৰুৱা সহঃ সাধাৰণ সম্পাঃ ৫। দিগন্ত নয়ণ শৰ্মা সম্পাঃ ব্যায়াম শালা ৬। গিৰীশ শইকীয়া সহঃ সম্পাদক খেল ৭। নাজমিন ইচলাম সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা ৮। মিনাৰাম হাজৰিকা সম্পাঃ আলোচনী ৯। হিতেশ বৰুৱা সম্পাঃ সাংস্কৃতিক ১০। ধনেশ্বৰ বড়া সঃ সাধাৰণ সম্পাদক ১১। ৰাতুল হাজৰিকা সম্পাঃ সমাজ সেৱা। * আলোচনী তত্ত্বাবধায়ক অধ্যাপক মতিৰাম মেধি, তৰ্কবিভাগৰ সম্পাদক বঞ্জন বড়া, খেল বিভাগ সম্পাদক অঞ্জন ডেকা ফটোত নাই।




সাগৰিকা চহৰীয়া
স্নাতক ১ম বাৰ্ষিক
(কলা)


অনুপম বৰুৱাই দিয়া দায়িত্ব জানো ৰেখাৰাণী শইকীয়াই পালন কৰিব পাৰিব? এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি অধ্যাপিকা ৰেখাৰাণী শইকীয়াই চট্‌ফটাই ফুৰিছে। আজি তেওঁৰ মন সাগৰত এবি অহা বহুতো ঢৌৰ কঁপনি উঠিছে। চাৰি-পাঁচ বছৰ আগৰ কিছুমান সজীৱ স্মৃতি ৰোমন্থন কৰি তেওঁ আজি চকুপানীৰে গাৰু তিয়াই পেলাইছে। অনুপম বৰুৱাৰ সৈতে ৰেখাৰাণী শইকীয়াৰ সেই দিনবোৰ যে কি সুখৰ আছিল। যোৱাকালি সেই অনুপমেই ৰেখাৰ ওচৰত 'পুতৌ' ভিক্ষা মাগিবলৈ আহিছিল। এসময়ৰ প্ৰাণতকৈও অধিক ৰেখাই যেতিয়া অনুপমক "স্বাৰ্থপৰ" বুলি কটু কথা শুনাইছিল, তেতিয়া অনুপমে নিৰৱে চকুলো টোকাৰ বাহিৰে আন একো কৰ পৰা নাছিল।

ৰেখা আৰু অনুপমৰ চিনাকি হৈছিল – যেতিয়া দুয়ো একেখন মহাবিদ্যালয়ৰে ছাত্ৰ-ছাত্ৰী আছিল। অনুপম আছিল পি, ইউ ২য় বাৰ্ষিকৰ ছাত্ৰ আৰু ৰেখা আছিল মহাবিদ্যালয়ৰ নবাগত ছাত্ৰী সকলৰ এজনী। সেইবাৰ মহাবিদ্যালয় সপ্তাহত অন্যান্য বহু ছাত্ৰ-ছাত্ৰীৰ দৰে ৰেখায়ো গান গাইছিল। সুললিত কণ্ঠৰ অধিকাৰী ৰেখাৰাণী শইকীয়াই মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা গায়িকাৰ সন্মান অৰ্জ্জন কৰিবলৈ সক্ষম হৈছিল। মহাবিদ্যালয়ৰ চিনাকি অচিনাকি বহু ছাত্ৰ-ছাত্ৰীয়ে ৰেখাক অভিনন্দন জ্ঞাপন কৰিছিল। ৰেখায়ো তাইৰ স্বভাৱসুলভ মিচিকিয়া হাঁহিৰে প্ৰত্যুত্তৰ স্বৰূপে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছিল। তেনেকুৱা এটা পৰিস্থিতিয়েও ৰেখাৰ সম্পৰ্কীয় দাদাক দেৱাশীষে এজন অচিনাকি ল'ৰাক ৰেখাৰ লগত চিনাকি কৰি দি কৈছিল, "এওঁ মোৰ বন্ধু অনুপম বৰুৱা। এইবাৰ আমাৰ মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ সাহিত্যিক হৈছে।" দুয়োৰে মাজত নমস্কাৰ প্ৰতি নমস্কাৰ জ্ঞাপনৰ পিচত অনুপমে ৰেখাৰ সন্মুখতে তেওঁৰ গীতৰ, কণ্ঠস্বৰৰ প্ৰশংসা কৰিছিল। হৃদয়ৰ আটাইখিনি আনন্দ ৰেখাই তেওঁৰ লাজকুৰীয়া হাঁহিটোৰ মাজেৰেই প্ৰকাশ কৰিছিল।

সেইদিনা বিচনাত পৰাৰ লগে লগে ৰেখাৰ মনলৈ বাৰে বাৰে অনুপমৰ কথাই ভুমুকি মাৰিছিল। জীৱনত কোনোদিনে চঞ্চলতাক প্ৰশ্ৰয় নিদিয়া ৰেখাৰাণী শইকীয়াই সেইদিনা পোন প্ৰথম বাৰৰ বাবে এজন ল'ৰাৰ কথা চিন্তা কৰি চঞ্চলা হৈ পৰিছিল। সঙ্গীতানুৰাগী অনুপমেও যেন ৰেখাৰ মাজতেই তেওঁৰ প্ৰকৃত জীৱন সঙ্গীনীৰ ৰূপ দেখা পাইছিল। তাৰ পিচতেই আৰম্ভ হৈছিল ৰেখা অনুপমৰ জীৱনৰ এটা নতুন অধ্যায়। কলেজলৈ গলেই অনুপমে ৰেখাক লুকাই চুৰকৈ চাবলৈ লৈছিল। যি-দিনাই ৰেখাক দেখা নাপায়, সেইদিনা তেওঁৰ ক্লাচবোৰতেই মন নবহে। ৰেখাৰো সেই একেই অৱস্থা হৈছিল যদিও অনাবিল লাজে তেওঁক বোবা কৰি পেলাইছিল—কিজানি আনৰ চকুত তেওঁ ধৰা পৰিয়েই যায়। কিন্তু বাঢ়ি অহা লুইতক জানো ভেটিব পাৰে? ৰেখা অনুপমৰো সেই একেই অৱস্থা হৈছিল। অনুপমৰ পৰীক্ষালৈ তেতিয়া মাত্ৰ এমাহমান বাকী, সেই সময়ত তেওঁ ৰেখাৰ ওচৰলৈ আহি মনৰ গুপুত অভিলাষ প্ৰকাশ কৰিছিল। সামান্য প্ৰতিবাদ কৰিছিল যদিও মনৰ প্ৰিয়জনক বিমুখ কৰাৰ সাহস ৰেখাৰো নাছিল। সেইবেলি অনুপমে সুখ্যা-তিৰে পিউ পাছ কৰি নিজক গঢ়ি তোলাৰ মানসেৰে ইঞ্জিনীয়াৰিং পঢ়িবলৈ গৈছিল। সময় সমুদ্ৰৰ সোঁতত সিহঁতৰ প্ৰেম গভীৰ হৈ পৰি-ছিল। দুয়োৰে দুয়োকো লৈ কিমান যে ৰঙীন সপোন দেখিছিল! স্বপ্নত বিভোৰ হৈ অনুপমে মাথো কৈ গৈছিল—"ৰেখা মোৰ, তুমি গায়িকা আৰু মই সাহিত্যিক মই গীত লিখিম আৰু তুমি গাবা ···· ।" অনুপমে আকৌ হাঁহি হাঁহি কৈ গৈছিল "আমাৰ দুয়োখন হৃদয়ে লগ লাগি আমাৰ জীৱনক লৈ এখন উপন্যাস লিখিম। তুমি তাৰ নায়িকা হবা আৰু মই নায়ক হম।" ৰেখাই মাথো নিৰৱে ভগৱানক প্ৰাৰ্থনা কৰিছিল—তেওঁলোকৰ আশাবোৰ যেন বাস্তৱত ৰূপায়িত হয়। এদিন অনুপমে ইঞ্জিনীয়া-ৰিং পাছ কৰি ওলাই আহিছিল আৰু ৰেখা গৈছিল "ইংৰাজী"ত এম. এ. পঢ়িবৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়লৈ। সেই সময়তে ঘটনাই অন্যৰূপ লৈছিল। ইমান দিনৰ সকলো স্বপ্ন যেন এদিনতে থান্ বান্ হৈ গৈছিল। অনু-পমে ৰেখাৰ ওচৰলৈ গৈ কৈছিল "ৰেখা, তোমাৰ প্ৰতি মোৰ প্ৰেম সদায় অক্ষুণ্ণ থাকিব। মা-দেউতাই মোৰ বিয়া পাতিছে। কিন্তু মা-দেউতাই তোমাক বিয়া কৰাবলৈ আপত্তি কৰা হেতুকে দেউতাই আগতে কথা দি থোৱা তেওঁৰ বন্ধু সদানন্দ ভৰালীৰ কন্যা মুন্মিক বিয়া কৰাবলৈ বাধ্য হলোঁ। গতিকে তুমি মোক ক্ষমা কৰিবা।" ৰেখাই আচৰিত হৈ অনুপমৰ মুখলৈ চাই আছিল। তেওঁ ভাবি-ছিল অনুপমে তেওঁৰ লগত ধেমালি কৰা নাইতো? কিন্তু অনুপমৰ গহীন মুখখন দেখি তেওঁ ধৈৰ্য্যহাৰা হৈ গৈছিল। তথাপি নিজক সংযত কৰি কৈছিল "তোমাক সুখী কৰা-টোৱেই মোৰ উদ্দেশ্য আছিল। গতিকে মই তোমাৰ হলে যদি তুমি সুখী হব নোৱাৰা, তেতিয়াহলে মই তোমাক মুক্তি দিছোঁ।" ৰেখাৰ উত্তৰ শুনি অনুপমে তললৈ মূৰ কৰি আছিল। কিবা এটা কবলৈ তেওঁ মুখ মেলোতেই তীব্ৰ বেগে ৰেখা কাষৰপৰা আতৰি গৈছিল।

সঁচাকৈয়ে কিছুদিন পিচত অতি উলহ মালহেৰে মুন্মিৰ সৈতে অনুপমৰ বিয়া হৈ গৈছিল। বিগত দিনবোৰৰ সকলো আনন্দৰ

অন্তৰালত লুকাই থকা দুখৰ ধোঁৱাবোৰে ৰেখাক সেইদিনা চকু মেলিব দিয়া নাছিল। লগৰ ছোৱালীবোৰে সহজ সৰল ৰেখাজনীক বহুতো বুজাইছিল। সিহঁতে চুলি ছিঙি অভিশাপ দিছিল—অনুপমক। কিন্তু উচ্চ মনোবৃত্তি সম্পন্ন ৰেখাই ভগৱানক প্ৰাৰ্থনা কৰিছিল অনুপমৰ সুখী দাম্পত্য জীৱনৰ কামনাৰে। তাৰ পিচত ৰেখাই আৰম্ভ কৰি দিছিল নতুন জীৱন। কিতাপৰ মাজতেই নিজক সম্পূৰ্ণৰূপে এৰি দি ৰেখাই এদিন সঁচাকৈয়ে ১ম্ শ্ৰেণীৰ ১ম্ স্থান লৈ এম, এ, পাছ কৰিছিল। তাৰ পিছত তেওঁ হৈছিল স্থানীয় কলেজখনৰ অধ্যাপিকা। কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ অতি শ্ৰদ্ধাৰ 'ৰেখা বাইদেউ'।

এই সকলোবোৰ কথাই আজি ৰেখাৰ 'পুৰণি সাধু কথা' যেন লাগে।

যোৱাকালি সেইজন অনুপমেই আকৌ আহিছে ৰেখাহঁতৰ ঘৰলৈ। দৰ্জাখন খুলি অনুপমক দেখি ৰেখা অবাক হৈ চাই থাকিল। যিজন অনুপমে বিয়াৰ পিচত ৰেখাক দেখিও নেদেখাৰ ভাও জুৰিছিল, সেইজন অনুপমক নিজৰ ঘৰতে দেখি ৰেখাৰ সপোন দেখা যেনহে লাগিল। কোনোমতে নিজক চম্ভালি লৈ তেওঁ অনুপমক ড্ৰয়িং ৰূমত বহিবলৈ দিলে। অনুপম যেন ধীৰ স্থিৰ এটি প্ৰতিমূৰ্তিহে, অনুপমৰ মুখত লাগি আছে এটি করুণ ছাঁ। ৰেখাৰ চকুলৈ চকু তুলি চোৱাৰ সাহসকনো যেন তেওঁ হেৰুৱাই পেলাইছে। ৰেখায়ে আৰম্ভ কৰিলে— "কিয় আহিলা অনুপম?" কিছু সময় মৌনতাৰ পিচত অনুপমে কলে "তোমালোকৰ ঘৰলৈ আহিব নোৱাৰি নেকি?" ৰেখাই লগে লগে উত্তৰ দিলে, "আমি এতিয়া সেই আগৰ ৰেখা অনুপম নহওঁ। মই হৈছোঁ অধ্যাপিকা ৰেখা-ৰাণী শইকীয়া আৰু তুমি হৈছা মুন্‌মিৰ স্বামী অনুপম বৰুৱা। ইয়ালৈ অহাৰ কথা গম পালে মুন্‌মিয়ে বেয়া পাব। গতিকে নাহিবা।" অনু-পমে আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলে। কান্দোন মিশ্ৰিত সুৰেৰেই কৈ গ'ল "মোক বেয়া পাবলৈ মুন্‌মি আৰু নাই। ছমাহ আগতেই কেঁচুৱা এটি জন্ম দি মোক এৰি এই সংসাৰৰ-পৰা গুচি গ'ল।" অনুপমে পুনৰ কৈ গ'ল— "মই যি পাপ কৰিছিলোঁ, তাৰ প্ৰায়শ্চিত্ত লগে লগে ভোগ কৰিলোঁ। মই তোমাক আকৌ বিচাৰোঁ ৰেখা। মোৰ ল'ৰাটোক কেৱল তুমিহে মাতৃৰ মৰমেৰে আকোৱালি লব পাৰিবা।'

প্ৰাণতকৈও অধিক অনুপমৰ দুখত ৰেখাৰ দুধাৰি চকুলো ওলাল যদিও পিছ মূহুৰ্ত্ততে তেওঁ বজ্ৰৰ দৰে কঠোৰ হৈ কলে, "তোমাৰ লগত মই বিয়া হব নোৱাৰিম, অনুপম। যিজনী ৰেখাক তোমাৰ বাবে উপযুক্ত নহয়, বুলি ভাবি অৱহেলা কৰি গুছি গৈছিলা, সেইজনী ৰেখা হঠাৎ তোমাৰ বাবে যোগ্য হোৱাৰ কোনো কাৰণ নাই। তোমাৰ মা-দেউতাৰ পছন্দ মতে ভাল ছোৱালী এজনীক বিয়া কৰোৱা। তেওঁ পুনৰ কান্দি কান্দি কৈ গ'ল "তোমালোক সকলো স্বাৰ্থপৰ। মুন্‌মি থকা হলে মোৰ ওচৰত তুমিতো কেতিয়াও নাহিলা হয়। মই শান্তিত আছিলোঁ। গতিকে মোক তুমি অশান্ত নকৰিবা।" ৰেখাৰ এনে কঠোৰ ব্যৱহাৰত অনুপম আচৰিত হৈছিল। তেওঁৰ অতি মৰমৰ ৰেখাজনীয়েও তেওঁক এইদৰে কব পৰা হ'লনে?

"ভালদৰে ভাবি চাবা, ৰেখা" বুলি কৈ অনুপম বৰুৱাই নিৰৱে চকুলো মচি ৰেখাহতৰ ঘৰৰ পৰা ওলাই গ'ল।

ৰেখাৰ মাকেও বহু বুজালে যে চিৰকুমাৰী ছোৱালীৰ জীৱনৰ কোনো নিৰাপত্তা নাই। কিন্তু ৰেখাই যোৱা কালিৰ পৰা কোনো এটা কথাকে ভাবিব পৰা নাই। তেওঁ মাথো কান্দিছে। নিজকে তুলনা কৰিছে অনুপমৰ খেলৰ পুতলা এটাৰ লগত।

সন্ধ্যা সময়ত ৰেখাৰ মাকৰ আৰ্ত্তনাদত তেওঁলোকৰ ভাড়া ঘৰটোত থকা কলেজীয়া ল'ৰা-কেইজন ওলাই আহিল। তেওঁলোক সকলোৱে ৰেখাৰাণী শইকীয়াৰ বন্ধ কোঠাৰ দৰ্জ্জাত টকিয়াই থাকিও ভিতৰৰ পৰা কোনো সহাৰি নাপালে। অৱশেষত দৰ্জ্জা ভাঙি কোঠাৰ ভিতৰলৈ সোমাই গৈ তেওঁলোক স্তম্ভিত হ'ল। তেওঁলোকৰ অতি শ্ৰদ্ধাৰ ৰেখা বাইদেৱে আত্মহত্যা কৰিছে। লগে লগে ঘৰখনত এটি হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হ'ল। পুলিচ ষ্টেচনৰপৰাও মানুহ আহিল। পুলিচ ইন্সপেক্টৰ অৰুণ ফুকনে ৰেখাৰাণী শইকীয়াৰ খোপাৰ পৰা এখিলা কাগজ উলিয়াই নিৰৱে পঢ়ি গ'ল—

অনুপম :

তুমি মোক ভাবি চাবলৈ সময় দিছিলা যদিও এদিন ভাবিয়েই মই এই সিদ্ধান্তত উপনীত হলোঁ। সীমাহীন মৰম থকা সত্বেও তুমি কৰা অনুৰোধটো ৰক্ষা কৰিব নোৱাৰি মই দুঃখিত। ইয়াৰ কাৰণ হৈছে তুমি যিদিনা মুন্‌মিক বিয়া কৰাইছিলা, সেইদিনা মই জীৱনত বিয়া নকৰাম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিলো। তোমালোকৰ দৰে নিজৰ প্ৰাপ্যখিনি পোৱাৰ পিচতে প্ৰতিজ্ঞা ভংগ কৰাৰ সাহসকণ মোৰ নাই।

যোৱাকালি তোমাক কৰা বেয়া ব্যৱহাৰৰ বাবে মোক ক্ষমা কৰি দিবা। বহুদিনৰ মূৰত ৰেখাই সেয়া তোমাৰ ওচৰত অভিমান কৰিছিল।

চিৰ বিদায়
"ৰেখা"

---

আমি আমাৰ নিজ ভাষা আৰু সাহিত্যক সুস্থ কৰিবলৈ বিচাৰোঁ; কিন্তু দেশৰ আৰু ভাষা সাহিত্যৰ আশা-ভৰসাৰ স্থল ল'ৰা-ছোৱালীহঁতক কি কিতাপ পঢ়িবলৈ দিওঁ, ভাৱি চাইছোনে? তলৰ শ্ৰেণীৰ এখন অসমীয়া সাহিত্যৰ পাঠ্য মেলি চাওঁক; তাত ভাৱৰ দৈন্য আৰু প্ৰকাশৰ অক্ষমতা দুয়োটি দেখা পাব। তাত অসমীয়া জতুৱা গঢ়ৰ কোনো পৰিচয় নাই। শব্দাৱলী অনেক সময়তে খিচুৰী। আখৰ জোটনিৰ কোনো স্থিৰতা নাই। আমি টেক্সট্ বুক কমিটীক সুধিব পাৰোনে ল'ৰাহঁতৰ ভাষা জ্ঞান সমূলে লোপ পোৱাই কি শিক্ষা বিতৰণ কৰিবলৈ ওলাইছে?

যতীন্দ্ৰনাথ দুৱৰা
১৯৫২ গুৱাহাটী




শ্ৰীভবেন্দ্ৰ বড়ো
উচ্চতৰ মাধ্যমিক, প্ৰথম বাৰ্ষিক
(কলা বিভাগ)

সক বগাৰঙৰ "ফিয়েটখনৰ পিছৰ চিটটোত বহি নীলিমাই এটা কথাকে বাৰে বাৰে ভাবিছে : বায়েকহঁতৰ আগত, মাকৰ আগত তাইজানো আগৰ দৰে সহজ হ'ব পাৰিব। গাড়ীখনত মাত্ৰ তাই আৰু গিৰীয়েক ভবেশ। ইচ্ছা কৰিয়েই তাই ভবেশৰ লগত সন্মুখৰ চিটত নবহিল। বিয়া হোৱাৰ পাছত আজি এমাহে তাই অকণো শান্তিৰে থাকিব পৰা নাই। অসহনীয় এক যন্ত্ৰণাত ভুগি তাইৰ সমগ্ৰ শৰীৰটোৱে বিষ অনুভৱ কৰিছে। ভবেশৰ লগত একেখন বিচনাতে থাকিও তাই এই ত্ৰিশদিনৰ প্ৰায়বোৰ নিশা উজাগৰে কটাই আহিছে। দিনে দিনে তাই ক্ষীনাই যাবলৈ ধৰিছে, চকুৰ গুৰি ক'লা পৰি যাব ধৰিছে। বিয়াৰ আগলৈকে তাই কিমান ধুনীয়া আছিল, অথচ সেইজনী নীলিমাৰ লগত এইজনী নীলিমাৰ যেন অকণো সাদৃশ্য নাই।

ভবেশক তাই ভাল পায়ে বিয়া কৰাইছে। যোৱা পাঁচটা বছৰ তাই ভবেশক ভালপোৱাৰ পাছত আজি এমাহ আগতে ঘৰৰ অনুমতিক্ৰমে তাই বিয়া হৈছে। দেউতাকেই সম্প্ৰদান কৰি তাইক বিয়া দি উলিয়াই দিছে। মাকে টাকুৰি ঘূৰাদি কাম কৰি কৰি মানুহবোৰক খুৱাইছিল। ভবেশক বৰিছিল। ভবেশৰ কপালত চুমা এটাও মৰমতে আঁকি দিছিল। আহিবৰ সময়ত মাকে কৈছিল 'বোপা নীলিমাক গটালো, মৰমৰে ৰাখিবা।' এই আটাইবোৰ বাৰু অভিনয়েই আছিল নেকি? নহলে যোৱা এমাহে তাইৰ খবৰ লবলৈ কিয় ঘৰৰ পৰা কোনো অহা নাই। আজি দুদিনৰ পৰা

তাইৰ ঘৰলৈ খুবকৈ মনত পৰিছিল। ভবেশে নীলিমাৰ মনৰ কথা বুজে। যোৱা পাঁচটা বছৰে নীলিমাৰ সংস্পৰ্শলৈ আহি ভবেশে তাইক ভালদৰে হৃদয়ঙ্গম কৰিব পাৰিছে।

ভাগ্যৰ চকৰিত কলেজত পঢ়ি থাকোতেই ভবেশক তাই লগ পাইছিল। ভবেশ ববা কলেজ খনলৈ নতুনকৈ অহা অধ্যাপক। দেখিবলৈ ধুনীয়া নহলেও মৰম লগা মুখশ্ৰী কথাত চঞ্চলতা প্ৰকাশ পোৱা কম বয়সীয়া যেন লগা। নীলিমাক ইংৰাজী ক্লাচত প্ৰথম সোমায়েই প্ৰথম বেঞ্চত বহা ছোৱালীজনী ভবেশৰ বৰ ভাল লাগিল। এদিন ভাল লগা কথাটো ক'লেও। অতি সহজেই সাধাৰণ ছোৱালীৰ দৰে নীলিমাই ভৱেশক ভাল পাইছিল। অথচ নীলিমাই জানে, তাই এনে এখন ঘৰৰ ছোৱালী যি খন ঘৰত তাই ভালপোৱাৰ নামটোকে লব নোৱাৰে, কিবা হোৱাটো দূৰৰ কথা। তাইৰ ওপৰত তিনিজনী বায়েক। আটাইকেইজনী বায়েকেই চাকৰি কৰে। অফিচত, বেঙ্কত, স্কুলত। নীলিমাই জানে, পঢ়া সাং হলেও তাই চাকৰি কৰিব লাগিব। আটাইতকৈ ডাঙৰ বায়েক নিভা, বিয়া হোৱাৰ বয়স কেতিয়াবাই পাৰ হৈ গৈছে। নিভা কেৱল চাকৰিলৈয়ে ব্যস্ত। নিভা, জিন্নু, নীৰা, নীলিমা, গীতা, সোণা এই ছজনী বায়েক ভনীয়েক লৈয়েই নীলিমাৰ পৰিয়ালটো।

ভবেশে নীলিমাক ভালপোৱাৰ এবছৰ পিছতেই বিয়া কৰাব খুজিছিল ; কিন্তু নীলিমাই নিভা, জিন্নু, নীৰা থাকোতেই তাইৰ বিয়াৰ কথা ভাবিব পাৰেনে ? কথাটো তাই ভবেশক কৈছিল আৰু এনেকৈ পাঁচটা বছৰ পাৰ হৈ গৈছিল। কিন্তু ভবেশে আৰু অপেক্ষা কৰিব নোৱাৰে। বুঢ়া মাক দেউতাকক বোৱাৰী লাগে। অগত্যা বিয়া পাতিবই লাগিব। ভয়ে ভয়ে, খুব ভয়ে ভয়ে নীলিমাই প্ৰথমতে কথাটো নিভাক কৈছিল। চল্লিছৰ দেওনা সৰকি যোৱা নিভাই স্থিৰ দৃষ্টিৰে নীলিমালৈ এবাৰ চালে, তাৰ পিচত কলে—মানুহৰ কথাবোৰ তেনেহলে মিছা নহয়। তাৰ পিচত কোমল স্বৰেৰে কৈছিল,—'মই মাক ক'ম। তই ক'ব নালাগে। ভবেশক কাইলৈ মাতিছোঁ বুলি ক'বি। হয়, নিভাই সেইদিনা তাইক অভিভাবকৰ দৰে কথা কৈছিল। তাইতকৈ পোন্ধৰ বছৰৰ ডাঙৰ নিভাক কেতিয়াবা তাইৰ মাক যেনেই লাগি যায়।


পিছদিনা ৰাতিপুৱা শুই উঠোঁতে দেউতাকে তাইক মাতি নি গহীন স্বৰেৰে সুধিছিল, বিয়া হ'বলৈ সাহস আছে ? অন্তৰত যদি সাহস বান্ধিব পাৰিছ—বিয়া হোৱাত মোৰ আপত্তি নাই। তইঁত সুখী হোৱাটোৱে মই বিচাৰোঁ। তাই একো কোৱা নাছিল। তাৰমানে ইতিমধ্যে ঘৰৰ আটায়ে তাইৰ বিয়াৰ কথাটো জানি লৈছে। জীন্নু, নীৰাই তাইক একো নকলে। নিষ্প্ৰাণ প্ৰতিমাৰ দৰে মনে মনে থাকিল।

ভবেশো পিছদিনা আহিল। স্বাস্থ্যবান, সুদৰ্শন, ওখ, বগা ভবেশে যেতিয়া বগা ৰঙৰ ফিয়েটখন নীলিমাহঁতৰ পদূলিৰ সন্মুখত ৰখাইছিলহি, ভিতৰৰ পৰা আটাইকেইজনী বায়েক-ভনীয়েক, আনকি মাক-দেউতাকেও ভবেশক

জুমি জুমি চাইছিল। বায়েকহঁতৰ মুখেৰে একোটা হুমুনিয়াহ ওলাই অহাও তাই দেখিছিল। চহকী মানুহৰ ঘৰৰ ল'ৰা ভবেশক মাক দেউতাক আনকি ঘৰৰ আটাইৰে পচন্দ হ'ল। ভবেশ যোৱাৰ পিছত মাক-দেউতাকে তাইক শলাগিছিল। দেউতাক নীলকমল বৰুৱাই ভাবিছিল নিভা, জিন্নু, নীৰাৰ পিছৰ নীলিমাৰ ভাগ্যৰ চকৰি কেনেকৈ ঘূৰিল। আটাইকেইজনী ছোৱালীৰ ভিতৰত জিনুয়েইতো আটাইতকৈ ধুনীয়া। অথচ নীলিমাৰ ক্ষেত্ৰত কেনেকৈ ঘটিল। তিনিজনীৰ পিচত চাৰি নম্বৰ হৈ তাইতো বৈ যাব পাৰিলেহেঁতেন। মাকে ভাবিছিল, তিনিজনী বায়েক থাকোতে নীলিমাক কেনেকৈ বিয়া দিব। অথচ মাক বাধ্য হৈছিল। সেয়ে সকলোৰে সন্মতিক্ৰমে আজি এমাহ আগতে অতি ধুমধামেৰে নীলমিমাৰ বিয়া হৈ গ'ল।

কথাবোৰ ভাবি আহোতে নিলিমাই দেখিলে, গাড়ী আহি সিহঁতৰ ঘৰৰ সন্মুখত বৈ গল। গাড়ীৰ শব্দ শুনি সৰুভনীয়েক বীণা ওলাই আহি তাইক দেখি নহহাঁকে দৌৰি ভিতৰলৈ সোমাই যোৱা দৃশ্যটোত তাইৰ কিবা নিজকে বৰ অপৰাধী যেন লাগিল। গাড়ীৰ পৰা নামি ভিতৰলৈ পৰ্দা ঠেলি সোমাব খোজোঁতেই গম পালে, ড্ৰইং ৰুমত কোনোবা বহি আছে। পৰ্দাৰ ফাকেৰে চাই দেখিলে কোনোবা দুজন ল'ৰা আৰু দুগৰাকী মানুহ। তাই ভিতৰলৈ সোমাই যাব খোজোতেই, পিচফালৰ পৰা কান্ধত ধৰি তাইক কোনোবাই পিছলৈ টনা যেন পালে। তাই উচপ খাই ঘূৰি চাই দেখিলে মাকে তাইক বাঁউসীত ধৰি মাতিছে ঘৰৰ পিছফালৰ বাটটোৰে যাবৰ বাবে। তাই বৰ আচৰিত ধৰণেৰে মাকলৈ চালে। মাকে সৰু সৰুকৈ ক'লে, কথা আছে, ভিতৰলৈ ব'ল। তাইৰ পিছে পিছে ভবেশো অহা দেখি তাইৰ বৰ লাজ লাগিছিল। এনে পৰিস্থিতিত পৰিব বুলি তাই মুঠেই ভবা নাছিল। আহি পোৱাৰ লগে লগে ভনীয়েক দৌৰি ভিতৰলৈ সোমাই যোৱা, মাকে পিছফালৰ বাটটোৰে ঘৰলৈ নিয়া, এইবোৰ কিবা সাঁথৰ সাঁথৰ যেন লাগিল তাইৰ। তাই যেন অচিনাকি এঘৰ মানুহৰ ঘৰলৈ ফুৰিবলৈ আহিছে। আগে আগে গৈ থকা সেইগৰাকী যেন তাইৰ জন্মদাত্ৰী মাক নহয়।

ভিতৰলৈ গৈহে তাই আচল কথাটো বুজিলে। জিন্নুক চাবলৈ গুৱাহাটীৰ পৰা এঘৰ মানুহ আহিছে। তাইৰ কথা মানুহ ঘৰক কোৱা নাই। আৰু যদি সিহঁতে জানেও তাই যেন মাহীয়েকৰ জীয়েক বুলিহে কয়—মাকে নীলিমাক কলে। ভবেশে নীলিমালৈ চালে। জড়পদাৰ্থৰ দৰে নীলিমা একে ঠাইতে বৈ আছিল। এটা সময়ত জিন্নুৰ বিয়াৰ দিন ঠিক কৰি মানুহঘৰ গুছি গৈছিল। চাহ খাবৰ সময়ত মাকে তাইক কৈছিল, বিয়ালৈ তই আহিব নালাগে। লৰাটো গুৱাহাটীৰ, মানুহঘৰ বৰ ভাল। তোৰ কথা বৰ্ত্তমান কোৱা নাই। বিয়াৰ পিচততো জানিবই। বৰ্ত্তমান নজনোৱাই ভাল। ভনীয়েকৰ বিয়া হৈ যোৱা গম পালে হয়তো বিয়া ভাঙি যাব পাৰে। কথাবোৰ নীলিমাই শুনিলে। মনদি শুনিলে। বুকুখন তাইৰ শোকে খুন্দা মাৰি ধৰিছিল। তাই বুজি উঠিল, তাই অচিনাকি, একেবাৰে অচিনাকি হৈ গৈছে এইখন ঘৰত। এতিয়া আৰু তাইৰ স্থান এইখন ঘৰত নাই। বিয়াৰ পাছত কিছুদিন মাকৰ ঘৰত থকাৰ ইচ্ছাৰে বহু আশাৰে প্ৰথম মাকৰ ঘৰলৈ যোৱা নীলিমাই মাকৰ কথা শুনাৰ পিছত মাকৰ ঘৰত থকাৰ ইচ্ছা একেবাৰে নোহোৱা হ'ল। মাকহঁত আটায়ে তাইক থাকিবলৈ জোৰ কৰা সত্বেও নানা অজুহাত দেখুৱাই ভবেশৰ লগত সেইদিনাই নীলিমা ঘৰলৈ গুছি আহিল।




শ্ৰীপ্ৰভাত চন্দ্ৰ ডেকা
(কলা বিভাগ)

খোলা খিৰিকীৰ মাজেৰে জোবেৰে অহা বতাহ চাটিয়ে কৰবীৰ কোঠাত জ্বলি থকা চাকিটো নুমুৱাই পেলালে। জোনৰ ক্ষীণ পোহৰৰ এটি ৰেখা কোঠালৈ সোমাই আহিল। জোনটোৱে ডাৱৰৰ লগত মৰণ পণ যুঁজ দি যেন তাৰ পোহৰৰ বিকিৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছে। জোনৰ শেষ পোহৰকণো অলপ পাছতে যে ডাৱৰৰ প্ৰচণ্ডতাত হেৰাই যাব ই নিশ্চিত।

এই মুহূৰ্ত্তত কৰবীয়ে সেমেকা চকুৰে খোলা খিৰিকীৰ মাজেদি বহু দূৰলৈ দৃষ্টি পেলালে। ক্ষীণ পোহৰত পদূলিৰ নাহৰ জুপিক এটি প্ৰকাণ্ড দৈত্য যেন লাগিল। এসময়ত এইজোপা নাহৰটো সিহঁতৰ কম মৰমৰ নাছিল? তাইৰ ঘৰখনে ক'ত যত্নেৰে সাৰ-জাবৰ দি নাহৰজোপাক ডাঙৰ হবলৈ সুবিধা দিছিল। কিন্তু আজি এই মুহূৰ্ত্তত নাহৰজোপাক দেখাৰ লগে লগে কৰবীৰ বহু কথাই মনলৈ আহিছে। তাই উপলব্ধি কৰিলে এই জোপা নাহৰৰ ওপৰত তাই যেন বৰ বেয়াকৈ পৰাজয় বৰণ কৰিছে। ফুলি থকা নাহৰে সময়ত গুটি ধৰিব। কিন্তু তাইৰ ··· ····· ····?

মাক-দেউতাকৰ মুখত শুনা মতে কৰবীৰ জন্মৰ দিনা নাহৰজোপা ৰোৱা। সেয়েহে নাহৰ জোপালৈ ঘৰখনৰ এটা বেলেগ মৰম আছিল। মাক-দেউতাকৰ একমাত্ৰ সন্তান কৰবী বহু সুখেৰে ডাঙৰ হবলৈ ধৰিলে। কালক্ৰমত তাই প্ৰাইমাৰী স্কুলত ভৰি দিলেহি। মাহ, দিন আৰু বছৰ যোৱাৰ লগে লগে এটি এটি কৰি প্ৰাইমাৰী স্কুলৰ পৰীক্ষাবোৰত সুখ্যাতিৰে পাৰ হৈ গ'ল। এসময়ত তাই এইদৰে হাইস্কুলৰ দশম মান শ্ৰেণীত ভৰি দিলেহি। ফ্ৰক পিন্ধা কৰবীয়ে মেখেলা পিন্ধিব পৰা হ'ল। যৌৱনৰ বলীয়া তেজে কৰবীৰ দুয়ো গালত বসন্তৰ ফাকু ছটিয়ালে।

চকুৰ নীলাখিনি যেন তাইৰ আৰু গভীৰ হ'ল। চঞ্চল মনটি কৰবীৰ গভীৰ হ'ল। নুবুজা সঁথৰৰ ব্যাখ্যা দিব পৰা হ'ল। বাটৰ পাণ দোকানৰ আগত থকা উদণ্ডীয়া ডেকাৰ দুই এটা কথা নুশুনো বুলিও শুনিব লগা হ'ল। সুন্দৰ ডেকালৈ নেচাওঁ বুলিও চাব লগা হ'ল। —ইমানবোৰ পৰিবৰ্ত্তন অহা সত্ত্বেও তাইৰ কিন্তু পঢ়াৰ কোনো পৰিবৰ্ত্তন নহল।

মাক-দেউতাকৰ মধুৰ কল্পনা বাস্তৱত ৰূপায়িত কৰাৰ মানসেৰে সকলো বাসনাক দমন কৰি এক মনে পঢ়াত লাগিল। ক্লাছৰ মেধাবী ছোৱালী বুলি তাইৰ প্ৰতি সকলোৰে এটা বেলেগ মৰম আছিল। শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ মৰমত, উৎসাহ-উদ্দীপনাত তাই দুগুণ উৎসাহেৰে পঢ়াত লাগিছিল। তেওঁলোকে ভাবিছিল কৰবী এডোখৰ ৰত্ন, যাৰ উজ্জ্বলতাত এদিন সেইখন স্কুলৰ নাম উজ্জল হব। সেয়েহে কৰবীৰ নাম সকলোৰে মুখে মুখে। ক্ষুদ্ৰ নগৰখনৰ এক মাত্ৰ কলেজখনতো কৰবীৰ গুণৰ কথা প্ৰকাশ হৈছিল।

এইটো বছৰ কৰবীৰ বাবে, ঘৰখনৰ মাক-দেউতাকৰ বাবে অতি আনন্দৰ বছৰ। কাৰণ এইটো বছৰত কৰবীয়ে হাইস্কুল পাছ কৰি কলেজ পাবগৈ। মাক-দেউতাকৰ ইচ্ছা তাইক বিজ্ঞান পঢ়ুৱাৰ। সময়ত ডাক্তৰ হৈ দহৰ তথা সমাজৰ উপকাৰ কৰিবলৈ তাইৰ বৰ মন। ইমানবোৰ মধুৰ কল্পনাৰ এদিন যতি পৰিবলৈ আগবাঢ়িল। বাছনি পৰীক্ষাৰ তিনিদিন আগৰ পৰা মাকৰ মেলেৰিয়া ৰোগে দেখা দিলে। দিন-ৰাতি ক্ষতি কৰি কৰবীয়ে মাকক শুশ্ৰূষা কৰিলে। তাইৰ ভাব হল পৰীক্ষা জীৱনলৈ বহু বাৰ আহিব, কিন্তু মাকক যদি এবাৰ হেৰুৱাব লগা হয়!

দেউতাকে কিমান বুজালে কৰবী তই পঢ়গৈ যা, পৰীক্ষালৈ মাত্ৰ তিনি দিনহে আছে। তাই পঢ়িব নোৱাৰিলে। কিতাপৰ ওচৰত বহিলেই মাকৰ কৰুণ মুখখনি দুচকুত ভাঁহি উঠে। বিগত জীৱনৰ বহুবোৰ প্ৰতিচ্ছবি মনলৈ আহে। কিমান মৰম কৰে তাইৰ মাকে। এদিন পানী লাগিলেও তাইৰ যত্নত মাকে খাবলৈ শুবলৈ পাহৰে। খোৱাৰ ভাগৰ ভালখিনি তাইলৈ সাচে। সেইজনী মাকৰ ইমান কষ্ট তাই সহ্য কৰে কেনেকৈ। সেয়েহে তাইৰ একেবাৰে পঢ়া নহ'ল।

তিনদিন মাকে চকু মেলা নাছিল। প্ৰতি মুহূৰ্ত্ত মাকৰ জীৱন শলিতা নুমাও নুমাও। ভাগ্যৰ ফেৰ পৰীক্ষাৰ আগ দিনা ডাক্তৰৰ অশেষ চেষ্টাত মাকে চকু মেলিলে। লাহে লাহে তেওঁ কৰবীৰ পৰীক্ষাৰ খবৰ ললে। কৰবীক পৰীক্ষা দি যাবলৈ কলে।

দেউতাক, আত্মীয় স্বজন, শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ অনুৰোধত তাই পৰীক্ষাত বহিবলৈ বাধ্য হ'ল। কিন্তু পৰীক্ষাত বহিলেই কি হব প্ৰতি ক্ষণতেই তাইৰ মাকলৈ মনত পৰে। কিবা এটা হৈছে নেকি? এসময়ত পৰীক্ষা শেষ হ'ল। কৰবীৰ পৰীক্ষা নামতহে দিয়া হ'ল। আশা কৰামতে বাছনি পৰীক্ষাত আগৰ সুনাম ৰাখিব নোৱাৰাত তাইৰ দুখ থাকি গ'ল। তথাপি মাকযে ভাল হোৱাৰ পথত সেইটোৱে তাইৰ একমাত্ৰ সান্ত্বনা আছিল। তাৰ উপৰিও ফাইনেল পৰীক্ষাটোহে আচল কথা।

তাই দৃঢ় প্ৰতিজ্ঞ স্কুলৰ শেষ পৰীক্ষাটো তাই শান্ত সুস্থিৰভাৱে দি সকলোকে সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিব। নিজৰ ওপৰত তাইৰ বিশ্বাস অসীম, গতিকে ভগৱান সদয় হ'ল তাই আশা কৰা মতেই পৰীক্ষাৰ ফল ভাল হব। সেয়ে বাকী থকা দিন কেইটা কৰবীয়ে মাক আৰু কিতাপৰ বাহিৰে বাহিৰৰ পৃথিৱীখনৰ কথা পাহৰি গ'ল। দুই এজনী ছোৱালীয়ে চিনেমা, থিয়েটাৰ চাবলৈ লগ ধৰিলেও তাই সেইবোৰ জীৱনৰ অনাৱশ্যকীয় সামগ্ৰী বুলি এৰাই চলিছিল। সেয়ে বন্ধু মহলৰ এটা চামৰ মাজত কৰবী অহংকাৰী বুলি বদনাম এটাও আছিল।

লোকৰ কথালৈ ভ্ৰূক্ষেপ কৰাৰ ইচ্ছা আৰু অৱকাশ তাইৰ নাছিল। চাওঁতে চাওঁতে ফাইনেল পৰীক্ষাৰ দিন নিচেই ওচৰ পালেহি। সম্পূৰ্ণ প্ৰস্তুতিৰে তাই পৰীক্ষালৈ সাজু হ'ল। প্ৰথম দিনা পৰীক্ষা তাই আশা কৰাতকৈ বেছি ভাল হ'ল। স্কুলৰ সকলো শিক্ষকে বৰ আনন্দ পালে। বেমাৰৰ পৰা গা বচাই উঠা মাকে তাইৰ পৰীক্ষা ভাল হোৱা বুলি জানি সন্তুষ্টিৰ হাঁহি মাৰিলে। কিন্তু তৃতীয় দিনা সেই অঘটনটো ঘটি গ'ল একেবাৰে অপ্ৰত্যাশিত ভাবে। সেইদিনা আছিল অংকৰ পৰীক্ষা। স্কুলৰ কোনোটো পৰীক্ষাতে তাই আশীৰ কম নম্বৰ পোৱা নাই। এইখন প্ৰশ্নকাকততো তাই স্কুলৰ পৰীক্ষাত কৰাতকৈ বহুত সহজ। গতিকে পৰীক্ষা তাইৰ ভাল হবই।

শান্ত সুস্থিৰভাৱে তাই এটাৰ পাছত আনটো প্ৰশ্নৰ উত্তৰ লিখি গ'ল। এঘণ্টামান অতিবাহিত হোৱাৰ পাছত অতি অভাৱনীয় ভাবে এখিলা কাগজ তাই লৈ কোনোবাই আগবঢ়াই দিলে। এটা ভীষণ অপ্ৰত্যাশিত খবৰ আহিল সেইখিলা কাগজত। মাকৰ যোৱা-থোৱা অৱস্থা। চিঠিখনৰ আখৰ কাৰ হ'ব পাৰে বা কোনে চিঠিখন লিখিছে সেইবোৰ চিন্তা কৰি চোৱাত তাইৰ তেতিয়া ধৈৰ্য্য নাছিল। স্কুলৰ প্ৰধান শিক্ষকে তাইক পৰীক্ষাটো শেষ কৰি আহিবলৈ যোৰ দিছিল। তাই কিন্তু অলৰ অচৰ, এনেকুৱা মানসিক অশান্তি লৈ তাই পৰীক্ষা শেষ কৰিব নোৱাৰে। সেয়ে কাৰো হকা বধালৈ কাণ নিদি তাই ঘৰলৈ দৌৰি আহিল। ঘৰ পাই মাকক পুথি পঢ়ি থকা দেখি তাই উন্মাদৰ দৰে কান্দিলে। মাকে বিস্ময়ত অভিভূত হৈ তাই ইমান সোনকালে অহাৰ কাৰণ সুধিছিল। তাই একো কৰ পৰা নাছিল। খুব উত্তেজিত হৈ কেৱল ফোপাইছিল আৰু হাতত থকা কাগজ খিলা দেখুৱাছিল। মাকে তাইক সান্ত্বনা দিবলৈ ভাষা পোৱা নাছিল। তাইক অনিষ্ট কৰিবলৈ বিচাৰি ফুৰা কোনোবা কু মনোবৃত্তিৰ মানুহে যে এই মিছা খবৰটো দি তাইক একামোৰ মাৰিলে সেইটো বুজিবলৈ মাকৰ বাকী নাথাকিল। কিন্তু ইতিমধ্যে যে বহুত দেৰি হৈ গৈছে। পৰীক্ষা জীৱনৰ এটা বহুমূলীয়া বছৰ অবাৰত হেৰাই গ'ল।

অৱশেষত কান্দি কান্দি তাই ভাগৰি পৰিছিল। আৰু ক'ব নোৱাৰাকৈ এটা সময়ত চিলমিলকৈ টোপনি আহিছিল। দূৰৰ নাম ঘৰত সান্ধ্য প্ৰদীপৰ সময় হৈছিল। ডবাকাঁহৰ শব্দত তাই সজাগ হ'ল। খোলা খিৰিকী খনেৰে বাহিৰলৈ চাই দেখিলে এটা পকুৱা বতাহৰ কোবত থিতাপি লব নোৱাৰি পদূলি মুখৰ নাহৰ জোপাৰ গাত আশ্ৰয় লৈছেহি। □




শ্ৰীশিশিৰ (শশীন) বৰদলৈ
স্নাতক বিজ্ঞান
প্ৰথম বাৰ্ষিক

পাতল-নীলা পোহৰেৰে উদ্ভাষিত হৈ আছে কোঠাটো। কোনোবা মায়াপুৰীৰ মায়াকক্ষহে যেন। এটি মৃদু শিহৰণ অজানিতে মোৰ ভৰিৰ পৰা মূৰলৈ বাগৰি গ'ল। চাৰিওফালে চোকা দৃষ্টি নিক্ষেপ কৰিলো কোনো ধৰণৰ পোহৰৰ-উৎস চকুত নপৰিল। তেন্তে কৰপৰা এই পোহৰৰ সৃষ্টি হৈছে। আচৰিত নহৈ নোৱাৰিলো। সাধাৰণভাৱে কিন্তু অত্যন্ত আধুনিক ধৰণেৰে সজোৱা হৈছে কোঠাটো। সামান্য আচ্ বাব্ তথা বিচনা আদিৰে শোৱনিকোঠা বুলিব পাৰি যদিও ড্ৰয়িং ৰুম হিচাপে ব্যৱহাৰ কৰিব পৰা সামগ্ৰীখিনিও আছে। এখন শুভ্ৰ-বগা বিচনাত মই পৰি আছো। মই বাৰু কেনেকৈ ইয়ালৈ আহিলো নিজকে প্ৰশ্ন কৰিলো। চাৰিও-পিনে উদাস দৃষ্টি বুলাই নিলো কিবা বুজি পোৱাৰ আশাৰে। মানস পটত অলেখ খণ্ড-বিখণ্ড দৃশ্যই ভুমুকি মাৰিলেহি। নিজকে বৰ অৱশ অনুভৱ কৰিলো। ঠিক তেতিয়াই ক'ৰবাৰপৰা ভাঁহি অহা এটি সুৰে মোৰ কৰ্ণকুহৰ স্পৰ্শ কৰিলেহি। কোনোবাই ওচৰৰে ক'ৰবাত পিয়ানো বজাইছে অত্যন্ত মৃদুশব্দেৰে। মই বিচনাতে উঠি বহিলো। কোঠাটোৰ পৰা ওলাবলৈ দুৱাৰ থকাৰ চিন মোকামেই নাই। তেন্তে মই ইয়ালৈ কোনপিনে আহিলো, বা মোক ইয়াত সোমাই থোৱাই হ'ল কেনেকৈ? মোৰ মূৰটো গৰম হৈ উঠিল। কিবা-কিবি বহুতো ভাৱনাই মোক আগুৰি ধৰিলে। মাথো এটি গভীৰ হুমুনিয়াহ অন্তৰ ভেদি পাৰ হৈ গ'ল। তেতিয়াই মোৰ সমুখৰ বেৰখনে লাহে লাহে ৰং সলাই বগা হৈ উঠিল। এখন পুৰুষ-মুখৰ প্ৰতিচ্ছবি তাত, স্পষ্ট হৈ উঠিল। তাৰমানে বেৰখনে ঠেলিভিচনৰ পৰ্দাৰ কাম কৰিছে মই মনতে ভাবিলো।

শুভৰাত্ৰি-পুৱা সি ৰবদলৈ পুৰুষ কণ্ঠই গল-গলাই উঠিল। আপোনালোকৰ অলক্ষিতে মোৰ ইয়ালৈ লৈ আনিবলগীয়া হোৱা বাবে মই দুঃখিত। ভয়ৰ কোনো কাৰণ নাই, আপুনি এতিয়াও পৃথিৱীতে আছে। তাৰোপৰি এতিয়া আপুনি মোৰ বৰ্ত্তমান অতিথি মাথো। আতিথ্য গ্ৰহণ কৰিব বুলি আশা কৰিলো। অ' এই খন যন্ত্ৰৰ দেশ, ইয়াৰ সকলো কাম-কাজ যন্ত্ৰৰ দ্বাৰাই কৰা হয়। বেয়া নেপাব, পিচত লগ পাম। আপুনি খোৱা-লোৱা কৰি সবল লৈ লওক, ধন্যবাদ।

আপোনালোকৰ অৰ্থ…মানে গী…তাকো আপুনি অপহৰণ…মোৰ কথা শেষ নহলেই, বেৰখনে আগৰ দৰে ৰং ললে। খঙত মোৰ সৰ্বশৰীৰ কঁপি উঠিল। কাৰোবাৰ প্ৰতি তীব্ৰ আক্ৰোশত মোৰ হাতৰ মুঠি অজানিতে টান হৈ পৰিল প্ৰতিশোধৰ বাবে। একেজাপে বিচনাৰ পৰা উঠি আহিলো। পিছ মুহূৰ্ততে মোৰ খঙৰ জুঁই পানীত পৰিণত হ'ল। জোকৰ মুখত যেন চুণহে পৰিল। কোঠাৰ পৰা বাহিৰ হবলৈ যে দুৱাৰ-খিৰিকী নাই মই পাহৰি পেলাইছিলো। পিঞ্জৰাৱদ্ধ-বাঘৰ দৰে গুজৰি-গুমৰি থকাৰ বাহিৰে জ্ঞান উপাই নাপালো। ধুপুচকৈ ওচৰৰে চোফা-খনতে গাটো এৰি দিলো। নিজৰ ওপৰতেই হঠাৎ খংটো উঠি গ'ল। হাতৰ ঘড়ীলৈ হঠাৎ চকু যোৱাত চমকি উঠিলো। ১ জানুৱাৰী ১৯৮৭, তাৰমানে ইতিমধ্যে এটা দিন মোৰ এই গহ্বৰৰ ভিতৰত পাৰ হৈ গ'ল। মঙ্গলদৈত ছাগে হুলস্থূলৰ পৰি-বেশ এটা গঢ়ি উঠিছে। নতুন-বছৰক আজিৰ দিনটোত সকলোৱে মিলি শুভেচ্ছা দিয়াৰ পৰি-বৰ্ত্তে মই আজি পৰি আছো এই বন্ধ গহ্বৰত কাৰোবাৰ বন্দী হিচাপে। মোৰ মনটো শোকেৰে ভৰি উঠিল। পেটটোৱে মাতি উঠিল, ভোকো লাগিছে। খোৱাৰ জানো কিবা উপাই আছে?

এইদৰে ভাবি থাকোতেই একাষৰ বেৰ-খন আঁতৰি গল চাই থাকোতেই। সমুখত এটা দীঘল কৰিডৰ। কোনো চিন্তা নকৰাকৈয়ে আগবাঢ়ি গলো। সমুখত কেইবাটাও পথ। বাওঁফালে নীলা লাইট এটা জ্বলি উঠিল। কাষতে লিখা আছে, "বাথৰুম এণ্ড ডাইনিং হ'ল" ইংৰাজীত। লাইটৰ নিৰ্দেশনা মতেই আগবাঢ়ি গলো। প্ৰতিটো কোঠাৰ সমুখত ইংৰাজী নাম কাল। বাথৰুমলৈ সোমাই গলো। টেপ খুলি দিয়াৰ লগে লগে গৰম পানী কল্‌কলাই ওলাই আহিল। বহুখিনি প্ৰফুল্লিত হৈ পৰিলো। এইবাৰ "ডাইনিং হ'ল" বুলি লিখা কোঠাটোত প্ৰবেশ কৰিলো। এযোৰা চোফা চেটক কেন্দ্ৰ কৰি বহিলো কিবা পোৱাৰ আশাৰে। এজনী গাভৰুৱে ঠালত খোৱা আহাৰ যতনাই দিলেহি। চকু তুলি চাই মই আচৰিত হৈ ভেবা লাগি বলো। গীতা…তুমি মই থিয় হলো। তাই নিৰ্বিকাৰভাৱে গুচি গ'ল হাঁহি হাঁহি' মোক যেন চিনিয়েই পোৱা নাই এই ভাৱেৰে। এই বাৰ মই অধিক হতভম্ব হলো। গী…তা…মই চিঞৰি দিলো। ইতিমধ্যে তাই কোঠাৰ সিমূৰত অদৃশ্য হৈ পৰিল। মই কিংকৰ্ত্তব্য বিমূঢ় ভাৱে থৰ লাগি বলো। হঠাত খংটো মূৰত উঠিলহি। ক্ৰোধত মই জ্বলি উঠিলো। ঠাল খনকে মেজত মাৰি ভাঙি টুকুৰা কৰিবলৈ উদ্যত হলো।

লাভ নাই, মিঃ বৰদলৈ—সেই পুৰুষ কণ্ঠ-স্বৰ ভাঁহি আহিল। আপুনি মিছাতেই অধিক উত্তেজিত হৈ পৰিছে। আপুনি বৰ ক্লান্ত। আগতে খোৱা-লোৱা সমাপ্ত কৰক। অলপ পিচত মই আপোনাৰে সৈতে সাক্ষাৎ হম। সকলো কৰলৈ আৰু দেখুৱাবলৈয়ে আপোনাক অনা হৈছে। ধৈৰ্য্য সহকাৰে আগ নাবাঢ়িলে দুই পক্ষৰে অমঙ্গল।

হাতখন মোৰ নিজে নিজে বৈ গ'ল। মই একান্ত বাধ্য ল'বাৰ দৰে বহি পৰিলো কিবা ভাবি। বহু প্ৰশ্নই মোৰ মনত খুণ্ডিয়া-লেহি। মই কি কৰা উচিত তাকেই স্থিৰ কৰিব নোৱাৰা হলো। মোৰ মানস পটত ভাঁহি উঠিল আগদিনাৰ সন্ধিয়াৰ সেই মূহুৰ্ত্তলৈ। ফট্ ফট্‌কৈ মোৰ ছুচকুত ভাঁহি উঠে সেই দৃশ্যবাজি। তেন্তে কি আমি অন্য-গ্ৰহৰ প্ৰাণীৰ হাতত পৰিলো? আমি কি কুক্ষণত তেনেকৈ ওলাই আহিছিলো বাৰু! মোৰ নিজৰেই অনুতাপ হবলৈ ধৰিলে। আৰু গীতা তাইৰ এই অৱস্থা। তাইৰ যদি কিবা এটা হৈ যায়, তাৰ বাবে মইয়ে জগৰীয়া হম। সচাঁই আমি ডাঙৰ ভুল কৰি পেলালো। অৱশ্যে এই ক্ষেত্ৰত কম-বেছি পৰিমাণে তায়েই জগৰীয়া। কিয়নো তাই খোজ কাঢ়ি অহাৰ ইচ্ছা প্ৰকাশ কৰিলে। বাৰে বাৰে মোক সেই কথাটোৰে আমনি কৰিব ধৰিলে।

গীতা, মানে গীতাঞ্জলী বৰুৱা আৰু মই ছুয়ো একেটা বিজ্ঞানাগাৰতে এটি ভয়ানক বিষয়ৰ গৱেষণাত লাগি আছো, আজি ছুবছৰ ধৰি। আমাৰ গৱেষণাৰ ওপৰতে গোটেই পৃথিৱীৰ স্থিতিৰ এটা আমূল পৰিবৰ্ত্তনৰ সুবিধা আহি পৰিছে। সকলো মহাদেশে আমাৰ এই গৱেষণাৰ সাফল্যৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছে দিনে-ৰাতিয়ে। মঙ্গলদৈৰ লাইব্ৰেৰী তথা বেগানদীৰ পাৰতেই এই বিখ্যাত গৱেষণাগাৰটো। "অসম আধুনিক বিজ্ঞান গৱেষণাগাৰ" (**Assam Modern Scientific Laboratory**)ত আমি ছুয়ো বিচাৰ্ কৰিলো উন্নত ধৰণৰ মানসিক শক্তি-সম্পন্ন আধুনিক যন্ত্ৰ-মানৱৰ **সৃষ্টি** কৰিবলৈ। যিবোৰে নিজৰ বিবেচনাৰে স্বয়ংক্ৰিয়ভাৱে সকলো কাম কৰিব পাৰিব। আমাৰ গৱেষণা ইতিমধ্যে যথেষ্ট আগবাঢ়িছে বহু ঘাট-প্ৰতিঘাটৰ মাজেৰে। কলেজীয়া জীৱনৰ হাঁহি-ধেমালীৰ মাজেৰে যে এইখিনি পামহি ভবাই নাছিলো। গীতা আৰু মোৰ মঙ্গলদৈ কলেজত স্নাতক শ্ৰেণীত **Physics**ত **Major** আছিল। তেতিয়াৰে চিনাকী। আৰু এটা সময়ত ডক্টৰেট্ লোৱাৰ পিচত আকৌ আমি একে লগে ইমান ডাঙৰ কাম এটাত হাত দিছো। আমাৰ এই গৱেষণাই সফল ৰূপ পালে সচাঁকৈয়ে আমাৰ সন্মান ও প্ৰতিপত্তি অশেষ গুণে বাঢ়িব। আমি কেতিয়াবা এই-বোৰ লৈয়েই মছগুল হৈ পৰো। কিমান যে কল্পনাৰ ঘৰ ঘনাই পাতো ঘনাই ভাঙো। অৱশ্যে বেছি ভাগ সময় বিজ্ঞানাগাৰতে ব্যস্ত থাকিব লগীয়াত পৰো। প্ৰায়ে ৰাতি হয় ঘৰলৈ উভতি আহোতে। চেকোও কলনীৰ মোৰ ফ্লেটৰ ওচৰতে পথৰ সিটো পাৰৰ ফ্লেটটোৰেই গীতাহঁতৰ। সেয়ে আমি একেলগে ঘৰলৈ আহো। আগদিনাও

আহি আছিলোঁ। বিজ্ঞানাগাৰৰ পৰা ওলাওতে পলমেই হৈছিল। ওলায়েই ইফালে সিফালে চালো অট’ৰিক্সা পোৱা যায় নেকি। সন্ধ্যা-লাগি ভাগিছে তেতিয়া। গীতাই খোজ কাঢ়ি অহাৰেই প্ৰস্তাৱ দিলে। বেছিদূৰ নহয় যেতিয়া মইও আপত্তি নকৰিলো। এইখিনি সময়ত খোজ কাঢ়িও ভাল লাগে। আমি দুয়ো কথা পাতি পাতি আগবাঢ়িলোঁ। মঙ্গলদৈ কলেজৰ ছোৱালী হোষ্টেলৰ ফালে এনেয়ে এবাৰ চাই পঠিয়ালো। কোঠাবোৰত লাইট জ্বলি উঠিছে। সশব্দে হৰ্ণ বজাই এখন বোজাই ট্ৰাক তীব্ৰবেগে পাৰ হৈ গ’ল। খণ্ডতে গীতাই শূন্যতে গোৱাল গালি শুনাই দিলে। কি অশান্তি এই গাড়ীবোৰৰ পৰা। কাক কেতিয়া খুন্দিয়াই গুছি যায় ঠিকনা নাই। আমি আহি আহি কলেজৰ মুখ্য প্ৰবেশ দ্বাৰৰ ওচৰ পালোহি। পথটো নিৰ্জন হৈ পৰিছে, প্ৰধান পথটো চহৰৰ বাহিৰেৰে নিয়া বাবে। এই নিৰ্জনতা শিক্ষানুষ্ঠানৰ বাবে বাৰুকৈয়ে প্ৰয়োজন। হঠাতে গীতাই চিঞৰ মাৰি মোক সাৱটি ধৰিলে। মইও চমকি উঠিলোঁ। তাইৰ ভয়াৰ্ত দৃষ্টি অনুসৰণ কৰি মই ওপৰলৈ চাই পঠালোঁ। মূৰৰ ওপৰলৈ এচপৰা মেঘৰ দৰে কিবা এটা বস্তু ভাঁহি আহিৰ ধৰিছে আমাকে লক্ষ্য কৰি। আমি দুয়ো হতভম্ব। ভেবা লাগি চাই থাকোতেই চপৰাটো একেবাৰে মূৰৰ ওচৰ পালেহি। মই কি কৰিব লাগে সেই মুহূৰ্তত সকলো পাহৰি পেলালোঁ। ডালোৱাৰ কথা যেতিয়া মনলৈ আহিল তেতিয়া আৰু সময় নাই, চপৰাটোৱে আমাক স্পৰ্শ কৰিলেহি। তাৰ পিচত মই আৰু একো কব নোৱাৰো। নিজকে সেই কোঠাটোক আৱিষ্কাৰ কৰিলো। আৰু গীতা, তাইৰ এই অৱস্থা। সৌ সিদিনা-লৈ আমাৰ মাজৰ গভীৰ সম্বন্ধ, আজি তাই মোক চিনি নেপালে। তাইৰ এই অৱস্থাৰ বাবে ময়েই নিশ্চয় জগৰীয়া হম। আমাক ইয়ালৈ লৈ অহাৰ বাৰু কি উদ্দেশ্য থাকিব পাৰে। নে আমাৰ গৱেষণাত বাধা দিবলৈ কৰা কোনোৱা দুষ্ট চক্ৰৰ এইয়া কুকৰ্ম্ম। হঠাৎ খণ্ডটো আকৌ মোৰ মূৰত উঠিলেহি। খোৱাৰ মানসিকতা আৰু নোহোৱা হ’ল। আধা খোৱাকৈ উঠি আহিলোঁ। একেবাৰে বাহিৰ পালোহি। বাহিৰত এখন বিচিত্ৰ জগত। পৰিকল্পিত ভাৱে সজোৱা এখন নগৰ। শাৰী শাৰী ঘৰ, গছ-গছনি উন্নতজাতৰ। নানা তৰহৰ ফুলৰ বাহাৰ। আচৰিত, কিন্তু মানুহৰ তথা জীৱিত প্ৰাণীৰ উমঘাম নাই। যদিও অত্যন্ত শৃংখলতাৰে কোনোবাই সেইবোৰ ৰখাৰ চিন স্পষ্ট। এডাল গছৰ গুৰিত ঘুৰনীয়াকৈ পতা আসন খনত ক্লান্তভাৱে বহি পৰিলোঁ। পৃথিৱীৰ কোন স্থানত এই মহানগৰী। ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ উপাই। ইফালে সিফালে ঘুৰি চাবৰ মন গ’ল যদিও দমাই ৰাখিলোঁ। কাৰণ প্ৰতি মূহুৰ্ততে যে মোৰ ওপৰত কাৰোবাৰ দৃষ্টি পৰি আছে তাৰ প্ৰমাণ বহুবাৰ পালো। সেয়ে মনটোক ধমকি দি বহাই থলো। হেজাৰ চিন্তাই মোক খুলি খুলি খাব ধৰিলে। চিন্তা কমাবলৈ বুলিয়েই চকু দুটা মুদি বহি থাকিলো নিৰৱে। কিমান সময় পাৰ হৈ গ’ল নাজানো ওচৰতে কাৰোবাৰ উপস্থিতি অনুভৱ কৰি ঘুৰি চালোঁ। এজন ল’ৰা।

আমাৰ ওস্তাদে আপোনাক যাবলৈ কৈছে— ল'বাজনে অসমীয়াতে কলে আৰু বাট দেখুৱাই আগে আগে গ'ল। কিবা সোধাৰ চেষ্টা কৰিছিলো যদিও সুবিধা নেপালো। দীঘল কৰিডৰৰ কোঠাবোৰৰ সমুখেৰে আমি আগ বাঢ়ি গলো। যাওঁতে ভিতৰত ঠুং ঠাং শব্দ শুনিবলৈ পালো। এটা সময়ত এখন বহল মজিয়াত আমি উপস্থিত হলো। মজিয়াৰ সিটো দ'াতিত থিয় হোৱাৰ লগে লগে দেৱালত এটা ডাঙৰ ফাটৰ সৃষ্টি হ'ল। আমি সোমাই গলো ভিতৰলৈ। লগে লগে মই হতভম্ব হৈ থৰ লাগি ৰলো। অলেখ যন্ত্ৰ-পাতিৰে এটা বিৰাট কাৰখানা। বহু মানুহে নীৰৱে কাম কৰিব লাগিছে। এটা ফালত কেতবোৰ বিচনাত বহু মানুহক শুৱাই লৈ পৰীক্ষা কৰি থকা হৈছে। উপৰুৱা দৃষ্টিৰে হস্পি-তেলৰ অপাৰেচন থিয়েটাৰ যেন লাগিলেও আচলতে নহয়। কাৰণ কোনো ধৰণৰ ঔষধৰ চিন তাত নাই। তেন্তে কি এইটো মানুহ গৱেষণা কেন্দ্ৰ। তেতিয়া হলে মইয়ো ইহঁতৰ হাতত গিনিপিগৰ দৰে, গাটো এৰি দিব লাগিব পৰীক্ষাৰ বাবে। নাই নাই সেইটো কেতিয়াও হবলৈ দিয়া নহব। মই ইহঁতৰ এই চক্ৰান্তৰ মায়াজাল শেষ কৰিম। মই শেষ মূহূৰ্তলৈকে যুঁজিম, মোৰ বাহুত এতিয়াও ডেকা শক্তি আছে।

হেল্ল, ববদলৈ, বৈ থাকিল যে, আগুৱাই আহক সেই পুৰুষকণ্ঠৰ ব্যক্তিজন হাঁহি মাৰি আগুৱাই আহিল।

তাব মানে আপুনিয়ে আমাক অপহৰণ কৰিছে—মই খঙেৰেই প্ৰশ্ন কৰিলো। আপুনি মিছাতে অধিক উত্তেজিত হৈছে—তেওঁ নম্ৰ সুৰত উত্তৰ দিলে। আপোনাক সকলো দেখুৱা-বলৈ আৰু কবলৈহে মই লৈ আহিছো। আহক মই আপোনাক সকলোখিনি বুজাই দিছো তেওঁ মোক হাতত ধৰি আগবঢ়াই লৈ গ'ল। মন্ত্ৰমুগ্ধ সাপৰ দৰে মই তেওঁৰ লগত আগুৱাই গলো।

মই এই দেশৰ অৰ্থাৎ পৃথিৱীৰ মানুহ নহয় তেওঁ কৈ গ'ল। মই বৃহস্পতি গ্ৰহৰ মানুহ। যিটো গ্ৰহ সৌৰজগতৰ ভিতৰতে আটাইতকৈ ডাঙৰ। মোৰ পৃথিৱীত পদাৰ্পণ কৰাৰ একমাত্ৰ লক্ষ্য হৈছে ভৱিষ্যৎ সম্ভাব্য বিপদৰ পৰা পৃথিৱীক ৰক্ষা কৰা। লগতে সৌৰজগতক বিপদমুক্ত কৰা।

কিন্তু আপুনিটো সুন্দৰকৈ অসমীয়া কৈছে, আৰু আপোনাৰ নগৰীত পৃথিৱীৰ ভাষা ইংৰাজী ব্যৱহাৰ কৰিছে মই উলতাই তেওঁক প্ৰশ্ন কৰিলো। তাবোপৰি পৃথিৱীৰেই বা ধ্বংসৰ কথা আপুনি কিয় কৈছে।

আমি ব্যৱহাৰ কৰা উন্নত মানৱ কম্পি-টাৰৰ দ্বাৰা সেইয়া সম্ভৱ হৈ পৰিছে তেওঁ হাঁহি উত্তৰ দিলে। চাওক, আপোনাৰ পৃথিৱীয়ে আমাৰ দৰেই বিজ্ঞানৰ ক্ষেত্ৰত বহুখিনি পদ-ক্ষেপ দিব পাৰিছে। কিন্তু দুখৰ বিষয় আপোনালোকে বিজ্ঞানৰ মহান অৱদানক যুদ্ধৰ বিভিষীকালৈ, প্ৰতিহিংসা পূৰণৰ বাবে ব্যৱহাৰ কৰিব ধৰিছে। আপোনালোকে গৱে-ষণা কৰি থকা উন্নত মানৱ মানসিক শক্তি-সম্পন্ন যন্ত্ৰ-মানৱৰ সবিশেষ মই জানিছো।

আপোনাৰ সকলো কাম-কাজ টেলিভিচনৰ সহায়ত মই নিৰিক্ষণ কৰি আছো। সচাঁই আপুনি এজন সুদক্ষ বৈজ্ঞানিক। প্ৰায় ছমাহ আগতে হেৰোৱা মডেলটোৰ বিষয়ে কিবা সন্দেহ পালেনে?

তাৰমানে মডেলটো আপুনি চোৰ কৰিছে মই গৰ্জি উঠিলো।

এৰা মইয়ে আনিছো। আপোনাৰ কামৰ নৈপুন্যৰ পৰিচয় পাবলৈ। ইতিমধ্যে আপোনাৰ গৱেষণা বহু আগবাঢ়িছে। কিন্তু আপোনাৰ মডেলত মগজুৰ অংশটোত কিছু আসোৱাহ বৈ গৈছে। যিটোৰ বাবে ই ক্ষন্তেকতে উত্তেজিত হব পাৰে। মানসিক শক্তি প্ৰদানৰ পিচত ই কিবা প্ৰকাৰে উত্তেজিত হলে কোনো শক্তিয়ে ইয়াক ৰখাব নোৱাৰিব। ক্ষন্তেকতে গোটেই পৃথিৱী ধ্বংস কৰি দিব। ইয়াৰ পৰা অকল পৃথিৱীৰে যে ক্ষতি তেনে নহয়। এই কাৰ্য্যই সৌৰজগতৰ বৃহৎ স্বাৰ্থত আঘাত হানিব। গ্ৰহ-উপগ্ৰহৰ আপেক্ষিক গতিত ব্যঘাত জন্মিব। গ্ৰহবোৰ কক্ষচ্যুত হব। সৌৰজগতৰ কোনোৱে ৰক্ষা নেপাব। সেয়ে মই আপোনাৰ পৃথিৱীৰ গৰ্ভত এই যন্ত্ৰ মানৱ কাৰখানা স্থাপন কৰিছো, সম্ভাব্য বিপদৰ পৰা সৌৰজগতক ৰক্ষা কৰিবলৈ।

কিন্তু এইটো জানো সম্ভৱ। মানৱ সত্বাক বাধা দিব পৰা ক্ষমতা এই যন্ত্ৰ মানৱে জানো পাব—মই সপ্ৰশ্নে তেওঁলৈ চালো। আচলতে তেখেতৰ দীঘলীয়া বক্তৃতাত মই অতীষ্ঠ হৈ পৰিছিলো। তাৰ পৰা পৰিত্ৰাণ পাবলৈয়ে তেনেকৈ সুধিলো।

নিশ্চয় সম্ভৱ হব—দৃঢ়তাৰে তেওঁ উত্তৰ দিলে। মই যিবোৰ যন্ত্ৰ মানৱ এই কাৰখানাত নিৰ্মান কৰিছো, সেই মানসিক শক্তিৰে পুষ্ট স্বয়ংক্ৰিয় মানৱ যন্ত্ৰবোৰ পৃথিৱীৰ বুকুত মেলি দিম। কিন্তু বৰ্ত্তমান যিবোৰ যন্ত্ৰ-মানৱ নিৰ্মান কৰি উলিওৱা হৈছে, যিবোৰক আপোনাৰ দৰে বৈজ্ঞানিকেও মানুহ বুলি ভুল কৰিছে, সিহঁতৰ মানসিক শক্তি তথা বিবেক নাই। সিহঁতে মোৰ নিৰ্দেশনা মতেহে কাম কৰে। এইয়া চাওঁক মই কম্পিউতাৰ যন্ত্ৰৰ সহায়েৰে সৌৱা যন্ত্ৰ মানৱৰ দ্বাৰাই উন্নত পৰ্য্যায়ৰ যন্ত্ৰ মানৱৰ সৃষ্টি কৰি আছো। এইবোৰ সাইলাখ পৃথিৱীৰ মানুহৰ গঢ়ৰ কৰি বনোৱা হৈছে। আধুনিক প্লাষ্টিক ছাৰ্জাৰীৰ বাবেই ই সম্ভৱ হৈছে। এতিয়া যদি এই যন্ত্ৰ মানৱবোৰৰ মগজুত মানসিক শক্তি প্ৰদান কৰিব পৰা হয় তেন্তে সেই মানসিক শক্তি পূৰ্ণ যন্ত্ৰ মানৱে স্বয়ংক্ৰিয়ভাৱে কাম কৰি গৈ থাকিব। যিমানে শক্তিশালী মগজুৰ যোগান ধৰা হয় ই সিমানে উন্নত স্তৰৰ হব। সেই বাবে মই আপোনা-লোকক বাচি লৈছো। অৱশ্যে বহু পৰিমাণে সুফল লাভ কৰিছো। গীতাই মাজতে ওলট পালট কৰি দিয়া বাবে কৃতকাৰ্য্য হব পৰা ন'গল। গতিকে আপুনি আমাৰ কামত সহায় কৰিব লাগে।

চাট, আপ... ...বন্ধ কৰক আপোনাৰ বক্তব্য—মই চিঞৰি উঠিলো। গীতাৰ আপুনি এই দশা কৰিছে, তাইৰ মানসিক শক্তি কাঢ়ি নিছে। মই ক্ষমা নকৰিম। উন্মত্ত ভাৱে মই খেদি গলো। ক্ষন্তেকতে কিহবাই মোক

চোকাখনলৈ ভাঙি নি পেলাই দিলে। মই আচৰিত হলো।

হাঃ হাঃ হাঃ——···সি পৃথিৱীবাসী লাভ নাই তেওঁ ঠাট্টাৰ সুৰত কলে। সেই চোকাখন আকৰ্ষণ শক্তি প্ৰদান কৰিব পৰা ব্যৱস্থা আছে। মোৰ কথামতে কাম নকৰিলে দুই পক্ষৰেই অমঙ্গল। তেওঁ আৰম্ভ কৰিলে। আপোনাৰ সমুখতে থকা মেচিনটোৰ বঙা চুইছটো টিপি দিলে এই পৰ্দাখনৰ পৰা অতি বেগুনীয়া ৰশ্মি ওলাই আপোনাৰ মুখত পৰিব আৰু তাৰ যোৰ জৰিয়তে আপোনাৰ মানসিক শক্তি সেই যন্ত্ৰ মানৱৰ মগজুলৈ প্ৰৱেশ কৰিব। লগে লগে সি হৈ উঠিব আপোনাৰ দৰেই প্ৰচণ্ড মানসিক শক্তিৰ অধিকাৰী। সেই যন্ত্ৰমানৱে এই কাৰখানাত আধুনিক স্বয়ংক্ৰিয় যন্ত্ৰ মানৱৰ সৃষ্টি কৰিব সমশক্তি সম্পন্ন কৰি। হেজাৰ যন্ত্ৰমানৱক মই পৃথিৱীৰ বুকুত মেলি দিম দানৱীয় শক্তিৰ বিৰুদ্ধে। গতিকে আহক আমাৰ গৱেষণাত আপুনি হাত মিলাওক।

নাই নাই মই নোৱাৰিম। গীতাৰ আপুনি সকলো কাঢ়ি নিলে। এইবাৰ মোৰ ওপৰ চাপিছে, মই আপোনাক ক্ষমা নকৰিম। মই ঘামি ঘামি জুকলা হৈ পৰিলো। মই মাথো কেৱল প্ৰতিবাদ কৰিছো।

আপুনি মিছাকৈয়ে খুব ভয় খাইছে। সোৱা গীতাক চাওঁক তাই সম্পূৰ্ণ সুস্থ মাথো তাইৰ মানসিক শক্তিকণ নাই। আপোনাক তেতিয়া তাই সেইবাবেই চিনি নেপালে। তাই মোৰ নিৰ্দেশনা মতেই সকলো কৰিছে। মই মাত্ৰ চুইছটো টিপি দিম মাত্ৰ কেইমিনিটমান সময়। পিচত সকলো আগৰ দৰেই স্বাভাৱিক, মাথো···। তেওঁ চুইছলৈ হাত নিলেই। মই বাধা দিবলৈ প্ৰচণ্ড চেষ্টা কৰিলো যদিও চোকাখনৰ পৰা উঠিব নোৱাৰিলো।

খ ট ক··· পৰ্দাখন পলকতে চিক্‌মিকাই উঠিল। মোৰ চকুহাল চাট মাৰি ধৰিলে। উঃ কি উজ্জ্বল পোহৰ চকুই তলক তৰক লগাইছে।

বন্ধ কৰা মই··· সজোৰে চিঞৰি দিলো। লগে লগে মই সাৰ পাই গলো। খণ্ডে মোৰ মুৰৰ চুলি পালেগৈ। বুৰ্বক কিয় চকুলৈ টৰ্চৰ পোহৰ মাৰিছ, তহঁতৰ পৰা অকনমান শান্তিৰে শুব নোৱাৰি।

হাঃ হাঃ হাঃ······বন আৰু দীলিপ দুয়ো অট্টহাস্য কৰি উঠিল।

হে'ৰ কুম্ভকৰ্ণ ডাঙৰীয়া, এই ফুট গধুলিতে শুই শুই কি বলকিব লাগিছ, বনই সুধিলে। কাৰোবাৰ নাম ধৰা যেন পালো দেখোন। মাঁ-দেউতাক ডাঙৰ মানুহ কৰিবি বুজিছো।


আৰে কিয় তেনেকৈ কৈছে, পিচত জানো এনেকৈ মেছ কৰি শোৱা খোৱাৰ দিন আহিব? গতিকে এতিয়াই···হাঃ হাঃ হা···দুয়ো অট্টহাস্য কৰিলে।

দেখা নাই যোৱা ৰাতি কিমান খন ৰাতিলৈ পঢ়ি আছো, এতিয়া অলপমান শুওতে তহঁতে দিগ্‌দাৰ কৰিছা কাম নাই আৰু তহঁতৰ ··· মই খণ্ডেৰে কলো।

পিছে টোপনিতে কাৰোবাৰ নাম কাঢ়ি চিঞৰা যেন পালো দেখোন ··· বনই ঠাট্টা কৰিলে।

বেছেৰোই দিনত যি কৰে টোপনিতো তাকেই দেখে···দীলিপে মন্তব্য কৰিলে।

নাই অ' সপোন দেখিছিলো মই লাজ লাজকৈ কলো। □




মিচ্ বিভা ববদলৈ
স্নাতক মহল।
১ম বার্ষিক (কলা)

সঁচাকৈয়ে, মানুহ চিনাটো বৰ কঠিন কাম। বিশেষকৈ মানুহৰ মনটোক বুজি পোৱাতো। কিমান যে মানুহ আছে এই ধৰাখনত। দেখাত সকলো একে মানুহেই, কিন্তু সিহঁতৰ ভিতৰ বিলাক ( মানসিক ) প্ৰত্যেকৰে স্বকীয়া। কোনো এজন মানুহকে তেওঁৰ বাহিৰৰ ৰূপটো চায়েই ভিতৰখনৰ কথা অনুমান কৰিব নোৱাৰি, যদিহে তেওঁৰ লগত অন্তৰঙ্গতা নাথাকে……। এনেধৰণৰ আৰু বহুত কথায়েই নিনাৰ মনটোক অস্থিৰ কৰি তুলিলে। মনটো চট্ ফটাৰলৈ ধৰিলে অনুতাপৰ যান্ত্ৰনাত। কাৰণটো যদিও বিশেষ একো নহয় তথাপিও আজি ইয়েই নিনাৰ মনত এক প্ৰচণ্ড অন্তৰ্দন্দ্বৰ সৃষ্টি কৰিছে।

ঘটনাটো ঘটিছিল অকস্মাতেই। অৱশ্যে, ঘটনা বোলাতকৈ কাহিনীৰ আৰম্ভনী বুলি কলেই বেছি ভাল হ'ব। বাৰু, সিবিলাক যিয়েইনহওঁক। নিনাৰ ক্লাছ শেষ হোৱাত ঘৰলৈ উভতিছিল। কলেজ চৌহদটো পাৰ হৈছে মাথোন, এনেতে কোনোবা এজনে যেন তাইৰ কাষতে ( পিছফালৰ পৰা ) চাইকেলৰ পৰা নামি পৰিল। তাই ঘূৰি চালে।

পঙ্কজে হাঁহি হাঁহি ক'লে –

আজিলৈ কলেজ শেষেই নেকি? অকলে অকলে উভতিছা যে, বান্ধৱী কেগৰাকীক ক'ত এৰিলা?

তেওঁলোকৰ ক্লাছ শেষ হোৱাই নাই। হাঁহিমুখেই উত্তৰ দিয়ে নিনাইও।

আপোনাৰ ভালনে? প্ৰশ্ন কৰে নিনাই।

আছো এক প্ৰকাৰে। খাই-শুই, ঘূৰি। কলেজলৈ আহিব লাগে, আহিছো গৈছো। বাছ, ইমানেই।

কথাখিনি কৈ অলপ জোৰকৈয়ে হাঁহি-দিছিল পঙ্কজে, হাঁহিছিল নিনাইও। কিন্তু ? পাচ মুহূৰ্ত্ততে তাই সচঁকিত হৈ উঠিল। হঠাৎ নিনাৰ অনুভৱ হ'ল পঙ্কজৰ সেই হাঁহিটো আৰু প্ৰকাশিত কথাকেইটাৰ মাজত যেন কিবা এটা ব্যৱধান বৈ গৈছে। যেন বহুতো অপ্ৰকাশিত বেদনা থুপ খাই আছে মনটোত যাৰ কাৰণে সেই হাঁহিত সজীৱতাৰ অভাৱ হৈছিল। এনে-দৰে পঙ্কজ সম্পৰ্কে আৰু বহুতো ভাৱেই অকস্মাতে তাইৰ মনত খেলিমেলিৰ সৃষ্টি কৰিলে। অৱশ্যে, ভাৱসমূহ প্ৰকাশ হবলৈ নিদিলে নিনাই।

আপুনি ইমান ধুনীয়া ছবি আঁকে আগতে জনা নাছিলো। সিদিনা প্ৰদৰ্শনীত ছবিবোৰ চাই যাওঁতে হঠাৎ কেইখনমান ছবিত আপো-নাৰ নামটো দেখি আচৰিতেই হৈছিলোঁ। সঁচাকৈ ধুনীয়া হৈছিল ছবিকেইখন।

—হয় নেকি? ধন্যবাদ। কিন্তু আচৰিত হোৱা বুলি কলাযে? কিয়, ছবি আঁকি মই কিবা জগৰ লগালো নেকি? নে মই আঁকিব নোৱাৰিম বুলি ভাবিছিলা?

—নহয় মানে,.........থত্‌মত্‌ খালে নিনা।

—মানে মই যেনেদৰে উৎপাত কৰি ঘূৰি ফুৰো, কলেজলৈ গৈও ক্লাচ কৰিব এৰি গোটেই সময়খিনি অনাহকত ধিতিঙালি কৰি কটাই দিও, সেইটো ল'বাই ছবি আঁকিবলৈ ইমান ধৈৰ্য্য ক'ত পালো? এয়েতো।

নিনাই প্ৰকাশ কৰিব নোখোজা কথা-কেষাৰকে যেন কাঢ়ি নি এটা এটা শব্দ কৰি পঢ়ি পেলালে পঙ্কজে নিজেই।

—নাই নাই, আচলতে মই ক'ব খুজি-ছিলো, মানে আজিলৈকে মোক কোনেও আপোনাৰ এই বিষয়ে কোৱা নাছিলটো.......।

নিজকে লুকুৱাবলৈ চেষ্টা কৰে নিনাই। কিন্তু কথাষাৰ আধাকোৱাকৈয়ে তাই বৈ গ'ল, বৈ যাবলৈ বাধ্য হ'ল। কাৰণ ইমান পৰে হাঁহি-মুখে কথা কৈ অহা ল'ৰাজন যে শেষৰ কথা-খিনি কোৱাৰ পাচ মুহূৰ্ত্তত অলপ বেলেগ হৈ পৰিছে। মানে গহীন হৈ পৰিছে। সেই পৰিবৰ্তনটো বুজি পাবলৈ নিনাৰ একো অসু-বিধা নহ'ল।

পঙ্কজ মানে পঙ্কজ চৌধুৰীৰ লগত নিনাৰ চিনাকি বেছি দিনৰ নহয়। দুয়ো একেখন বিদ্যালয়ৰে ছাত্ৰ-ছাত্ৰী। অৱশ্যে, নিনাতকৈ পঙ্কজ দুটা ক্লাচ ওপৰত। সেয়ে নিনাই পঙ্কজদা বুলিয়েই সম্বোধন কৰে।

ল'ৰাজন সম্পৰ্কে বহুতেই বহুধৰণৰ মন্তব্য কৰা নিনাই ইতিমধ্যে শুনিবলৈ পাইছে। বিশেষ-কৈ বেয়া ফালটোৰ কথা। বেয়া মানে...... ল'ৰাজন চঞ্চল, উৎপতীয়া, কলেজলৈ আহিও ক্লাচ কৰক চাৰি আড্ডাপিতি থকা ইত্যাদি ইত্যাদি। বিশেষকৈ পঙ্কজ যিটো জুমত থাকিব সেইটো দলৰ কাষেৰে ছোৱালী পাৰ হৈ

যোৱাটো অসম্ভৱ, কাৰণ হ'ল পঙ্কজৰ কথা কোৱাৰ ধৰণ, দস্তুৰ। অৱশ্যে এইবিলাক নিনাই শুনা কথাহে। তাই কিন্তু নিজৰ ক্ষেত্ৰত পঙ্কজৰ পৰা এনে ব্যৱহাৰ কোনোদিনে পোৱা নাছিল। তথাপিও কথাবিলাক শুনি শুনিয়েই নিনাৰ মনতো পঙ্কজ চৌধুৰী নামৰ ল'ৰাজনৰ প্ৰতি এক বিৰূপ মনোভাৱে ঠাই লৈছিল। সেয়ে লগৰ অন্যান্যবপৰা তাইও ব্যতিক্ৰম নাছিল, যদিও ভদ্ৰতাৰ খাতিৰত, তাকো একে-বাৰে সন্মুখতে পালেহে "ভালনে পঙ্কজ দা" বুলি কোৱাৰ বাহিৰে আন একো নকৈছিল। সেইদিনাও তেনেদৰেই মাতিব লগা হৈছিল, পঙ্কজক। অৱশ্যে এটা কথা নিনাই না নকৰে যে—পঙ্কজক বেয়া পালেও তাই কিন্তু পঙ্কজক চকু-মুখত অনবৰতে লাগি থকা সেই ধুনীয়া হাঁহিটোক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি-ছিল, আৰু সেয়ে, সেই মুহূৰ্তত যেতিয়া সেইখন মুখৰ পৰা সেই হাঁহিটোৱেই অদৃশ্য হৈ পৰিল তাইৰ নিজকে কিবা দোষী দোষী যেন ভাৱ হ'ল। ভাৱ হ'ল যেন তাই ক'ৰবাত কিবা এটা ভুল কৰি পেলালে। কিন্তু ভুলটো কোন-খিনিত হ'ল সেইটো ঠাৱৰ কৰিব নোৱাৰি নিনা কিছুপৰ নিশ্চুপ হৈ ৰ'ল আৰু নিশ্চুপ হৈ ৰৈছিল পঙ্কজ চৌধুৰীও। যেন এক মৌন যাত্ৰা। কিন্তু এই মৌন মুহূৰ্তত দুয়োৰে ভাৱৰ গতি আছিল ভিন্নমুখী।

সেই মুহূৰ্তত নিনাই ভাবিছিল তাইৰ কাষতে মৌন হৈ বৈ থকা পঙ্কজ চৌধুৰীৰ বিষয়ে। বিজাই চাইছিল সেই মুহূৰ্তৰ গহীন গম্ভীৰ ল'ৰাজনৰ লগত আগতে পাই অহা চঞ্চল মনৰ হাঁহিভৰা এযোৰ চকুৰে সৈতে সেই ল'ৰাজনক। কিমান ব্যৱধান। দুটা ভিন্ন মুহূৰ্তত একেজন ল'ৰাৰ ক্ষেত্ৰতে। আনহাতে পঙ্কজ চৌধুৰী? তেওঁ বাৰু কি ভাবিছে? হঠাৎ ল'ৰাজনে এনেদৰে গহীন হৈ গ'ল কিয়? তেওঁৰ কি এনে এক দুৰ্বল অংশ আছে য'ত নিনাৰ সেই অকণমান কথাষাৰে আঘাট হানিলেগৈ? ভাৱিবলৈ ধৰে নিনাই।

কিন্তু পঙ্কজ চৌধুৰীয়ে সেইবিলাক একো ভৱা নাছিল। তেওঁ যেন গুছি গৈছিল বহুত দূৰলৈ, অতীতলৈ তেওঁৰ জীৱনৰ। সৰু কালৰে পৰা বৰ্তমানলৈ ঘটি অহা বহুটো ঘটনা-কথা ছবিৰ দৰে এটা এটাকৈ ভাঁহি উঠিব ধৰিলে পঙ্কজৰ মানস পটত। আকৌ এবাৰ আমনি কৰিলেহি অতীতৰ সেই আমনিদায়ক স্মৃতিয়ে। যাক ঢাকি ৰাখিবৰ বাবে আজি এই উশৃংখল জীৱনৰ অভিনয়ক আৱৰণ হিচাপে বাচি ল'ব লগা হৈছে।

মৌন যাত্ৰা। এক অস্বস্তিকৰ পৰিবেশ। অস্বস্তি লাগিছিল নিনাৰ। সেয়ে কিছুপৰ উচপিচাই থাকি তায়েই মাত লগালে—।

—ইমানকৈ কি ভাৱিছে পঙ্কজ দা?

—হু? যেন উচপ খাই উঠিল পঙ্কজ। নাই নাই একো ভৱা নাই। সহজ হবলৈ যত্ন কৰে পঙ্কজ।

—মই তেনেকৈ কোৱা কাৰণে বেয়া পালে?

—নহয় নিনা। মই বেলেগ এটা কথাহে ভাবিছোঁ। আচলতে মই ভাৱিছো……মানে, কথাবিলাক তোমাক কও নে নকও… ।

—বৰ গোপন কথা হ'বপায়। সেয়েহে

ইমান ভাবিব লগা হৈছে। মোক যদি বিশ্বাস কৰিব পৰা নাই তেন্তে নালাগে ক'ব। অৱশ্যে কথাৰ গুৰুত্ব বুজি মইও বিশ্বাস ৰাখিবলৈ যত্ন কৰিলোহেঁতেন।

একে উশাহতে কথাখিনি কৈ নিনাই যেন স্বস্তিৰ নিশ্বাস এৰিলে। কাৰণ তাই ইমানপৰে অধৈৰ্য্য হৈ পৰিছিল পঙ্কজ চৌধুৰী নামৰ সাঁথৰ সাঁথৰ যেন লগা ল'ৰাজনৰ বিষয়ে সবিশেষ জানিবলৈ। তাই ব্যগ্ৰ হৈ পৰিছিল ল'ৰাজনৰ 'প্ৰকৃত মন'টোৰ ভূ পাবলৈ। কিয় জানো, —সেই সময়ত নিনাৰ মনত পঙ্কজৰ সেই গহীন ৰূপটোৱে এক বেলেগ অনুভূতিৰ সৃষ্টি কৰিছিল। মুহুৰ্ত্ততে তাইৰ মনত থকা আগৰ সকলো ধাৰণা (পঙ্কজৰ প্ৰতি) কৰ্পুৰৰ দৰে উৰি নাইকিয়া হৈছিল। তাৰ ঠাইত তাইৰ ইচ্ছা হৈছিল ইমানদিনে পঙ্কজে কঢ়িয়াই কঢ়িয়াই ভাগৰি পৰা (মানসিক) গধুৰ বোজাটোৰ পৰা কিছু অংশ তাই লৈ তেওঁক অলপ সকাহ দিবলৈ। কিন্তু মুখ ফুটাই নিনাই একোৱেই ক'ব নোৱাৰিলে। কিবা এটাই যেন তাইক বাধা দিলে। হয়তো এই বাধাৰ কাৰণ আছিল, ইমান দিনে তাইৰ মনত পঙ্কজৰ প্ৰতি থকা এক ভুল ধাৰণা।

বিশ্বাস-অবিশ্বাসৰ কথা মই ভৱা নাই। মই ভাবিছো মোৰ কথাবিলাক শুনি তাক তুমি কি ভাৱে গ্ৰহণ কৰিবা। কাৰণ মই আজি এনে কিছুমান কথা তোমাক কও বুলি ভাবিছো যিবিলাক হয়তো তুমি বিশ্বাস কৰিবলৈ টান পাবা। বুজি পোৱাত কিছু অসুবিধা হ'ব। (পঙ্কজৰ কথাই নিনাৰ ভাৱত য'তি পেলালে) পঙ্কজে আৰু কৈ গ'ল। তথাপি মই কবই লাগিব। এৰা নিনা, আজি মই ক'ম, মোৰ জীৱনৰ কিছু কথা, তোমাৰ আগত। নহ'লে, মই যে ভাগৰি পৰিছো, আৰু কিমান দিন এই অভিনয় কৰি থাকিম। মই জানো, এজন বেয়া লৰা হিচাপেই মই আজি সকলোৰে পৰিচিত; আনকি তোমাৰ চকুতো। অ', তুমি তাক' বেয়া নাপাবা এনেকৈ কোৱা বাবে। তোমালোক কোনেও কথাবাৰ মোৰ আগত প্ৰত্যক্ষভাৱে প্ৰকাশ কৰা নাই যদিও মই বুজি পাও, আৰু তুমি শুনি হয়তো আচৰিত হ'বা যে মই প্ৰকৃততে ইয়াকে বিচাৰিছিলো। মই বিচাৰিছিলো যাতে মোক সকলোৱে চিনি পায়। কিন্তু মই ইয়াকো জানিছিলো, যিহেতু কলেজৰ ভিতৰতে এজন কৃতী ছাত্ৰ হিচাপে নিজকে প্ৰতিস্থা কৰিব পৰা মানসিক প্ৰস্তুতি মোৰ নাই, সেয়েহে মই আজিৰ এই পথটোকে এদিন বাচি লৈছিলো, মোৰ প্ৰকৃত স্বৰূপটোক ঢাকিবৰ বাবে, নিজকে নিজৰ পৰা লুকুৱাৰ বাবে। সকলোকে মই দেখুৱাব বিচাৰিছিলো যেন মোৰ মনত কোনো ধৰণৰ অশান্তি নাই, দুখ নাই।

এনেদৰে পঙ্কজে আৰু বহুতো কথাই কৈ গৈছিল আৰু নিনাইও শুনি গৈছিল একান্ত মনে। কথাবিলাকে তাইক সচাঁকৈয়ে ক্ৰমে আচৰিতৰ পৰা আচৰিত কৰি লৈ গৈছিল।

মই কিন্তু এটা সময়ত আজিৰ এই বেয়া ল'ৰাটো নাছিলে। অন্ততঃ মই ভবা মতে। তেতিয়া মই সৰু আছিলো। পঢ়া-শুনাতো মই ভালেই আছিলো। সেয়ে হয়তো মই আদায়

কৰিব পাৰিছিলো সকলোৰে পৰা মৰম-স্নেহ। ব্যৱহাৰ-পাতি, কথা-বতৰাৰ জৰিয়তেও ডাঙৰ-সৰু সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ মই সমৰ্থ হৈছিলো। কিন্তু..., মোৰেই দুৰ্ভাগ্য জানা নিনা, ইমানখিনিৰ পাছতো মই সম্পূৰ্ণ-ৰূপে পৰাজয় স্বীকাৰ কৰিব লগা হৈছিল, মোৰ আপোন মা আৰু সহোদৰ ককাইদেউৰ ওচৰত। কিহৰ কাৰণে ক'ব নোৱাৰো, বুজা হোৱাৰে পৰা মোৰ মনত এনে এটা ভাৱ উদয় হৈছিল যেন মই ঘৰখনত, বিশেষকৈ মাৰ চকুত এক অনাহুত প্ৰাণী। হয়তো ককাইদেউৰ প্ৰতি থকা ( আজিও আছে ) মাৰ অতিপাত মৰমেই মোৰ মনত তেনে এটা ভাৱৰ সৃষ্টি কৰিছিল। কাৰণ মোৰ অনুভৱ হৈছিল মোক দেখিলেই যেন মাৰ মনটো কোঁচ খাই যায়। হয়তো ককাইদেউৰ দৰে মই ধুনীয়া নতুবা বুদ্ধিমান হ'ব নোৱাৰিলো। যাৰ বাবে মই মাৰ মাজত এই পক্ষপাতিতাক বিছাৰি পাও। ককাইদেউৰ প্ৰতিটো কথাত, কামত মা যেনে-দৰে আগ্ৰহী, মোৰ ক্ষেত্ৰত তাৰ অভাৱ বোধ কৰো। যেনে ধৰা—ককাইদেৱে যদি কিবা এটা কথা বুজি পোৱাত কিছু অসুবিধা পায় তেন্তে মায়ে বেছ সুন্দৰ ভাৱেই সেইটো বুজাই দিবলৈ যত্ন কৰে। আনহাতে মোৰ ক্ষেত্ৰত ? "উস্ এইটোৰ পৰা আৰু উপায় নাই, ইমান সৰু সৰু কথাবিলাকো বুজি নাপাৱনে ?" ইত্যাদি, ধৰণৰ কিছু ভোৰভোৰণি। তাৰ পাছত কেতিয়াবা উত্তৰ পাওঁ, কেতিয়াবা নাপাওঁ। কাৰণ সিমান সময় উত্তৰৰ অপেক্ষাত মাৰ ওচৰত বৈ থকাৰ ধৈৰ্য্য মোৰ নাথাকে। সেয়ে হাঁহি এটা মাৰি ( যাতে মুখত কোনোধৰণৰ ভাৱান্তৰ প্ৰকাশ নাপায় ) মই তাৰপৰা আঁতৰি আঁহো।

এনেবিলাক কাৰণতে, বয়সৰ ফালৰ পৰা সৰু হ'লেও মোৰ সীমিত অভিজ্ঞতাৰ পৰাই মাৰ মনৰ সেই পক্ষপাতিতাক মই অনুভৱ কৰিব পাৰিছিলো, আৰু সেই অনুভৱেই এদিন লাহে লাহে গৈ মোৰ সবল মনটোত বিদ্ৰোহৰ সঞ্চাৰ কৰিলে। অৱশ্যে, 'মাৰ পক্ষপাতিতা' বুলি কৈ মই এইটো প্ৰতিপন্ন কৰিব বিচৰা নাই যে তেওঁ মোক সম্পূৰ্ণৰূপে অৱ-হেলা কৰিছে। তেওঁ মোৰ বাবে কৰণীয় ( পুত্ৰ হিচাপে ) প্ৰতিটো কামকেই সুচাৰুৰূপে কৰি গৈছে, একালৰ পৰা। সৰুতে চাফ্-চিকুন কৰি স্কুললৈ পঠোৱাৰে পৰা আদি কৰি বৰ্তমানৰ এই স্তৰলৈকে, মোৰ প্ৰতিটো কামতে তেওঁৰ দায়িত্বপূৰ্ণ চোকা দৃষ্টি দি আহিছে। কিন্তু, মোৰ বিদ্ৰোহৰ মূল সেই-টোৱেই যে তেওঁ এবাৰো মোৰ ভিতৰৰ 'মই' টোক বুজিবলৈ বা অনুভৱ কৰিবলৈ চেষ্টা তথা ইচ্ছা কৰা নাই, আজিলৈকে। ফলত ইমান দিনে ককাইদেৱে যি ভাল পায় বা যেনেদৰে ভাল পায় আমিও তাকেই অনুসৰণ কৰি যাব লগা হৈছে। সকলো ক্ষেত্ৰতে কেৱল ককাই-দেউৰ অভিমতেই শেষ। তেনে অৱস্থাত ভুমি-য়েই কোৱাচোন নিনা। এইটো জানো ভাল কাম হৈছে ? অৱশ্যে ঘৰৰ ডাঙৰ সন্তান হিচাপে তেওঁৰ কথাত যে গুৰুত্ব আছে, তাক মই অস্বীকাৰ কৰিব বিচৰা নাই। হ'লেও মোৰোতো নিজস্ব বুলি কিবা এটা আছে। মোৰ পচন্দ-অপচন্দ ?

কথা কৈ কৈ পঙ্কজ এটা সময়ত উত্তেজিত হৈ পৰিছিল। কিন্তু তালৈ ভ্ৰূক্ষেপ নাছিল

পঙ্কজৰ। ভৱা নাছিল পঙ্কজে তাৰ কথাবিলাক শুনি নিনাৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বা হ'ব পাৰে। হয়তো ইমান-দিনে অন্তৰৰ কোনো এটা গোপন কুঠৰিত এই বেদনাসমূহক আৱদ্ধ কৰি ৰখাৰে ফলশ্ৰুতি এয়া, ভাবিছিল নিনাই। তাৰ বাবে তাই পঙ্কজক দোষো দিয়া নাছিল। তাই মাথোন আচৰিত হৈছিল। আচৰিত হৈছিল পঙ্কজৰ দৰে উশৃংখল চৰিত্ৰ এটাৰ মাজত ইমান বেদনাৰ সন্ধান পোৱাত। বিস্ময়ত তাই কথা ক'বলৈকে পাহৰি গৈছিল। পাহৰি গৈছিল তাইৰ নিজৰ কথা। পঙ্কজৰ মনৰ বেদনাক অনুভৱ কৰি নিনাৰ মনটোৱেও পঙ্কজৰ মনৰ লগত একিভূত হৈ পৰিছিল। পঙ্কজৰ পিছে সিবিলাকৰ প্ৰতি খেয়াল নাছিল। তেওঁ মাথোন কৈ গৈছিল, ক'তো যতি নেপেলোৱাকৈ। যেন এবাৰ বৈ গ'লে আৰু পাছৰখিনি ক'বলৈ সুবিধাই নাপাব।

লাহে লাহে মোৰ এই বিদ্ৰোহী মনটো মোৰ দৈহিক আকাৰটোৰ লগে লগে আৰু বেছি ডাঙৰ হৈ আহিছিল। তথাপিও মই কিন্তু ধৈৰ্য্য হেৰুৱা নাছিলো। সকলোতে আগৰ দৰেই ব্যৱহাৰ কৰি আহিছিলো। কিন্তু কিমান-দিন? কিমানদিন মই তেনেকৈ অভিনয় কৰি থাকিব পাৰিম? কেতিয়াবা ধৈৰ্য্যৰ বান্ধ ভাঙি পৰিব খোজে, আৰু তেতিয়াই মোৰ মনৰ সকলোবোৰ কথা চিঞৰি চিঞৰি কৈ দিবলৈ মন যায়।

—কোৱা হলেই ভাল আছিল হয়তো। অন্ততঃ আপোনাৰ মনটোৱে যথেষ্ট শান্তি পালেহেতেন।

কথাষাৰ ক'লে নিনাই। হয়তো ভাৱৰ তন্ময়াত পৰি নতুবা নিজৰ উপস্থিতিক স্বীকাৰ কৰি।

—হয়তো পালোহেতেন। কিন্তু নকলো। কাৰণ মোৰ ভয় হ'ল, জানোচা মই আৰু বেছি অৱহেলিত হৈ পৰো, এই ভাবিয়েই আৰু ইয়াকে ভাবি মই আকৌ এটা ভুল কৰি পেলালো। ফলত মই কৰিব লগা হ'ল পুনৰবাৰ অভিনয়। অভিনয়ৰ ওপৰত অভিনয় আজিৰ এই উশৃংখল চৰিত্ৰৰ।

প্ৰথম অভিনয়ৰ জৰিয়তে মই ঢাকি ৰাখিব বিচাৰিছিলো মোৰ মনৰ অধৈৰ্য্যতাক। কিন্তু যেতিয়াই মই দেখিবলৈ পালো, ইয়াত ঢল অহাৰ উপক্ৰম হৈছে, আৰম্ভ কৰি দিলো এই নতুন অভিনয়ৰ।

নিনা, মোৰ কথাবিলাক শুনি তুমি কি ভাবিছা ক'ব নোৱাৰো। হয়তো ভাবিছা এই-বিলাক কথা লগৰ কোনোবা ল'ৰাক নকৈ তোমাক কোৱাৰ কাৰণ কি? কাৰণ অৱশ্যে অইন একো নাই। মইতো ইতিমধ্যেই তোমাক কৈছোৱেই, যে মই আজিলৈকে সকলোৰে আগতেই অভিনয় কৰি আহিছো, কেৱল মাৰ আগতে নহয়, আৰু সেয়ে হয়তো, মানে মই নিজেই এজন অভিনেতা হিচাপে সকলোৰে আগত নিজৰ প্ৰকৃত ৰূপটো লুকুৱাই ৰখা বাবেই, আনকো মোৰ সদায়ে অবিশ্বাসী যেন লাগে। সকলোকে কিবা, স্বাৰ্থপৰ যেন ভাৱ হয়। হয়তো সেই কাৰণেই, যদিও মোৰ লগত বহুতৰে চিনাকি আছে আনকি মোৰ এনেকুৱা লগ-সমনীয়া আছে যাৰ লগত গোটেই দিন-টোৱেই ঘূৰি ফুৰি, স্ফুৰ্তি কৰি সময় কটাই দিও, তথাপিও সিবিলাকৰ মাজত মই তেনে

এজনক বিচাবি নাপাও যাক মই নির্বিঘ্ন চিত্তে মনৰ সকলো কথা খুলি ক'ব পাৰো। তুমি হয়তো আচৰিত হৈছা নিনা, তথাপিও মই কিন্তু সঁচা কথাকেই কৈছো। আজি মই মোৰ মনৰ কথা তোমাৰ আগত প্ৰকাশ কৰাৰ উদ্দেশ্যও সেইটোৱেই—যে, মই তোমাক মোৰ এজন উপযুক্ত বান্ধবী হিচাপে চিনি পাইছো। তুমি ভুল নুবুজিবা নিনা, আজি মই তোমাৰ আগত অভিনয় কৰা নাই। অৱশ্যে, মোৰ এই আহ্বানত সহাৰি জনোৱা নজনোৱাতো তোমাৰ কথা। তথাপিও মই আশা ৰাখিছো আজিৰ পৰা সদায়েই তোমাক এগৰাকী প্ৰকৃত বান্ধবী হিচাপে পোৱাৰ। কিয় জানো—? তোমাৰ লগত প্ৰথম চিনাকিৰ দিনাৰ পৰাই অইনতকৈ কিবা বেলেগ যেন লাগিছিল আৰু সেই-দিনাৰ পৰাই তোমাৰ প্ৰতি মোৰ মনত এই বন্ধুত্বৰ ভাৱে ঠাই পাইছিল।

ইমানলৈকে কৈ পঙ্কজ কিছুপৰ মনে মনে ৰ'ল। ভাগৰো লাগিছিল হয়তো একেলগে ইমানবিলাক কথা কৈ কৈ।

—আপুনি এতিয়া ক'লৈ যাব ?

—ক'লৈ যাম ? নিনা, আজিৰ দিনটো মই অভিনয়ৰ পৰা ৰেহাই লব বিচাৰিছো। সেয়ে সঁচা কথাকেই কওঁ। কৰবালৈ যাম বুলি মই প্ৰকৃততে অহা নাছিলো। মই আহিছিলো তোমাক দেখা পায়েই। বহুত দিনৰ পৰাই তোমাৰ আগত এই কথাবিলাক ক'বলৈ মই সুবিধা বিচাৰি আছিলো। শেষত আজিহে কোনোমতে কোৱা হ'ল। অলপ জোৰকৈয়ে কৈ উঠিল পঙ্কজে।

নিনাই চাই ৰ'ল পঙ্কজলৈ।

ইচ্ ৰাম, মইযে আজি কথা কৈ কৈ পাহৰিয়েই গৈছো। ইমানপৰে তুমি হয়তো মোক স্বাৰ্থপৰ বুলিয়েই ভাৱি আছিছা নহয় নিনা? কাৰণ মই যে কেৱল মোৰ বিষয়েই কৈ আছো। তোমাৰ খা-খবৰটো লোৱাই নাই আনকি এবাৰ কথা ক'বলৈকো সুবিধা দিয়া নাই তোমাক। আৰু তুমিতো ইয়াতে মানে বাচ ষ্টেণ্ডতে ৰ'বা। গাড়ীৰেহে যাবা ঘৰলৈ। গতিকে তোমাক ইমানতে এৰো।

—তাৰ বাবে আপুনি আক্ষেপ কৰিব নালাগে। মই বাৰু পিছতো কথা কম। আজি মই আপোনাৰ কথা শুনিবলৈকে প্ৰস্তুত। কৈ যাওক তাৰ পিচৰখিনি। গাড়ী এৰিবলৈ আৰু কিছু সময় আছে। গতিকে পিচৰ খিনিও ক'ব পাৰিব।

—পিচৰখিনি বুলিবলৈ আৰু বিশেষ নাই। সেই অভিনয়কে আজিও কৰি আছো। অৱশ্যে, এই মুহুৰ্তত নহয় দেই। কথাষাৰ কৈ পঙ্কজে পুনৰ অলপ শব্দ কৰিয়েই হাঁহিছিল।

হাঁহিছিল নিনাইও। কিন্তু এইবাৰ তাই সেই প্ৰথমবাৰৰ দৰে সচঁকিত হৈ নুঠিল। বৰঞ্চ সেই হাঁহিত তাই বিচাৰি পালে বন্ধুত্বৰ আশ্বাস। য'ত কোনো বিষাদৰ যন্ত্ৰনা নাই, দুখ নাই, অভিনয়ৰ পৰশ নাই।

ইয়াৰ পাছতো মানে গাড়ী যোৱাৰ সময়লৈকে পঙ্কজৰ লগত আৰু দুই এটা কথা পাতিছিল নিনাই। কলেজ সম্পৰ্কীয় বা অন্যান্য কিবা লৈ। এনেতে গাড়ী যাবলৈ ওলোৱা সংকেত ধ্বনি আহি দুয়োৰে কানত বিন্ধিবলৈ

ধৰিলে। নিনা মুহূৰ্ততে ব্যস্ত হৈ পৰিল। লৰা-লৰিকৈ পঙ্কজক বিদায় দি তাই গাড়ীত বহি পৰিল। গাড়ী চলিবলৈ ধৰিলে আৰু ইয়াতে তাল মিলাই নিনাৰ মনটোও উৰা মাৰিলে, মাখোন কেইমুহুৰ্তমান আগৰ সেই সময়-ছোৱালৈ। তাইৰ মনত পৰিবলৈ ধৰিলে পঙ্কজৰ কথাবিলাক, এটা এটাকৈ। মনত পৰিল ..।

"...জানা নিনা, ইমান দিনে মোৰ মনত অন্তৰ্দণ্ডৰ যি দাৰুণ যন্ত্ৰনা অনুভৱ কৰি আহি-ছিলো, আজি এই মুহুৰ্তত যেন তাৰ সম্পূৰ্ণ বিপৰীত অনুভূতি অনুভৱ কৰিছো। আজি মোৰ মনটো বৰ পাতল পাতল লাগিছে। তুমি হয়তো বুজি নাপাবা বা অনুভৱো কৰিব নোৱাৰিবা মনৰ ভিতৰত থকা অপ্ৰকাশিত বেদনাই মানসিক স্বাস্থ্যত কেনেধৰণৰ প্ৰভাৱ পেলাব পাৰে।" এনেদৰে আৰু বহুতো কথাই নিনাৰ মনটোক অস্থিৰ কৰি তুলিলে। তাইৰ চিঞৰি চিঞৰি ক'বৰ মন গ'ল—

মই বুজিব পাৰিছো পঙ্কজদা। মই আপো-নাৰ কষ্টক অনুভৱ কৰিব পাৰিছো। মই কথা দিছো, মই সদাই আপোনাৰ 'বন্ধুৰ' অভাৱ পুৰণ কৰিবলৈ যত্ন কৰিম। আপোনাক পুনৰ অভিনয় জগতৰ পৰা আঁতৰাই নি আগৰ পঙ্কজ চৌধুৰী হিচাপে প্ৰতিস্থা হোৱাত সহায় কৰিম। কিন্তু··· ।

কে-উ-চঁ। হঠাৎ গাড়ীৰ ভিতৰৰ সকলো মানুহেই মুহুৰ্ততে আগলৈ হাউলি পৰি পুনৰ পিছফালে চিটত খুন্দা খালে। দুই একে হয়তো সামান্য আঘাট পালে। কিহ'ল বুলি সকলোৱে ব্যস্তভাৱে আগফালৰ ৰাস্তাটো চাবলৈ যত্ন কৰিলে। "এই গৰুবিলাক যে ৰাস্তাৰ দাঁতিত এবাল দিবলৈ কিহে পায় মানুহবিলাকক।" এটা ভুন-ভুননি শুনা গ'ল। নিনাইও ইয়াৰ ভাগ পালে। কিন্তু এই ব্যস্ততাৰ মাজতে তাইৰ মনত সকলো তল পৰি ভাঁহি উঠিছিল হাঁহি-ভৰা দুখন মুখৰ প্ৰতিচ্ছবি একেজন মানুহৰে, দুটা ভিন্ন হাঁহি। বিশেষ-বিশেষ মুহুৰ্তৰ। পঙ্কজ চৌধুৰী। গাড়ীখনে পুনৰ গতি কৰিলে।

□

সাহিত্যৰ আন এটা লাগতিয়াল বিভাগ হৈছে শিশু সাহিত্য। সাহিত্যিকসকলৰ ভিতৰত শিশু-সাহিত্যৰ বেদী-ৰচনা কৰোঁতা সকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সাহিত্য কাননত পাৰিজাত ফুলবোৰ একেদিনে বা কম সময়তে নুফুলে। গুটিৰ পৰা পুলি হয়। পুলিৰপৰা গছ হয়। গছৰপৰা ফুল হয়। উপযুক্ত সময়ত সাৰ পানী যোগাই ওচৰৰ ঘাঁহ বন চিকুনাই দিলেহে লহপহকৈ বাঢ়ি সময়ত ফুলবোৰে পৰিপূৰ্ণতা লাভ কৰি চকু জুৰোৱা ৰূপেৰে আমোল মোলোৱা গোন্ধেৰে জগত মুহিব পাৰে। দেশৰ শিশু-সকলেই হৈছে এই ফুল পুলি।

শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা।
১৯৫৯, নগাওঁ।

# অসমীয়া কথাছবিৰ নামেৰে লিখা এখন চিঠি

( নৱজ্যোতি শৰ্মা
মুঠ—৯১ )

শ্ৰীশ্ৰী মা কামাখ্যা

মৰমী জয়মতী,

মৰম লবি। মানসী, ৰুনুমী আৰু ভাইটিক মোৰ মৰম দিবি। মই এতিয়া ঘৰ-সংসাৰৰ নিমিলা অঙ্কত যোগ বিয়োগ কৰি পাৰঘাট বিচাৰি হাহাকাৰ কৰি আছো। জীৱন অৰণ্যত তই চাগৈ সোনৰ হৰিণ বিচৰাত ব্যস্ত। আমাৰ ইউনিভাৰচিটিৰ বন্ধু শকুন্তলা আৰু শংকৰ যোচেফ আলি হবলৈ মনত পৰে।

অ' ড' বেজবৰুৱাৰ' ৰঙা পুলিচৰ সংগ্ৰাম, বিপ্লৱী মনিৰাম দেৱান আৰু অপৰাজেয় লাচীত বৰফুকন নামৰ কিতাপ কেইখন প্ৰকাশ কৰিলে। তেখেতৰ ডাঙৰ পুত্ৰ চিৰাজৰ অপৰূপ স্ত্ৰী তৰামাইক অকনে আজলী নবৌ হিচাবে পাই পুতলাঘৰ সজা বাদ দিলে। বৰুৱাৰ সংসাৰৰ মাজু বোৱাৰী মনোমতীয়ে পাপ আৰু প্ৰয়াচিত্তৰ অভিযানত বিভ্ৰাত ঘটায় গনেশক লৈ নতুন পৃথিবীৰ পূবেৰুণ পুৱতী নিশাৰ সপোনৰ ধুমুহাত চাকনৈয়া হৈ এতিয়া আদালতৰ ওপৰ মহলাত। বংসধৰ হিচাবে থাকিল সন্তান কল্লোল, ৰশ্মিৰেখা আৰু পাপৰী। মাক আৰু মৰম এই কথাষাৰ সিহতে হয়তো বুজি নেপাব। ইপিনে ৰতন লালৰ ৰূপহী লখীমি চামেলি মেমচাবে মুকুতাৰ মৰিচিকাত ভোল গৈ লটি ঘটি হ'ল।

জান'। বহাগৰ ভুপৰীয়া, পলাশৰ ৰং, বনৰীয়া ফুল, বনহংস আৰু গঙ্গা চিলনীৰ পাখী দেখি তহতলৈ খুউব মনত পৰে।

আমাৰ ধৰ্মকায়ে ওপজা সোনৰ মাটিৰ কাৰণে ইটো সিটো বহুতৰ লগত খোজ দি বনজুইৰ দৰে জনাজাত হৈ পৰিল। তাৰ এতিয়া সোনমা আৰু বিভ্ৰাত নামৰ দুটি ল'ৰা ছোৱালী। অ' এটা কথা লিখিব পাহৰিছিলো ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু জয়মতীয়ে নতুন আশাৰে বৃষ্টি নামৰ কথাছবি খনৰ বাবে উত্তৰনক মাতি পঠিয়াইছে। প্ৰাণগঙ্গা হব তাৰ চৰিত্ৰ বিঃ নাই। ধৰ্মকাইৰ খবৰ কেনে? তেওঁ কোৱা সতীবেউলা, শকুন্তলা আৰু তেজীমলা আদিৰ সাধুবোৰ আজিও মনত আছে। মই এতিয়া মন আৰু মৰমৰ শেষ বিচাৰৰ পৰিণাম ভাগ্যৰ সৰাপাত। উত্তৰ দিবি। সোনতৰা মমতা হতলৈও মৰম ব'ল।

ইতিত—

ইন্দ্ৰ মালতী
কাচঘৰ
বদন বৰফুকন ৰ'ড

মোৰ ঠিকনা:—

প্ৰতি—শ্ৰীমতী মহিমা ময়ী।
মাৰফৎ:—পিয়লী ফুকন।
পোঃ অঃ—উপগ্ৰহ ( পিন ১৯৭২ )
ভায়া:—নৰকাসুৰ
জিলা:—সন্ধ্যাৰাগ

মিছ জামিউন নেচা (বুলিন )
ত্রিবার্ষিক স্নাতক ( কলা )
প্ৰথম বাৰ্ষিক ।

একাংকিকা

# আইডেনটিটি কাৰ্ড

**চৰিত্ৰ সমূহ ঃ**

ভিক্ষাৰিণী—২০ বছৰীয়া ছোৱালী,
জোনাকী—আদবয়সীয়া তিৰোতা ঘৰৰ মালিকণী,
প্ৰতিভা—জোনাকীৰ জীয়েক, কলেজীয়া ছোৱালী,
বয়স ১৬ বছৰ,
নিবেদিতা—প্ৰতিভাৰ কলেজীয়া বান্ধবী,
মালতী – ৬০/৭০ বছৰীয়া বুঢ়ী ।

পৰিবেশ ঃ—জোনাকীৰ ঘৰৰ বাৰান্দাত জোনাকী এখন চকীত বহি বাতৰি কাকত পঢ়ি থাকে। জোনাকীৰ আগত এখন টিপয় আৰু ওচৰতে আন এখন চকী থাকে। এনেতে ভিক্ষাৰিণী এজনী জোনাকীৰ ঘৰলৈ ভিক্ষা মাগিবলৈ আহে ।

ভিক্ষাৰিণী ঃ—মা এমুঠি ভিক্ষা দিয়ক।

জোনাকী ঃ—কি লাগে ?

ভিক্ষাৰিণী ঃ—মই ভিক্ষাৰিণী মা, ভিক্ষা খুজিছো।

জোনাকী ঃ— ভালে ভালে আতৰি যা বুলি কৈছো আতৰি যা। লাজ নেলাগে এইদৰে ভিক্ষা মাগি ফুৰিবলৈ। কু-লক্ষনী ক'ৰবাৰ। হাত, ভৰি, চকু, কান, থাকোতেই এইদৰে ভিক্ষা মাগি ফুৰ, নহয়।

ভিক্ষাৰিণী ঃ মা, কোনোবাই জানো নিজে ইচ্ছা কৰি ভিক্ষা কৰিব খোজে ? পৰিস্থিতিয়ে বাধ্য কৰিছে বাবেহে এইদৰে ভিক্ষা কৰিব লগীয়াত পৰিছো।

জোনাকী ঃ—তৰ্ক কৰিবলৈ আহিছ নহয় ? দকদকীয়া পাট-গাভৰু এগৰাকী হৈ এইদৰে অকলে অকলে ঘূৰি ফুৰিবলৈ তোৰ লাজ লগা নাই। তইঁতে নাৰীজাতিৰ মানমৰ্য্যদা সকলো শেষ কৰি দিলি।

ভিক্ষাৰিণী ঃ—আপুনি মোক ভিক্ষা দিলে দিব পাৰে নিদিলে নাই। কিন্তু মোক এইদৰে কিয় কৈছে মা ?

জোনাকী ঃ—চুপ বুলি কৈছো নহয়। কিবা ৰূক উঠি আছে বুজিছ ? এই ভিক্ষাৰিণী হৈ মোক নীতিবচন শিকাবলৈ আহিছে। ভাল এনেকা দিম মায়েৰে।

( এনেতে প্ৰতিভা সোমাই আহে )

প্ৰতিভা ঃ মা কি হৈছে আপোনাৰ ? এজনী ভিক্ষাৰিণীৰ লগত এনেকৈ তৰ্ক কৰি থাকিব লাগে নে বাৰু ? আপোনাৰ ইচ্ছা হয় তাইক ভিক্ষা দিব আৰু ইচ্ছা নহলে নিদিব। কিন্তু তাইক ইমান কটু কথা কোৱাৰ আপোনাৰ অধিকাৰ কি ?

জোনাকী ঃ—প্ৰতিভা তইঁতে এইবিলাক নুবুজ। এই যে এইদৰে ভিক্ষা মাগি ফুৰিব লাগে কাৰোবাৰঘৰত চাকৰণী থাকিলে কি হয়।

প্ৰতিভা ঃ—কোনোবাই ভিক্ষা মাগি খাবলৈ জানো ভাল পায় মা ? তাই কিয় ভিক্ষাৰিণী হৈছে এবাৰ চিন্তা কৰি চাইছেনে মা ? আপুনি চাকৰণী থকাৰ কথা কৈছে।

প্ৰতিভা ঃ এজনী গাভৰু ছোৱালীক চাকৰণী কোনে ৰাখিব ? তাইৰ নিৰাপত্তা বা দিবই কোনে ? ঠিক আছে তাই যদি আমাৰ ঘৰত থাকে আপুনি ৰাখিব মা ?

জোনাকী ঃ—কিয় নাৰাখিম ? তাই কাম কৰিব ভাত খাব। তেতিয়া তয়ো কামৰ পৰা ৰেহাই পাবি। পঢ়াত তোৰ সুবিধা হব। অ'ই ছোৱালী তই আমাৰ ঘৰত চাকৰণী থকিবি ?

ভিক্ষাৰিণী ঃ—থাকিম মা। এইদৰে আশ্ৰয় পালে মই কিয় নাথাকিম ?

জোনাকী ঃ—তই মোক বাৰে বাৰে মা বুলি নাথাকিবি। মোৰ ল'ৰা-ছোৱালী আছে। তই মোৰ জীয়াৰী হব নোৱাৰ।

ভিক্ষাৰিণী :---তেনেহলে… …

জোনাকী : -আইদেউ বুলিবি। আৰু শুন ভালদৰে কাম কৰিবি খাবলৈ পাবি আৰু যদি গা যেলাই থাক তেনেহলে মূৰৰ চুলি ডাল ডাল কৰিম।

প্ৰতিভা : --উস বাম। ৰবছোন মা মানুহক ইমান বেয়াকৈ কব পায়নে? আচ্ছা তোমাৰ নাম কি বাৰু?

ভিক্ষাৰিণী : –মোৰ নাম মীনাক্ষি বৰুৱা।

প্ৰতিভা : –বাঃ কি ধুনীয়া নাম। ঠিক আছে আজিৰ পৰা তোমাক আমি মীনা বুলিয়ে মাতিম বাৰু।

জোনাকী : –অই এতিয়া ভিতৰলৈ ব'ল। এইদৰে মুখমেলি চাই থাকিলে নহব। পাগঘৰত ক'ত কি কৰিব লাগে সকলো দেখুৱাই দিম। তই সেইমতে সদায় কৰিব লাগিব। বুজিছ নে নাই।

মীনা : - হব আইদেউ।

(প্ৰতিভাই চকীত বহি বাতৰিখন চাবলৈ ধৰে। এনেতে তাইৰ বান্ধবী নিবেদিতা আহি পায়)

নিবেদিতা : - অ'প্ৰতিভা কি কৰিছা? আজি কলেজলৈ নোযোৱা নেকি?

প্ৰতিভা :---এহ হে নিবেদিতা দেখোন। আহা বহাছোন। কলেজলৈ কিয় নাযাম? যাম আৰু'

নিবেদিতা : --এৰা কলেজলৈ নগলে হব জানো? নগলে বা আকৌ সিফালে কি ভাবি থাকে?

প্ৰতিভা : ধেৎ নিবেদিতা তুমি সকলো সময়তে এইবোৰ

প্ৰতিভাঃ—কিয় কৈ থাকা? বাৰু সেইবোৰ বাদ দিয়া। Economics ৰ চাৰে যে Home-work দিছিল কৰিছা?

নিবেদিতাঃ—মই একেবাৰে সময়েই নাপালো জানা প্ৰতিভা? ঘৰৰ সকলো কাম বন ময়ে কৰিব লাগে। ইফালে মাৰ অসুখ হৈছে। নবৌও মাকহঁতৰ ঘৰৰ পৰা আহিয়ে পোৱা নাই দেখোন। তুমি চাগৈ কৰিছা নহয়?

প্ৰতিভাঃ—ময়ো কৰা নাই। এই কেইদিন মা আৰু মইহে অকলে ঘৰত আছো। মাইতো কাম কৰিবই নোৱাৰে। ময়ে সকলো কৰিব লগীয়াত পৰিছো। অ' মীনা দুখন তামোল আনাছোন। (মীনাই তামোল আনে)

নিবেদিতাঃ - প্ৰতিভা, এইজনী ক'ৰ ছোৱালী অ'?

প্ৰতিভাঃ – তোমাক কবলৈয়ে পাহৰিছিলো নহয়। তাই এজনী ভিক্ষাৰিণী ছোৱালী। আজি আমাৰ ঘৰলৈ আহোতে তাইক কাম কৰা ছোৱালী হিচাপে ৰাখিয়ে পেলালো।

নিবেদিতা ঃ অ' হয় নেকি ? তোমাৰ ভালেই হ'ল তেন্তে। বহুত দেৰি হ'ল ভাই। এতিয়া যাওঁ দেই প্ৰতিভা।

প্ৰতিভা ঃ— ঠিক আছে যোৱা বাৰু। মনত ৰাখিবা কিন্তু।

নিবেদিতা ঃ– অকলে গলেহে ভাল হব। মোৰ লগত গলে কিজানি……… ।

প্ৰতিভা ঃ - মাৰ খাবা দেই। ৰখিবা বুলিছো ৰখিবা।

নিবেদিতা ঃ– ঠিক আছে বাৰু, আহোদেই।

( প্ৰতিভা অকলে থাকে। নেপথ্যত "জোনাকী পৰুৱাই প্ৰতিভা বৰুৱাই" গীতটি লাহে লাহে বাজি উঠে। প্ৰতিভাই কান পাতি শুনি থাকে। এনেতে প্ৰতিভাৰ মাক সোমাই আহে )

জোনাকী ঃ প্ৰতিভা তই এটা কথা শুন। চাকৰণীক সদায় চাকৰণী হিচাপে ব্যৱহাৰ কৰিবি, বুজিছ। তই আক' বৰ দয়াৱতী। মৰম কৰোতে মূৰত উঠিব কিন্তু।

প্ৰতিভা ঃ—মা তায়োতো মানুহ। মই জানো, মানুহক মানুহ হিচাপে ব্যৱহাৰ কৰিব লাগে ভগৱানে নকৰক আমাৰো যদি কেতিয়াবা এনে দশা হয় !

প্ৰতিভা ঃ— সেই কথা এবাৰ ভাবি চাওঁকচোন মা।

জোনাকী ঃ—প্ৰতিভা তই মোক কি শিকাবলৈ আহিছ ? মোৰ বয়স হৈছে। মোৰ বহুতো অভিজ্ঞতা হৈছে। তই কলেজত পঢ়িব পাৰ। কিন্তু সাংসাৰিক জীৱনত কাক কেনে ব্যৱহাৰ কৰিব লাগে সেই বিষয়ে মোক শিকোৱাৰ যোগ্যতা তই এতিয়াও অধিকাৰ কৰিব নাই পৰা।

প্ৰতিভা ঃ—ঠিক আছে মা। তাইক কিন্তু মই বিনাদোষত গালি-শপনি কৰিব নোৱাৰো।

( ভিতৰৰ পৰা মীনাই প্ৰতিভাক মাতে )

মীনা ঃ—বাইদেউ, ভাত বাঢ়ি সাজু কৰি ৰাখিছো, আহক। কলেজলৈ নাযায় নেকি ?

প্ৰতিভা ঃ—গৈছো ৰবা। ( প্ৰতিভা ভিতৰলৈ যায়। জোনাকী অকলে অকলে কিবা কিবি কৈ থাকে )

জোনাকী ঃ—আজি অত দিন হ'ল। মাকৰ ঘৰলৈ গ'ল বুলি ঘৰলৈ ঘূৰি আহিবলৈ মনতেই পৰা নাই। এইবাৰ ঘূৰি আহক সকলোৰে ভূত উজাৰিম।

( এনেতে মালতী বুঢ়ী আহি জোনাকীক মাতে। )

মালতী ঃ—জোনাকী অ' জোনাকী

জোনাকী ঃ অ' পেহীদেউ দেখোন। আহক। বহক হি।

মালতী ঃ—অকলে অকলে কিনো কৈ আছা ?

জোনাকী ঃ—নকৰ আৰু। আমাৰ বোৱাৰীৰ কথা কৈছো। আজি এমাহমান হ'ল মাকৰ ঘৰৰ পৰাই আহি পোৱাহি নাই।

মালতী ঃ—আজি কালি তিৰোতাৰ নিজৰ ইচ্ছাইহে কথা। তাতে আকৌ গুৰিয়াল বিলাকো তিৰোতা সেকুৱা নহয়। অ' পিছে এটা কথা শুনিলো হয় নেকি?

জোনাকী ঃ—কি কথা পেহীদেউ ?

মালতী ঃ—তোমালোকে বোলে জাতকুল নোহোৱা কৰবাৰ ভিক্ষাৰিণী ছোৱালী এজনী ৰাখিছা হয় নেকি ?

জোনাকী ঃ—হয় পেহীদেউ। কাম বন কৰা মানুহৰ বৰ অসুবিধা হৈছে। প্ৰতিভা দিনটো কলেজতেই থাকে।

জোনাকী ঃ—কলেজৰ পৰা আহি কাম বন কৰিলেনো পঢ়িব কেতিয়া? তাতে আকৌ যিজনী বোৱাৰী পালো একেবাৰে ধোদৰ পছলা। সেয়েহে ভিক্ষাৰিণী ছোৱালী এজনী পাই ৰাখিয়ে পেলালো।

মালতী ঃ—ছিঃ ছিঃ ছিঃ। তোমালোকো বৰ মানুহ দেও। ক'ৰ জাতকুল নোহোৱা ছোৱালী এজনী এনেকৈ চপাই লব লাগেনে। ক'তনো দেখিছা গাভৰু ছোৱালীয়ে এইদৰে ভিক্ষা মাগি ফুৰা? ইহঁত ভালবিধৰ ছোৱালী নহয়। এইবিলাক কৰবাৰ বজকুৱা ছোৱালী। বুজিছা জোনাকী তাইক নাৰাখিবা খেদি দিবা। নহলে কেতিয়াবা তোমালোকৰো সৰ্বনাশ কৰিব।

জোনাকী ঃ নহয় পেহীদেউ। ছোৱালীজনী কাম বনত বৰ ভাল পাইছো। তাই যিয়ে নহওঁক আমাৰ নো কি দৰকাৰ। আমাক কাম কৰি দিলেই হ'ল। তাই আমাৰ একো সৰ্বনাশ কৰিব নোৱাৰে।

মালতী ঃ—এহ তোমালোকে যি কৰা কৰিবা। কব লাগে কৈছো। মানা যদি মানিবা নামানিলে নাই। মই আহিলো।

(মালতী বুঢ়ী গুচি যায়। জোনাকীয়ে মীনাক মাতে)

জোনাকী ঃ—অই মীনা, মীনা

মীনা ঃ—আইদেউ (ভিতৰৰ পৰা)

জোনাকী ঃ—এইফালে আহ বুলিছো নহয়। আহিছনে নাই।

মীনা ঃ—গৈছো আইদেউ।

জোনাকী ঃ—অই কি কৰি আছ। এইদৰে গা মেলাই থাকিলে নহব বুজিছ। যা এতিয়াই, ইমানবোৰ কাপোৰ-কানি লেতেৰা হৈ আছে' দেখা নাই। কাপোৰ এবাল্টিমান ধুই দে গৈ। চোতাল ঘৰ সাৰিলি নে নাই? সকলো বিলাক মই কৈ থাকিব লাগিব নহয়? অই শুন প্ৰথমে চোতাল ঘৰ সাৰিবি, পাগ ঘৰটো মচিবি, বাচন বৰ্ত্তন সকলো খিনি মাজি থবি, লেপ-টোচক খিনি বাহিৰত উলিয়াই দিবি।

জোনাকী :—তাৰ পিছত মোক একাপ চাহ কৰি দিবি। শুনিছ নে নাই ?

মীনা :- হব আইদেউ। ( মীনা ভিতৰলৈ যায় আৰু জোনাকীয়ে বাতৰিখন চাবলৈ ধৰে। এনেতে প্ৰতিভা কলেজৰ পৰা আহে আৰু মাকৰ হাতত কিতাপ এখন দি কয় )

প্ৰতিভা :—মা অ' মা এই সংখ্যাৰ বিস্ময়খন ইমান বঢ়িয়া হৈছে। কেইবাটাও ভৌতিক গল্প, ৰহস্য গল্প আৰু এখন উপন্যাসিকা আৰু সদ্যপ্ৰকাশিত কেইখনমান অসমীয়া আৰু হিন্দী বোলছবিৰ কথা এই সংখ্যাত প্ৰকাশ পাইছে। সেই কাৰণে মই এইখন আনিলো-ৱেই। চাওঁকছোন বাৰু।

( প্ৰতিভাই বিস্ময়খন মাকৰ হাতত দি ভিতৰলৈ গুছি যায়, মাকে চাবলৈ ধৰে। কিছুসময় চাই উঠি কৰলৈ ধৰে )

জোনাকী :—বাদ দিয়া এইবোৰ কোনে পঢ়ে। এইবোৰ পঢ়াৰ জানো মোৰ বয়স আছে। ইয়াত থাকিব মিঠুনৰ কথা, জয়াপ্ৰদাৰ কথা, গাভাস্কাৰৰ কথা, আৰু কেইটামান নোম নেঙুৰ নোহোৱা গল্প। এইবোৰ পঢ়ি কি লাভ।

( মীনাই বাঢ়নী এডাল লৈ আহি সাৰিবলৈ ধৰে। তেতিয়া জোনাকী কিতাপখন এৰি ভিতৰলৈ যায়। মীনাই ঝাৰু দিয়াৰ পিছত বিস্ময়খন চাবলৈ ধৰে। এনেতে জোনাকী আকৌ সোমাই আহে। )

জোনাকী : -অ'ই কি কৰিছ তই ( উধাই মুধাই চৰিয়াই আৰু কয় ) তোক কি কৈছিলো ? কাম কৰিব নোৱাৰ এইদৰে মুখ লুকাই থাকিবি নহয় ? তোৰ লাজ নালাগে চাকৰণী এজনী হৈ এইদৰে কিতাপ পঢ়াটো চেলাইছ। তই কিবা কম জান নেকি ? আয়ৈ দেহি যেন কলেজীয়া ছোৱালীহে, কেনেকৈ কিতাপ পঢ়াটো দেখুৱাইছে।

মীনা — ( কান্দি কান্দি কয় ) আইদেউ মইতো কম একো পঢ়িব নাজানো। মাত্ৰ কিতাপ-খনত থকা ফটো কেইটাহে চাইছিলো। ( প্ৰতিভা সোমাই আহে )

প্ৰতিভা :—মা আপুনি তাইক এইদৰে কিয় মাৰিছে ?

জোনাকী :—প্ৰতিভা তই মনে মনে থাক। তাইক দেখিছনে নাই ? তাই কাম কৰা ছোৱালী কাম কৰিব লাগে, কিতাপৰ ফটো চাই থাকিলে হব নেকি ?

প্ৰতিভা :—মা তাই কাম কৰা ছোৱালী হ'ল বুলি কিতাপৰ ফটো কেইটা চাওঁতে নো কি জগৰ লাগিল। তাইকো তো অলপ স্বাধীনতা লাগে। ( মীনাৰ গাত ধৰি ) তুমি নাকান্দিবা মীনা ) মা এনেকুৱাই। তুমি মোৰ মুখলৈ চোৱা। এতিয়া যোৱা আমাৰ কাৰণে দুকাপ চাহ কৰি আনাগৈ। ( মীনা ভিতৰলৈ যায় ) চাওঁক মা এই মীনাজনী থকা বাবে মই কিমান বেহাই পাইছো। তাইক যধে মধে গালি শপনি পাৰি নাথাকিব মা। তায়োতো মোৰ দৰে এজনী গাভৰু ছোৱালী।

জোনাকী ঃ—যি দেখিছো তোৰ কাৰণে তাই মূৰত উঠিব।

প্ৰতিভা ঃ—সৌ খন কি বাৰু? (এইবুলি প্ৰতিভা আগবাঢ়ি গৈ বুটলি লয় আৰু কয়) এই-খন দেখোন আইডেনটিটি কাৰ্ড। কাৰ বাৰু? (খুলি চায়) মিছ মীনাক্ষী বৰুৱা, বি. এ. প্ৰথম বাৰ্ষিক, বজালী কলেজ। আৰু এই খন ফটো দেখোন আমাৰ মীনাৰ ফটো। তাৰ মানে?

জোনাকী ঃ—তাৰ মানে মীনা বজালী কলেজৰ ছাত্ৰী আছিল। বি এ. প্ৰথম বাৰ্ষিকৰ ছাত্ৰী? প্ৰতিভা মীনাক মাতছোন।

প্ৰতিভা ঃ—মীনা অ' মীনা এইফালে আহাছোন।

মীনা ঃ কি বাইদেউ?

প্ৰতিভা ঃ তুমি এটি সচাঁ কথা কোৱাছোন। তুমি কিমানলৈ পঢ়িছিলা?

মীনা ঃ—মই একেবাৰে পঢ়া নাই বাইদেউ।

প্ৰতিভা ঃ সচাঁ কথা কোৱা মীনা।

মীনা ঃ—সচাঁই কৈছো বাইদেউ।

প্ৰতিভা ঃ—তেনেহলে এইখন কাৰ আইডেনটিটি কাৰ্ড?

মীনা ঃ বাইদেউ! সেইখন আপুনি ক'ত পালে?

জোনাকী ঃ—তুমি কিয় ভিক্ষাৰিণী হলা মীনা? ইয়াৰ অন্তৰালত কি কাহিনী লুকাই আছে কবা নে?

মীনা ঃ—আইদেউ, মই সমাজৰ বিভীষিকা মই জাতিৰ কলঙ্ক। মোৰ দৰে এজনীৰ কাহিনী শুনিলে আপোনাৰ কি লাভ হব?

জোনাকী ঃ—তুমি মোক খং কৰিছা মীনা? মোক বেয়া নেপাবা। মোৰ ভুল হৈছিল তোমাৰ প্ৰতি এনে ব্যৱহাৰ কৰা বাবে। কোৱা মীনা তোমাৰ জীৱনৰ সেই করুণ কাহিনী।

মীনা ঃ—তেন্তে কও শুনক আইদেউ। মই বজালী কলেজৰ বি. এ. প্ৰথম বাৰ্ষিকৰ ছাত্ৰী আছিলো ইংৰাজী ১৯৮১ চনত। মোৰ ঘৰ আছিল মুকালমুৱাত। মোৰ ঘৰত মা, দেউতা, ভাই-ভনী সকলো আছিল। মই কলেজ হোষ্টেলত থাকি পঢ়িছিলো। বৰ্ত্তমান অসমত বিদেশী বহিস্কাৰ আন্দোলনৰ পৰিপেক্ষিতত কিছুমান ষড়যন্ত্ৰকাৰীয়ে এদিনাখন ৰাতি মুকালমুৱা গাৱঁত জুই জ্বলাই দিলে। এই খবৰ ৰাতি পুৱাৰ লগে লগে চাৰিওফালে বিয়পি পৰিল। নিজ গাৱঁৰ এই খবৰ পাই মই গাৱঁলৈ গুছি গলো। গৈ দেখিলো গাৱঁৰ ঘৰ-দুৱাৰ সকলো পুৰি ছাৰখাৰ হৈ গৈছে। গাৱঁৰ কিছুমান মানুহ কোনোমতে পলাই সাৰিল আৰু বেছিভাগ জুইত জাহ গ'ল।

( কান্দি কান্দি ) আৰু আমাৰ ঘৰৰ কোনো চিনচাব নেদেখিলো আৰু ভাই-ভনী, মা-দেউতা সকলোবিলাক ছাইৰ লগত বিলীন হৈ গ'ল। তেতিয়াৰ পৰাই এই-দৰে ফুৰিছো আইদেউ। ( হুক হুকাই কান্দে ) মই আত্মহত্যা কৰিম বুলি ভাবিছিলো। কিন্তু প্ৰতিশোধৰ লিপ্সাত এইদৰে থাকিবলগীয়াত পৰিছো।

জোনাকী :—তুমি মোক ক্ষমা কৰিবা মীনা। তুমি আজিৰ পৰা চাকৰণী নহয়। তুমি আজিৰ পৰা মোৰ জীয়াৰী। তুমি মোক মা বুলি মাতিবা।

প্ৰতিভা :– তুমি আজিৰ পৰা মোৰ মীনা বাইদেউ।

মীনা :—মা, প্ৰতিভা

( প্ৰতিভা-জোনাকীয়ে মীনাক সাৱটি ধৰে। লগে লগে যৱনিকা নামি আহে )

=

প্ৰকৃত সৌন্দৰ্য্য ৰস কামনাবিহীন স্বতস্ফূৰ্ত অনুভৱনীয়। "ৰসো বৈ সঃ" উপনিষদৰ বাণী মানৱচিত্তৰ এয়ে মহাৰস, আত্মাৰ আহাৰ। যুগযুগান্তৰ ধৰি ক্ষুধাতুৰ মানৱ আত্মাই কৰ্মৰ আৱৰ্তত ঘূৰি ফুৰিছে এই মহাৰসৰ সন্ধানত। এয়ে অহৈতুকী প্ৰেমৰ স্বৰূপ। অচঞ্চল ধ্যানত সুন্দৰৰ আৰাধনা পৰিস্ফুট হৈ উঠে ধীৰ স্থিৰ, প্ৰশান্ত প্ৰাণত এই ৰসে স্থিতি লাভ কৰে। দীপ্তিমান তপস্যাৰত সাধকেই পায় এই মহাৰসৰ আস্বাদ। সাধকৰ দিব্য অনুভূতিৰ প্ৰেৰণাত দৃশ্যমান জাগতিক সৌন্দৰ্য্য অন্তৰৰ ৰূপত ৰূপায়িত হৈ উঠে। কবি চিত্তই পায় এই ৰসৰ পৰশত অন্তৰত সৌন্দৰ্যময় কল্পনা শক্তি। ছন্দ আৰু ভাৱৰ ললিত ভংগীয়ে কাব্য সৃষ্টিত প্ৰাণ প্ৰতিষ্ঠা কৰে। এই ভিত্তিত ৰচিত হৈ উঠিছে শত শত বিশ্ব সাহিত্য যি সাহিত্যৰ ৰসত পৃথিৱী অনুৰঞ্জিত।

শ্ৰীনলিনী বালা দেৱী
যোৰহাট, ১৯৫৪



# মঙ্গলদৈ মহাবিদ্যালয় ছাত্র সন্থাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে মই মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবীয়ে মোক নিস্বাৰ্থ ভাৱে মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাক নেতৃত্ব দিয়াৰ দায়িত্ব দিলে সেই সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। মই মোৰ দায়িত্ব পালনত কিমানখিনি কৃতকাৰ্য্য হৈছোঁ সেয়া আপোনালোকে বিচাৰ কৰিব।

আমাৰ মঙ্গলদৈ মহাবিদ্যালয়খন :—

মঙ্গলদৈ মহাবিদ্যালয়খনি দৰং জিলাৰ ভিতৰতেই একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। আমাৰ এই মহান মহাবিদ্যালয়খনে সমগ্ৰ দৰং জিলাৰ শিক্ষা, সভ্যতা আৰু কলা-সংস্কৃতিক প্ৰতিনিধিত্ব দি আহিছে। গতিকেই এই মহান মহাবিদ্যালয়খনে যাতে অদূৰ ভবিষ্যতলৈয়ো জ্ঞানৰ পোহৰ চৌদিশে বিয়পাব পাৰে তাৰ বাবে যেন সমূহ মঙ্গলদৈ বাসী ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীয়ে আন্তৰিক সহযোগীতা আগবঢ়ায় তাৰ বাবে কামনা কৰিলোঁ।

**মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ হকে ১৯৮৬-৮৭ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ দাবী সমূহ :—**

(১) আজি কেইবাবছৰ আগতে আৰম্ভ কৰা আমাৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাম আজিকোপতি সম্পূৰ্ণ নোহোৱাত ছাত্ৰ-ছাত্ৰীসকলে নানান অসু-বিধা ভোগ কৰি আহিছে। সেয়ে অতি সোনকালে প্ৰেক্ষাগৃহ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ আমি মহাবিদ্যালয় কৰ্তৃপক্ষক পুনৰ টানি অনুৰোধ জনালোঁ।

(২) আমাৰ মহাবিদ্যালয়ত পানী যোগানৰ সু-ব্যৱস্থা আজিলৈ হৈ নুঠিল। ফলত আবাসিক ছাত্ৰ-ছাত্ৰী সকলৰ উপৰিও বিজ্ঞা-নাগাৰ সমূহত ছাত্ৰ-ছাত্ৰী সকলে কাম-কাজ কৰাত যথেষ্ঠ অসুবিধা ভোগ কৰি আহিছে। এই মৰ্মে অধ্যাপক মাননীয়

শ্ৰীযাদৱ চন্দ্ৰ নাথ দেৱৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধি দলে একাধিকবাৰ স্থানীয় বিধায়ক তথা কৃষিমন্ত্ৰী শ্ৰীনীলমণি দাস মহোদয়ৰ ওচৰত স্মাৰক পত্ৰও প্ৰদান কৰে। গতিকে কৰ্তৃপক্ষক আমি অনুৰোধ জনাওঁ যাতে মঙ্গলদৈ পৌৰসভা এলেকাৰ পশ্চিমে উদ্যোগ অঞ্চললৈ সম্প্ৰসাৰিত কৰি মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰ, ছাত্ৰ-ছাত্ৰীৰ আবাসিক অঞ্চল সামৰি উদ্যোগ অঞ্চললৈ পানী যোগানৰ বহুল ব্যৱস্থা জৰুৰীভাৱে কাৰ্য্যকৰী কৰে।

(৩) বিজুলী যোগানৰ বেমেজালি বিশেষকৈ বিজ্ঞানৰ কাম-কাজ কৰাৰ সময়ত যাতে নঘটে তাৰ বাবে সজাগ হবলৈকো মহাবিদ্যালয় কৰ্তৃপক্ষক আমি অনুৰোধ জনাওঁ।

(৪) ইয়াৰোপৰি বৰ্তমান মহাবিদ্যালয়ত ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱালৈ লক্ষ্য ৰাখি অন্য এটা দুমহলীয়া সাৰ্ব্বজনীন ছাত্ৰী নিবাসৰ প্ৰয়োজন আমি দিনে-ৰাতিয়ে অনুভৱ কৰি আহিছো। ইয়াৰ দ্ৰুত কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

(৫) দৰং জিলাৰ একমাত্ৰ পূৰ্ণপৰ্য্যায়ৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ শৈক্ষিক দিশলৈ লক্ষ্য ৰাখি দৰ্শন, অঙ্ক, প্ৰাণীবিজ্ঞান, উদ্ভিদ বিজ্ঞান, শিক্ষা বিষয়ক মুখ্য ( Major ) হিচাবে উন্নীত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত সহায় কৰিবলৈ কৰ্তৃপক্ষক টানি অনুৰোধ জনালোঁ।।

(৬) মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ বাবে এটি আহল-বহল বাইচাইকেল আস্থানৰ নিতান্ত প্ৰয়োজন। সেইদৰে চৌহদৰ পকী ৰেৰবোৰ ওখকৈ নিৰ্মাণ আৰু মেৰামতি কৰা, নতুনকৈ ঘৰ নিৰ্মাণৰ বেলিকা জধে মধে অসম টাইপৰ ঘৰ নসজাই আধুনিক বিজ্ঞানসম্মত ভাৱে আৰু পৰিকল্পনাৰ ভিত্তিত দুই বা ততোধিক মহলাৰ ঘৰ সজাৰ ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন বুলি ভাবো। তদুপৰি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সম্পৰ্কীয় বিবাদবোৰ বিভাগীয় কৰ্তৃপক্ষই জৰুৰীভাৱে নিষ্পত্তি কৰি স্থায়ীভাৱে অধ্যক্ষ নিযুক্তি দি এই মহান শিক্ষানুষ্ঠান খনিৰ দ্ৰুত উন্নতি সাধন কৰিব বুলি আশা কৰিলোঁ।

ওপৰত উল্লেখ কৰা দাবী সমূহ মঙ্গলদৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন উপলক্ষে ২৯ ডিচেম্বৰ ১৯৮৬ তাৰিখে সাধাৰণ সভাত উৎথাপন কৰা হয়। ইয়াৰ পিছতে ১৯৮৭ চনৰ ভিতৰত তলত উল্লেখ কৰা মতে কিছুমান দাবী পূৰণ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰা হৈছে

(১) মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ কাম সম্পূৰ্ণ কৰিবৰ বাবে মঙ্গলদৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ জৰিয়তে প্ৰস্তাৱ গ্ৰহণ কৰি বৰ্তমানৰ অধ্যক্ষ মহোদয়ৰ লগত আৰু পৰিচালনা সমিতিৰ সভাপতি মহোদয়ৰ লগত আলোচনা কৰি ইতিমধ্যে প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে নিবিদা-জাননী আদি সংগ্ৰহ কৰি যথেষ্ঠ কাম আগবঢ়োৱা হৈছে।

(২) ১৯৮৭ চনৰ মাজ ভাগতে আমাৰ মহাবিদ্যালয়ৰ প্ৰায় সকলোবোৰ কোঠাতে আৰু বিজ্ঞানাগাৰ সমূহতো বিজুলী বাতি আৰু বিজুলী-পাখীৰ কাম সম্পূৰ্ণ কৰা হৈছে।

(৩) ইতিমধ্যে মঙ্গলদৈ মহাবিদ্যালয়ৰ বিভিন্ন কোঠা আৰু বেৰৰ বহু পৰিমাণৰ মেৰামতিৰ কাম কৰোৱা হৈছে। বাকী থকা কেঁচাভেটি সমূহ পকী কৰোঁৱা হৈছে আৰু খেৰৰ ঘৰ সমূহত টিনপাত লগোৱা কাম সম্পূৰ্ণ কৰা হৈছে।

(৪) মহাবিদ্যালয়ত পানীৰ যোগানৰ সু-ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষৰ জৰিয়তে মঙ্গলদৈ পানী যোগান বিভাগৰ লগত যৎপৰোনাস্তি যোগাযোগ কৰা হৈছে।

(৫) ইতিমধ্যে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ জৰিয়তে উদ্ভিদবিদ্যা বিভাগৰ এটি উন্নত মানৰ বিজ্ঞানাগাৰৰ বাবে অনুমোদন বিচাৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত যাৱতীয় নথি-পত্ৰ দাখিল কৰা হৈছে। এই অনুদান অতি সোনকালেই আমাৰ মহাবিদ্যালয়ে পাব বুলি আশা কৰা হৈছে।

(৬) ১৯৮৭ চনৰ মাজভাগতে আমাৰ মহাবিদ্যালয়ত দৰ্শনবিষয়ক মুখ্য ( Major ) বিষয় হিচাপে উন্নত কৰা হৈছে। লগতে বিভিন্ন বিষয়ৰ বিভাগত কেইবাগৰাকী প্ৰবক্তা নিযুক্তি দিয়া হৈছে।

(৭) মঙ্গলদৈ মহাবিদ্যালয়ৰ চৌপাশে কমেও এহেজাৰ মূল্যবান গছ ৰোপন কৰা হৈছে।

ওপৰত উল্লেখ কৰা মতে মঙ্গলদৈ মহাবিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰা বাবে মই মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অশ্ৰু অঞ্জলি :—

মঙ্গলদৈৰ বিশিষ্ট নাগৰিক, মুক্তি যুজাৰু শ্ৰীচন্দ্ৰ নাৰায়ণ কোঁৱৰ দেৱৰ বিয়োগত শোক সভাপাতি বিদেহী আত্মাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। ইয়াৰ উপৰিও অসম, ভাৰতবৰ্ষ তথা বিশ্বৰ যি সকল মহান ব্যক্তিয়ে এই সময় ছোৱাত স্বৰ্গগামী হ'ল তেখেত সকললৈ মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা অশ্ৰু অঞ্জলি আগবঢ়োৱা হয়।

প্ৰতিবাদ সভা :—

অসম আৰু অসমীয়া জাতীৰ অস্তিত্বক জীয়াই ৰখাৰ সকলো আন্দোলনৰ কাৰ্য্যসূচীৰে সফল ৰূপায়ন কৰিবলৈ মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাই আন্তৰিকতাৰে সহযোগীতা আগবঢ়াই আহিছে। অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত হোৱা সকলো আন্দোলনৰ কাৰ্যসূচীতে মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে দলেবলে যোগদান কৰি আহিছে।

উৎসৱ আৰু সমাৰোহ :—

মঙ্গলদৈ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' ২৯ ডিচেম্বৰ ১৯৮৬ ৰ পৰা ২ জানুৱাৰী ১৯৮৭ লৈ উলহ-মালহেৰে পালন কৰা হয়।

এই বছৰো আমাৰ মহাবিদ্যালয়ত আড়ম্বৰ পূৰ্ণভাৱে সৰস্বতী পূজা, ফাতেহা-ই-দোহাজ-দাহম, বিশ্বকৰ্ম্মা পূজা পালন কৰা হয়।

এই বছৰৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাখন ৪ নৱেম্বৰ ১৯৮৭ তাৰিখে গাম্ভীৰ্য্যপূৰ্ণ ভাৱে সম্পন্ন কৰা হয়।

অভিনন্দন :--

এইবাৰ ১৯৮৭ চনৰ তিনিবছৰীয়া স্নাতক বিজ্ঞান চূড়ান্ত পৰীক্ষাত মিচ্ মিন্নু কোঁৱৰে পদাৰ্থবিজ্ঞান বিষয়ক মুখ্য ( Major ) হিচাবে লৈ প্ৰথম শ্ৰেণী অধিকাৰ কৰা বাবে তেখেতলৈ আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। তদুপৰি ১৯৮৭ চনৰ তিনিবছৰীয়া কলা আৰু বিজ্ঞান বিভাগৰ পৰীক্ষাৰ ফলাফল যথেষ্ঠ উন্নত মানদণ্ডৰ হোৱা বাবে প্ৰাৰ্থী সকললৈ আন্তৰিক অভিনন্দন জনালোঁ।

এইবাৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ পৰা আমি ৩৫ জনীয়া দল এটাই নগাওঁত অনুষ্ঠিত আন্তঃ-কলেজ ক্ৰিড়া সমাবোহত অংশ গ্ৰহণ কৰোঁ। এই ক্ৰিড়া সমাবোহত স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ শ্ৰীকনক বৰুৱাই দুটা বিভাগত সোনৰ পদক লাভ কৰি এক নতুন অভিলেখ স্থাপন কৰে। আনহাতে প্ৰাক-বিশ্ববিদ্যালয়ৰ ছাত্ৰ শ্ৰীধ্ৰুবজ্যোতি শৰ্ম্মাই আৰু শ্ৰীকুশল ডেকাই পদক লাভ কৰে। এখেত সকলৈ মই সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ অভিনন্দন জনালোঁ।

ছাত্ৰবাস ছাত্ৰী-নিবাস :--

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰবাস আৰু ছাত্ৰী নিবাসৰ বিভিন্ন অভাৱ-অভিযোগ দূৰ কৰিবৰ বাবে কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰা হৈছে। ইতিমধ্যেই ছাত্ৰবাস আৰু ছাত্ৰী নিবাসৰ বাবে বিজুলীপাখী, বিজুলী বাতি আৰু পানী যোগানৰ সু-ব্যৱস্থা অতি সোনকালে সম্পূৰ্ণ হৈ উঠিব বুলি জনা গৈছে।

অতি সুখৰ কথা যে বহুতদিন চেষ্টা কৰি থকাৰ পিছত আমাৰ মহাবিদ্যালয়ত অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ কৰ্তৃপক্ষৰ তৰফৰ পৰা আন এটি ছাত্ৰী নিবাস স্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে। এই ছাত্ৰী নিবাসটিৰ আধাৰশিলা ইতিমধ্যে স্থাপন কৰা হৈছে।

আমাৰ বক্তব্য : -

আমাৰ এই মহান মহাবিদ্যালয়খনৰ সৰ্ব্বাংগীন উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি যেন প্ৰতিজন ছাত্ৰ-ছাত্ৰী আৰু সমূহ কৰ্মচাৰী আৰু শিক্ষাগুৰু সকলে আন্তৰিকতাৰে নিজৰ কৰ্ত্তব্য পথত অৱত্তীৰ্ণ হৈ আগবাঢ়ি যায়। দৰং জিলাৰ বিদ্যামন্দিৰ আমাৰ এই মঙ্গলদৈ মহাবিদ্যালয় খনিক যেন জ্ঞানৰ পোহৰেৰে আগবঢ়াই লৈ যাব পাৰোঁ তাৰ বাবে আমি আটাইয়ে প্ৰতিজ্ঞাবদ্ধ হব লাগিব।

কৃতজ্ঞতা স্বীকাৰ :—

এই মহান মহাবিদ্যালয়খনৰ সেৱা আগবঢ়াবলৈ বুলি যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবীয়ে মোক মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰিলে সেই সকলৈলে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিভিন্ন দিশত দিহা-পৰামৰ্শ দিয়াৰ বাবে ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীৰাজেন্দ্ৰ বৰুৱাদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিভিন্ন পৰামৰ্শৰে আমাক সহায় কৰা বাবে অধ্যক্ষ ড° পূৰ্ণচন্দ্ৰ বৰাদেৱ প্ৰমুখ্যে শ্ৰদ্ধাভাজন শিক্ষাগুৰু আৰু কৰ্মচাৰী সকলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

কাৰ্য্যনিৰ্বাহকৰ সমূহ সদস্যবৃন্দই মোক যি আন্তৰিকতাৰে সহায় কৰিলে সেয়া মই কেতিয়াও পাহৰিব নোৱাৰিম। তেখেত সকলৈকে মোৰ অন্তৰভৰা কৃতজ্ঞতা জনালোঁ।

বৰ্ত্তমান মঙ্গলদৈ মহাবিদ্যালয়ত শ্ৰীযুত ভূপেন্দ্ৰ চন্দ্ৰ বৰুৱা (উপায়ুক্ত, দৰং) দেৱক লৈ গঠিত মহাবিদ্যালয় পৰিচালনা সমিতিয়ে যি মহান আদৰ্শৰে আমাৰ মহাবিদ্যালয়খনিক পৰিচালনা কৰিছে তাৰ বাবে পৰিচালনা সমিতিক মই মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ কৃতজ্ঞতা জনালোঁ।

সামৰণি :—

শেষত মই আপোনালোকক প্ৰতিশ্ৰুতি দিওঁ যে, মই ভৱিষ্যতেও এই মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ ক্ষেত্ৰত সকলো প্ৰকাৰে মোৰ নিঃস্বাৰ্থ সেৱা আগবঢ়াই যাম। মই আশা কৰিছোঁ, বৰ্তমান মঙ্গলদৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° পূৰ্ণ চন্দ্ৰ বৰাদেৱে যি মহান প্ৰচেষ্টাৰে মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ বাবে চেষ্টা কৰিছে তাত যেন সমূহ ছাত্ৰ-ছাত্ৰী তথা মঙ্গলদৈবাসী বাইজে তেখেতক আন্তৰিক সহায় সহযোগীতা আগবঢ়ায় তাৰ বাবে অনুৰোধ জনালোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা দোষ-ত্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা ভিক্ষা মাগি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয় আই অসম"

শ্ৰীপ্ৰণৱ বৰদলৈ
সাধাৰণ সম্পাদক
মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

১১ নৱেম্বৰ '৮৭



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি ১৯৮৬-৮৭ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিছো।

১৯৮৬-৮৭ চনৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে আপোনালোকে মোক সেৱা কৰিবলৈ সুবিধাকণ দিয়াৰ বাবে আপোনালোকৰ ওচৰত মই চিৰ কৃতজ্ঞ

দৰং জিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ স্থল এই মঙ্গলদৈ মহাবিদ্যালয় আজি ৩৬ বছৰ পাৰ হৈ গ'ল। কিন্তু এতিয়াওঁ ই পৈণত অৱস্থাত গঢ় লৈ পৰা নাই। আমি যথেষ্ট অভাৱ অভিযোগৰ মাজেদি শিক্ষা গ্ৰহণ কৰি আহিছো। এই অভাৱবোৰ মই পুনৰ দোহাৰাৰ প্ৰয়োজন নাই। মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদনত এই অভাৱবোৰ সন্নিবিষ্ট কৰি বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা হৈছিল যদিও এতিয়াকৈকে তাৰ ব্যৱস্থা হাতত লোৱা নাই। আমাৰ বাবে সৌভাগ্য যে বহুদিন ধৰি অৰ্দ্ধ নিৰ্মিত অৱস্থাত পৰি থকাৰ পিছত কলেজ প্ৰেক্ষাগৃহৰ কাম পুনৰ হাতত লোৱা দেখা গৈছে। মই আশা ৰাখিছো কৰ্তৃপক্ষই এই কাম সম্পূৰ্ণ ভাৱে শেষ কৰি মহাবিদ্যালয় খনৰ এটা বহুদিনীয়া অভাৱ দূৰ কৰিব।

ইয়াৰ উপৰিও মহাবিদ্যালয় খনৰ ভিতৰত বিশুদ্ধ খোৱা পানীৰ অভাৱে ছাত্ৰ-ছাত্ৰী সকলক যথেষ্ট বিমোৰত পেলায়।

আমাৰ মহাবিদ্যালয় খনত শিক্ষা, উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞানত মুখ্য (মেজৰ) পাঠ্যক্ৰম আৰম্ভ কৰিব পাৰিলে অসমৰ ভিতৰত অতিকে পিছপৰা এই মঙ্গলদৈ মহ-কুমাৰ বহুতো দুখীয়া-নিচলা ছাত্ৰ-ছাত্ৰী উপকৃত হব। এই ক্ষেত্ৰত কৰ্তৃপক্ষই অতি-সোনকালে ব্যৱস্থা হাতত লব বুলি আশা কৰিলোঁ।

কাৰ্য্যকালৰ আৰম্ভণীৰ পৰা শেষলৈকে সকলো দিশতে দিহা পৰামৰ্শ দি অহাৰ বাবে এই বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰাজেন্দ্ৰ বৰুৱা দেৱৰ ওচৰত মই বিশেষ ভাৱে চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও সমূহ কাৰ্য্যনিৰ্ব্বাহক সদস্য তথা বন্ধু-বান্ধৱীৰ ওচৰত মই কৃতজ্ঞ।

শেষত মোৰ কাৰ্য্য নিৰ্ব্বাহকৰ কালছোৱাত সকলো বিলাক অজানিত ভুলৰ বাবে ক্ষমা বিচাৰি এই মহান শিক্ষানুষ্ঠান খনিৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

'জয় আই অসম"

শ্ৰীভবেশ কুমাৰ শৰ্মা বৰুৱা
সহঃ সাধাৰণ সম্পাদক, (দ্বিবা) মঙ্গলদৈ মহাবিদ্যাল



# নৈশ শাখাৰ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, পূজনীয় অধ্যাপক অধ্যাপিকা আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মীৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনখনৰ পাতনি মেলিছোঁ ।

আই অসমীৰ এক সংকটকালিন সময়ত অসীম সাহস বুকুত বান্ধি অসম মাতৃৰ পূজাৰী হিচাপে সুবিধাকণ বিচাৰি যোৱা ১৯৮৬/৮৭ চনৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাত আপোনালোকে যিকণ সুবিধা দিলে তাৰ বাবে আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ । সম্পাদক হিচাপে দায়িত্ব যিদৰে বহন কৰিব লাগিছিল তাক কিমান দূৰ কৰিব পাৰিছোঁ মই নাজানো । কণ্টৰ মাজেৰে দায়িত্ব পালন কৰিব যাওঁতে কোনো কাম বৈ যোৱাতো স্বাভাৱিক । নিজে কোনোদিন কামত অৱহেলা কৰা নাই । কণ্টৰ মাজেৰে দায়িত্ব পালন কৰিব যাওঁতে যি সকলে মোক সহায়-সহযোগ আগবঢ়াইছিল সেই সকলৰ ওচৰত মই চিৰকৃতজ্ঞ । কণ্টৰ মাজেৰে দায়িত্ব পালন কৰিবলৈ গৈ কাৰবাক বেয়া ব্যৱহাৰ কৰা, বেয়াকৈ কোৱাতো স্বাভাৱিকতাৰ বাবে সেই সকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনখনিৰ সামৰণি মাৰিছোঁ ।

"জয় আই অসম"

শ্ৰীধনেশ্বৰ বড়া
সহঃ সাধাৰণ সম্পাদক (নৈশ শাখাৰ)
মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা



# সাহিত্য বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰিয় বন্ধু/বান্ধৱী

প্ৰথমতে আপোনালোকৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি মোৰ চমু সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিছোঁ। মোক নিৰ্বাচিত কৰাৰ পিছত মই আপোনালোকৰ প্ৰতি কেনে ধৰণে সেৱা আগবঢ়াব পাৰিছোঁ তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ হাতত। মোৰ কাৰ্য্যকালছোৱাৰ ভিতৰত প্ৰথমতে মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হওঁ। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত আবৃত্তি প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান লাভ কৰে চফিকা চুলতানা বেগম আৰু সাহিত্য প্ৰতিযোগিতাত শ্ৰেষ্ঠ সাহিত্যিকৰ সন্মান লাভ কৰে স্নাতক মহলাৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ শ্ৰীডিম্বেশ্বৰ বৰুৱাই। দ্বিতীয়তে, মই সন্মুখীন হওঁ নবাগত আদৰণি সভাৰ। নবাগত আদৰণি সভাত সাহিত্য বিভাগৰ পৰা পোন প্ৰথমবাৰৰ বাবে মঙ্গলদৈ মহাবিদ্যালয়ত এখনি সাহিত্য আলোচনা চক্ৰ (মু. সা. আ.) অনুষ্ঠিত হয়। আলোচনা চক্ৰত সভাপতিত্ব কৰে সাহিত্যিক পেঞ্চনাৰ শ্ৰীভবানন্দ ৰাজখোৱাদেৱে আৰু উদ্বোধন কৰে অধ্যক্ষ মহোদয়ে। উক্ত আলোচনাচক্ৰ আৰু প্ৰতিযোগিতাত ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা, ড° বনেন্দু সেন, অধ্যাপক ইদ্ৰিছ আলি আদি অধ্যাপকসকলে সাহিত্য সম্পৰ্কে আভাস দাঙি ধৰে আৰু বিচাৰকৰ আসন গ্ৰহণ কৰি মোক কৃতাৰ্থ কৰে। অধ্যাপক মঃ ইদ্ৰিচ আলিক (অসমীয়া) সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।

সাহিত্য বিভাগৰ পৰা মহাবিদ্যালয়ত এখন মাহেকীয়া প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা হয়। মোৰ কাৰ্য্যকালছোৱাত উক্ত প্ৰাচীৰ পত্ৰিকা সাপ্তাহিক কৰিব বিচাৰিছিলো যদিও পিছত পযেকীয়া হিচাপেহে প্ৰকাশ কৰা হয়। প্ৰাচীৰ পত্ৰিকাৰ লিখনি ভৰালটোও এই বছৰত নতুনকৈ ৰং কৰা হৈছে।

কৃতজ্ঞতা জ্ঞাপন সৰ্বশ্ৰী হিতেশ বৰুৱা, কনক চহৰীয়া, উত্তম দাস, ধীৰেণ শৰ্ম্মা, শৈলেন ৰাজবংশী, কৃষ্ণেন্দু ডেকা, চফিকা, চুলতানা বেগম, মিনাৰাম হাজৰিকা, নিশা ফাতোৱালী আৰু কঙ্কণ চহৰীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰিও মোৰ বঁটা-বিতৰণী সভাত সভাপতিৰূপে আমন্ত্ৰণ গ্ৰহণ কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° নবীন শৰ্ম্মাদেৱ আৰু সাহিত্যিক পেঞ্চনাৰ শ্ৰীযুত ভবানন্দ ৰাজখোৱাদেৱৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা সক্ৰিয় সহযোগ আগবঢ়োৱা বাবে ভাৰপ্ৰাপ্ত অধ্যাপিকা মাননীয়া উষা বৰা বাইদেউ আৰু অধ্যক্ষ মহোদয়ৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্ৰাক্তন ছাত্ৰ শ্ৰীস্বপন কুমাৰ ঘোষ, শ্ৰীশৈলেন শৰ্ম্মা বৰুৱাক আবৃত্তি প্ৰতিযোগিতাৰ বিচাৰকৰ ভাৰ গ্ৰহণ কৰা বাবে ধন্যবাদ জনালোঁ।

শেষত নানা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি — ধন্যবাদেৰে—

প্ৰশান্ত নাথ

সম্পাদক, সাহিত্যিক বিভাগ, মঙ্গলদৈ মহাবিদ্যালয়



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ লগত জড়িত থকা ব্যক্তি সকললৈ সশ্ৰদ্ধ অভিবাদন জনাইছোঁ।

মঙ্গলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ গৌৰৱময় ঐতিহ্য আছে। সেই-বাবে অন্যান্য বহু মহাবিদ্যালয়তকৈ মঙ্গলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ দায়িত্বও বেছি গধুৰ। উক্ত বিভাগৰ সম্পাদক হিচাপে সেই দায়িত্ব পালন কৰাত কিমান দূৰ সফল বা বিফল হৈছিলো তাৰ বিচাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু গুণীজনে কৰিব। প্ৰতিবেদনত মই মাথোন সেইবোৰ কথাৰেই উল্লেখ কৰিব খুজিছো যিবোৰে, অনাগত ভবিষ্যতৰ সম্পাদক সকলক যৎকিঞ্চিত ভাৱে হলেও সহায় কৰিব পাৰে।

মঙলদৈ কলেজ-সপ্তাহ উপলক্ষে অনুষ্ঠিত হোৱা বহুৱেকীয়া সংগীত প্ৰতিযোগিতাত শাস্ত্ৰীয় সংগীত শাখাৰ কণ্ঠ-সংগীত বাদ্য সংগীত আৰু নৃত্য সংগীতৰ শ্ৰেষ্ঠ প্ৰতিযোগী তিনিজনালৈ তিনিটা বিশেষ বঁটা জনৈক শাস্ত্ৰীয় সংগীত প্ৰেমীয়ে ইং১৯৭৭ চনৰে পৰা প্ৰতিবছৰে আগবঢ়াই আহিছে। উক্ত শাস্ত্ৰীয় সংগীত প্ৰেমী গৰাকীৰ নাম প্ৰকাশ কৰিব পৰা নগ'ল। কাৰণ তেখেতে কেইটামান বিশেষ স্বৰ্তত বঁটা কেইটা আগবঢ়াইছিল। সেই স্বৰ্তবোৰ হ'ল (১) জীয়াই থকালৈকে তেখেতে এই বঁটা কেইটা প্ৰতিবছৰে আগবঢ়াবলৈ চেষ্টা কৰিব. কিন্তু তেখেতৰ নাম মহাবিদ্যালয়ৰ তৰফৰ পৰা অন্ততঃ তেখেত জীয়াই থকা কালত প্ৰকাশ কৰিব নোৱাৰিব। এই অদ্ভুত স্বৰ্তটোৰ কাৰণ দৰ্শাই তেখেতে কৈছিল যে কোনো ব্যক্তি বিশেষৰ নামত উচ্ছৰ্গা কৰা বঁটাতকৈ এনেকুৱা বঁটাৰ প্ৰতি প্ৰতিযোগী সকলে অধিক আগ্ৰহ প্ৰকাশ কৰিব আৰু তাৰ ফলত মঙলদৈত শাস্ত্ৰীয় সংগীতৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধি পাব। (২) শতকৰা হাৰত সৰ্বাধিক নম্বৰ পোৱা জনেই শ্ৰেষ্ঠ প্ৰতিযোগী বুলি বিবেচিত হ'ব। কাৰণ Jack of all হোৱাতকৈ Master of one হোৱাই ভাল। (৩) শাস্ত্ৰীয় সংগীতৰ কোনো বিভাগৰ কোনো বিষয়ত এজন প্ৰতিযোগী ওলালেও তেওঁক প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰিবলৈ দিয়া হ'ব। কাৰণ মঙ্গলদৈৰ দৰে পিচ পৰা চহৰত কিয় অসমৰ অতি উন্নত চহৰতো জাকে জাকে ধ্ৰুপদ, টপ্পা, পাখোৱাজ, ভাৰত নাট্যমৰ প্ৰতিযোগী ওলাব বুলি আশা কৰিব নোৱাৰি। "অনামী বটঁা" বুলি পৰিচিত হোৱা বঁটা দিওঁতাজনৰ প্ৰথম স্বৰ্তটোৰ উদ্দেশ্য বহুখিনি সফল হৈছে। প্ৰথম বাৰৰ বাবে এই বছৰৰ সংগীত প্ৰতিযোগীতাত

দুগৰাকী প্ৰতিযোগীয়ে ( শ্ৰীমতী কাকলি নাথ আৰু দীপ্তি দেৱীয়ে ) বিলম্বিত খেয়াল পৰিবেশন কৰিছিল। মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শাস্ত্ৰীয় সংগীত চৰ্চা কৰাৰ আগ্ৰহো বঢ়া যেন লাগে।

এই বছৰৰ সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দেৱী দাস নেওঁগদেৱ ইং ১৯৭৭ আৰু ৭৮ চনতো দুবছৰৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক আছিল। তেখেতৰ পৰা জানিব পাৰিছোঁ অনামী বঁটা দিওঁতা জনে অনুৰোধ কৰিছিল শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতাৰ কণ্ঠ সংগীত শাখাত খেয়াল, ঠুংৰীৰ উপৰি ৰাগপ্ৰধান গীত, বিস্তাৰযুক্ত ৰাগভিত্তিক ভজন, গজল আদিক স্থান দিবলৈ। বাদ্যসংগীত শাখাত একক তবলা বাদনৰ উপৰি ৰাগ পৰিবেশন কৰা বাঁহী, চেতাঁৰ, গীটাৰ, মেণ্ডলিন বা যিকোনো বাদ্যক স্থান দিবলৈ, নৃত্য সংগীতত কথক, কথকলি, ভাৰত নাট্যম আৰু শাস্ত্ৰীয় নৃত্য বুলি সৰ্বভাৰতীয় স্বীকৃতি পোৱা আন নৃত্যকো ( যেনে-সত্ৰীয়া, ওড়িচি আদি ) অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ কৰিছিল।

মঙ্গলদৈ তথা নতুন দৰংজিলাৰ এটা অন্যতম ঐতিহ্য হ'ল লোকসংগীত। লোকগীতৰ উপৰিও ওজাপালী, জিকিৰ, দেওধনী আৰু খেৰাই নৃত্যৰ বাবে মঙ্গলদৈ বিখ্যাত মঙ্গলদৈৰ লুপ্তপ্ৰায় কালি বিশ্ববিখ্যাত চেনাই নামৰ বাদ্য যন্ত্ৰটোৰেই এটা অন্যতম ৰূপ। চেৰ্জা নামৰ জনজাতীয় বাদ্য যন্ত্ৰটো সমগ্ৰ মঙ্গলদৈবাসীৰ কাৰণে আপুৰুগীয়া সম্পদ। লোক সংগীতৰ শিল্পীসকলক উৎসাহ দিবলৈ মঙলদৈ নিবাসী অধিবক্তা শ্ৰীবিনয় কুমাৰ ঘোষ দেৱে লোক সংগীতত ( নৃত্য, গীত, বাদ্যত ) শতকৰা হাৰত সৰ্বাধিক নম্বৰ পোৱা প্ৰতিযোগীজনলৈ তেখেতৰ স্বৰ্গীয় পিতৃদেৱৰ নামত ৺মন্মথ ঘোষ সোঁৱৰণি বঁটা নামৰ এটি বিশেষ বঁটা ইং ১৯৭৮ চনৰ পৰা প্ৰতিবছৰে আগবঢ়াই আহিছে। 'অনামী বঁটা'ৰ দৰে ৺মন্মথ ঘোষ সোঁৱৰণী বঁটাৰ কাৰণেও শতকৰা হাৰত সৰ্বাধিক নম্বৰ পোৱা প্ৰতিযোগীজন বিচাৰি উলিয়াবলৈ দীঘলীয়া ধৰণৰ অংক কৰিবলগীয়া হয় কাৰণে সম্পাদকৰ দায়িত্ব বাঢ়ে। নিজৰ ক্ষুদ্ৰ অভিজ্ঞতাৰ পৰা কৈছোঁ—সাংস্কৃতিক প্ৰতিযোগিতা সুস্থভাৱে অনুষ্ঠিত কৰিবলৈ কমপক্ষেও পাঁচটা নিশাৰ প্ৰয়োজন হয়। এনিশা শাস্ত্ৰীয় সংগীতৰ বাবে, এনিশা লোক সংগীতৰ বাবে, এনিশা আধুনীক সংগীতৰ বাবে আৰু দুনিশা নাট প্ৰতিযোগিতাৰ বাবে। নহলে শাস্ত্ৰীয় সংগীতৰ শ্ৰেষ্ঠ প্ৰতিযোগী তিনিজন আৰু বিশেষকৈ লোক সংগীতৰ শ্ৰেষ্ঠ প্ৰতিযোগীজন বাচি উলিওৱাওঁতে বেমেজালি ঘটাৰ ভয় থাকে।

সংগীত প্ৰতিযোগিতাৰ কোনটো বিভাগৰ কোনটো শাখাৰ কি সংগীতৰ প্ৰতিযোগিতা হব যথা সম্ভৱ আগতীয়াকৈ জাননী দিব লাগে। নহলে প্ৰস্তুতিৰ কাৰণে সময়ৰ অভাৱ হোৱা বাবে বহু শিল্পীয়ে প্ৰতিযোগিতাত যোগদান কৰিবলৈ সংকোচ বোধ নকৰে। বিলম্বিত খেয়াল গাব পৰা প্ৰতিযোগীয়ে ঠুংৰী গাব নোৱাৰাৰ, মধ্যলয়ৰ ছোটখেয়াল গাব পৰা জনে ৰাগ প্ৰধান গাব নোৱাৰাৰ কাৰণ থাকিব নোৱাৰে। কিন্তু আগতীয়াকৈ জাননী নোপোৱাৰ কাৰণেই ইং ১৯৭৮ চনৰ পিচত ৰাগ প্ৰধানৰ, আৰু আজিকোপতি ঠুংৰীৰ প্ৰতিযোগী ওলোৱা নাই বুলি শুনিছোঁ। ইং ১৯৭৭-৭৮ চনৰ পিছত দেওধনী নৃত্যৰ এগৰাকীও প্ৰতিযোগী নোলোৱাটোও আচৰিত কথা।

কোন বিভাগৰ কোনটো শাখাৰ প্ৰতিযোগীক কিমান সময় দিয়া হ'ব তাকো প্ৰথম জাননী খনতেই জনাই দিয়া উচিত। মোৰ মনেৰে আধুনিক আৰু লোক সংগীত বিভাগৰ নৃত্য, গীত আৰু বাদ্য শাখাৰ প্ৰতিযোগীক তিনি মিনিটকৈ সময় দিলেও শাস্ত্ৰীয় সংগীত বিভাগৰ খেয়াল আৰু ৰাগ পৰিবেশন কৰা, বাদ্য সংগীতৰ প্ৰতিযোগীক কম পক্ষেও পোন্ধৰ মিনিটকৈ

সময় দিব লাগে। শাস্ত্রীয় সংগীতৰ বৈশিষ্ট্য হ'ল আলাপ আৰু বিস্তাৰ। আলাপ-বিস্তাৰৰ মাধ্যমেৰে শিল্পীয়ে ৰাগটোৰ ৰূপ ফুটাই তোলাৰ উপৰিও পৰিবেশৰ সৃষ্টি কৰি নিজৰ শিল্পী-সুলভ সৃজনি প্ৰতিভাৰ পৰিচয় দিবলৈ সুযোগ পায়। সেই কাৰণেই ইয়াক উচ্চাংগ সংগীত বোলা হয়। উদাহৰণ স্বৰূপে দৰবাৰী ৰাগ পৰিবেশন কৰোঁতে গায়ক বা বাদকে আলাপ-বিস্তাৰৰ মাজেৰে নিস্তব্ধ গভীৰ ৰাতিৰ পৰিবেশ ফুটাই তুলিবলৈ, মিঞা মল্লাৰ ৰাগ পৰিবেশন কৰোঁতে বৰ্ষাৰ পৰিবেশ ফুটাই তুলিবলৈ চেষ্টা কৰে। আলাপ আৰু বিস্তাৰ আগতীয়াকৈ মুখস্থ কৰি পৰিবেশন কৰা বস্তু নহয়। লঘু সংগীতৰ যদি তুলনা হয় আনে লিখা কবিতা মুখস্থ গোৱাৰ লগত তেনেহলে শাস্ত্ৰীয় সংগীতৰ তুলনা হয় কবিতা ৰচনা কৰাৰ লগত। পাঁচ মিনিটৰ ভিতৰত পৰিবেশন কৰা খেয়াল শুনি বা তিনি মিনিটৰ ঠুংৰী শুনি গায়ক — বাদকসকলক বিচাৰ কৰা বিচাৰকৰ কাৰণে অসম্ভৱ হৈ পৰে। ঠুংৰী শাস্ত্ৰীয় নৃত্য আৰু তবলা লহৰাৰ প্ৰতিযোগীসকলক অন্ততঃ দহ মিনিট সময় দিব লাগে। ৰাগ প্ৰধান, ভজন, গজল আদিৰ দৰে লঘু শাস্ত্ৰীয় সংগীতক পাঁচ মিনিট মানকৈ সময় দিলেও হয় যদিও বিস্তাৰৰ ওপৰত অধিক গুৰুত্ব দিয়া হব বুলি প্ৰথম জাননীখনতেই জনাই দিয়া উচিত।

একেজন প্ৰতিযোগীকেই বৰ বেছি সঘনে মঞ্চত দেখিলে শ্ৰোতাসকলে আমনি পায় কাৰণেই সংগীত প্ৰতিযোগিতাত শেষৰ পিনে শ্ৰোতাৰ সংখ্যা কমি আহে। গতিকে একেজন শিল্পীয়ে, বিশেষকৈ আধুনিক আৰু লোকসংগীত বিভাগৰ সৰ্বাধিক কেইটা বিষয়ত যোগদান কৰিব পাৰিব তাৰ সীমা বান্ধি দিলে ভাল হ'ব যেন লাগে।

কোন কণ্ঠ সংগীতত প্ৰতিযোগীয়ে সৰ্বাধিক কিমান বাদ্যযন্ত্ৰ সঙ্গতৰ বাবে লব পাৰিব আগতীয়াকৈ নিৰ্দ্দিষ্ট কৰি দিয়া উচিত। সঙ্গত কৰা বাদ্যৰ সংখ্যাত তাৰতম্য ঘটিলে কণ্ঠ-সংগীতৰ বিচাৰকসকল বিমোৰত পৰে। মোৰ মনেৰে তবলা, মৃদঙ্গ আদিৰ দৰে তালৰ নিৰ্দেশ দিয়া যন্ত্ৰৰ ( Percussion instrument ) উপৰি মাত্ৰ তান পুৰা বা তানপুৰাৰ অনুকৰণত হাৰ্মনিয়মত ষড়জ-পঞ্চম বা ষড়জ-মধ্যম স্বৰ বজাই কণ্ঠ সংগীত পৰিবেশন কৰা প্ৰতিযোগীক অধিক সুৰজ্ঞান থকা বুলি সুৰজ্ঞানৰ শিতানত অধিক নম্বৰ দিয়া উচিত।

কিহৰ ভিত্তিত শ্ৰেষ্ঠ গায়ক নিৰ্বাচন কৰা হয় বা হ'ব প্ৰথম জাননী খনতেই আগতীয়াকৈ জনাই নিদিলে পিচত বেমেজালি ঘটাৰ ভয় থাকে। নৃত্য, গীত আৰু বাদ্য সংগীতৰ অপৰি-হাৰ্য্য অঙ্গ। গতিকে শ্ৰেষ্ঠ গায়কৰ উপৰি শ্ৰেষ্ঠ শিল্পীকো এটা বিশেষ বঁটা দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে বেয়া নহয়। অলপ চেষ্টা কৰিলে কলেজৰ বাহিৰৰ কোনোবা সঙ্গীতানুৰাগীৰ পৰাও এটা বঁটা আনিব পাৰি যেন লাগে। আগৰ কেইজনমান সম্পাদকৰ দৰে ময়ো বৰ দুখেৰে কবলৈ বাধ্য হৈছোঁ যে বাদ্যযন্ত্ৰ বুলিবলৈ আমাৰ বৰ্ত্তমানে একোৱেই নাই। একাধিক বাৰ হাৰ্মনিয়ম, তবলা আদি কিনা হৈছিল বুলি অৱশ্যে শুনিছোঁ। কিন্তু সুৰক্ষিত অৱস্থাত ৰখাৰ ব্যৱস্থা নথকাৰ বাবেই যন্ত্ৰপাতিবোৰ সঘনে হেৰাইছিল। সাংস্কৃতিক বিভাগৰ নিজা-ৰবীয়াকৈ অন্ততঃ এটা হাৰ্মনিয়ম, এটা বাঁয়া আৰু তিনিটা মান ডাইনা থাকিব লাগে। বিভিন্ন শিল্পীয়ে বিভিন্ন স্কেলত গায়। কিন্তু প্ৰতিযোগিতাৰ সময়ত ভিন্ ভিন্ স্কেলত তবলা বান্ধি লবলৈ তবলাবাদকক সময় দিয়া সম্ভৱপৰ নহয় বাবেই তিনিটা ডাইনাৰ কথা কৈছোঁ। কিন্তু সবাতোকৈ প্ৰয়োজনীয় বস্তু হ'ল মজবুত ধৰণৰ বাকচ বা আলমাৰী এটা নাথাকিলে সাংস্কৃতিক বিভাগৰ সম্পাদক যিমানেই সতৰ্ক নহওক বাদ্যযন্ত্ৰ আৰু বিভাগীয় অন্যান্য বস্তুবোৰ হেৰোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে।

নাট প্ৰতিযোগিতাৰ বাবে দুটা নিশা আচুতিয়াকৈ ৰখাৰ কথা এই কাৰণেই কৈছিলো একেটা নিশাত চাৰি বা পাঁচখনতকৈ অধিক নাটকৰ প্ৰতিযোগিতা হলে দৰ্শক আৰু বিচাৰক সকল ক্লান্ত হৈ পৰে। শেষৰ পিনলৈ দৰ্শক নোহোৱা হৈ যায়। বেচি ৰাতি হোৱাৰ ভয়ত বিচাৰক সকলেও কেতিয়াবা আহিবলৈ ইতস্ততঃ কৰে। একেজন সম্পাদক আৰু ভাৰপ্ৰাপ্ত অধ্যাপকে একেৰাহে চাৰি-পাচ নিশা সমান উদ্যমেৰে কাম কৰা সম্ভৱ নহয়। বটাঁ বিতৰণীৰ সময়ত চাৰ্টিফিকেটবোৰ লগে লগে দিব নোৱাৰাৰ এইটোৱেই প্ৰধান কাৰণ। নাট বিভাগৰ কাৰণে এজন অতিৰিক্ত ( Aditional ) সম্পাদক আৰু অতিৰিক্ত ভাৰপ্ৰাপ্ত অধ্যাপক থকা ভাল। সংগীত বিভাগৰ কাৰণে সংগীতৰ জ্ঞান-অভিজ্ঞতা থকা আৰু নাট বিভাগৰ নাটক-অভিনয়ৰ জ্ঞান অভিজ্ঞতা থকা ভাৰপ্ৰাপ্ত অধ্যাপক নিয়োগ কৰা নিতান্তই উচিত। কাৰণ সম্পাদকে বহু-সময়ত ভাৰপ্ৰাপ্ত অধ্যাপকৰ পৰা দিহা পৰামৰ্শ বিচাৰিবলগীয়া হয়।

অসমীয়া সাহিত্যৰ প্ৰধান সমস্যা স্বৰূপ বজাৰ ( বা ক্ৰেতাৰ অভাৱ ৰ কথা বিবেচনা কৰি আৰু অসমৰ ধন অসমতে ৰখাৰ উদ্দেশ্যেৰে ইং ১৯৭৮ চনত মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতিযোগীসকলক পুৰস্কাৰ স্বৰূপে অসমীয়া কিতাপ দিবলৈ সিদ্ধান্ত লৈছিল। তেতিয়াৰ সাধাৰণ সম্পাদক শ্ৰীসংৰাম নাথে ৰাতিৰি কাকতৰ যোগেদি একে ধৰণৰ সিদ্ধান্ত লবলৈ অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ প্ৰতি গোহাৰি জনাইছিল। ভাৰপ্ৰাপ্ত অধ্যাপক দেৱী দাস নেওঁগদেৱে বিভিন্ন মহাবিদ্যালয়লৈ গৈ কৰ্ম কৰ্তাসকলক লগ ধৰি একেটা গোহাৰিকে জনাইছিল। মহা-বিদ্যালয় সমূহৰ পৰা অভাৱনীয় সহাৰিও পোৱা গৈছিল। তেতিয়াৰ পৰা মঙ্গলদৈ মহাবিদ্যা-লয়ত প্ৰতিযোগী সকলক পুৰস্কাৰ স্বৰূপে কিতাপকেই যথাসম্ভৱ দি অহা হৈছে। আশা ৰাখিছো-মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এই গৌৰৱময় অধ্যায়টোৰ প্ৰতি ভৱিষ্যতৰ ছাত্ৰ একতা সভাই যথাযোগ্য সন্মান প্ৰদৰ্শন কৰিব।

সৰ্বশেষত ক্ষমা প্ৰাৰ্থনা সহকাৰে দুখেৰে কবলৈ বাধ্য হৈছো সাংস্কৃতিক প্ৰতিযোগিতাৰ সময়ত শ্ৰোতা আৰু দৰ্শকৰ শাৰীত আমাৰ মাননীয় অধ্যাপক-অধ্যাপিকা, মহাবিদ্যালয় পৰি-চালনা সমিতি ( Governing Body ) ৰ সদস্য আৰু অভিভাৱকৰ তথা অভিভাৱিকাৰ শোচনীয় ভাৱে পাতল উপস্থিতিয়ে প্ৰতিযোগী সকলক হতাশ কৰে।

সদৌ শেষত দিহা পৰামৰ্শ আৰু সক্ৰিয় সহায়-সহযোগ দিয়াৰ বাবে সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীদেৱীদাস নেওঁগ দেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সহায় সহযোগ আগ-বঢ়োৱা অন্যান্য মাননীয় অধ্যাপক অধ্যাপিকালৈও তদনুৰূপ কৃতজ্ঞতা জনালোঁ। পুহ-মাঘ মহীয়া নিশাৰ হাড় কপোৱা জাৰক উপেক্ষা কৰি আমাৰ নিমন্ত্ৰণৰ প্ৰতি সহাৰি জনাই বিচাৰক স্বৰূপে অহা সৰ্বশ্ৰী শ্ৰীমতী মেঘালী দেৱী, শ্ৰীকিশোৰ নাথ, শ্ৰীবাণী বৰুৱা, স্বপন ঘোষ, বিপ্লৱ ৰয় প্ৰমুখ্যে সদাশয় ব্যক্তিসকলৰ শলাগ ললো। সহায় সহযোগিতা আগবঢ়োৱা বাবে সৰ্বশ্ৰী জয়ন্ত ডেকা ( দাদি ), প্ৰশান্ত নাথ, ঘনকান্ত হাজৰিকা, দিলীপ চহৰীয়া, পবিত্ৰ শৰ্মা, হিৰণ্য বৰুৱা, ডিম্ব হাজৰিকা আৰু তৃষ্ণা বৰুৱালৈ মোৰ আন্তৰিতাপূৰ্ণ শলাগৰ শৰাই আগবঢ়াই প্ৰতিবেদনৰ মোখনি মাৰিছোঁ।

"জয় আই অসম"

শ্ৰীহিতেশ কুমাৰ বৰুৱা
সাংস্কৃতিক সম্পাদক মঙ্গলদৈ মহাবিদ্যালয়
১৯৮৬-৮৭



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত ব্ৰতী হৈ যিসকল অসম মাতৃৰ সুযোগ্য সন্তানে বিদেশীৰ পৰা অসম মাতৃক মুক্ত কৰিবলৈ তেওঁ লোকৰ কেঁচা তেজেৰে মাতৃৰ পবিত্ৰ চৰণ ধুৱালে সেই সকল শ্বহীদলৈ মই মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

বহু আশা আকাঙ্খা বুকুত লৈ বন্ধু-বান্ধৱীৰ মৰমৰ মেৰপাকত পৰি ১৯৮৬/৮৭ চনৰ ছাত্ৰ একটা সভাৰ সমাজ সেৱা-বিভাগৰ সম্পাদকৰ দায়িত্ব লৈ আগবাঢ়ো, এজন সামাজিক যোদ্ধা হিচাবে। কিন্তু ? দায়িত্ব ভাৰ লৈ আনন্দ পাওঁ যদিও ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীক আশানুৰূপ সুফল দিব নোৱাৰি দুঃখিত। ইয়াৰ কাৰণ বিচাৰিলে হয়তো কব লাগিব যে, মঙ্গলদৈ ( দৰং ) ৰ একমাত্ৰ বৃহৎ শিক্ষানুষ্ঠানটোৰ বাবে প্ৰতিবিভাগলৈ ছাত্ৰ-ছাত্ৰী অনুপাতে সা-সজুলি, উপযুক্ত অনুশীলনৰ অভাৱ আৰু ছাত্ৰ-ছাত্ৰীৰ সকলো বিষয়ৰ প্ৰতি নথকা ধাপ। মানুহ মাত্ৰেই সমাজ প্ৰেমী। গতিকে সমাজৰ উন্নতিৰ বাবে সততাৰে কায়িক, মানসিক, উদাৰতা, পবিত্ৰতা, সত্যতাৰ প্ৰকৃত পূজাৰী হৈ সমাজৰ উন্নতিত আগবাঢ়াকে প্ৰকৃত সমাজ সেৱী বুলিব লাগিব। যি হেতু এখন দেশ ৰক্ষাৰ দায়িত্ব অকল শাসক বৰ্গৰেই নহয়; ইয়াৰ দায়িত্ব জন সাধাৰণৰ ওপৰতো ন্যস্ত আছে।

## মোৰ কাৰ্য্যকাল ঃ—

পৰম্পৰা মতে এই বাৰো মহাবিদ্যালয়ত সপ্তাহত সমাজ সেৱা বিভাগৰ দ্বাৰা শ্ৰম, ৰচনা, কুইজ, প্ৰশ্নোত্তৰ শিতানত প্ৰতিযোগিতা পতা হয়। ইয়াৰ উপৰিও কলেজ চৌহদত প্ৰায় ৫০০ মান গছৰ পুলি ৰোৱা হয়। কলেজ চৌহদত মেৰামতি ফুলনি পৰিস্কাৰ আদি কৰাৰ কথা নকৈ নোৱাৰিলোঁ। শেষত বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক শ্ৰীমান ভূপেন নাথলৈ শুভেচ্ছা নিদিলে ভুল কৰা হব যেন পাই তেখেতৰ নাম প্ৰতিবেদনত সাঙুৰিলোঁ। সদৌ শেষত মোৰ কাৰ্য্যকালত শ্ৰদ্ধেয় শিক্ষা গুৰু সকলৰ উপদেশ আৰু ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগৰ প্ৰতি শ্ৰদ্ধা নিবেদিছোঁ। মোৰ পিছৰ বন্ধু সকলে যেন আমি কি কৰিব পাৰিছোঁ তালৈ লক্ষ্য নাৰাখি ভৱিষ্যৎ চিন্তা কৰি দায়িত্বত অগ্ৰশৰ হয় তাৰ কামনাৰে প্ৰতিবেদনৰ পৰা কলম এৰিলোঁ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়, জয়তু চিৰ চেনেহী অসমী আই, জয়তু মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা। ধন্যবাদেৰে—

শ্ৰীবাতুল চন্দ্ৰ হাজৰিক
সম্পাদক, সমাজ সেৱা বিভাগ



# ছাত্ৰ জিৱণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মই কৃতজ্ঞতা জনাইছোঁ সেই সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ যি সকলৰ আন্তৰিক সহায়-সহযোগ আৰু মোৰ প্ৰতি থকা গভীৰ আস্থাই মোক এই মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্ব্বাচনত অপ্ৰতিদ্বন্দ্বী ভাৱে ছাত্ৰ জিৱণি কোঠাৰ সম্পাদক ৰূপে নিৰ্ব্বাচিত কৰাত সহায় কৰিলে । আপোনালোকে জানে মঙ্গলদৈ মহাবিদ্যালয় সাধাৰণ অৰ্থত এক অভাৱগ্ৰস্ত মহাবিদ্যালয়। অসমৰ আন আন উন্নত মহাবিদ্যালয়ৰ লগত শৈক্ষিক আৰু সাংস্কৃতিক দিশত ফেৰ মাৰিবলৈ আমাক আজি প্ৰয়োজন কিছুমান নিস্বাৰ্থ সাংস্কৃতিক কৰ্মী, খেলুৱৈ আৰু নিষ্ঠাৱান ছাত্ৰ-ছাত্ৰীৰ ।

ছাত্ৰ জিৱণি কোঠাৰ সম্পাদকৰ দায়িত্ব লৈয়েই পোন প্ৰথমে মহাবিদ্যালয়ৰ সপ্তাহৰ সন্মুখীন হওঁ। ইং ২৯ ডিচেম্বৰ ৮৬ তাৰিখৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত বিভিন্ন খেল সমূহ বিশেষকৈ বেডমিণ্টন, টেবুলটেনিচ, কেৰম, ডবা, ব্ৰীজ আৰু নতুনকৈ মিক্স ডাবল কেৰম আৰু বেডমিণ্টন আদি খেল সমূহ অনুষ্ঠিত হয় আৰু এই বিভাগত শ্ৰেষ্ঠ খেলুৱৈ হিচাবে শ্ৰীনাৰায়ণ চহৰীয়াই সন্মান লবলৈ সক্ষম হয় ।

ছাত্ৰ জিৱণি কোঠাৰ সম্পাদক হিচাপে মই মঙ্গলদৈ কলেজৰ হৈ যোৱা বছৰত কি কৰিলো সেয়া একান্ত আপোনালোকৰ বিচাৰ্য্য। কিন্তু মই এটা কথা ক'ব পাৰোঁ যে মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে যি কোনো ক্ষেত্ৰত দৃঢ় পদক্ষেপ লবলৈ মই কুণ্ঠাবোধ কৰা নাছিলো ।

এই প্ৰতিবেদনত যোৱাটো বছৰৰ কাৰ্য্য-কলাপৰ খতিয়ান দাঙি ধৰিবলৈ হলে সি এক বিস্তৃত মহাভাৰত সদৃশ হব। তথাপিও এই বছৰ অশেষ চেষ্টাৰ মূৰত মঙ্গলদৈ মহাবিদ্যালয়ৰ পৰা নগাওঁত অনুষ্ঠিত আন্ত মহাবিদ্যালয় ক্ৰীড়া মহোৎসৱত, টেবুল টেনিচ আৰু বেডমিণ্টন খেলিবলৈ এটা দল লৈ যোৱা হৈছিল আৰু সেই দলে তাত আশানুৰূপ সাফল্য লাভ কৰিছিল ।

শেষত মই অধ্যক্ষ, শিক্ষক-শিক্ষয়ত্ৰী, বিভাগীয় অধ্যাপক শ্ৰীনিৰঞ্জন শৰ্ম্মা প্ৰমুখ্যে নমস্য ব্যক্তিলৈ মোৰ কৃতজ্ঞতা যাচিছোঁ আৰু মোৰ আন্তৰিক ধন্যবাদ মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ জ্ঞাপন কৰিছোঁ। বিশেষকৈ মোক বিভিন্ন দিশত সহায় কৰি অহা ছাত্ৰ-বন্ধু সকল সৰ্ব্বশ্ৰী হেৰম্ব, ৰঞ্জন, ক্ষিৰোদ, নাৰায়ণ, প্ৰশান্ত, বজৰুল, ধৰণী, ভবেশ আৰু অনিল নাথলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ইতি

শ্ৰীভাস্কৰ চহৰীয়া
সম্পাদক, ছাত্ৰ জিৱণি কোঠা
মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা



# ব্যায়াম শালা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা মৰম যাচিছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত মনোনয়ন পত্ৰ দাখিল কৰিয়েই মই দক্ষিণ ভাৰত ভ্ৰমণত যাবলগীয়া হওঁ। সেয়ে নিজে নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ গ্ৰহণ কৰিব নোৱাৰিলোঁ, তথাপিও মোৰ অনুপস্থিতিতো বন্ধু-বান্ধৱী সকলে মোক বিপুল ভোটেৰে জয়ী কৰি যি মৰম দেখুৱালে তাৰ বাবে মই চিৰঋণী।

শৰীৰ চৰ্চা শিক্ষাৰে এটা অবিচ্ছেদ্য অংশ। শৰীৰ আৰু মন এই দুয়োটাৰে এক ওতঃপ্ৰোতঃ সম্বন্ধ আছে। ৰুগীয়া শৰীৰে সবল মানসিকতাৰ জন্ম দিব নোৱাৰে। পঙ্গু, নিশকতীয়া এপাল মানুহৰ জাকে কেতিয়াও এটা সবল জাতি গঠনত বিশেষ একো অৰিহনা যোগাব নোৱাৰে। পৃথিৱীৰ অন্যান্য দেশবোৰত শৰীৰ চৰ্চাক শিক্ষাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত কৰি লোৱা দেখা যায়। আমাৰ দেশতো জাতীয় চৰকাৰে নিশ্চয় এই দিশত মনোনিৱেশ কৰিব। বিগত বছৰৰ দৰে এইবাৰো ব্যায়াম শালা বিভাগে বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰিছিল। প্ৰতিযোগিতাৰ আটাইতকৈ আকৰ্ষনীয় সাঁতোৰ প্ৰতিযোগিতাতো এইবাৰ বহু সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। এই প্ৰতিযোগীতা উপহুপাৰা মীন মহলত আয়োজন কৰা হৈছিল। আনবাৰৰ তুলনাত ছোৱালী প্ৰতিযোগীৰ সংখ্যাও যথেষ্ট আছিল। ইয়াৰ উপৰিও ভাৰউত্তোলন, দেহশ্ৰী, যোগাসন আৰু স্কীপ দৌৰপ্ৰতিযোগিতা হয়। কাৰ্য্যভাৰ গ্ৰহণ কৰি মই যথেষ্ট অসুবিধাত পৰিছিলো। উক্ত বিভাগৰ বাবে যিটো কোঠা বখা হৈছে সেইটো একেবাৰেই সৰু। ব্যায়ামশালা বিভাগত এডাল পেৰেলেল বাৰৰ বিশেষ প্ৰয়োজন। মই বিশেষ চেষ্টা কৰিও পুৰণা ডাল মেৰামতি কৰিব নোৱাৰিলোঁ। ব্যায়ামশালা বিভাগৰ বাবে এটা আহল বহল আচুতীয়া সুকীয়া কোঠাৰ ব্যৱস্থা কৰি দিবলৈ এই প্ৰতিবেদনৰ জৰিয়তেই কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

এইখিনীতে উল্লেখযোগ্য যে এইবাৰ নবাগত আদৰণি সভাত ব্যায়ামশালা বিভাগৰ পৰা এখন 'ক্যাৰেটে" প্ৰদৰ্শনী আয়োজন কৰা হৈছিল। উক্ত প্ৰদৰ্শনীত অংশ গ্ৰহণকৰা ছাত্ৰসকল হ'ল—উগ্ৰসেন বড়া (ব্ৰাউন বেল্ট) মনোজ চহৰীয়া (গ্ৰীন বেল্ট) কল্যাণ মেছ (গ্ৰীন বেল্ট) ভাস্কৰজ্যোতি শৰ্ম্মা (অৰেঞ্জ বেল্ট) তপনডেকা (অৰেঞ্জ বেল্ট)। ইয়াৰ বাহিৰেও অন্যান্য বহুতো ব্যক্তিয়েও ইয়াত অংশ গ্ৰহণ কৰে। তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত ভাস্কৰ মল্ল বুজৰবৰুৱা দেৱে সকলো সময়তে মোক বিভিন্ন ধৰণৰ দিহা পৰামৰ্শ দিয়া বাবে গভীৰ শ্ৰদ্ধা জনাইছো। মোক সকলো সময়তে বিশেষভাৱে সহায় কৰা মোৰ ভ্ৰাতৃপ্ৰতিম কাবুল বেজবৰুৱা তথা সমূহ বন্ধু-বান্ধৱীলৈ মোৰ বুকুভৰা মৰম যাচিছোঁ। সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল ক্ৰটিৰ বাবে ক্ষমা বিছাৰি মঙ্গলদৈ মহাবিদ্যালয়ৰ চিৰ-উন্নতি কামনাৰে আজিলৈ সামৰিছোঁ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়, জয়তু মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰসন্থা। "জয় আই অসম"

শ্ৰীদিগন্ত নয়ন শৰ্ম্মা
সম্পাদক, ব্যায়াম শালা বিভাগ



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয় জয়তে মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। লগতে বিগত ছয় বছৰত অসমৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰি ১৯৮৬-৮৭ চনৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদনৰ পাতনি মেলিছোঁ। মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত ১৯৮৬-৮৭ চনৰ 'ছাত্ৰী জিৰণি কোঠা'ৰ সম্পাদিকা হিচাপে মনোনীত কৰা বাবে মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ ওচৰত মই চিৰ কৃতজ্ঞ। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই আৰম্ভ হৈছিল মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত বিভিন্ন খেল সমূহ অনুষ্ঠিত হৈছিল। খেলসমূহ চলাই নিয়াত যথেষ্ট অসুবিধা হৈছিল যদিও কেইজনমান সচেতন ছাত্ৰ-ছাত্ৰীৰ সহায়ত খেলসমূহ নিয়াৰিকৈ চলাই নিবলৈ সক্ষম হওঁ।

আমাৰ ছাত্ৰী-জিৰণি কোঠাটোৰ সৌচাগাৰ আৰু প্ৰস্ৰাবগাৰ কঠাটোৰ ভিতৰেৰে সংলগ্ন হোৱাৰ ফলত দুৰ্গন্ধত কোঠাটোত জিৰণি লোৱা পৰিবেশ নাথাকে। তথাপি উপায় বিহীন হৈ দুৰ্গন্ধময় কোঠাটোতে জিৰণি লবলৈ বাধ্য হয়।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাই সমস্যা সমাধান কৰাটো টান যদিও মই মোৰ সাধ্যানুসাৰে যিমান খিনি পাৰো সমাধান কৰিবলৈ চেষ্টা কৰিছিলোঁ। অধ্যক্ষ মহোদয়ৰ ওচৰত অভাৱ সমূহ পূৰণৰ বাবে কেবাবাৰো আবেদন কৰিছিলোঁ।

অধ্যক্ষ মহোদয় আৰু কৰ্তৃপক্ষক টানি অনুৰোধ জনাওঁ যে ছাত্ৰী সকলে যাতে এই অভাৱ অভিযোগ সমূহৰ সন্মুখীন হবলগীয়া নহয় তাৰ বাবে যথোচিৎ ব্যৱস্থা গ্ৰহণ কৰে।

মোৰ কাৰ্য্যকাল চোৱাত যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোৰ সকলো কামতে সহায় সহযোগীতা আগবঢ়ালে তেওঁলোকক মোৰ আন্তৰিক মৰম, শ্ৰদ্ধা আৰু ওলগ জনালোঁ। বিশেষকৈ কাৰ্য্যভাৰ লোৱাৰে পৰা কাৰ্য্যভাৰ অৰ্পণ কৰালৈ সক ডাঙৰ সকলো কামতে থাকি সহায় কৰা বাবে পূজ্য দাদা অনিল নাথ আৰু হেৰম্ব বেজবৰুৱালৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ। মোৰ সহপাঠী বন্ধু-বান্ধৱী সকললৈও মোৰ আন্তৰিক মৰম জনাইছোঁ। ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীবন্দনা গোস্বামী বাইদেৱে মোৰ দায়িত্ব পালনৰ সকলো কামৰ আগতে দিয়া মূল্যৱান উপদেশৰ কথা শ্ৰদ্ধাৰে সুঁৱৰি তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোক এইকণ লিখাৰ সুবিধা দিয়া বাবে আলোচনী সম্পাদক ধন্যবাদাৰ্হ। শেষত মোৰ অজানিতে বছৰটোত হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিছাৰি আৰু মোৰ অতিকৈ প্ৰিয় মঙ্গলদৈ মহাবিদ্যালয় খনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

চৈয়দা নাজমীন ইছলাম
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

# খেল বিভাগৰ সহঃ সম্পাদকৰ প্ৰতিবেদন

প্ৰিয় বন্ধু আৰু বান্ধৱী,

জয়জয়তে আপোনালোকৰ প্ৰতি সন্মান জনাই মোৰ বিভাগৰ সম্পাদকীয় প্ৰতিবেদন পাতনি মেলিছোঁ। মোৰ এই এবছৰীয়া কাৰ্য্যকালত কি কৰিছোঁ তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ হাততেই অৰ্পন কৰিছোঁ। সম্পাদকীয় কালছোৱাৰ আৰম্ভণীতেই মহাবিদ্যালয় সপ্তাহত খেল বিভাগৰ গুৰু দায়িত্ব আমাৰ ওপৰত আহি পৰে। এইবাৰ মহাবিদ্যালয় সপ্তাহত হোৱা বিভিন্ন প্ৰতিযোগিতাত দুটাকৈ সোণৰ পদকৰ সন্মান মঙ্গলদৈ মহাবিদ্যালয়লৈ কঢ়িয়াই আনিছিল (উল্লেখযোগ্য যে শ্ৰীমান কণক বৰুৱাই শক্তি খেলৰ আয়োজিত মাৰথান দৌৰ প্ৰতি যোগিতা এক নতুন অভিলেখ স্থাপন কৰি প্ৰথম স্থান লাভ কৰে আৰু অসমৰ বিভিন্ন শ্ৰেণীৰ মাৰথান দৌৰ প্ৰতিযোগীতাত প্ৰথম স্থান লাভ কৰে। এই খিনিতে মই তেওঁৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ) ছাত্ৰ ধ্ৰুৱজ্যোতি শৰ্ম্মাই ৰঞ্জৰ পদক লাভ কৰে। মহাবিদ্যালয় আদৰণি সভাত অধ্যক্ষ একাদশ আৰু ছাত্ৰ একাদশৰ মাজত এখন মনোৰঞ্জক প্ৰীতি ক্ৰিকেট খেল হৈ যায়। উক্ত খেলখন মুকলি কৰে অধ্যক্ষ মহোদয়ে আৰু অধ্যক্ষ একাদশৰ হৈ যথাক্ৰমে ড° আমানশ হক, ড° ৰণেন্দু সেন আৰু ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা, ইদ্দিচ আলি, নিহাৰঞ্জন মিশ্ৰ, অনিল শৰ্ম্মা আৰু মঙ্গলদৈ ক্ৰিকেট জগতৰ অবিস্মৰণীয় ক্ৰিকেটাৰ মঙ্গলদৈ মহাবিদ্যৱলয়ৰ গ্ৰন্থাগাৰিক জেহিৰদাই আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক প্ৰণৱ বৰদলৈ সহঃ খেলবিভাগৰ সম্পাদক গিৰিশ শইকীয়া, সাহিত্য বিভাগৰ সম্পাদক প্ৰশান্ত নাথ। অসমৰ উদীয়মান উইকেট কীপাৰ স্নাতক প্ৰথম বাৰ্ষিকৰ (কলা) প্ৰতিনিধি কঙ্কন চহৰীয়াই। ছাত্ৰ একাদশৰ হৈ অধিনায়ক ধৰণীধৰ ডেকা আৰু সহঃ অধিনায়ক লক্ষী কান্ত বড়াৰ অধীনত ছাত্ৰ সকলে সুন্দৰ খেল প্ৰদৰ্শন কৰে।

শেষত আমাক বিভিন্ন দিশত সহায় কৰাৰ বাবে কঙ্কণ চহৰীয়া, বাবুল বেজবৰুৱা, পৰান দাস, গৌতম দাস, পুণেন্দ্ৰ বৰুৱা, নিশা ফাটোৱালী, চৈয়দা নাজমিন ইচলাম, ধীৰজা বড়া মণিমালা দৈমাৰী, কুঞ্জলতা ডেকা উগ্ৰসেন বড়া আৰু ভাৰপ্ৰাপ্ত অধ্যাপক ড° আমানুল হকৰ যি অভিজ্ঞতা পুষ্ঠ দিহা পৰামৰ্শ—সক্ৰিয় সহযোগৰ বাবে মই চিৰ কৃতজ্ঞ।

সদৌ শেষত বিগত বছৰত মোৰ অনিচ্ছাকৃত ভুলৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা মাগিছোঁ।

ধন্যবাদেৰে—

শ্ৰীগিৰীশ শইকীয়া
সহঃ সম্পাদক খেল বিভাগ

# ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়কৰ প্ৰতিবেদন
## ১৯৮৬-৮৭ ইং

— N. S. S. At a Glance —

1: Serve the community and nation through N.S.S.
2. Help the weaker sections to solve their problems.
3. Make your vacation and leisure period meaning-full. 4. Learn dignity of labour. 5. Have acquitance with the realatives of life while studying.

প্ৰাৰম্ভণীতে যি সকল দেশ মাতৃকাৰ পৱিত্ৰ সন্তানে আমাক কন্দুৱাই চিৰকাললৈ আমাৰ মাজৰ পৰা আঁতৰি গ'ল, সেইসকল শ্বহীদৰ পৱিত্ৰ আত্মাৰ চিৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত আকুল আহ্বান জনাইছোঁ।

অধিনায়কৰ প্ৰতিবেদনৰ প্ৰাকমূহূৰ্তত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্য্যসূচী বিষয়া প্ৰাক্তন অধিনায়ক আৰু এই বিভাগৰ যি সকল ছাত্ৰ-ছাত্ৰীৰ অকৃত্ৰিম মৰম চেনেহৰ বাবে মই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়ক হোৱাৰ সুযোগকণ পালোঁ, সেই সকললৈ আন্তৰিক শুভেচ্ছা যাচিলোঁ। প্ৰতি বছৰে নিয়মীয়া সমাজ সেৱা আৰু বিশেষ শিবিৰৰ যোগেদি সুনাম অৰ্জন কৰি ১৯৭২ চনৰ পৰা মঙ্গলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে এয়া পঞ্চদশ বছৰত ভৰি দিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত থকা আন আন মহাবিদ্যালয়ৰ দৰে আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে দেশৰ হিত সাধনত সক্ৰিয় অংশ গ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰতে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। মোৰ কাৰ্য্যকালছোৱাত কাম কৰাৰ এটি চমু আভাস তলত দাঙি ধৰা হ'ল।

### ১৯৮৬-৮৭ চনৰ খতিয়ান

বছৰটোৰ বাবে ২০০ জন ছাত্ৰ আৰু ৫২ জনী ছাত্ৰীক ৰাষ্ট্ৰীয় সেৱা আঁচনিত অন্তৰ্ভূক্ত কৰি লোৱা হয়। মুঠ ২৫২ জন শিক্ষাৰ্থীৰ দ্বাৰা বাহিনীটো বলিষ্ঠ পদক্ষেপত আগবাঢ়ি যায়। ইমান বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্ভূক্তি এই বছৰত এক উল্লেখযোগ্য সাফল্য বুলি ক'ব পাৰি। ইং ১৮।৯।৮৬ তাৰিখৰ পৰা আৰম্ভ কৰি মুঠ ৮ খন বৈঠক অনুষ্ঠিত হয়।

### (১) অৰ্দ্ধদিনীয়া শিবিৰ

মই যোৱা ১৮।৯।৮৬ তাৰিখে অধিনায়ক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাম অনুসৰি আধাদিনীয়া আৰু এদিনীয়া শিবিৰ কৰা হয়। বছৰটোত তিনিটা অৰ্দ্ধদিনীয়া শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ১৩৫ জন স্বেচ্ছাসেৱকে অংশ গ্ৰহণ কৰে।

### (২) শ্ৰীশ্ৰী কৃষ্ণ ৰাসোৎসৱ ( মঙ্গলদৈ )

দৰং জিলাৰ সদৰ মঙ্গলদৈত বিগত কেইবছৰৰ দৰে এই বেলিকাও শ্ৰীশ্ৰীকৃষ্ণৰ সপ্তম বাৰ্ষিক ৰাসোৎসৱ এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত ১৫।১১।৮৬ তাৰিখৰ পৰা ২৩।১১।৮৬ তাৰিখলৈ ৯ দিনিয়া

কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈ যায়। আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ মুঠ ১৮০ জন স্বেচ্ছাসেৱক আৰু সেৱিকাই সেৱা আগবঢ়াই প্ৰশংসাৰ প্ৰমাণপত্ৰ লাভ কৰে।

## (৩) বিশ্ব পাৰিপাৰ্শ্বিকতা দিৱস

১৯৮৬ চনৰ ১৩ আৰু ১৪ ডিচেম্বৰত অসম চৰকাৰৰ পাৰিপাৰ্শ্বিকতা বিভাগৰ দ্বাৰা আয়োজিত আৰু মঙ্গলদৈ পৌৰসভাৰ দ্বাৰা পৰিচালিত বিশ্ব-পাৰিপাৰ্শ্বিকতা দিৱসত আমাৰ মহাবিদ্যালয়ৰ মুঠ ৫০ জন স্বেচ্ছাসেৱক আৰু স্বেচ্ছাসেৱিকাই অংশগ্ৰহণ কৰি মঙ্গলদৈ চহৰৰ অপৰিস্কাৰ ঠাইবোৰ পৰিস্কাৰ কৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আটাই কেইজন স্বেচ্ছাসেৱক সেৱিকাকে অসম চৰকাৰৰ হৈ মঙ্গলদৈ পৌৰসভাই একোখনকৈ প্ৰশংসাৰ প্ৰমাণপত্ৰ প্ৰদান কৰে।

## (৪) ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰতিষ্ঠা দিৱস পালন

২৩।১২।৮৬ তাৰিখে দিনযোৱা কাৰ্য্যসূচীৰে মঙ্গলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আচঁনি গোটৰ প্ৰতিষ্ঠাদিৱস পালন কৰা হয়। পতাকা উত্তোলন কৰে শ্ৰীযুত নগেন শৰ্ম্মা এম, এ, এম ফিল দেৱে। মুকলি সভাত সভাপতিত্ব কৰে অধ্যক্ষ ড° পূৰ্ণচন্দ্ৰ বৰাদেৱে। ১৯৭২ চনৰ পৰা আৰম্ভ হোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হয়। ইয়াৰ উপৰিও ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্য্যালয়টো এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অধ্যক্ষ ড° পূৰ্ণচন্দ্ৰ বৰা দেৱে।

## (৫) মঙ্গলদৈ বেজপাৰা কছাৰীগাৱ অঞ্চলত

যোৱা ৫।১।৮৭ তাৰিখে মঙ্গলদৈ চহৰৰ পূব প্ৰান্তত অৱস্থিত বেজপাৰা কছাৰীগাৱ অঞ্চলত আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আচনি গোটৰদ্বাৰা এটি এদিনীয়া শিবিৰ অনুষ্ঠিত হৈ যায়। উক্ত শিৱিৰত আমাৰ মহাবিদ্যালয়ৰ পৰা ৮৩ গৰাকী স্বেচ্ছাসেৱক সেৱিকাই অংশ গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ পতাকা উত্তোলন কৰে অধ্যাপিকা শ্ৰীমতী বিদ্যুৎপ্ৰভা দাস দেৱে। বেজপাৰা কছাৰীগাৱৰ ২৫০ মিটাৰ দৈৰ্ঘ্যৰ এটি ৰাষ্টাৰ মেৰামতি কৰা হয়। ইয়াৰ উপৰিও সেই গোটেই অঞ্চলটোৰ জৰীপকাৰ্য্য চলোৱা হয়। আবেলি এখন ৰাজহুৱা সভা অনুষ্ঠিত হয় আৰু সেই অঞ্চলৰ ৰাইজক ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়ে অবগত কৰোৱা হয়।

## (৬) আলোচনা চক্ৰত অংশগ্ৰহণ

যোৱা ১৬ আৰু ১৭ নবেম্বৰ ১৯৮৬ত নলবাৰীত অনুষ্ঠিত হোৱা আলোচনা চক্ৰত আমাৰ মহাবিদ্যালয়ৰ পৰা (অধিনায়ক) শ্ৰীমুকুল বৰুৱা আৰু এজন স্বেচ্ছাসেৱক শ্ৰীদুলাল শৰ্মাই অংশ গ্ৰহণ কৰে। আলোচনাৰ বিষয়বস্তু আছিল - Seminer on Youth Involvement and Voluntary Action for Rural development. ইয়াৰ উপৰিও ২৮ ডিচেম্বৰ ১৯৮৬ত দৰং জিলাৰ সমাজ কল্যাণ বিভাগৰদ্বাৰা আয়োজিত এক আলোচনা চক্ৰত আমাৰ মহাবিদ্যালয়ৰ দহজন স্বেচ্ছাসেৱক সেৱিকাই অংশ গ্ৰহন কৰে। আলোচনা চক্ৰৰ বিষয়বস্তু আছিল Seminer on Dowry Prohibition Act. ইয়াৰ উপৰিও মঙ্গলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা কেইবাখনো আলোচনা চক্ৰত ৰাষ্ট্ৰীয় সেৱা আঁনিৰ স্বেচ্ছাসেৱকসকলে অংশ গ্ৰহণ কৰি সুনাম অৰ্জন কৰে।

## (৭) ছাত্ৰনেতা প্ৰশিক্ষণ শিবিৰত

২৩।৭।৮৭ তাৰিখৰ পৰা ২৯।৭।৮৭ তাৰিখলৈ উত্তৰ গুৱাহাটী মহাবিদ্যালত অনুষ্ঠিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰনেতা প্ৰশিক্ষন শিবিৰত আমাৰ মহাবিদ্যালয়ৰ পৰা ৭ (সাত) জন ছাত্ৰই অংশ গ্ৰহণ কৰি সুনাম অৰ্জন কৰে।

## (৮) প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনি

১৯৮৬ চনৰ অক্টোবৰ মাহৰ পৰা ডিচেম্বৰ মাহলৈ প্ৰাপ্তবয়স্ক শিক্ষা আচঁনিৰ জৰিয়তে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ১০০ জন স্বেচ্ছাসেৱক সেৱিকাই ৫০০ জন নিৰক্ষৰ লোকক স্বাক্ষৰ কৰি তোলে।

## (৯) আমাৰ অভাৱ অভিযোগ

এইখিনিতে কেইটামান অভাৱ-অভিযোগ দাঙি ধৰিব বিছাৰিছোঁ।

(ক) প্ৰত্যেক শিক্ষাৰ্থীৰ বাবে কামকৰাৰ সময়ত একত্ৰীকৰণ পোছাক পৰিচ্ছদৰ আৱশ্যক। এই ক্ষেত্ৰত কাৰ্য্যসূচী বিষয়া আৰু কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে অনতিপলমে যেন এই অভাৱ পূৰণ কৰে।

(খ) মোৰ কাৰ্য্যকালৰ ভিতৰত কলিকতাৰ শান্তিনিকেতনলৈ যোৱাৰ মানস কৰিছিলোঁ। কিন্তু সময়ত এইটো পুঁজিৰ নাটনিত হৈ নুঠিল। কাৰ্য্যসূচী বিষয়াক এই ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ অনুৰোধ জনালোঁ। প্ৰত্যেক বছৰত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক সকলৰ উদ্দেশ্যে একোটা ভ্ৰমন আঁচনি প্ৰস্তুত কৰা হ'ব বুলি আশা থাকিল।

(গ) মঙ্গলদৈ মহাবিদ্যালয়ৰ দক্ষিণে থকা কৃষিপামৰ যোগেদি "আৰ্জি লোৱা শিক্ষা আঁচনি" (Earmar Learner Scheme) সহায়ত দুখীয়া মেধাৱী ছাত্ৰসকলে তাত থাকি শিক্ষা লাভ কৰিছিল। মই বিভাগীয় কৰ্তৃপক্ষক বিশেষভাৱে অনুৰোধ জনাওঁ যে উক্ত পামৰ আঁচনি অনতিপলমে প্ৰৱৰ্ত্তন কৰি দুখীয়া মেধাৱী ছাত্ৰসকলৰ থকা আৰু শিক্ষাৰ ব্যৱস্থা কৰে যেন।

(ঘ) ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰমাণ পত্ৰ সমূহ প্ৰতিবছৰে নিয়মীয়া ভাৱে দিবলৈ কৰ্ত্তৃপক্ষক বিশেষভাৱে অনুৰোধ কৰিছোঁ।

## (১০) শলাগ লৈছো

স্বেচ্ছামূলক কাম হ'লেও সময়তে উপস্থিত থাকি নিজ কৰ্তব্য সমাধা কৰা শিক্ষাৰ্থীসকললৈ শলাগৰ শৰাই আগবঢ়াইছোঁ। বিভাগীয় কামবোৰ সুচাৰুৰূপে সমাধা কৰা বাবে প্ৰত্যেকজন দলনায়ক, দলনায়িকা আৰু বিভাগীয় মুৰব্বী (খাদ্য, সঁজুলি ইত্যাদি) সকললৈ শলাগৰ শৰাই যাচিছোঁ।

'ছাত্ৰ একতা সভা'ৰ সম্পাদক সকলেও নানা দিহা পৰামৰ্শ আৰু সহায় সহযোগ আগবঢ়োৱা বাবে তেখেত সকললৈ মোৰ কৃতজ্ঞতা জনাইছোঁ।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মূল চাকি-কাঠী স্বৰূপ অধ্যাপক শ্ৰীৰাজেন্দ্ৰ বৰুৱা এম, এ, বি, টি ; দেৱে অভিজ্ঞতা পুষ্ট দিহা পৰামৰ্শ প্ৰদান কৰি সকলো পথ আঙুলিয়াই দিয়া বাবে মই তেখেতৰ ওচৰত চিৰ-কৃতজ্ঞ। লগতে নানা দিশত দিহা পৰামৰ্শ দি সহায় কৰা বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° পূৰ্ণচন্দ্ৰ বড়াদেৱ, অধ্যাপক শ্ৰীৰমণী চহৰীয়া, অধ্যাপিকা শ্ৰীবিদ্যুৎ প্ৰভা দাস, অধ্যাপক শ্ৰীনিৰঞ্জন শৰ্মা, অধ্যাপক শ্ৰীজামালুদ্দিন আহমেদ, অধ্যাপক শ্ৰীমতিৰাম মেধি, অধ্যাপক শ্ৰীপ্ৰবীন বৰুৱা দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰিও বিভিন্ন বিষয়ত দেহেকেহে খাতি মোক সকলো প্ৰকাৰে সহায় কৰাৰ বাবে শ্ৰীঠগীৰাম চহৰীয়া, নাৰায়ণ, গজেন, মুক্তা, প্ৰৱণ চন্দ্ৰলতা, উলুপী, জয়মতী, নিমা, জ্যোতি, উত্তৰা, ভবেন, বাতুল, অঞ্জন, ৰমা, দিগন্ত, গিৰিশ, চালেহ, ভবেশ, বিজন, আফিয়া, কুঞ্জ, বিজু, খগেন, ৰেখা, ধীৰজা আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমূহ স্বেচ্ছাসেৱক-সেৱিকালৈ মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। লগতে আলোচনী বিভাগৰ সম্পাদকে এই সুযোগ কণ দিয়া বাবে তেওঁৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সদৌ শেষত অজানিত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিছাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে –

শ্ৰীমুকুল বৰুৱা (অধিনায়ক)
"ৰাষ্ট্ৰীয় সেৱা আঁচনি"

# ENGLISH SECTION



## A Decade of Assam

*Sadhi Ram Borah, B. A.,*

Assam, a land
Nature raises its fragance
The people look
Like creatures
of the odds.
The creatures are
in the Assam Valley.
Assam, a land
The creatures are
crying for peace
and its growth.
A decade over
Assam warned up
by the rising sun
The History,
speaks aloud.
Assam, a land of
Plenty Assam.
Gold, Silver,
Shine in our immortal land
Time looks at
Golden Assam
The Golden Assam
of my youthful days
come to me
We live together
In peace and bless. ▭

★ ★ ★

## O' Little Stars

*Sri Siba Prasad Baruah*
*T. D. C 2nd Year*
*( Arts )*

Oh Mother ! Tell me
Who makes the stars,
That are shining–
In darkness
Of a night sky;
Though
I am very far–
Yet, I like to see
The vision of that bright stars
I like to see the moon–
Which is shining bright
Like the stars;
The moon is too shining
In the night sky,
I always want to see them
At day time–
But, unseen."
Oh Mother ! Tell me
Why they donot shine
At day time.

▭

## Powerful God

Oh' powerful God !
you are so powerful,
And fair in the world,
How fair are you ?

What a beautiful –
And lovely your creatures !
I always anxious
And want to know.

About your glorious world,
I pray you to meet, but
I don't know about your Shape,
Only I can image you.
as a God ( powerful )

No body can say about you
Except your holy Angels.
Sky, rain, air, trees, animals
Everything is your creatures.

And you are only creator
of all those things
I always hearing about your
wonderful Stars, Planets and Sun

How did they moving
Their own places
Oh, powerful God !
You are So Powerful ?

*Md. Asadullah Ahmed*
*T. D. C. 2nd Year*

## A Road Victim

A pool of blood
And an unknown fear
Kept them at bay.

Explanations popped up,
all around ;
at the cost of raised heels, bended knees
and half-open windscreens.

Standing under the burning sun
their meanings me.
May be they drove the foul sight
down into the river's throat
beyond the rim of memory.

Long after, trying to find my way out of
that evening's crowd,
for a moment I were confused ;

Which one is redder ? –
The setting Sun spread over the mighty
Brahmaputra
or the victim's now cold blood
inviting namelees vultures.

*Nihar R. Mishra*

# LITERACY AMONG THE TRIBALS OF DARRANG DISTRICT

G. C. Goswami
Head, Deptt. of Geography,

Assam is an anthropological museum with many socio-religious groups of people. The history of peopling of the region has been closely linked with India on the one hand and the south-east Asia and the Pacific countries on the other. Assamese culture is the sumtotal of the primitive and the advanced, contributed both by the Aryans and the non-Aryan elements It is rather a composite culture contributed by Astro-Asiatic, Mongoloid and Aryan elements. Indian history would remain incomplete without a thorough understanding of the origin and development of the civilization of Assam the ancient Kamrupa. Since the pre-historic period, the land has been exposed to invation from the east, north-east and west. With the dawn of history ( c. 1700 B. C. ) her link became closer, both politically and culturally with the rest of India.

One of the interesting but difficult problems of the Northeast India, is the study of its racial elements as there was no systematic chronicles in the form of history in ancient Assam till the Ahom invasion in 1228 A. D. Prehistoric archeology and some other evidences prove that Assam being located on one of the migration routes of the mankind, received different waves of immigrants and sent out emigrants from it since long past. It is found that there were three main possible routes of migration—first through the north or the mountain passes of Tibet, Nepal and Bhutan; second, through the valley of the Ganges and the Brahmaputra and the other part of India and the third, the Assam-Burma route across the Patkai ranges.

In the North-east India, the Mongoloid elements are predominant in the population. The Mongoloids or the Indo Mongoloids or the Kirats are physically characterised by strong cheek bones, slit eye, flat nose and slight growth of hair in the body. The so-called Aryan people of Assam, speaking Indo—European languages also share many physical features with the Mongoloids. It is no doubt that there has been an intermingling of the Aryans, Mongoloids, Austrics and the Dravidians in this part in different ages of the country's history, In India, these people with socio - economic backwardness as the main criterion, have been categorised as the Scheduled Tribes and the Indian Constitution, through its different Articles, provides them special safeguard for their social and economical upliftment. The Constitution thus enlists 212 such tribes spread over different States of India. Of these tribes, North-east India enlists 23 as the indigeneous ones. According to the 1971 census, they together numbered 1,606,648 accounting for about 11 percent of the total population, of these, the most numerous groups is the Bodo-Kacharis, followed by the Mishing, Kachari including Sonowal and Karbi.

The present paper is an attempt to study the socio-economic condition of the tribal people of Darrang District of Assam, more particularly the literacy among the tribals of the district.

Darrang District is located bewteen 26° 12'N and 26°57'N lat. and 91°42'E and 92°22'E long. It is bounded on the north by the Bhutan Himalayas and Arunachal Pradesh ; two perennial rivers Panch—noi and the Barnadi mark the eastern and western boundary and Nagaon and Pragjyotishpur district from the southern boundary. It covers an area of 3,465.3. Km with the total population of 834,574 in 1971. The district has a tribal population of 128,494 souls consisting mainly of the Bodo-Kacharis ( 102, 227 ), Kachari including Sonowal ( 14,350 ), Rabhas ( 11,855 ) and Garo ( about 2000 ). They account for more than 15.4 percent of the total population of the district, Very few of the people of other tribal communities live in the district, but they hardly form any social group. So, they have been left outside the purview of the present discussion. These tribal communities managed to live in isolation and maintained their cultural unity. But owing to the advancement of transport and communication system and rapid growth of trade and commerce, it has become difficult for them to isolate themselves any longer and avoid cultural contact.

Some of the Sociologists and Social Anthropologists have observed this social contact and opined that without proper education and preparation this socio—cultural contact have become harmful to the tribal people and created many adjustment problems. Dr. Verrier Elwin, who first advocated the 'National Park' policy, thereby proferring a separate administration for the tribals to allow them to live in isolation with happiness and freedom, modified his view and began to emphasise the need of planning for the upliftment of the tribals through modernisation,

Modernisation involves changes in the social structure, norms and value-orientations and as such it makes certain adaptive demands. Education is undoubtedly one of the key factors that unlocks the door to modernisation, and literacy is, therefore, both the index and agent to modernisation. Education has become part of the economic foundation of modern society - a major avenue of social mobility, a central agency of social distribution and subsequently an object of political debate and social policy as urgent and as important as poverty, sickness or unemployment. But prior to education, the problem of bred must be satisfied. In case of peop e who hardly get bread twice a day, literacy is a tall talk.

It is realised that if a society is to march forward socio-economically all its constituent communities must be involved effectively in the process of development. The country cannot improve upon its present lamentable conditions leaving aside the tribal population, and if the tribals are to be involved, their problems and prospects must be assessed. Such assessment, may perhaps be done more meaningfully at micro level. It is with this view that the topic of this paper is considered to be significant.

## Growth and distribution of Tribal population :

Darrang district being on the gateway of migration, there was a synthesis of races and cultures. The great Bodo people are said to have entered into this area

through different ways as indicated by legends. There are no written records to prove that the tribals had migrated to this area during the prehistoric days. But it is true that since the days of Mahabharata, the tribal people have been living in this part of the country. So, it is reasonable to conclude that if at all the tribals have migrated to this part, it must have been during the pre-Mahabharata period.

According to the 1951 census, the tribal population of Darrang district (then Mangaldai Subdivision) was 60,604. It was 14.9 percent of the total population. During 1961, it increased to 95,531 and the percentage being 16.3. But in 1971, it was recorded to be 128,494 with 15.4 percent of the total population.

The tribal population are numerous in the middle and northern parts of Darrang district. The zone of contact of the central rice belt and the northern tea belt is the zone of concentration of the tribal people. An Integrated Tribal Development Project (I.T D.P) has been constituted in the district in 1976 – 77. It covers almost the whole of Paneri Udalguri, Mazbat and Kalaigaon thana areas where tribal population are 50 percent or more (about 10,900) and very small area of Mangaldai and Dalgaon thana. It covers an area of 635.20 Km². Most of the tribal population are concentrated in the Ambagaon, Barchilajhar, Udalguri, Majikuchi, Sekhar Chinakona, Harisinga, Silpota Orang, Dakua, and Kalaigaon Mouzas.

**Education and Literacy :**

As a part of ancient Kamrupa, arrang was actually linked with the rest of India. Gurukula system of education was in vogue in ancient Kamrupa, Sanskrit was the vehicle of thought and scholarship However, the traditional education was restricted to the Brahmins and other high castes.

The institution of Satra became popular in the sixteenth century. But the tribal people were debarred from this type of formal educations After the anneaxtion of Assam in A.D. 1826, really the Britishers started the mass education in Darrang district. They established two Vernacular Schools at Desh Darrang (Mangaldai) and Chatgari (Tangla) in 1837, the letter being located in the tribal area. After 1874—75, they established few more schools in the district. The American Baptist Mission made a notable contribution by establishing few Primary Schools at Bengbari and Harisinga during 1880. It was only in 1903, when the first High School was established at Mangaldai town. Very few tribal people received their education in it.

In respect of literacy, Darrang District occupied the lowest position among the plains districts of Assam, excluding Goalpara. Analysing the cause of this protracted backwardness of the district, Mr. C.S. Mulan, the then director of Census, observed in 1931 as fowllows : " Darrang had only 65 literates per thousand and it was the worst plain district of Assam from the point of view of literacy. The apparent reason for the long continued backwardness was started to be that the district had a large Kachari population among whom literacy was almost negligible.

After 1934, along with the formation of Mangaldai Local Board, the weekly markets (hats) of the district brought under its control. A huge amount of money collected

from the sale of the markets by the Board and began to disburse liberel grants for establishment of High Schools in the district from that fund. Many High Schools were established with the financial help of the Local Board. In the tribal inhabited areas such High Schools were established at Khairabari, Bhergaon, Puthimari, Harisinga and Udalguri from 1940 to 1947.

The position of tribal literacy was not however better, even after the independence of India. It was about 15.0 percent in 1951 when the Assam average was 18.2. In 1961, the percentage of tribal literacy was 17.3, when the district average was 21.1 and the State average was 27.5. In spite of establishing so many schools, even inside the tribal areas, the position was not however improved and the 1971 census record shows a decline in tribal literacy to 17.1, when the district average was 20.0 and the State average being 28.8 percent. The percentage of tribal female literacy was further pitiable, and it was 6.4 in 1961 and 9.3 in 1971.

The influence of Christianity is well observed in the district from the spread of education and literacy. Christianity being more prevalent in Udalguri thana area, literacy is also high. The thana-wise breakup of the literacy record of 1961 and 1971 as follows:

| | Paneri | Udalguri | Majbat | Kalaigaon | Dalgaon | Mangaldai, |
|---|---|---|---|---|---|---|
| 1961 | 15.2 | 23.6 | 12.7 | 13.0 | 17.1 | 22.2 |
| 1971 | 15.7 | 22.2 | 12.3 | 15.3 | 3.2 | 20.0 |

The great diversity of literacy among the different thana areas was mainly because of the difference of schooling facilities. In the Udalguri and Mangaldai thana area, the figures are high because of the influence of Christian Missionary in Udalguri and adequate schooling facilities as the administrative headquarters in Mangaldai, About 30 percent of the total tribal people of Udalguri thana area are converted to Christianism and the Missioneries established many Primary Schools in the area.

Formerly, Assamese was used to be the medium of instruction in all the Primary and Secondary Schools of the district including those of the tribal areas But for constant demand of the Bod-Kachari people the Bodo Language was recognised as the medium of instruction in 1962 for the Primary stages of education, in 1968 for the Middle English stages and in 1972 for the Secondary stages of education It may be mentioned here that the district possesses 300 L. P. Schools, 13 M. E Schools and 8 High Schools with Bodo as the medium of Instruction But in spite of getting the schools of their own medium of instruction and with many tribal teachers, the tribal people till 1971 have not been able to show a significant performance in the literary world.

It has already been mentioned that the district accounts for 128,494 tribal people out of the total population of 834,574 and the average percentage of tribal literacy is 17.1, when the district average is 20.0 percent. It may, therefore, be calculated that out of the 705,980 non tribal population of the district, the average literacy must be 23 percent, which is much higher than the present district average. We may, therefore, formulate a hypothesis that - 'Educational backwardness of the tribal people, who constitute a bulk of the population of the district, has contributed towards the general backwardness of the district'.

**Structural constraints of Tribal education :**

The educational backwardness of the tribal people of Darrang district arise mainly from three sets of structural variables – (a) the ecological factors, (b) the socio – economic status and (c) the internal structure of the school system. Some of these factors may be detailed as follows :

(i) **Geographical terrain and location of School :**

In the northern part of the district, where tribal concentration is more, the means of communication is lagging behind. The region is full of streams and rivulates. Obviously, the children of agegro up of 6 - 11 find it difficult to go to the schools, if it is not located in their own village itself. Moreover the enrolment and daily attendance of the students is found to be more in the road-side schools then those of the interior locations.

(ii) **Hostel facilities :**

Most of the school of tribal locality, are lack of hostel facilities. Very few schools of Tangla Harisinga, Bhergaon and Udalguri area having hostel facilties attract more pupil than the others. Provision of hostel facility in the L.P. Schools is nowhere seen. Arrangement of hostels with free food and lodging will naturally attract the tribal students most of whose parents are below the poverty line.

iii) **Socio-Cultural factors :**

Tribal people of the district are not wholly of the equal social category. There are different clans with different social status and as such the Rabhas claim to be socially higher than the Bodo-Kacharis Apart from this caste difference, there has developed a class structure also among the tribals and in practical field, the percentage of litaracy among the higher-class people is more than that of lower class.

iv) **Free distribution of books and mid day meal :**

Although very recently arrangements have been made for free distribution of books, provision of mid-day meal has not yet arranged. If implemented, it will naturally attract the poor tribal children for Schooling, which will subsequently raise the percentage of literacy.

v) **Motivation and Training :**

Motivation to tribal youths and parents is in no way inferior to other socio-cultural aspects. Introduction of adult education among the illeterate parents will naturally motivate them to encourage their children for schooling To achieve a satisfactory result, more particularly their women must be given proper education.

Moreover, as agriculture has a direct impact on education, to improve the educational economy the youths from each tribal village may be given intensive training on scientific cultivation so that, they become the 'diffusion points' and extension agents to innovation.

vi) **Teachers : :**

A Teacher in tribal areas must have a thorugh knowledge of tribal life and culture. He must speak the tribal language and profess the tribal culture. Only

under such circumstances, he will be in a position to act as a friend, philosopher and guide to the tribals. To achieve such a fruitful result, the educated tribal teachers are preferred to be appointed in the tribal localities, so that the social distance between the teachers and the taught can be removed.

vii) School calender and curriculum :

The tribal people of this area are predominantly Marginal farmers. So the services of their children are utilised as soon as they are able for agricultural works. It is an economic proposition and entails dislocation in the traditional pattern of division of labour for a tribal family to send their grown up children to school. The school calender affixing the holidays and vacations are to be so prepared, so that they do not tally with the agricultural activities. Similarly, the school timings should be flexible and adapted to the local conditions. Moreover the school curriculum, atleast in the Primary level should be propared in such a manner as to incoporate much of the local cultural contents, as it would ensure interest of the tribal students in education.

**Conclusion :**

Based on the above discussions and the subject to the limitations imposed on the study, the following observations may be made regarding the educational upliftment and social change in the tribal society :

No society is static in the changing world. Acculteration has come to be a recent phenomenon in the social structure of the Indian society. The spirit of acculturation has been gaining momentum with the development of education and economic situation. A greater degree of social mobility can accelerate the process of acculturation. Tribal people of Darrang district are also on the verge of process of acculturation. It is therefore, the duty of the planners to evolve suitable plans and programmes for the all round development of the tribal people, without disturbing their social ethos and traditional customs, which help in preserving a cultural mosaic of the great Assamese society.


**Bibliography**

Allen, B. C. : Assam District Gazetteers, Vol. V, Darrang, Allahabad, 1905.

Azad, M. H. : 'Where Do Our Tribals Live' Geography Bulletin, India I, 1977.

Boro, J. R. : Bodo-Rao Thunglaini Bodo Sahitya Sabha, Mangaldai, 1977.

Barpujari, H. K. ( ed ) : Political History of Assam, Vol. I, Govt. of Assam Gauhati-1977.

Barua, B. K, : A Cultural History of Assam, Lawyers' Book Stall, Gauhati, 1952.

Elwin, V. : A Philosophy for NEFA, Shillong, 1954.

Endle R. S. : The Kacharis, Cosmo Publication, Delhi, 1975.

Gait, E. A : History of Assam, Calcutta 1906.

Kakoti, B K. : Assamese its Formation and Development Lawyers' Book Stall, Gauhati, 1941.

Rathnaish, E V. : Structural Constriaints in Tribal Education, New Delhi, 1972.

Chatterjee, S. K. : Kirata Jana Krti, Asiatic Society of Bengal, 1974.

Delton, E. T. : Descriptive Ethnology of Bengal, Indian Studies, Calcutta, 1960.

The Imperial Gazetteer of India, Calcutta, 1914.

# GEOGRAPHICAL SETTING OF THE MANGALDAI TOWN AREA

Shri Mati Ram Medhi.
M. A. M. Phil.

Mangaldai Town with a population of 12, 150 ( 1971 ) is the headquarters of the newly formed Darrang district on the north bank plain of the Brahmaputra Valley. The town with a total area of 4·95 sq. Kms-lies on the intersection of 26°25′50″N parallel of latitude and 92°02′0″E meridian of longitude. It is situated at a distance of 68 Kms east of Gauhati, the class I town of the Brahmaputra Valley. It is essentially a market oriented and administrative town by the side of National High Way No. 52. It gained the status of a town since the advent of the Britishers when the British civilian Vetch made this place the headquarters of Darrang district in 1833. However, in 1835 the headquarters were shifted from this place to Tezpur and it continued to be the subdivisional headquarters since then till July 1, 1983.

The Mangaldai municipal area is bounded by the Villages Tengabari, chapai and Howly Mohanpur on the north, North Trunk Road and the Bega River on the east, Upahupara and the Mangaldai river on the west and the charland' of the Brahmaputra on the south.

Geographically, Mangaldai Town area is a small river valley plain of Mangaldai river. 'This river with its tributary 'Bega' is flowing through the heart of the town. The plain had its origin thousands of years ago. The present site of the town is like an alluval upland in the midst of lowlying agricultural lands and its topography is even. The town enjoys the lacational advantage of aeting as a liaison between two different but geographically very important regions of Assam the fertile rice and jute growing region of lower North Assam plain and the rich tea growing regions of upper north bank plain.[1] The town is surrounded by rich alluvial land which have afforded plenty of resources to attract early settlers.

The relief of Mangaldai Town is almost the same with that of the district as a whole. The Darrang district consists of a patch of the plain lying between the Steeply rising Himalayas on the north and the mighty Brahmaputra on the South. It has four distinct physiographic zones. Firstly, there is the 'Bhabar' zone lying at the juncture of the Himalayas and the plain, which is built up of coulescence of alluvial fans. Secondly, South of the Bhabar zone' lies The 'Terai' area which is relatively flat and has damp ground. Thirdly, south of the Terai belt, there is the relatively consolidrated built up central zone. Mangaldai Town is located in the southern of limit on this zone. Fourthly the lowlying zone bordering the Brahmaputra consists of active flood plains of the Brahmaputra.

The area where Mangaldai Toun is situated may be divided into two micronatural divisions,[2] viz, the jungle covered flat lands and the northern highlands, Near

the Brahmaputra there is the jungle covered flat lands where the villagers raise summer rice, pulses and mustard. When the level rises relatively the paddy land is found in association with the groves of bambaoos, arecanut and coconut. The northern highland is covered by forests. All these have provided a suitable situation for the growth of the town.

The whole of Darrang district is drained by three systems of rivers, the Bar Nadi-Na Nadi group, the Mangaldai Noa Nadi group and the Dhansiri group. Again these streams and rivers may be divided into two groups : ( 1 ) those which originate from the mountains and 2) those which come out from the Terai Region. The former are perennial in character and the latter dry up completely in the winter season. While the western part of Mangaldai Town with an area of about 500 Km² falls under the drainage basin of the Bar Nadi-Na Nadi system the eastern part which comprise an area of about 800Km² is drained by the Jia-Dhansiri River. The Na-Nadi group of rivers has shown some stability in its lower course in which Mangaldai Town is exactly located, Thus the river Mangaldai with its tributary Bega is the main drainage of the area which is flowing through the heart of the town.

Like other part of Assam the location of Mangaldai has provided with a sub-tropical climate with well marked seasonal variations. There is heavy rainfall in summer and drought in winter. Its average annual rainfall is 189 cm, and the mean annual temperature is 22·4°c, the maximum being 36·4°c and the minimum 8·4° c. The average annual rainfall is however, lower in the south western part of the district. Thus Kurua which is locatd in this part receives only an annual rainfall of 160 cm. The amount of rainfall increases towards north-east where places like Tangla, Panori and Udalguri receive rainfall of 206 cm and 225 cm respectively. Conforming to this pattern of rainfall, the temperature also decreases from the South to the north of the district.

The soils of Mangaldai Town and its suburbs are loamy with patches built of fine silts, rich in alluvium which when dry becomes very hard and compact. This type of soil is locally known as Kathmati ( old alluviums ). This type of soil is important for tea cultivation.

In Mangaldai proper deciduous trees and grasses are common. In suburbs where there are patches of old alluvium soil, tea is grown. But on the lands where tea plantation is not practised sugarcane citrus fruits like orange, pineapples, rice etc. are grown.

Transport and communication are the important infrastructures for the development of a region, Mangaldai Town has link with all the important towns of Kamrup, Sonitpur and Darrang districts by roads. It is also connected with market centres and important places of the Darrang district by P. W. D roads. Of these roads Mangaldai Bhutiasang, Mangaldai Khairabari, Mangaldai Bhairabkunda Mangaldai Kurua, Kharupatia Udalguri are more important. In total a length of 200 km is of matelled road. 832 km of gravelled road and 9?0 km is of Kaccha road in the district. The North Trunk Road passes through the town connecting Gauhati on the

South and Tezpur on the north east. The rest of the roads are narrow and mostly confined to the area within the town itself.

But strikingly enough, the town has not yet been connected with railway, although it is located only 68 km away from Gauhati city. This has stood in the way of its development and for that matter for the whole district.

**Bibliography.**


1. Bhattacharyya, N N 'Mangaldai : A Study in Urban Morphology' in THE NORTH EASTERN GEOGRAPHER vol VIII No 1 & 2, 1976. P. 16-17.
2. Taher, Dr. M, The Geo-Economic Basis of population Distribution in Mangaldai Sub-division, Assam, in the North Eastern GEOGRAPHER vol VIII, No. 1 & 2 1976, P-9 10.
3. "Mangaldai Town, A Study in Urban Social Geography" an unpublish M. Phil dissertation by the author, 1984.
4. Govt. of Assam. Handbook of Census. Darrang District. General Administration Dept. Govt. of Assam, Dispur. 1975




গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৮৭ চনৰ স্নাতক
মহলাৰ পদাৰ্থ বিজ্ঞান (মুখ্য বিষয়ত)
মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী
শ্ৰীমিনু কোঁৱৰে ১ম শ্ৰেণীৰ
অষ্টম স্থান লাভ কৰে।

## EDITORS AND PROF-IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE FROM 1958—86-87

| Session | Editor | Prof in-charge |
|---|---|---|
| 1958—59 | Shri Bodheswar Deka | Shri P. Bora |
| 1960- 61 | Shri Soneswar Sarma | Shri D. Neog |
| 1961—62 | Shri Hara Gauri Adhikari | Shri P. Bora |
| 1962—63 | Shri Maheswar Kalita | Shri D. Neog |
| 1963 - 64 | Shri Tuwa Ram Deka | Shri D. Neog |
| 1964—65 | Md. Fazlul Karim | Shri D. Neog |
| 1965—66 | Shri Bashab Ch. Sahariah | Shri D. Neog |
| 1966—67 | Shri Hem Kanta Deka | Shri J. C. Sarma |
| 1968—69 | Shri Naren Hazarika | Shri J. C. Sarma |
| 1969—70 | Shri Prabhat Nr. Choudhury | Shri J. C. Sarma |
| 1970—71 | Shri Dinabandhu Sarma | Shri J. C. Sarma |
| 1971—72 | Md. Mahiuddin Jiaul Haque | Shri B. Kakati |
| 1972 - 73 | Shri Premananda Nath | Shri B. Kakati |
| 1973—74 | Shri Bhabendra Ch. Deka | Shri B. Kakati |
| 1974—75 | Shri Juran Ch. Kalita | Shri B. Kakati |
| 1975—76 | Shri Debendra Kr. Sarma | Shri B. Kakati |
| 1976—77 | Shri Bhaba Kt. Hazarika | Shri B. Kakati |
| 1977—78 | Shri Paramananda Razbongshi | Miss Naharun Nesha |
| 1978—79 | Shri Sailendra Kr. Sarma Baruah | Shri M. P. Baruah |
| 1979—81 | Shri Pankaj Kr. Goswami | Shri Bizay Goswami |
| 1981—82 | Shri Gagendra Baruah | Shri Bharat Sarmah |
| 1982—83 | Shri Biswajeet Goswami | Shri Bharat Sarmah |
| 1983—84 | Shri Dulal Baruah | Shri Bharat Sarmah |
| 1985—86 | Shri Siba Prasad Baruah | Shri Matirrm Medhi |
| 1986 - 87 | Shri Minaram Hazarika | Shri Matiram Medhi |

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ হৈ আলোচনী বিভাগৰ সম্পাদক শ্ৰীমিনাৰাম হাজৰিকাৰ দ্বাৰা প্ৰকাশিত আৰু কলিতা আৰ্ট প্ৰেছ, মালিগাঁও, গুৱাহাটী ৭৮১০১১ ত' ত মুদ্ৰিত।